# অসম বিধান সভা অধিৱেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখ ঃ ০৬/০৪/২০১৮ শুকুৰবাৰ

---

**আজি ইংৰাজী ০৬-০৪-২০১৮ তাৰিখে পুৱা ৯.০০ বজাত অসম বিধান সভাৰ বাজেট অধিৱেশন যোৱাকালি মাননীয় অধ্যক্ষ ডাঙৰীয়াই সদনত ঘোষণা কৰা ধৰণে অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষ ঃ** যোৱাকালি মই কাৰ্য্যসূচী আৰম্ভ কৰাৰ আগমুহূৰ্তত কৈছিলো যে আমি চাহ জনগোষ্ঠী, চাহ উদ্যোগ আৰু চাহৰ লগতে প্ৰাক্তন চাহ জনগোষ্ঠীৰ সমগ্ৰ বিষয়টো, তেওঁলোকৰ আৰ্থ-সামাজিক অৱস্থা, উদ্যোগটো কেনেকৈ জীয়াই ৰাখিব পাৰি, সেই সমগ্ৰ বিষয়টো আলোচনা কৰিছিলো। তাৰ ওপৰত প্ৰতিবেদন তেওঁলোকে দাখিল কৰিছে। আজি এইকাৰণে প্ৰতিবেদনৰ Report টো দাখিল কৰিবলৈ কৈছো। ৰিপোৰ্ট আকাৰে কথাখিনি ৯.৩০ বজাত আপোনালোকৰ টেবুলত বিতৰণ কৰি দিব। এতিয়া মন্ত্ৰী ডাঙৰীয়াক থূল-মূলকৈ প্ৰতিবেদনৰ মূল পইণ্ট কেইটা ক'বলৈ অনুৰোধ কৰিলো। Details Point.বোৰ মূল Report ত পাব। প্ৰতিবেদন পোৱাৰ পিছত দৰকাৰ হ'লে ভৱিষ্যতলৈ কিবা থাকিলে তাৰ ওপৰত আলোচনা কৰিম।

**শ্ৰী পল্লৱ লোচন দাস, শ্ৰম আৰু শক্তি মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ জনাবলৈ নিশ্চয় মোৰ শব্দৰ অভাৱ। কাৰণ যোৱা বিধান সভাত আপুনি যি পদক্ষেপ গ্ৰহণ কৰিলে, পোন প্ৰথম বাৰৰ বাবে ইতিহাসত যে চাহ উদ্যোগ আৰু চাহ উদ্যোগৰ লগত জড়িত সমাজখনত আমি কেনেকৈ আগবঢ়াই লৈ যাম, সেই সম্পৰ্কত অসম বিধান সভাৰ সন্মানীয় সদস্য সকলে অংশ গ্ৰহণ কৰিলে। তেখেতসকলে বিভিন্নধৰণে আমাক পৰামৰ্শ আগবঢ়ালে যে কেনেকৈ চাহ উদ্যোগ আৰু চাহ জনগোষ্ঠীৰ লোকসকলৰ বাবে চৰকাৰে দায়বদ্ধভাৱে কাম কৰে। সেই সম্পৰ্কে খুব ধুনীয়াকৈ আলোচনা কৰা হ'ল আৰু সেই আলোচনাৰ খুব সুন্দৰ ৰূপ এটা আপুনি আমালৈ প্ৰেৰণ কৰিলে। আপুনি গ্ৰহণ কৰা সেই পদক্ষেপৰ পৰিপ্ৰেক্ষিতত আমি মাননীয় মুখ্য মন্ত্ৰীৰ লগতে বিভিন্ন বিভাগীয় মুৰব্বীসকলৰ লগতো সবিশেষ আলোচনা কৰা হ'ল। তেখেতসকল আৰু আমি সকলোৱে মিলি অসম চৰকাৰে কেনেকৈ এই পদক্ষেপ গ্ৰহণ কৰিম, তাৰ সম্পৰ্কে থূল-মূলকৈ কেইটামান বিষয় আমি উপস্থাপন কৰিব বিচাৰিছো। মই সন্মানীয় বিধায়ক সকলক অনুৰোধ জনাইছো অলপ পিছতেই বিধায়ক সকলক ইয়াৰ কপি দিয়া হ'ব আৰু আপোনালোকে সেইমতে সেই নিয়ম অনুসৰি বিভাগসমূহৰ লগত যোগাযোগ কৰি কামসমূহ কৰিবৰ বাবে পৰৱৰ্ত্তী পৰ্য্যায়ত কি কৰিব বা আমাক দৃষ্টিগোচৰ কৰিব পাৰিব। প্ৰথমে মাননীয় অধ্যক্ষ মহোদয়, আপোনাক এটা কথা ক'ব খুজিছো এই চাহ উদ্যোগৰ লগত জড়িত সমাজখনৰ আটাইতকৈ ডাঙৰ সমস্যাটো উপলব্ধি কৰে, সেইটো হৈছে সমাজখনৰ সামাজিক সন্মান আৰু সামাজিকভাৱে যি সন্মান কামনা কৰে সেইটো চৰকাৰীভাৱে কেনেকৈ প্ৰদান কৰিব পাৰে সেইটো সকলোতকৈ ডাঙৰ বিষয়। কিন্তু আমাৰ দৃষ্টিগোচৰ হৈছে যে বিভিন্ন পৰ্য্যায়ত সমাজখনক নেতৃত্ব দিয়া, সমাজখনৰ কাৰণে কাম কৰা বা অসমৰ বিভিন্ন আৰ্থসামজিক, ৰাজনৈতিক ক্ষেত্ৰখনত নেতৃত্ব দিয়া ব্যক্তিসকলক কেতিয়াও গুৰুত্ব দিয়া নহ'ল। সেইকাৰণে আমি প্ৰথমে এটা পদক্ষেপ গ্ৰহণ কৰিব খুজিছো যে সমাজখনৰ উত্তৰণৰ বাবে আমি সমাজক নেতৃত্ব দিয়া

ব্যক্তিসকলক সন্মান বৃদ্ধি কৰা ব্যক্তি সকলৰ বাবে প্ৰয়াস কৰিছো। প্ৰথমে আমি পদক্ষেপ গ্ৰহণ কৰিছো যে ১৯২১ চনতে স্বাধীনতা সংগ্ৰামত অংশ গ্ৰহণ কৰি আত্ম বলিদান দিয়া মাঙৰি ওৰাং এগৰাকী মহিলা, শ্বহীদ হিচাপে স্বীকৃতি পাব লাগিছিল। কিন্তু আমি সেই সম্পৰ্কে একো গম নাপালো। নতুন প্ৰজন্মইও নাজানিলে আৰু ইতিহাসৰ পৰা তেখতৰ নামটো নোহোৱাৰ নিচিনা পৰিৱেশ হ'ল। সেইকাৰণে প্ৰথমবাৰৰ কাৰণে মাঙৰি ওৰাঙৰ নামত সোণাৰি বিধান সভা সমষ্টিত আমি এটা Archary Academy নিৰ্মাণ কৰাৰ কাৰণে আগবাঢ়িছো আৰু তেওঁৰ নামত উৎসৰ্গা কৰিব বিচাৰিছো। তেনেদৰেই অসমৰ বিভিন্ন প্ৰান্তৰ চাহ বাগিছা এলেকাৰ বিধান সভা সমষ্টি সমূহত ৫০ টা ৰঙ্গমঞ্চ তেখেতৰ নামত উৎসৰ্গা কৰাৰ কথা চিন্তা কৰিছো আৰু ব্যৱস্থা গ্ৰহণ কৰিছো। ঠিক তেনেধৰণে ভাৰত ত্যাগ আন্দোলনৰ সময়ত ১৯৪২ চনৰ ২০ চেপ্তেম্বৰ তাৰিখে দুগৰাকী চাহ জনগোষ্ঠীৰ সেই সময়ৰ স্বাধীনতা সংগ্ৰামী দয়াল দাস পাণিকাৰ আৰু মংগল কুৰ্কু একেলগে যিদিনাখন কনকলতা ডাঙৰীয়ানী শ্বহীদ হৈছিল, সেই একেদিনাই তেওঁলোকো শ্বহীদ হৈছিল। কিন্তু তেওঁলোক দুজনৰ নাম ইতিহাসৰ পাতৰ পৰা নাইকিয়া হৈ গ'ল। অসম চৰকাৰ বা কোনো এটা অনুষ্ঠানে তেওঁলোকৰ নামত উৎসৰ্গা কৰা নহ'ল। তেখেতসকল পাহৰণিৰ গৰ্ভত হেৰাই গ'ল। সেইকাৰণে এইবাৰ আমি শোণিতপুৰ জিলাত দয়াল দাস পাণিকাৰৰ নামত আৰু তিনিচুকীয়া জিলাত মঙ্গল কুৰ্কু দেৰৰ নামত দুখন ফুটবল একাডেমি নিৰ্মাণ কৰিব বিচাৰিছো আৰু তেখেতসকলৰ নামত উৎসৰ্গা কৰিব বিচাৰিছো। আমি ঠিক তেনেধৰণে চাহ জনগোষ্ঠীৰ সমাজখনত প্ৰথমে শৈক্ষিক নেতৃত্ব প্ৰদান কৰা দুগৰাকী ব্যক্তি আছিল, সেই দুগৰকী ব্যক্তিয়ে সমাজখনক একত্ৰিত কৰিলে। আজি যিখন শিক্ষিত সমাজ আগবাঢ়ি আহিছে, সেই সমাজখন নিৰ্মাণ কৰিছিল, ছাইমন সিং হ'ৰ' আৰু সন্তোষ কুমাৰ তপ্ন নামৰ দুগৰাকী ব্যক্তিয়ে। তেওঁলোকে চাহ বাগানৰ ছাত্ৰ-ছাত্ৰী সকলক শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট আগবঢ়াই নিছিল। তাৰ মাজতে আজি এই পৰ্য্যায়ত সামাজিক সংগঠন, ছাত্ৰ সংগঠন নিৰ্মাণ কৰিলে। তাৰ পৰাই আজি ৰাজনৈতিক বা সামাজিক নেতৃত্বত যিমানখিনি চাহ জনগোষ্ঠীৰ লোক আছে, সেই সংগঠনৰ পৰাই আগবাঢ়ি আহিছে। সেইকাৰণে আমি চাইমন সিং হ'ৰ' আৰু সন্তোষ ত প্ন ছাৰৰ বাবে মুখ্য মন্ত্ৰীৰ বিশেষ নেতৃত্বত ডিব্ৰুগড়ত দুটা প্ৰতিমূৰ্ত্তি নিৰ্মাণ কৰি তেখেত সকলৰ স্মৃতি চিৰযুগমীয়া কৰিবলৈ প্ৰয়াস কৰিছো। ঠিক তেনেধৰণে সন্তোষ টপ্ন ছাৰৰ স্মৃতিত তেখেতৰ জন্ম ২৩ নৱেম্বৰৰ দিনটোত আমাৰ শ্ৰমিক কল্যাণ বিভাগে এটা উদ্যোগ লৈছো যে আমি শ্ৰমিক কল্যাণ দিৱস হিচাপে প্ৰত্যেক বছৰে আমি সেইটো আয়োজন কৰিম। শ্ৰমিক সকলৰ সন্মান বৃদ্ধি আৰু শ্ৰমিক কল্যাণৰ কাৰণে আমি এইটো ব্যৱস্থা কৰিম। এইখিনি আমি জনগোষ্ঠীটোৰ উত্তৰণৰ কাৰণে আৰু সামাজিক নেতৃত্বক আগবঢ়াবৰ কাৰণে প্ৰয়াস কৰিছো। তাৰ উপৰিও আমাৰ কেইটামান বিষয় আছে, মই কেনেকৈ কৰিব জনাব বিচাৰিছো। আমি দেখিছো যে আমাৰ বিভিন্ন আইন আছে। কিন্তু বিভিন্ন আইন সমূহত কিছুমান আঁসোৱাহ আছে। সেই আইন সমূহত আজিৰ প্ৰেক্ষাপটত যথেষ্ট অসুবিধা আছে। যেনেকৈ Plantation Labour Act, Minimum Wage ৰ ক্ষেত্ৰত হওঁক বা অন্যান্য যিমানখিনি আইন আছে, Industrial Disputed Act,তেনেকুৱা আইন খিনি আমি পৰীক্ষা-নিৰীক্ষা কৰি সেই আইন খিনি ভৱিষ্যতৰ দিনত কেনেকৈ সংশোধন কৰিব পাৰি, সেইকাৰণে আমি উচ্চ ন্যায়ালয়ৰ এগৰাকী অৱসৰ প্ৰাপ্ত ন্যায়াধীশৰ নেতৃত্বত এখন সমিতি গঠন কৰিব বিচাৰিছো আৰু তেখেতৰ নেতৃত্বতে আমি আমাৰ সন্মানীয় বিধায়ক, উদ্যোগৰ লগত জড়িত ব্যাক্তিসকলে আৰু বিভিন্ন ট্ৰেড ইউনিয়নৰ লগত আলোচনা কৰি কেনেকৈ আমি আইন সমূহ সংশোধন কৰিব পৰা যায় তাৰ কাৰণে এখন সমিতি গঠন কৰিম আৰু সেই সমিতিখন দুই মাহৰ ভিতৰত গঠন

কৰাৰো আমি পদক্ষেপ গ্ৰহণ কৰিছো।

**माननीय অধ্যক্ষ ঃ** আইনৰ লগতে ৰুলখিনিৰ কথাও সুমুৱাই ল'লে ভাল হয়। কেন্দ্ৰীয় আইন বিলাকো চাব লাগে।

**পল্লৱলোচন দাস, মন্ত্ৰী ঃ** নিশ্চিতভাৱে সেইটো আমি সামৰি লৈছো। তদুপৰি আৰু এটা ডাঙৰ বিসংগতি আমাৰ দৃষ্টিগোচৰ হৈছে যে- আমাৰ শ্ৰমিকসকলক যিটো মজুৰি দিয়া যায়, সেইটো কোনো কাৰণতে দুটা ধৰণৰ হ'ব নোৱাৰে। ন্যূনতম মজুৰি বুলি যেতিয়া কোৱা যায় ন্যূনতম মজুৰি এটা হাৰতে হ'ব লাগে। কিন্তু আজি দীৰ্ঘদিন ধৰি এইটো আমি দেখা পালো যে ব্ৰহ্মপুত্ৰ উপত্যকা আৰু বৰাক উপত্যকা, ইয়াত দুটা বেলেগ ধৰণৰ মজুৰি নিৰ্ধাৰণ কৰা হ'ল আৰু দুটা মজুৰিৰ আধাৰত দুইজন শ্ৰমিকক বেলেগ বেলেগ ধৰণে তেওঁলোকৰ মজুৰি দিয়া হ'ল। সেই কাৰণে অসম চৰকাৰে প্ৰথমবাৰৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰিছে যে আমি বৰাক ভেলি আৰু ব্ৰহ্মপুত্ৰ ভেলিত একেধৰণৰ মজুৰি নিৰ্ধাৰণ কৰিম আৰু চৰকাৰে ইয়াৰ ওপৰত বিহিত পদক্ষেপ গ্ৰহণ কৰিব আৰু আমি কমদিনৰ ভিতৰতে এই পদক্ষেপটো গ্ৰহণ কৰিম।

ইয়াৰ উপৰিও আমি কেইটামান কাম কৰিব বিচাৰিছোঁ। আমি জানো চাহ বাগিছাৰ সমাজখনৰ বাবে সকলোতকৈ ডাঙৰ সমস্যা হৈছে শিক্ষা। প্ৰাথমিক শিক্ষা, মাধ্যমিক শিক্ষা আৰু উচ্চ শিক্ষা। প্ৰাথমিক বিদ্যালয় আছে কিন্তু মাধ্যমিক আৰু উচ্চ শিক্ষাৰ বিদ্যালয় চাহ বাগিছাসমূহত নাই। সেই কাৰণে প্ৰথমবাৰ অসম চৰকাৰে এটা পদক্ষেপ গ্ৰহণ কৰিছে। শিক্ষা বিভাগে এশখন হাইস্কুল চাহ বাগিছা অঞ্চলত নিৰ্মাণ কৰিবৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰিছে। ইতিমধ্যে ৫৭ খন বিদ্যালয় নিৰ্মাণৰ কাৰণে মাটি নিৰ্ধাৰণ কৰা হৈ গৈছে, ৫৭ খন বিদ্যালয় নিৰ্মাণৰ কাৰণে টেণ্ডাৰো process কৰা হৈ গৈছে আৰু বাকী যি কেইখন আছে সেই কেইখনৰ N.O.C ৰ কাৰণে উপায়ুক্তক জনোৱা হৈছে, উপায়ুক্তৰ পৰা যদি মাটিখিনিৰ N.O.C আহি যায় তেতিয়া নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰিব পৰা যাব আৰু সন্মানীয় বিধায়কসকলকো অনুৰোধ জনাইছোঁ। আপোনালোকেও যেন এই কামখিনি হোৱাত সহযোগিতা কৰে। গতিকে, আমি এশখন হাইস্কুল নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰাৰ কাৰণে পদক্ষেপ গ্ৰহণ কৰিম।

তদুপৰি মাননীয় অধ্যক্ষ মহোদয়, আমি পোনপ্ৰথম বাৰ শৈক্ষিক উত্তৰণৰ বাবে আৰু দুটা কাম কৰিব বিচাৰিছোঁ। চাহ বাগিছা অঞ্চলত আজিলৈকে দেখা নাই যে কেতিয়াবা কোনোবা সংগঠনে বা ব্যকতিয়ে কোনো জিলাৰ চাহ বাগিচা অঞ্চলত গ্ৰন্থমেলাৰ আয়োজন কৰিছে। আজিলৈকে গ্ৰন্থমেলা কেতিয়াও চাহ বাগিচা অঞ্চলত কৰা হোৱা নাই, কোনো শ্ৰমিকে কেতিয়াও গ্ৰন্থাগাৰলৈ গৈ পোৱা নাই। সেইবাবে পোন প্ৰথম বাৰৰ কাৰণে আমি এটা কাম কৰিব বিচাৰিছোঁ যে আমাৰ তিনিগৰাকী খুউব স্বনামধন্য সাহিত্যিক আছে- (১) মেঘৰাজ কৰ্মকাৰ (২) ডেউৰাম তাচা আৰু (৩) নাৰায়ণ ঘটোৱাৰ এই তিনিগৰাকী ব্যক্তিৰ স্মৃতিত আমি প্ৰথমবাৰৰ কাৰণে চাহ বাগিচা অঞ্চলত গ্ৰন্থমেলাৰ আয়োজন কৰিম। যি গ্ৰন্থমেলাৰ জৰিয়তে চাহ বাগিচাৰ লোকসকলক গ্ৰন্থৰ লগত পৰিচয় কৰাই দিয়াৰো এটা পদক্ষেপ আমি ইয়াত গ্ৰহণ কৰিছো।

তদুপৰি আমাৰ বহুতো শিক্ষিত যুৱক-যুৱতী আছে, তেওঁলোকেও proper training ৰ অভাৱত Competitive Exam বিলাকত আগবাঢ়িব পৰা নাই। সেই কাৰণে আমি Administrative Staff Training College ত প্ৰথম বাৰৰ কাৰণে A P S C বা U P S C Examination ত appear হ'ব পৰাকৈ চাহ বাগিচা আৰু অন্যান্য পিছপৰা অঞ্চলৰ ৩০ গৰাকী যুৱক-যুৱতী আৰু ছাত্ৰ-ছাত্ৰীক প্ৰশিক্ষণ দিয়াৰ কাৰণে পদক্ষেপ গ্ৰহণ কৰিছো আৰু আমি

এই ব্যৱস্থাটো বাহাল ৰখাৰ লগতে বিভিন্ন জিলা ভিত্তিত প্ৰশিক্ষণ দিয়াৰো ব্যৱস্থা ৰাখিম। ভৱিষ্যতে যাতে তেওঁলোকে শিক্ষিত সমাজ হিচাপে প্ৰতিষ্ঠা লাভ কৰিব পাৰে। সেই কাৰণে আমি মাননীয় মুখ্যমন্ত্ৰীৰ তত্বাৱধানত এই বিশেষ উদ্যোগটো গ্ৰহণ কৰিছো।

তদুপৰি আমি আৰু দুটা পদক্ষেপ গ্ৰহণ কৰিব বিচাৰিছোঁ। তাৰ এটা দীৰ্ঘদিনীয়া সমস্যা হ'ল চাহ বাগিচাৰ লোকসকলৰ সামাজিক নিৰাপত্তা। কেনেকৈ আমি চাহ বাগিচাৰ লোকসকলক সামাজিক নিৰাপত্তা দিম? আজি বিভিন্ন চাহ বাগিচাৰ শ্ৰমিকসকল যেতিয়া কোনো দুৰাৰোগ্য ৰোগত আক্ৰান্ত হয়, দুৰ্ঘটনাগ্ৰস্ত হয় বা অৱসৰ গ্ৰহণ কৰে, তেনেকুৱা অৱস্থাত কিন্তু সেই পৰিয়ালটো চলিবৰ কাৰণে যথেষ্ট অসুবিধাৰ সন্মুখীন হোৱা দেখা যায়। সেয়েহে অসম চৰকাৰে এইবাৰ পোন প্ৰথম বাৰৰ কাৰণে 'প্ৰধান মন্ত্ৰীৰ জীৱন জ্যোতি যোজনা' আৰু 'প্ৰধান মন্ত্ৰীৰ সুৰক্ষা যোজনা'ৰ জৰিয়তে এই লোকসকলক Insurence Coverage দিয়াৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো। আমি A T P/PF ৰ দ্বাৰা আৰু এতিয়া আমাৰ যিটো ভৱিষ্যনিধিৰ সংগঠন আছে তাৰ জৰিয়তেও এটা পদক্ষেপ গ্ৰহণ কৰিব বিচাৰিছোঁ যে- শ্ৰমিক এগৰাকী অৱসৰ গ্ৰহণ কৰাৰ পিছত ১০ বছৰলৈকে যাতে প্ৰতিমাহতে ন্যূনতম ১০০০ টকাকৈ ফেমিলি পেঞ্চন এটা লাভ কৰিব পাৰে তাৰ ব্যৱস্থা কৰাৰ লগতে তেওঁলোকৰ ভৱিষ্যনিধিৰ ধনখিনি যাতে খুউব কম সময়তে ( ১৫ দিনৰ ভিতৰত) Account Transfer ৰ জৰিয়তে পাব পাৰে তাৰ কাৰণেও আমি ব্যৱস্থা গ্ৰহণ কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, এই বিলাকৰ উপৰিও আমি চাহ উদ্যোগটোৰ কথাও চিন্তা কৰিছো যে- চাহ উদ্যোগটো জীয়াই তাকিলে চাহ বাগিচাৰ লোকৰসকলৰ কাৰণে ভাল হ'ব। সেই কাৰণে চাহ উদ্যোগটোক জীৱিত ৰাখিবৰ কাৰণে আমি কেইবাটাও পদক্ষেপ গ্ৰহণ কৰিছো। তাৰে ভিতৰত এটা হ'ল যোৰহাটস্থিত যিটো চাহ গৱেষণা কেন্দ্ৰ আছে, সেইটো পুনৰুজ্জীৱিত কৰা আৰু গৱেষণাৰ প্ৰসাৰতা বৃদ্ধিৰ কাৰণে আমাৰ উদ্যোগ বিভাগে ১৭ কোটি টকাৰ আবণ্টন দিছে। তদুপৰি আমাৰ আৰু এটা দীৰ্ঘদিনীয়া সমস্যা, যিটো বিভিন্ন সময়ত আলোচনা হৈ আছে, সেইটো হ'ল 'অসম চাহ নিগম'। 'অসম চাহ নিগম'ৰ অধীনত অসম চৰকাৰে পৰিচালনা কৰা ১৫ খন চাহ বাগিচাৰ লগত জড়িত মানুহখিনি যতেষ্ট নিৰাপত্তাহীনতাত ভুগি আছে। সেইকাৰণে আমি 'অসম চাহ নিগম'ৰ চাহ বাগিচা খিনিৰ উত্তৰণৰ কাৰণে অসম চৰকাৰে প্ৰথমবাৰৰ কাৰণে ৯৯ কোটি টকা প্ৰদান কৰিছে যাতে এই বাগিচা সমূহৰ শ্ৰমিক খিনিয়ে তেওঁলোকৰ ভৱিষ্যনিধিৰ নামত পাবলগীয়া ধন আৰু অন্যান্য অনাদায় ধন সমূহ লাভ কৰিব পাৰে আৰু তাৰ বাবে এখন Cabinet Sub-Committee গঠন কৰি দিয়া হৈছে। পৰৱৰ্তী পৰ্যায়ত এই Sub-Committee য়ে চাহ বাগিচাৰ সমগ্ৰ বিষয়বোৰ চোৱা-চিতা কৰাৰ লগতে চাহ বাগিচা সমূহ কেনেকৈ পৰিচালনা কৰা হ'ব তাৰ ওপৰত পদক্ষেপ গ্ৰহণ কৰি চাহ বাগিচাৰ লগত জড়িত অন্যান্য বিষয়সমূহ আগবঢ়ায় লৈ যাব।

ইয়াৰোপৰি আমি আৰু এটা কথা লক্ষ্য কৰিছো যে চাহ বাগিচা অঞ্চলৰ যি সমূহত চিকিৎসালয় আছে সেইবিলাকো জৰাজীৰ্ণ আৰু শোচনীয় অৱস্থাত আছে। স্বাস্থ্য বিভাগে এইবাৰ চিকিৎসালয় সমূহৰ ওপৰতো পদক্ষেপ গ্ৰহণ কৰিছে। স্বাস্থ্য বিভাগে সেইবাবে ডাক্টৰৰ কোৱাৰ্টাৰ, নাৰ্চৰ কোৱাৰ্টাৰ আৰু চাহ বাগিচা অঞ্চলৰ চিকিৎসালয় সমূহ পুনঃ নিৰ্মাণ কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে, যাতে চিকিৎসালয় সমূহত চিকিৎসা সেৱা ভালকৈ দিব পৰা যায়।

তদুপৰি বৰ্তমান সময়ত আমি চাহ বাগিচাৰ লোকসকলৰ মাজত আৰু এটা সমস্যা দেখিবলৈ পাইছো, সেইটো হৈছে Electricity ৰ সমস্যা। এই চাহ বাগিচাৰ লোকসকলৰ বাসগৃহত Cluster Meter থকাৰ কাৰণে Electricity Bill ৰ নামত তেওঁলোকে বহু ধন ভৰিবলগীয়া হৈছে।

সেই কাৰণে এইবাৰ আমি দুটা পদক্ষেপ গ্ৰহণ কৰিছোঁ, সেয়া হ'ল- ইতিমধ্যে আমাৰ হাতত যি ৫৫ কোটি টকা আছে, তাৰ উপৰিও কেন্দ্ৰীয় চৰকাৰৰ 'সৌভাগ্য' বুলি যিটো আঁচনি আছে, এই দুয়োটা আঁচনি Club কৰি লৈ Individual Meter ৰ মাধ্যমত Individual Billing ৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে অন্যান্য গাঁওসমূহত যি ব্যৱস্থা আছে সেই একে ধৰণৰ ব্যৱস্থা চাহ বাগিচাৰ চাহ শ্ৰমিকসকলক প্ৰদান কৰিম আৰু অহা ২০১৯ ৰ ভিতৰতে এই কামখিনি সম্পূৰ্ণ কৰাৰ কাৰণে বৰস্থা গ্ৰহণ কৰিম। এইখিনি পদক্ষেপ আমাৰ বিভাগৰ ফালৰ পৰা লোৱা হৈছে। এইটোৰ উপৰিও আমাৰ ফালৰ পৰা আৰু এটা কথাত গুৰুত্ব প্ৰদান কৰা হৈছে যে- এই চাহ বাগিচাৰ লোকসকলক LED Bulb প্ৰদান কৰাৰ কাৰণেও ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

এইখিনিৰ উপৰিও, আমি আৰু দুটা কাম কৰিব বিচাৰিছোঁ। মাননীয় অধ্যক্ষ মহোদয়, আমি দেখা পাইছো যে আমাৰ বিভিন্ন বিভাগ আছে। এই বিভাগ সমূহে চাহ উদ্যোগ আৰু চাহ জনজাতিৰ লোকসকল বা তেওঁলোকৰ লগত জড়িত লোকসকলৰ হিতাৰ্থে বহুতো কল্যাণমূলক আঁচনি ৰূপায়ণ কৰিছে। যেনেকৈ উদ্যোগ বিভাগ, চাহ জনজাতি কল্যাণ বিভাগ, শ্ৰম বিভাগ আৰু অন্যান্য যি বিভাগ আছে, এই বিভাগ সমূহৰ মাজত সামঞ্জস্য ৰাখি চাহ উদ্যোগৰ লগতে অন্যান্য উদ্যান শস্য বা আন সমপৰ্যায়ৰ যি শস্য আছে সেই সমূহৰ উৎপাদন বৃদ্ধিৰ বাবে লক্ষ্য স্থিৰ কৰিছো।

আমি সকলোৱেই জানো যে অসমৰ অৰ্থনীতিৰ মূল ভেঁটিটোৱেই হ'ল চাহ উদ্যোগ। আজি সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰতে অসমতেই অধিকাংশ চাহ উৎপাদন কৰা হয়। সেইবাবে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে, তেখেতে চাহ উদ্যোগৰ লগত সকলো বিলাক বিভাগ একত্ৰিত কৰি এটা নতুন মন্ত্ৰণালয় গঠন কৰিব পৰা যায় নেকি সেই বিষয়ে চিন্তা-চৰ্চা কৰি আছে আৰু ইতিমধ্যে আমাৰ মুখ্য সচিবৰ নেতৃত্বত এখন সমিতিও গঠন কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। তাৰ লগতে আমাৰ ৰাজ্যত যিমান বিলাক Stake Holder আছে। তেওঁলোকক, আমাৰ মাননীয় বিধায়কসকলক, উদ্যোগৰ লগত জড়িত ব্যক্তিসকলক আৰু শ্ৰমিকসকলকো একেলগে লৈ আলোচনাৰ মাধ্যমত এটা নতুন সুকীয়া মন্ত্ৰণালয় গঠন কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

এইবিলাকৰ উপৰিও আমাৰ আন এটা গুৰুত্বপূৰ্ণ বিষয় হ'ল- আমাৰ চাহ বাগিচাৰ ভূমি সমূহ। এই ভূমিখিনিক লৈয়ো আমাৰ এটা বিশেষ সমস্যা আছে। সেইবাবে আমাৰ ইয়াত ভূমি নীতিৰ ওপৰত যি আলোচনা চলি আছে, সেইবিলাকো আমি পৰ্যালোচনা কৰি আছো যাতো এই ভূমি নীতিৰ আধাৰতো বাগিচাৰ ভূমি সমস্যা সমূহ সমাধান কৰিব পৰা যায়। তাৰ লগতে A. B. C ৰ নেতৃত্বত এখন নতুন ভূমি উপদেষ্টা সমিতি চাহ বাগিচাৰ লোকসকলৰ বাবে আমি গঠন কৰিছো। এই উপদেষ্টা সমিতিয়ে চাহ বাগিচাৰ অতিৰিক্ত ভূমিখিনি নিৰ্ধাৰিত নিয়মৰ মাজেৰে যাতে চাহ বাগিচাৰে শ্ৰমিকসকলৰ নামত আবণ্টন দিব পৰা যায় তাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিব।

মই আমাৰ সন্মানীয় সদস্যসকলৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছোঁ যে আমাৰ প্ৰতিটো বিভাগে কেনেকৈ কি কি কাম কৰিব সেই সম্পৰ্কে জনাই আপোনালোকৰ ওচৰত এখন প্ৰতিবেদন দাখিল কৰিব আৰু আপোনালোকেও সেই প্ৰতিবেদনৰ ওপৰত দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব।

মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথায়ে বিশেষকৈ ক'ব বিচাৰিছোঁ যে ভৱিষ্যতে আমাৰ আৰু বহু কাম কৰাৰ পৰিকল্পনা আছে।

আমাৰ চাহ বাগিছাৰ ভূমিখিনিক লৈ আমাৰ এটা বিশেষ সমস্যা আছে। সেই কাৰণে ভূমি নীতিৰ পৰ্য্যালোচনা কৰি আছোঁ তাৰ লগতে আমি নতুন ভূমি নীতি গ্ৰহণ কৰিছোঁ। এ ডি চিৰ নেতৃত্বত

এখন ভূমি উপদেষ্টা সমিতি চাহ বাগিছাৰ লোকসকলৰ বাবে আমি গঠন কৰিছোঁ। এই ভূমি উপদেষ্টা সমিতিয়ে যাতে চাহ শ্ৰমিকৰ কাৰনে যিখিনি ভূমি আছে সেইখিনি তেওঁলোকক আবন্টন দিয়া যায় তাৰ কৰণে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছোঁ। তদুপৰি আমি সকলো সন্মানীয় সদস্যক জনাব বিচাৰিছোঁ যে প্ৰতিটো বিভাগে কেনেধৰণে কাম কৰিম সকলো বিভাগে আমি আপোনালোকক প্ৰতিবেদনখন দাখিল কৰিম। সেই প্ৰতিবেদনত যদি কিবা ক'বলগীয়া থাকিব ক'ব পাৰিব। অধ্যক্ষ মহোদয় , আমি বহু খিনি কাম কৰিম কিন্তু মূলতঃ যিখিনি কাম আমি ১০০ শতাংশই কৰিব পাৰিম বুলি আমাৰ বিশ্বাস আছে সেইখিনি আমি প্ৰতিবেদনত দিছোঁ। তদুপৰি এনেকুৱা বহু কাম আছে যিখিনি আমি প্ৰয়াস কৰি আছো আৰু খুব সম্ভৱ সেই কামো আমি কৰিবলৈ সক্ষম হম। এইটো এটা অধ্যক্ষ মহোদয় নতুন পৰম্পৰা হৈছে। সচাঁকৈ আপুনি প্ৰসংসা আৰু ধন্যবাদৰ পাত্ৰ। আপুনি সমাজখনৰ উত্তৰণৰ লগতে উদ্যোগটো আগবাঢ়ি যাবৰ বাবে যি প্ৰয়াস কৰিছে, এইটো নিশ্চয় আগন্তুক দিনত চাহ বাগিছাৰ সমাজখনক আৰু উদ্যোগটো আগবঢ়াই লৈ যাব। গণতান্ত্ৰিক ব্যৱস্থাটোৰ প্ৰতি দায়বদ্ধতা আৰু মানুহে আমাৰ এই বিধান সভাৰ মৰ্য্যদা বৃদ্ধি হোৱা যেন অনুভৱ কৰিব আৰু মানুহে আমাৰ লগত জড়িত হ'বলৈ সক্ষম হ'ব কাৰণ মই এই কথাটো এই কাৰণে কৈছোঁ মই প্ৰথমবাৰ এই বিধান সভাত দেখিলোঁ যে আমাৰ সমাজৰ বিভিন্ন ক্ষেত্ৰত নেতৃত্বত দিয়া বহুকেইগৰাকী ব্যাক্তি আমাৰ ইয়াত আহি আপোনাৰ লগত বাৰ্ত্তালাপ বা ভাৱ বিনিময় কৰিবলৈ প্ৰয়াস কৰিছে। ই এক নতুন পদক্ষেপ। মই নিশ্চিতভাৱে আশা কৰিছোঁ, যে আমাৰ চৰকাৰৰ এই পদক্ষেপ খিনিয়ে এক নতুন ধৰণৰ ইতিহাস সৃষ্টি কৰিব আৰু ভবিষ্যত দিনত সমাজখন উত্তৰণত এক বিশেষ ভূমিকা গ্ৰহণ কৰিব। এইখিনি কৈ অধ্যক্ষ মহোদয় আপোনাক পুনৰবাৰ ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ লগতে সকলো সন্মানীয় সদস্য আমাৰ প্ৰতিবেদনত আপোনালোকৰ যিখিনি সহায় সহযোগিতা প্ৰয়োজন হ'ব আপোনালোকে দিব বুলি আশা কৰি মোক এইখিনি ক'বলৈ সুবিধা দিয়া বাবে পুনৰ ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছোঁ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ ..। proof চোৱাৰ পিছত Printing Debate copy আপোনালোকক দিয়া হ'ব। এইবাৰ আমাৰ Assembly দীঘলীয়া হোৱা বাবে অলপ বিলম্ব হৈছে। আপোনালোকৰ যিমানখিনি শুধৰণি আছিল সেইখিনি মই Highlight কৰি ৰাখিছিঁলো যাতে চৰকাৰে প্ৰতিবেদনত অলপ চেষ্টা কৰে। কিবা যদি হৈছে এইটো সমিল মিলেৰে কৰা আলোচনাৰ ফলত হৈছে। Stake Holder ৰ যিখন মিটিঙ পাতিছিলো তাত বিভিন্ন দলৰ ৰাজনৈতিক ভাবে প্ৰতিষ্ঠিত ব্যক্তি সকলে আহি তেওঁলোকৰ মনৰ কথা কৈছিল। সেই কাৰণে মই আনন্দিত হৈছিলোঁ। আমাৰ আটাইতকৈ পিছপৰা এটা অন্যতম জনগোষ্ঠী হ'ল চাহ জনগোষ্ঠী। তেখেতসকলৰ আৰ্থসামাজিক উন্নয়ন , বাগান জীয়াই ৰখা, উদ্যোগ জীয়াই ৰখাৰ যিখিনি প্ৰচেষ্টা সেইখিনি কথা উল্লেখ কৰি তেখেত সকলে এখন প্ৰতিবেদন দিছে। বিশেষকৈ যিখিনি আলোচনা হ'ল এটা কথা মই দেখিছিলো যে বৰ্ত্তমান প্ৰচলিত কিছু আইন হৈছে আমাৰ উত্তৰণৰ অন্তৰায়। সেই কাৰনে High Court ৰ এজন Retired Judge ৰ জৰিয়েত এখন কমিটি গঠন কৰি কেন্দ্ৰক জনাব লাগিব যে এইখিনি আইন আমাৰ বাবে অসুবিধাজনক হৈছে । কেন্দ্ৰীয় আইনখিও আমি কেন্দ্ৰক জনাব লাগিব। মই বোধ কৰো এইটোৱে আগলৈ গোটেই কথাখিনি Play কৰি দিব। এতিয়া কওতে কেইবাটাও দৰকাৰী কথা কৈছে । বহুতে কৈছে যে আমাৰ মানুহখিনিক আজি পাহৰি যোৱা স্মৃতি ঘূৰাই আনিবলৈ আজি প্ৰয়াস কৰা হৈছে। শিক্ষাৰ যিটো প্ৰসাৰৰ কথা কৈছে সেইটোও ভাল হৈছে। টি, কফি, ৰাবাৰ এই গোটেই বিষয় জড়িত বস্তুবিলাক সাঙুৰি মুখ্য সচিবৰ নেতৃত্বত

পৰীক্ষা নিৰিক্ষা কৰি এটা সুকীয়া মন্ত্ৰনালয় কৰিব পৰা যায় নেকি? এই বিষয়ে যিটো ৰিপোৰ্ট কৰিছে, এই ৰিপোৰ্টটো আহিলে ভাল হ'ব। এইটো আমাৰ কাৰণে Great Achievement হ'ব আৰু এটা ৰেজৰ ক্ষেত্ৰত সকলোৰে কৈছিল যে এটা Tripartite হ'ব লাগে। শাসক - বিৰোধী সকলোৰে এই কথাটোত গুৰুত্ব দিছে। আইন কেনেকুৱা হৈ আছে আইনগত বিধিখিনিও পৰীক্ষা কৰিব লাগিব। মজুৰিৰ ক্ষেত্ৰত বৰাক আৰু ব্ৰহ্মপুত্ৰ ভেলীৰ মাজৰ difference টোকে ধৰি প্ৰতিটো বিষয় আলোচনা কৰিবলৈ ইচ্ছুক আপোনালোকে সহায় সহয়োগ কৰিছে তাৰ কাৰণে আপোনালোকক ধন্যবাদ দিছোঁ, মন্ত্ৰী ডাঙৰীয়াকো ধন্যবাদ দিছো। মই ভাবো প্ৰতিবেদনৰ কপি সদনৰ ভিতৰত দিলে ভাল হ'ব। আৰু কিবা থাকিল আমি আগলৈ আলোচনা কৰিম। এতিয়া মই next subject লৈ আহিছোঁ। এতিয়া ফনী ভূষণ চৌধুৰী আৰু তাৰ পিছত বৃন্দাৱন গোস্বামীয়ে ক'ব। সময়ৰ প্ৰতি লক্ষ্য ৰাখি যিমান পাৰে concise কৰিবলৈ অনুৰোধ জনালোঁ।

**শ্ৰীফনীভূষণ চৌধুৰীঃ** হয়, অধ্যক্ষ মহোদয়, প্ৰথমতে আপোনাক মই ধন্যবাদ জনাইছোঁ এই কাৰণে যে, শিক্ষা বিভাগটোক আগবঢ়াই লৈ যোৱাৰ বাবে আপুনি যিটো এটা বলিষ্ঠ পদক্ষেপ লৈছে ।

**মাননীয় অধ্যক্ষ ঃ** অলপ ৰ'ব । এটা কথা মই কৈছোঁ- আপোনালোকে যিটো speech দিছে তাৰ ৰিপোৰ্ট বিলাক বনাবৰ কাৰণে সেইখিনি শুদ্ধ হোৱা উচিত। এইখিনিৰ এডিট মই নিজেও কৰিছোঁ। গতিকে আপোনালোকৰ যিটো speech সেইটো আজি বা কাইলৈ পাই যাব। বহু দৰকাৰী কথা কৈছে । সেইখিনি আপোনালোকে নিজে edit কৰি আমাক দিব । পেলাই নথ'ব। এইটো জৰুৰী বিষয়।

**শ্ৰীফনীভূষণ চৌধুৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগটোৰ ওপৰত আলোচনা কৰিবলৈ আপুনি দুটা দিন ধাৰ্য্য কৰিছে। এতিয়া আমাৰ শিক্ষা ব্যৱস্থাটো , আমাৰ ছাত্ৰ-ছাত্ৰীসকল কি অৱস্থাত আছে , কিমান জ্ঞান আহৰণ কৰিবলৈ সক্ষম হৈছে প্ৰথমতে মই দুটা মান উদাৰহণ আপোনাৰ ওচৰত দাঙি ধৰিম। ‘ প্ৰথম ’ নামৰ এটা N GO আছে। এই NGO টোৱে ২০০৫ চনৰ পৰাই ভাৰত বৰ্ষৰ বিভিন্ন স্কুলবিলাক Survey কৰি এটা report দাখিল কৰে। এই report অনুযায়ী ভাৰতবৰ্ষৰ ৰাজ্যবিলাক কি অৱস্থাত আছে সেয়া জানিব পৰা যায়। ‘প্ৰথম’ৰ survey report বিলাক চোৱাৰ পিছত তেওঁলোকে স্কুলবিলাক যধে-মধে চাৰ্ভে নকৰাকৈ, চালি জাৰি নোচোৱাকৈ ইচ্ছাকৃতভাৱে ভুল ৰিপোৰ্ট প্ৰস্তুত কৰে বুলি মোৰ নিজৰ এটা ধাৰণা জন্ম হৈছিল। কিন্তু ‘প্ৰথম’ৰ survey report বিলাকৰ যে সত্যতা আছে মোৰ এটা কথাৰ পৰা বিশ্বাস হৈছে। মোৰ বঙাইগাওঁ সমষ্টিৰ এখন স্কুল- এই মুহূৰ্তত স্কুলখনৰ নামটো মই নকওঁ, তাত ক্লাছ চিক্সত - ৩১ জন ল'ৰা-ছোৱালীৰ জ্ঞানৰ পৰিসৰ ওপৰত এটা সাধাৰণ পৰীক্ষা লোৱা হৈছিল। তাত নিজৰ নামটো ইংৰাজীত লিখিব দিলে , দেউতাকৰ নামটো অসমীয়াত লিখিব দিলে, নিজৰ স্কুলখনৰ নামটো লিখিব দিছে। ব্যাঞ্জণ বৰ্ণ লিখিব দিছিলে আৰু সংখ্যা ইংৰাজী-অসমীয়া দুয়োটাতে **১** ৰ পৰা **২০** লৈ লিখিব দিছে। কিন্তু আপুনি আচৰিত হ'ব অধ্যক্ষ মহোদয়, ৩১ জন ছাত্ৰৰ **২০** জনে নিজৰ পঢ়া স্কুলখনৰ নামটো লিখিব পৰা নাই। আকৌ নিজৰ নামটো শুদ্ধকৈ লিখিব পৰা নাই **২০** জনে। আৰু ব্যঞ্জণ বৰ্ণৰ যিখন ‘ক-ফলা’ আছে **৩১** জনৰ ২৯ জনে লিখিব পৰা নাই। এইটো হৈছে অধ্যক্ষ মহোদয় বৰ্ত্তমান আমাৰ শিক্ষা ব্যৱস্থা। ছাৰ এই স্কুলখনৰ এজন ছাত্ৰৰ উত্তৰ বহীখন মই লৈ আহিছোঁ। গতিকে ছাৰ এই উত্তৰবহীটো আপোনাক দিলোঁ আপুনি চালে বৰ্ত্তমান শিক্ষা ব্যৱস্থা ক'লৈ গতি কৰিছে আপুনি অনুমান কৰিব পাৰিব। এতিয়া এই ব্যৱস্থাটোৰ আজি এনে অৱস্থা কিয় হৈছে? ইয়াৰ বাবে দায়ী কোন? শিক্ষকসকল নে, ছাত্ৰ সমাজ নে অভিভাৱক? এই বিষয়টো এতিয়া কোটি

টকীয়া প্ৰশ্ন। ষষ্ঠ মানৰ ছাত্ৰ জনে যদি নিজৰ নামটো, মাক-দেউতাকৰ নামটো, স্কুলৰ নামটো, 'ক' ফলাখন, সংখ্যা ইত্যাদি খিনি যদি শুদ্ধকৈ লিখিব পৰা অৱস্থা পায় তেতিয়াহ'লেহে আমি শিক্ষা ব্যৱস্থাৰ ওপৰত যি দুদিনীয়া আলোচনা অনুষ্ঠিত কৰিছো সেইটো ফলপ্ৰসূ হ'ব। এতিয়া চাওঁক সৰ্বশিক্ষা আৰু ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান এই দুটা দীৰ্ঘম্যাদী অভিযান এই অভিযানৰ পিছত প্ৰকৃততে ছাত্ৰ-ছাত্ৰীসকলৰ মানদণ্ড উন্নত হৈছেনে নাই? গুণগত মানদণ্ড উন্নত হৈছেনে নে নাই? মই যিখন বঙাইগাওঁৰ স্কুলৰ কথা উদাহৰণ হিচাপে উল্লেখ কৰিছোঁ তাৰ জৰিয়তে আমাৰ শিক্ষা ব্যৱস্থাৰ মানদণ্ডটো প্ৰকাশ পাইছে। এতিয়া কথাটো হৈছে যে আমাৰ সৰ্ব্ব শিক্ষা মিছন, ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান চলি আছে , তাত কি হৈছে, Class - Iৰ পৰা class VIII লৈকে পৰীক্ষা লোৱা ব্যৱস্থাটো নাই। fail কৰা বস্তুটো নাই। ছয় মহীয়া -বছৰেকীয়া পৰীক্ষা লোৱা ব্যৱস্থা নাই। অভিভাৱক সকলো ভাবে যে মোৰ ল'ৰাটো বা ছোৱালীজনী প্ৰতি বছৰে পাছ কৰি ওপৰ ক্লাছত গৈ আছে দেখোন, তেন্তে চিন্তা কিহৰ? । তাৰ পিছত হয় কি , Class XIII ৰ পৰা class IX লৈকে Upper Class promotion ৰ পৰীক্ষাত যেতিয়া অৱতীৰ্ণ হয় তেতিয়া বছৰে বছৰে ফেইল কৰে। fail ৰ ওপৰত fail। দীৰ্ঘম্যাদী যি অভিযান, এই অভিযানৰ পিছত আচলতে ছাত্ৰ-ছাত্ৰীসকলৰ গুণগত মাণদণ্ড উন্নত হৈছে নে নাই। এই বিষয়টো আচলতে যিখন স্কুলৰ কথা ক'লো, সেই স্কুলখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ জৰিয়তে অনুমান কৰিব পাৰিছো। এতিয়া কথাটো হৈছে যে আমাৰ সৰ্ব্বশিক্ষা মিছন (ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান) ত class 1 ৰ পৰা upto VIII ফেইল কৰোৱা পদ্ধতি নাই। অভিভাৱক সকলেও ভাৱে যে তেখেতসকলৰ ল'ৰা - ছোৱালীয়ে যিহেতু পাছ কৰি আছে, গতিকে ভালে আছে। যেতিয়া class VIII ৰ পৰা class IX লৈকে গুচি যায়, তাৰ পিছত পৰীক্ষাৰ প্ৰতিযোগিতা আহি যায়। পৰীক্ষাৰ প্ৰতিযোগিতা আহি যোৱাৰ লগে লগে ল'ৰা -ছোৱালী বিলাকে বছৰৰ পিছত বছৰ ধৰি ফেইল কৰি শেষত শিক্ষা শেষ কৰিব লগীয়া হয় আৰু এই বস্তুটো SR ৰ তথ্য এটাৰ পৰা স্পষ্ট হৈ পৰে। এতিয়া class VI ৰ পৰা ১৪ বছৰলৈকে dropout তাৰ মানে স্কুললৈ নোযোৱা ছাত্ৰ ছাত্ৰীৰ সংখ্যা 3.1% আছে আমাৰ ৰাজ্য খনত আছে। কিন্তু এইটো গৈ ১৫,১৬ বছৰ যেতিয়া পায়, তেতিয়া হয় 15.3% ।তাৰ মানে এইটো বৃদ্ধি পালে 3% ৰ পৰা 15% । এইটো বুজাইছে যে আচলতে class 1 ৰ পৰা upto VIII লৈকে সৰ্বশিক্ষাৰ মিছনত ফেইলৰ ব্যৱস্থাটো নাই, নথকাৰ কাৰণে তেওঁলোকে স্কুলত গৈ থাকে। যেতিয়া class IX, X পায়, পৰীক্ষাৰ প্ৰতিযোগিতা অহাৰ পিছতে ফেইলৰ ব্যৱস্থাটো হোৱাৰ কাৰণে স্কুলত যোৱা ছাত্ৰ ছাত্ৰীৰ সংখ্যাটো কমি যায়।

আমাৰ ৰাজ্যখনত অসমৰ শিক্ষামন্ত্ৰী ডাঙৰীয়াই মোৰ প্ৰশ্নৰ উত্তৰত কৈছে যে অসমত ৩৯ হাজাৰ এল পি স্কুল আছে। কিন্তু আকৌ মই সৰ্বশিক্ষাৰ পৰা তথ্য সংগ্ৰহ কৰি পাইছো যে ৫০৭৭১ খন এল পি স্কুল আছে। গতিকে এতিয়া কোনটো সত্য মই নাজানিম। কিন্তু যিয়ে নহওঁক, ৫০ হাজাৰে বা ৩৯ হাজাৰ অসমত এল পি স্কুল আছে। ৫০ বা ৩৯ হাজাৰ খন স্কুলৰ (single teacher)এজন শিক্ষক থকা স্কুল আছে ২৯৩১ খন। double teacher স্কুল আছে ১৬৪১৮ খন। এতিয়া আমি এক ফালে কৈছো যে শিক্ষাৰ ব্যৱস্থাটো আগবঢ়াই লৈ যাব লাগে। কিন্তু এখন স্কুলত যদি এজন শিক্ষক আছে আৰু সেই শিক্ষক জনে যদি স্কুলখন CRCC হয়। সেই স্কুলত খনত শিক্ষক জনৰ পৰা কেনেধৰণৰ শিক্ষা আহৰণ কৰিছে ছাত্ৰ-ছাত্ৰী সকলে, এই কথাটো আমি নিশ্চয় সহজে সকলোৱে অনুমান কৰিব পাৰোঁ। আমি প্ৰাথমিক স্তৰৰ পৰাই শিক্ষাৰ বুনিয়াদ গঢ় দিব লাগিব। শিক্ষাৰ বুনিয়াদ যদি আমি গঢ় দিবলগীয়া হয়, তেতিয়া হ'লে নিশ্চিত ভাৱে এই প্ৰাথমিক

স্তৰৰ পৰাই লৰা-ছোৱালী বা ছাত্ৰ-ছাত্ৰীবিলাকৰ ওপৰত শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিব লাগিব। এতিয়া এখন এল পি স্কুলত পাঁচটা ক্লাচ প্ৰথম শ্ৰেণীৰ পৰা ক্লাচ পঞ্চম শ্ৰেণীলৈকে। এই যে **২৯৩১** খন single teacher এল পি স্কুল আছে। এজন শিক্ষকে পাচঁটা ক্লাচত পাঠদান কৰিব লাগিলে, সেই ল'ৰা-ছোৱালী বা ছাত্ৰ-ছাত্ৰীসকলে সেই শিক্ষক জনৰ পৰা কি জ্ঞান আহৰণ কৰিব, এই কথাটো নিশ্চয় আমি সহজে বুজি পাম। RTE Act ত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ ratio টো আছে 1:30, 1:40। কিন্তু প্ৰকৃতাৰ্থত শিক্ষা ব্যৱস্থাটোক যদি আগবঢ়াই লৈ যাব লগীয়া হয়, তেনেহ'লে আমি অন্তত এল পি স্কুলত প্ৰতিটো শ্ৰেণীৰ বাবে এজনকৈ শিক্ষক দিয়াৰ ব্যৱস্থাটো কৰিব লাগিব। যদি এই ব্যৱস্থাটো কৰিব নোৱাৰো, তেতিয়াহ'লে আমি যিমানে বিধান সভাৰ মজিয়াত শিক্ষাৰ বিষয়ে আলোচনা নকৰো কিয়, আমি প্ৰকৃতাৰ্থত মুঠ ছাত্ৰ -ছাত্ৰীৰ পৰাই আধাতকৈ বেছি ভাগে, তেওঁলোকৰ নিজৰ নামটো বা স্কুলৰ নামটোকে শুদ্ধকৈ লিখিব নোৱাৰিব। গতিকে মই মাননীয়া শিক্ষামন্ত্ৰী ডাঙৰীয়াক আজি এই আলোচনাৰ জৰিয়তে অনুৰোধ কৰিব বিচাৰিছোঁ যাতে RTE Act ত যিয়ে নথাকক কিয় আমাৰ ৰাজ্যখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি অন্ততঃ এল পি স্কুলত প্ৰতিটো ক্লাচৰ বিপৰীতে এজনকৈ শিক্ষক দিব পৰা যায় নেকি, তাৰ ব্যৱস্থাটো কৰিবৰ কাৰণে মই আজি এই বিধান সভাৰ মজিয়াত অনুৰোধ ৰাখিছো আৰু আশা ৰাখিছো যে তেখেতে এই বিষয়ত নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰিব।

এতিয়া কথাটো হৈছে যে প্ৰাথমিক বিদ্যালয়ত আমি দেখা পাইছো যে স্কুলবিলাকত কোনো partition নাই। তাৰ মানে একেটা ঘৰতে class 1 ৰ পৰা class V লৈকে পাঠদান কৰে। গতিকে দেখা যায় যে যেতিয়া শিক্ষকে যেতিয়া পাঠদান কৰিব চতুৰ্থ শ্ৰেণীত যি পাঠদান কৰিব, সেই কথাখিনি দ্বিতীয় , তৃতীয় শ্ৰেণীৰ ছাত্ৰ -ছাত্ৰীৰ কাৰণে অসুবিধাৰ সৃষ্টি হয়। যাৰ ফলত প্ৰকৃতাৰ্থত যেনেধৰণৰ শিক্ষা প্ৰদান কৰিব লাগে তাৰ ক্ষেত্ৰত অসুবিধাত পৰে। সেই কাৰণে এই ক্ষেত্ৰত আমি গম পাইছো যে এই বাৰ বাজেটত সৰ্বশিক্ষা provision টো আছে যে যিবিলাক স্কুলত তেনেধৰণৰ partition নাই বা তেনেধৰণৰ ব্যৱস্থা নাই । এই ব্যৱস্থা বিলাক কৰিবৰ কাৰণে সিদ্ধান্ত কৰিছে, তাৰ কাৰণে ভাল পাইছো। গতিকে এই কামবিলাক যাতে সোনকালে কৰে, তাৰ কাৰণে অনুৰোধ জনাইছোঁ।

এতিয়া অধ্যক্ষ মহোদয় আহিছো mid-day- mealৰ প্ৰসংগলৈ যিখন এল পি স্কুলত এজন শিক্ষক থাকে, এই শিক্ষক জনে mid-day- meal খোৱাবৰ কাৰণে ভাতৰ ব্যৱস্থা কৰিব, বজাৰ কৰিব নে ছাত্ৰ-ছাত্ৰীৰ শিক্ষা প্ৰদান কৰিব। সেই কাৰণে mid-day- meal আমাৰ শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ ক্ষেত্ৰত কিছু হ'লেও হেঙাৰ স্বৰূপ হৈ পৰিছে। গতিকে এই mid-day-meal ৰ ব্যৱস্থাটো কেনেধৰণে শিক্ষকক জড়িয়তে নকৰাকৈ কৰিব পাৰি, তাৰ কাৰণে চিন্তা চৰ্চা কৰিব লাগে। তেনেহ'লে নিঃসন্দেহে শিক্ষক সকলৰ লগতে ছাত্ৰ -ছাত্ৰী সকলেও লাভৱান হ'ব।

এতিয়া অধ্যক্ষ মহোদয়, আৰু এটা কথা ক'ব বিচাৰিছোঁ CRCC । এতিয়া সৰ্ব্বশিক্ষাত CRCC আছে। CRCC বিলাকে নিয়মমতে এটা ক্লাচ ল'ব লাগে, ক্লাচ কৰাৰ পিছত তেওঁলোকৰ যিটো বিভাগীয় দায়িত্ব আছে, সেই দায়িত্ব পূৰণ কৰিব লাগে। CRCC ৰ ক্ষেত্ৰত এটা কথা হয়নে নহয় মই নাজানো। কিন্তু CRCC জনে বিভিন্ন স্কুলৰ পৰা দাবী ধমকি দি টকা লোৱাৰ উদাহৰণ আছে। সেই CRCC ৰ, এই ব্যৱস্থাটোৰ কাৰণে এল পি স্কুলৰ শিক্ষক জনকে CRCC দিয়ে। এতিয়া এল পি স্কুলৰ শিক্ষকক যদি এল পি স্কুলৰ কাৰণে CRCC দিয়ে।

মাননীয় অধ্যক্ষ মহোদয়, কিন্তু CRCC LP School ৰ CRCC জন ME School ৰ হওঁক। ME School ৰ CRCC জন High School ৰ Teacher হওঁক। এনেকুৱা ধৰণৰ যদি ব্যৱস্থা কৰা হয়, তেতিয়া হলে CRCC নিযুক্তি দিয়া যিটো লক্ষ্য সেইটো পৰিপূৰ্ণ হ'ব। SSA বা সৰ্বশিক্ষা অভিযান আৰু RMS শিক্ষাক আগবঢ়াই নিবৰ কাৰণে শিক্ষক সকলক Train up কৰাৰ বাবে কিছুমান অভিজ্ঞ ব্যক্তিৰ জৰিয়তে তেওঁলোকে Module বনাই ছাত্ৰ-ছাত্ৰী সকলক কেনেকৈ শিক্ষাদান কৰিব লাগিব এই বিষয়ে তেওঁলোকে Training দিয়ে। কিন্তু দেখা যায় Module বনাই অভিজ্ঞ শিক্ষক সকলৰ জৰিয়তে Training দিয়ে। সেই Training টো দিয়াৰ পিছত নিজৰ নিজৰ জিলা সমূহত আহি তেওঁলোকে শিক্ষক সকলক Training দিয়ে। Training যে দিয়ে কিমান ফলপ্ৰসু হৈছে, RMSA ত ও এই ব্যৱস্থা আছে। কিন্তু প্ৰকৃতাৰ্থত এই ব্যৱস্থাটো কি হৈছে, যি বিলাক পৰীক্ষা প্ৰাপ্ত শিক্ষক তেওঁলোকে বিদ্যালয়লৈ গৈ শিক্ষক সকলক Training দিছে নে নাই। মই ও এজন শিক্ষক আছিলো, মই আজিৰ পৰা ৩০, ৩৫, ৪০ বছৰ আগত ডিগ্ৰী লৈছিলো আজি মই Class- X ৰ গণিত বা বিজ্ঞানৰ বিষয় বিলাকৰ জ্ঞান কিন্তু মোৰ নাই। মই যদি মোৰ লৰাটোক Class-X গণিত বা বিজ্ঞান পঢ়াব লগা হয়, মই নোৱাৰো। এই হাইস্কুলৰ শিক্ষক সকলৰ এনেকুৱা এটা ব্যৱস্থা গ্ৰহণ কৰিব লাগে যাতে তেওঁলোকৰ Subject ৰ ওপৰত জ্ঞান থাকে, যিজন শিক্ষকে যিটো বিষয় পঢ়োৱাই সেই বিষয়টোৰ শিক্ষকহে হোৱা উচিত। যেনে কোনোৱা শিক্ষকে Trigonometry বা Statistics বুজাব তেতিয়া তেওঁলোক সেই বিষয়বোৰ কেনে ধৰণে বুজাব, কি জানিব লাগিব এই বিলাক অভিজ্ঞ শিক্ষকৰ জৰিয়তে তেওঁলোকক Training দিয়াৰ ব্যৱস্থা কৰিলে হে সঁচা অৰ্থত আমাৰ ছাত্ৰ-ছাত্ৰী সকল লাভান্বিত হ'ব। এতিয়া কথাটো হ'ল Private স্কুল বিলাকত কিয় যায় ল'ৰা-ছোৱালী। Private School আজিৰ যিটো অসমৰ Survey হৈছে, তাতে ২২ শতাংশ Private School ত যায় আৰু প্ৰায় ৭১ শতাংশ চৰকাৰী বিদ্যায়ত যায়। কিয় যায় আজি আমাৰ যিটো শিক্ষা ব্যৱস্থা কোনোবা এজন Arts Graduate য়ে স্কুলত শিক্ষকতা কৰিছে আৰু তেওঁৰ Degree level ত কি Combination আছিল সেইটো বিষয় গুৰুত্বপূৰ্ণ নহয়।

**মাননীয় অধ্যক্ষ ঃ** সেই বস্তুটো বুজি পোৱা গৈছে। যেনেকৈ কলেজ শিক্ষক বোৰে Summer Vacation ৰ সময়ত Class কৰিবলৈ যাব লাগে, তেওঁলোকে শিকিবলৈ যাব লাগে তেনেদৰে হাইস্কুল শিক্ষক খিনিৰ কাৰণেও Periodiclly এটা Training ৰ ব্যৱস্থা থাকিব লাগে। That I understood, next.

**শ্ৰীফণীভূষণ চৌধুৰী (মাননীয় বিধায়ক, বঙাইগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Science teacher BS.c পাছ হব লাগে। মই নিজে এজন Science Graduate।

**মাননীয় অধ্যক্ষ ঃ** আপুনি ইমান নুবুজাব, কি কৰিব লাগে কওঁক আমি সকলোৱে বুজি পাইছো আপোনাৰ কথা।

**শ্ৰীফণীভূষণ চৌধুৰী (মাননীয় বিধায়ক, বঙাইগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এজন Bio-chemistry, Botany, Zoology, Chemistry লৈ BS.c পাছ কৰা শিক্ষকে Class-X ৰ Physics শিকাব নোৱাৰে।

**মাননীয় অধ্যক্ষ ঃ** আপোনৰ গোটেই কথাটো হাইস্কুলৰ শিক্ষক বিলাকে যদি ব্যক্তিগত বিদ্যালয়ৰ লগত প্ৰতিযোগীতা কৰিব লাগে, তেওঁলোকৰ যিহেতু নতুন নতুন শিক্ষক আহি থাকে, গৈ থাকে তেওঁলোকৰ দৰমহাটো Regular নহয়, কিন্তু আমাৰ শিক্ষকখিনিয়ে যাতে উপযুক্ত ভাৱে ছাত্ৰ

ছাত্ৰী বোৰক শিক্ষা দিব পাৰে তাৰ স্বাৰ্থত তেওঁলোকক Refresher course কিছুমান কৰোৱাই থাকিব লাগে। এইটো আপোনাৰ পৰামৰ্শ, It is a very good suggestion, now you should go to the next point

**শ্ৰীফণীভূষণ চৌধুৰী (মাননীয় বিধায়ক, বঙাইগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৈছো যে ব্যক্তিগত বিদ্যালয় এখনত যেতিয়া Class-X ৰ বিজ্ঞান পঢ়াব, Botany ৰ শিক্ষক বেলেগ, Zoology ৰ শিক্ষক বেলেগ। কাৰণ Science Subject টো একেজন শিক্ষকে নপঢ়াই।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এই কথাবোৰ বেছি Discuss কৰি থাকিলে মোৰ আপত্তি নাই কিন্তু আমি সময়ৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। যিহেতু সকলোৱে বুজি পোৱা মানুহ আমি কথাটো বুজি পাইছো।

**শ্ৰীফণীভূষণ চৌধুৰী (মাননীয় বিধায়ক, বঙাইগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ক'বলগীয়া এইটোয়ে যে ব্যক্তিগত খণ্ডৰ বিদ্যালয় বিলাকৰ নিচিনাকৈ আমাৰ চৰকাৰী স্কুলৰ শিক্ষক সকলোকো Refresher course টো কৰাৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ পিছত অধ্যক্ষ মহোদয়, মহাবিদ্যালয়ৰ কথাটো আহিছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি সময়ৰ প্ৰতি লক্ষ্য ৰাখি কেইটা Point ক'বলৈ চাব। কাৰণ ইতিমধ্যে আপুনি ২০ মিনিট কলে।

**শ্ৰী ফণীভূষণ চৌধুৰী (মাননীয় বিধায়ক, বঙাইগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কলেজত ছাৰ আজিৰ দিনটোত প্ৰতিখন কলেজত UGC ৰ পৰা লাখ লাখ টকা আহে। আচলতে কি হয় কলেজখনৰ Administration ৰ দায়িত্ব Principal জনৰ কিন্তু কলেজৰ Principal বিলাক চাব কলেজৰ UGC ৰ পৰা টকাটো যে আহে সেইটো ব্যৱহাৰ কৰাটো বেছি গুৰুত্ব আৰোপ কৰে। কলেজখনৰ শিক্ষাৰ দিশত গুৰুত্ব নিদিয়ে। গতিকে UGC ৰ পৰা বা চৰকাৰৰ পৰা অসম চৰকাৰে UGC ৰ পৰা যি টকা আহে সেই টকাটো কলেজৰ Principal নোহোৱাকৈ কেনেধৰণে খৰচ কৰিব পৰা যায় তাৰ চিন্তা চৰ্চা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ Governing body বিলাক কলেজৰ Principal ৰ Recommendation মতে হয় কালি কোনোৱা এজন বক্তাই কৈছে কথাটো । এইটো ঠিক হোৱা নাই। মই বুজি পাইছো আৰু আজি আপুনি কোৱা কথাটো মানি লৈছো। এই দুটা দৰকাৰী কথা।

**শ্ৰীফণীভূষণ চৌধুৰী (মাননীয় বিধায়ক, বঙাইগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কলেজ Provincialize কৰিলো । আৰু নতুনকৈ যি বিলাক Provincialize হল তাৰ ছাৰ Maximum কলজেত Ragular Principal নাই। Regular Principal নোহোৱা কাৰণে যি গৰাকী Senior most Professor ক Principal Incharge কৰিছে, তেওঁ গুৰুত্ব আৰোপ কৰা নাই। Regular Principal Appointment হ'ব লাগে। মোৰ বিদ্যাপুৰ নামৰ ঠাই এখনত উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে, তাত ৫০ শতাংশ শিক্ষক নাই । তাত Class- IX ৰ প্ৰায় ৩০০ ছাত্ৰ-ছাত্ৰী। এতিয়া যিখন স্কুলত Class- IX ত ছাত্ৰ ছাত্ৰী যিখন স্কুলত ৫০ শতাংশ আৰু ৫০ শতাংশ শিক্ষক নাই। সেইখন স্কুল কেনেকৈ চলিব। গতিকে যি বিলাক Vacancy আছে, এই Vacancy বিলাক মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই সোনকালে fill up কৰিব লাগে বুলি মই এইখিনি অনুৰোধ জনাইছো। এই যে কলেজৰ Governing body বিলাকত উপযুক্ত মানুহ সমোৱা বুলি মই অনুভৱ কৰা নাই। Governing body বিলাক নতুনকৈ বনোৱাৰ ব্যৱস্থাটো কৰিব লাগে। ছাৰ আমি যে দুই তিনিদিন আপোনাৰ লগতে বহিলো তাত শিক্ষক সকলৰ

সমস্যাৰ কথা কৈছে, সেই সমস্যাৰ কথাখিনি মই ইয়াত কব বিচৰা নাই। এনেকুৱা কিছুমান সমস্যা আছে, যি বিলাক Genuiene সমস্যা। সেই Genuine সমস্যা বিলাক যাতে আমি বিধান সভাৰ আপোনাৰ Report বিলাক গৈ সেই সমস্যা বোৰ সমাধান হয় তাৰ কাৰণে মই আপোনালোকক অনুৰোধ জনাই মই মোৰ ক'বলগীয়াখিনি সামৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে আপুনি বহক। যিকেইটো আপুনি কৈছে genuine কথা, in writing দিব that will be a part of your speech মই সেইটো সুমুৱাই দিম আৰু আমি তাতে আলোচনা কৰিবলৈ পিছত সুবিধা হয়। যিকেইটা genuine বুলি আপুনি ভাৱে you give in writing, it will be treated as part of your speech আৰু আমি record ৰ জৰিয়তে চৰকাৰক সেই কথাখিনি ক'ব পাৰিম। আব্দুল ৰছিদ মণ্ডল, যিহেতু তেখেত অহা নাই ইয়াৰ পিছত এজন আছে মই কালিও কৈছো তেখেতক ক'বলৈ, তেখেতে নকলে। তেখেতৰ মাতৃৰ বিয়োগ হৈছে তথাপি ইয়াত অংশ গ্ৰহণ কৰিবৰ কাৰণে আহিছে শিলচৰৰ পৰা। I feel his pain আৰু মই তেখেতক এতিয়া ক'বলৈ দিব বিচাৰিছো, তাৰ পিছত বক্তা আছে নুৰুল হুদা, তাৰ পিছত বৃন্দাবন গোস্বামী।

**শ্ৰী আমিনুল হক লস্কৰ ঃ** অধ্যক্ষ মহোদয়, আজি Speaker Initiative ত শিক্ষা বিভাগৰ দৰে এটা গুৰুত্বপূৰ্ণ বিভাগৰ আলোচনাত আমাক সুযোগ দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, আমাৰ সোনাই সমষ্টিৰ মেডিকেল কলেজখন আৰু ইঞ্জিনিয়াৰিং কলেজখন আমাৰ সমষ্টিত আৰু Universityখন আমাৰ সোনাই সমষ্টি আৰু ধলাই সমষ্টিৰ সীমাত। কিন্তু দুখৰ বিষয় অধ্যক্ষ মহোদয়, এই মেডিকেল কলেজ যিখন আৰু যিখন NIT হৈছিলে চাহ বাগিচাৰ মাটিৰ ওপৰত হৈছিল আৰু শেষত যিখন University হৈছিলে সেইখনও চাহ বাগিচাৰ মাটিত হৈছিলে। কিন্তু এই চাহ বাগিচাৰ ছাত্ৰ-ছাত্ৰীৰ পঢ়া শুনাৰ কাৰণে এই অঞ্চলত কোনো উচ্চতৰ মাধ্যমিক বিদ্যালয় নাই। এখন High School আছিল, সেইটো Borakhai High School, এই Borakhai High School খন ১৯৭৭ চনত provincialized হৈছিলে। তাৰ পিছত এই Borakhai High Schoolখন ২০০৩ চনত Local public য়ে লৈ Higher Secondary কৰিছিলে। কিন্তু এই Borakhai High School খন চাহ বাগিচাৰ মাটিৰ ওপৰত হোৱাৰ কাৰণে চাহ বাগিচাৰ মালিক পক্ষই কোনো NOC নিদিলে। NOC নিদিয়াৰ কাৰণে এই High School খন Higher Secondary হিচাপে provincialized নহ'ল। অধ্যক্ষ মহোদয়, আমাৰ এইটো এৰিয়াত মেডিকেল কলেজ, NIT, University আছে। কিন্তু এই অঞ্চলৰ ৪ খন চাহ বাগিচা আছে সেইকেইটা হ'ল - ৰেওগাকোনা চাহ বাগান, শিলকুৰী চাহ বাগান, বৰাসাই চাহ বাগান আৰু দৰংখাল চাহ বাগান। এই ৪ খন চাহ বাগানত মাত্ৰ এখন High School. এই High School টো Higher Secondary হিচাপে provincialized কৰিব লাগে, যিহেতু এইটো বাগান অঞ্চলত আছে। আমাৰ শিক্ষা মন্ত্ৰী মহোদয় বৰ্তমান সদনত আছে, আমি ভাৱিছো যে আমাৰ কথাটো দৃষ্টি গোচৰ হ'ব যে এই বাগান এৰিয়াতLP School , ME School আৰু High School আৰু এই ৪ খন বাগানৰ মাজত এখন High School য'ত Higher Secondary হিচাপে Arts Stream চলি আছে, এই Arts Stream ৰ লগতে Science Stream ও খুলিব লাগে। যিহেতু এই অঞ্চলত Science Stream ত পঢ়িবৰ কাৰণে কলেজ নাই মেডিকেল কলেজ এখন আছে, কিন্তু আমাৰ লৰা-ছোৱালীয়ে মেডিকেল কলেজত পঢ়াশুনাৰ সুযোগ সুবিধা নাপায়। কাৰণ এই অঞ্চলত কোনো Science Higher Secondary নাই বা

কলেজ নাই। অধ্যক্ষ মহোদয়, এই অঞ্চলত হাইলাকান্দি জিলাৰ কাঠলিছড়া সমষ্টিত লালা ৰুৰেল কলেজ এখন আছে। এই লালা ৰুৰেল কলেজ ৰ পৰা শিলচৰ সমষ্টিত মাধৱ চন্দ্ৰ দাস কলেজ আছে। মাজত ৩০ কি.মিটাৰ ভিতৰত তিনিটা সমষ্টি পৰে। হাইলাকান্দি সমষ্টিৰ এটা Portion পৰে, ধলাই সমষ্টি আৰু সোনাই সমষ্টি। এই সমষ্টি তিনিটাৰ ভিতৰত এখন কলেজ নাই অধ্যক্ষ মহোদয়। শিক্ষা মন্ত্ৰী ইয়াত উপস্থিত আছে আমি অনুৰোধ কৰিম ইয়াৰ মাজত এখন কলেজ দিব লাগে অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** মই কালিও কৈছো আপোনালোকক। যদি আপোনাৰ সমষ্টি ভিত্তিতে কথা কয়, সেইটো শেষত ক'ব লাগে। মই কোৱাত আপত্তি কৰা নাই, প্ৰথমতে আপুনি আমাৰ গোটেই ৪ দিন ইয়াত আলোচনা হৈছে, তাৰ ওপৰত সেই গোটেই সমস্যাটোৰ ওপৰত দুটা এটা পৰামৰ্শ দিব লাগে। মই দিয়া বিলাক Repeat কৰিবলৈ কোৱা নাই। মই সকলোকে সমান চকুৰে চাব লাগিব। মই বুজি পাও সমস্যা বিলাক। কিন্তু আপোনালোকে যদি সমষ্টিৰ কথা কয়, তেনেকে মই প্ৰত্যেককে সমষ্টিৰ কথা ক'বলৈ দিলে আলোচনাটো বেয়া হৈ যাব। সমষ্টিৰ কথা যি কেইটা আছে আপুনি কোৱাত মই বাধা দিয়া নাই, কিন্তু সেইটো একেবাৰে শেষত হ'ব লাগে। মই কালি আমাৰ চক্ৰধৰ গগৈকো কৈছো, সকলোকে কৈছো। আপোনাৰ এই কথা বিলাক ভৱিষ্যতে আলোচনা হৈ থাকিব। গতিকে আপুনি দৰকাৰী কথা কেইটা শেষত ক'ব কিন্তু তাতে যদি ১০-১৫ মিনিট লৈ যায় তেতিয়াটো মোৰ বেয়া লাগিব। মই আপোনাক Specially দিছো, কালি মই দিয়াৰ পিছতো। আৰু আপুনি পইন্ট কেইটা লিখি দিব, আমি সেইকেইটা ৰাখি দিম, সুমুৱাই দিম লাগিলে Speechত।

**শ্ৰী আমিনুল হক লস্কৰ ঃ** অধ্যক্ষ মহোদয়, সময়ৰ প্ৰতি লক্ষ্য ৰাখি আমি যিবিলাক Issue উঠাব লাগিছিলে আমাৰ সন্মানীয় বিধায়ক বিলাকে সকলো কিছু কৈ গৈছে।

**মাননীয় অধ্যক্ষ ঃ** আৰু নকলেও হ'ব।

**শ্ৰী আমিনুল হক লস্কৰ ঃ** আৰু Repeat হ'ব, সেই কাৰণে আমি Repeat কৰা নাই।

**মাননীয় অধ্যক্ষ ঃ** সেইটো কথা কৈ ল'ব লাগিছিল যে মই অন্যকথা নকওঁ। ঠিক আছে এতিয়া কওঁক, মই সময়টো waste নকৰো।

**শ্ৰী আমিনুল হক লস্কৰ ঃ** অধ্যক্ষ মহোদয়, আমাৰ সমষ্টিত এখন কলেজ আছে মাধৱ চন্দ্ৰ দাস।

**মাননীয় অধ্যক্ষ ঃ** সেইবিলাক আমাক Description নালাগে। আপোনাৰ কলেজত কি কৰিব লাগে শিক্ষা মন্ত্ৰীও আছে শুনি ল'ব নহয়।

**শ্ৰী আমিনুল হক লস্কৰ ঃ** মাধৱ চন্দ্ৰ দাস কলেজখন ১৯৮৫ চনত Arts stream হিচাপে provincialized হৈছিলে। বৰাক উপত্যকাত এখনে মডেল কলেজ য'ত কলা, বিজ্ঞান আৰু বানিজ্য শাখা আছে। কিন্তু বিজ্ঞান আৰু বানিজ্য provincialized হোৱা নাই। অধ্যক্ষ মহোদয়, এই বিজ্ঞান আৰু বাণিজ্য শাখাটো ১৯৯৫ চনত আৰম্ভ হৈছিল আৰু এইটোৱে ১৯৯৮ চনত permission পাইছিলে।

**মাননীয় অধ্যক্ষ ঃ** Don't describe it, you say, যে আমাৰ এটা science, Arts আৰু কমাৰ্চ কলেজ অমুক চনত হৈছিল বাকী দুটা scheme হোৱা নাই, হোৱাৰ ব্যৱস্থা কৰিব লাগে। তাতকৈ বেছি নক'ব।

**শ্ৰী আমিনুল হক লস্কৰ ঃ** অধ্যক্ষ মহোদয়, আমাৰ মাধৱ চন্দ্ৰ দাস কলেজখন science stream টো provincialized হ'ব লাগে। আৰু এটা কলেজ আছে কাবুগন জনতা কলেজ। অধ্যক্ষ মহোদয়, আমাৰ ধলাই সমষ্টিত কোনো কলেজ নাই। আমাৰ মাননীয় মন্ত্ৰী ইয়াত উপস্থিত আছে,

এই কাবুগন জনতা কলেজখন যদিও সোনাই সমষ্টিৰ ভিতৰত কিন্তু একেবাৰে ধলাই সমষ্টিৰ সীমান্তত আছে। এই কাবুগন জনতা কলেজত কেৱল Arts stream আছে। ইয়াত science stream ও খুলিব লাগে। আমাৰ সমষ্টিত Science Higher Secondary School আছে, কিন্তু Higher Secondary পাছ কৰাৰ পিছত আমাৰ ল'ৰা-ছোৱালী শিলচৰত ৩০-৪০ কি.মি. দূৰত গৈ পঢ়িব লাগে। বহুত ছাত্ৰ-ছাত্ৰীয়ে পঢ়া এৰি দিব লগা হয়।

**মাননীয় অধ্যক্ষ ঃ** কিয় আপুনি এইকথা বুজাই আছে। একেটা কথা কিমান কৈ থাকিম। Don't to this.

**শ্ৰী আমিনুল হক লস্কৰ ঃ** অধ্যক্ষ মহোদয়, জনতা কলেজত science stream টো provincialized হ'ব লাগে। এইটোৰে আমাৰ অনুৰোধ থাকিল চাৰ। ধন্যবাদ চাৰ আমাৰ এই কথাটো কোৱাৰ সুযোগ দিয়াৰ কাৰণে।

**মাননীয় অধ্যক্ষ ঃ** মই আপোনাক বন্ধ কৰিবলৈ কোৱা নাই। মই বিচাৰিছোঁ কেইবাজনৰ নাম লিষ্টত আছে সকলোকে adjust কৰিব লাগিব। কালি আমি প্ৰায় ৩ ঘন্টা বঢ়াই দিছো House. শ্বেৰমান আলি আহমেদক কালি মাতিছিলো অহা নাই আজি absent. মই পিছতহে বিবেচনা কৰিম। মই আপোনালোকক কৈছো যদি পলিচিৰ ওপৰত কিব কয় প্ৰথমে ক'ব আৰু সমষ্টিৰ কথা কেইটা আপোনালোকে এখন কাগজত দিলেও মই লিপিবদ্ধ কৰি ৰাখি দিম। ক'ব নালাগে, কাৰণ আপোনালোকৰ এইটো Matter, এনেকৈ ৰিপোৰ্ট যেনেকৈ চাহ বাগিছাৰ হৈছিল আপোনালোক ৰিপোৰ্ট বিলাক ইয়াত থাকিব সেই কথাখিনি চৰকাৰলৈ যাব আমি ৰিপোৰ্ট দিম, চৰকাৰে তাৰ ওপৰত বিবেচনা কৰি কি কৰিব পাৰে আমাক জনাব। তাৰ কাৰণে ৯০ দিন সময় দিম। কিছুমান কথা আজিও তেখেতে হয়তো some up কৰোতে ক'ব। গতিকে আপোনালোকৰ সমষ্টিৰ যদি কিবা থাকে আপুনি লিষ্টখন দি দিব মই ইয়াত আপোনালোকৰ speech ৰ লগত record হিচাপে ৰাখিব দিম, ঠিক আছে, এতিয়া নুৰুল হুদা।

**শ্ৰী নুৰুল হুদা ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগটো এটা গুৰুত্বপূৰ্ণ মানৱ সম্পদ সৃষ্টিকাৰী বিভাগ। এই বিভাগত মোক বক্তব্য দিবলৈ সুবিধা দিয়াৰ বাবে মই আপোনাৰ ধন্যবাদ জনাইছোঁ। ছাত্ৰ-ছাত্ৰী সকল আমাৰ ভৱিষ্যতৰ সম্পদ । এই ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভা বিকাশৰ ওপৰত গুৰুত্ব দি যাৰ য'ত প্ৰতিভা আছে সেই প্ৰতিভা অনুসৰি যদি শিক্ষা দিয়া হয়, তেতিয়াহ'লে আমাৰ শিক্ষা ব্যৱস্থা সাৰ্থক হ'ব। এনে কিছুমান ছাত্ৰ-ছাত্ৰী আছে যিসকল নাচ-গান, গীত-মাতত ভাল। তেওঁলোকৰ কাৰণে প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়ত প্ৰশিক্ষণৰ কোনো ব্যৱস্থা নাই। গতিকে যিসকল ছাত্ৰ-ছাত্ৰী সাংস্কৃতিক ক্ষেত্ৰত গীত-মাত, নাচ-গান এইবিলাকত পাৰ্গত, সেইসকলক শিকোৱাৰ বাবে এজন নিৰ্দেশক বা প্ৰশিক্ষকৰ প্ৰয়োজন বুলি মই অনুভৱ কৰোঁ। আশা কৰোঁ এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে চিন্তা কৰিব।

ইয়াৰ উপৰিও আমাৰ বিদ্যালয় সমূহত আন্ত:গাঁথনিৰ অভাৱ। বিদ্যালয় সমূহৰ আন্ত:গাঁথনি ভাল নোহোৱাৰ বাবে শিক্ষা ব্যৱস্থাত অলপ ত্ৰুটি দেখা পাওঁ। আমাৰ কিছুমান এনেকুৱা বিদ্যালয় আছে যিবিলাক এটা Hall ঘৰৰ নিচিনা। এটা মাত্ৰ class room আৰু ছাত্ৰ-ছাত্ৰী থাকে ২০০ ৰো ওপৰত। তেওঁলোক সকলোৰে এটা class room ত পঢ়ে। class room ৰ পৰা বাহিৰৰ বস্তুবিলাক তেওঁলোকে দেখা পায় আৰু বাহিৰৰ শব্দ বিলাক শুনি থাকে। গতিকে শিক্ষক সকলেও ভালদৰে শিক্ষা দিব পৰা নাই। সেইকাৰণে বিদ্যালয় সমূহত Boundary wall ৰ ব্যৱস্থা কৰিব লাগে আৰু বিদ্যালয় সমূহত প্ৰতিটো class তে একোটাকৈ শ্ৰেণীকোঠাৰ ব্যৱস্থা

কৰিব লাগে। মোৰ সমষ্টিত এখন স্কুল আছে য'ত ২০০ ছাত্ৰ-ছাত্ৰী আছে কিন্তু class room মাত্ৰ এটা আৰু তিনিজন শিক্ষক আছে। যদিও আগতকৈ এতিয়া বহুখিনি আন্ত:গাথনিৰ উন্নয়ণ হৈছে তথাপিও আৰু উন্নয়ণ কৰাৰ প্ৰয়োজন আছে। সেই প্ৰয়োজনখিনি যাতে পূৰণ কৰাৰ ব্যৱস্থা মাননীয় মন্ত্ৰী মহোদয়ে কৰে।

আজি 30:1 হিচাপে শিক্ষকবিলাক নিযুক্তি দিয়া নাই। মোৰ সমষ্টিত কেই বাখনো এনেকুৱা বিদ্যালযো আছে য'ত ৫২২ জন ছাত্ৰ-ছাত্ৰী আছে আৰু শিক্ষক আছে মাত্ৰ ৭ জন। তাৰ বিপৰীতে এনকুৱা কিছুমান বিদ্যালয়ো আছে য'ত ছাত্ৰ-ছাত্ৰী ৩৮ জন আৰু শিক্ষক ১০ জন। ক'ৰবাত অতিৰিক্ত শিক্ষক আছে আৰু আন ক'ৰবাত শিক্ষক যথেষ্ট কম। গতিকে 30:1 যিটো ratio আছে, সেইটো maintain কৰিব লাগে। প্ৰতিখন বিদ্যালয়তে যাতে সেই অনুপাতে শিক্ষক থাকে তাৰ ব্যৱস্থা ল'বলৈ মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ।

আমাৰ বিদ্যালয় সমূহৰ Electricity নথকাৰ কাৰণে উৎকট গৰমত এনেকুৱা অৱস্থা হয় যে, ছাত্ৰ-ছাত্ৰী সকলেও শিক্ষা লোৱাৰ কাৰণে বহি থাকিব নোৱাৰে আৰু শিক্ষক সকলেও ভালদৰে শিক্ষাদান দিব নোৱাৰে। গতিকে এই অসুবিধাটো নিৰ্মূল কৰিব লাগে আৰু প্ৰতিখন বিদ্যালয়ত বিদ্যুৎ যোগানৰ ব্যৱস্থা কৰিব লাগে।

ইয়াৰ লগতে, যোৱাকালি আৰু আজিও বহু বক্তাই কৈ গৈছে যে, আমাৰ বহু ছাত্ৰ-ছাত্ৰী আছে যিসকলে পঞ্চম শ্ৰেণী পাৰ হৈ ষষ্ঠ শ্ৰেণীত admission লোৱাৰ পাছতো নিজৰ নামটো ভালদৰে লিখিব নাজানে। আমাৰ মাননীয় সদস্য ফণীভূষণ ডাঙৰীয়াইও এই কথা কৈছে। ইয়াৰ অন্তৰালত কি আছে? আজি যি বিদ্যালয়ত ৫২২ জন ছাত্ৰ-ছাত্ৰী আছে তাত যদি মাত্ৰ ৪ জন শিক্ষক থাকে আমাৰ শিক্ষা ব্যৱস্থাটো কেনেদৰে ভাল হ'ব? যিবিলাক বেচৰকাৰী বিদ্যালয় আছে সেইবিলাকৰ ৰিজাল্ট চৰকাৰী বিদ্যালয়তকৈ বহুত ভাল হোৱা দেখা যায়। এইটো কিয় হয়? ইয়াৰ কাৰণ হ'ল যে, তেওঁলোকে ৩০ জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে একোজনকৈ শিক্ষকৰ ব্যৱস্থা কৰি লয়। কিন্তু আমাৰ চৰকাৰী বিদ্যালয়ত সেই ব্যৱস্থাটো আজিলৈকে হৈ নুঠাৰ কাৰণে এই বিদ্যালয় সমূহে অগ্ৰগতি লাভ কৰিব পৰা নাই। গতিকে ছাত্ৰ অনুপাতে শিক্ষকৰ ব্যৱস্থাটো অতি সোনকালে কৰিব লাগে। আমাৰ গাওঁ অঞ্চলবিলাকত থকা বিদ্যালয় সমূহত ছাত্ৰ অনুপাতে শিক্ষক যথেষ্ট কম। এই ক্ষেত্ৰত অলপ মনোযোগ দিব লাগে। ইয়াৰ উপৰিও মই আশা কৰোঁ ৰাইজৰ প্ৰয়োজনত বা তাগিদাত প্ৰতিষ্ঠা লাভ কৰা যিবিলাক বিদ্যালয় অপ্ৰাদেশিকৃত হৈ আছে সেইবিলাক মন্ত্ৰী মহোদয়ে অতি সোনকালে প্ৰাদেশিকৃত কৰিব ।নহ'লে আমাৰ মানৱ সম্পদ বিকাশত আমি আগবাঢ়ি যাব নোৱৰিম। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এনেকে যদি সকলোৱে চমুকৈ কয়, ভাল হয়। আজি আগবেলা হাউচ ১১:৪৫ হোৱাত যিহেতু কাৰো আপত্তি নাই , আমাৰ শিক্ষাৰ ওপৰত এই আলোচনাটো আমি ১০:৪৫ বা ১০:৫০লৈকে কৰিম। বাকী ২০ বা ২৫ মিনিট সময় আমাৰ মন্ত্ৰী ডাঙৰীয়াই এই কথাখিনিৰ ওপৰত এটা মোখনি মাৰিব যদিও proper report টো পিছত আহিব।

এতিয়া বিধায়িনী দলৰ যিসকল whip আছে, বা leader আছে তেখেতসকললৈ মই list খন পঠিয়াই দিম। আপোনাকে short কৰি দিয়ক যাতে মই preference wise দিব পাৰোঁ।

কংগ্ৰেছ বিধায়িনী দলে তিনিজনৰ নাম দিছিল ।মই AGP বিধায়িনী দলৰ বৃন্দাবন ডাঙৰীয়াক কৈছোঁ।তেখেত সকলৰ পৰা আৰু দুটা নাম আছে কিন্তু মই দিব পাৰিম নে নাই ক'ব পৰা নাই।

BJP বিধায়িনী দলৰো ৭-৮ জন মানৰ নাম আছে। সকলোকে দিব পাৰিম নে নাই ক'ব নোৱাৰো। AIUDF ৰো ৪ জন মানৰ নাম দিছে। BPF দলৰ ২ জন বলিষ্ঠ বক্তাই ক'লে। তেখেত সকলে আৰু বিচৰা নাই। I'm happy. কোনোৱাই যদি ভাৱে মই এই কথা কেইটা ক'ব বিচাৰিছোঁ বুলি then if you give the points, I will make it part of the Proceeding, if you allow me. মই আপোনালোকক এবাৰ এবাৰ উঠিবলৈ কম আৰু আপোনালোকে দিয়া point বিলাক মই treated as read বুলি ক'ম। তেতিয়া সকলোৰে কথাখিনি কোৱা শেষ হ'ব আৰু চৰকাৰৰো কথাখিনি বুজাত সহায় হ'ব।

এতিয়া শ্ৰী বৃন্দাবন গোস্বামী ডাঙৰীয়া।

**শ্ৰী বৃন্দাবন গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাৰ দৰে এটা গুৰুত্বপূৰ্ণ বিষয় আমি বিধান সভাত আছুতীয়াকৈ আলোচনা কৰিবলৈ সুবিধা পোৱাৰ কাৰণে আপোনাক ধন্যবাদ জনাইছোঁ। এই বিষয়টো ইমান ব্যাপক যে অতি কম সময়ৰ ভিতৰত গোটেই বিষয় বিলাকৰ ওপৰত দৃষ্টি আকৰ্ষণ কৰাটো সম্ভৱ নহয়।

**মাননীয় অধ্যক্ষ ঃ** তথাপিও আপোনাৰ যিকেইটা মূল point আছে সেইকেইটা মোক পিছত দিলেও মই সোমোৱাই ল'ম।

**শ্ৰী বৃন্দাবন গোস্বামী ঃ** আমাৰ সমস্যা বহুত আছে। শিক্ষক সকলৰ লগত হোৱা এখন আলোচনাত আমি দেখিছিলোঁ যে শিক্ষক সকলে কি কি সমস্যাৰ সন্মুখীন হৈছে। এই সমস্যাবিলাকৰ সমাধানৰ উপায় কি? অধ্যক্ষ ডাঙৰীয়া , আমি সকলোৱে জানো যে, মানৱ সম্পদ উন্নয়ণত শিক্ষাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সময়ৰ পৰিবৰ্তনে কঢ়িয়াই অনা প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰাকৈ তেওঁলোকে শিক্ষা ব্যৱস্থাৰ বিকাশ সাধন কৰিছে। গতিকে সু-সংগত, পৰিকল্পিত শিক্ষা ব্যৱস্থাৰ কাৰ্য্যকৰী প্ৰয়োগৰ দ্বাৰাহে দেশৰ অৰ্থনৈতিক কাৰিকৰী প্ৰগতিৰ সুফল পোৱা যাব। দেশৰ সকলো নাগৰিকলৈ এই চিন্তা বিস্তাৰ কৰিব পৰা যায়। আমাৰ দেশৰ এই গুৰুত্বপূৰ্ণ সন্ধিক্ষণত, বিশেষকৈ সামাজিক আৰু ৰাজনৈতিক দৃষ্টিকোণৰ পৰা সমাজৰ আশা-আকাংক্ষাৰ বাস্তৱ ৰূপায়ণৰ বাবে দিশ নিৰ্ণয় কৰা আৰু সুযোগ প্ৰদান কৰাটো আমাৰ দায়িত্ব। অধ্যক্ষ মহোদয়, আগন্তুক বৰ্ষ সমূহে আমালৈ যথেষ্ট সুযোগৰ লগতে প্ৰত্যাহ্বান কঢ়িয়াই আনিব। গতিকে আমাৰ উত্তৰ-পূৰ্বাঞ্চলক এই সুযোগ আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰাকৈ গঢ় দিব লাগিব। নতুন প্ৰজন্মৰ মাজত যুগপোযোগী চিন্তা ধাৰণা আমি দিব পাৰিম নে নোৱাৰিম বা নতুন ধ্যান-ধাৰণাৰে তেওঁলোকক গঢ়ি তুলিব পাৰিম নে নাই নোৱাৰিম, এনে ধৰণৰ সৃষ্টিমূলক মানসিকতাৰে অবিৰত প্ৰয়াস কৰিলেহে সমাজৰ বৰ্তমানৰ সন্ধিক্ষণত নতুন চামক গঢ় দিব পাৰিম। সেয়েহে অধ্যক্ষ মহোদয়, মানৱ সম্পদ সৃষ্টি আমাৰ লক্ষ্য হ'ব লাগিব আৰু এই ক্ষেত্ৰত কোন কেইটা বিষয় আটাইতকৈ গুৰুত্বপূৰ্ণ সেইটো চাব লাগিব। শিক্ষা বিভাগৰ লগত হোৱা আলোচনাত মই দেখিছিলো যে তেখেত সকলে নিজে সন্মুখীন হোৱা সমস্যাবোৰো ব্যক্ত কৰিছে। কিন্তু তেখেত সকলে স্কুলৰ বাবে যি খন পাঠ্যপুথি লৈছে তাত কি ধৰণৰ অসুবিধাৰ সন্মুখীন হৈছে, তেওঁলোকৰ কৰ্মদিন কেইটা ঠিক মতে আছে নে নাই, শিক্ষক হিচাপে শিক্ষাদান কৰিবৰ বাবে প্ৰয়োজনীয় সা-সঁজুলি তথা আচবাব পাইছে নে নাই এই সকলোবোৰ চাব লাগিব। গতিকে মোৰ প্ৰশ্ন হ'ল যে, ভৱিষ্যতৰ সমাজখন আমি কি ধৰণে গঢ়িব বিচাৰোঁ? দ্বিতীয়তে, ইয়াৰ বাবে কেনেধৰণে শিক্ষাৰ পৰিকল্পনা কৰা হ'ব? তৃতীয়তে, এই পৰিকল্পনা সমূহ কাৰ্যকৰী কৰিবলৈ শিক্ষাৰ পৰিচালনা তথা ব্যৱস্থা কি ধৰণে কৰিব লাগিব? ইয়াৰ লগে লগে শিক্ষানুষ্ঠানৰ পৰিৱেশ, ইয়াৰ মুৰব্বী, শিক্ষক, পাঠ্যক্ৰম, মূল্যায়ন, শিক্ষানুষ্ঠানৰ ভাষা, শিক্ষাৰ বিষয়বোৰ সুকীয়াকৈ বিচাৰ

বিবেচনা কৰিব লাগিব। অধ্যক্ষ মহোদয়, প্ৰচলিত ব্যৱস্থাত যি কেৰোণ আছে, এই কেৰোণবোৰ আঁতৰাই শিক্ষা ব্যৱস্থাটো কাৰ্যক্ষম কৰি আগ বঢ়াব পৰা যাবনে? যদি নোৱাৰি, তেন্তে ইয়াৰ বিকল্প পন্থা কি হ'ব? এনেবোৰ প্ৰশ্নৰ সন্দৰ্ভত বিস্তৃত আলোক পাঠৰ প্ৰয়োজন হ'ব।

নতুন প্ৰজন্মক নতুন যুগৰ উপযোগী কৰিবৰ বাবে কি চিন্তাৰ প্ৰয়োজন? অধ্যক্ষ মহোদয়, মই ৩৩ বছৰ আগতে এই বিষয়টোৰ ওপৰত ৰাষ্ট্ৰীয় পৰ্য্যায়ত কিছুমান কথা কৈছিলোঁ। সেই কথা কেইটা মই উল্লেখ কৰিবলৈ বিচাৰিছোঁ আৰু মই ভাৱো যে ৩৩ বছৰ আগতে কোৱা কথাবোৰ আজিও সলনি হোৱা নাই। মই কৈছিলো যে, Education is an investment of social change and development. It must, therefore, be regarded as an investment for bringing about total social change. আজি আমি যিখিনি fund দিম বা সেই সমূহ যি ধৰণে ব্যৱহাৰ কৰিম তাৰ যোগেৰে ভৱিষ্যতৰ এই investment ত আমি কি পৰিৱৰ্তন আশা কৰিম তাৰ ওপৰতে আমাৰ শিক্ষা ব্যৱস্থাৰ নীতি নিৰ্ণয় হ'ব লাগিব। আজিৰ পৰা বহুত দিন আগৰ ঘটনা, এতিয়া সলনি হ'ল, সেই সময়ত মই এটা কথা কৈছিলোঁ যে, Assam is one among the nine educationally backward States of India inhabited by 3.43% of our country's total population. Assam has a literacy percentage of only 28.1, the national average is 36.23. যোৱাকালি আমাৰ আলোচনা হৈছিল যে ইয়াৰ percentage টো এতিয়া 73% লৈ বাঢ়িছে গতিকে আৰু কেতবোৰ কাম কৰিলে আমি নিশ্চয় ইয়াতকৈ অধিক উন্নত স্তৰলৈ যাব পাৰিম। কিয়নো সময় সলনি হৈছে। অধ্যক্ষ মহোদয়, মই details লৈ নাযাওঁ কিন্তু primary education ত মই সৰ্বাধিক গুৰুত্ব দিছিলোঁ। আমি প্ৰাথমিক শিক্ষাটো যদি ভাল কৰোঁ, প্ৰাথমিক শিক্ষাতেই যদি শিশু সকলক সঠিক ভাৱে গঢ় দিব পাৰো, তেন্তে High School level ত এই সম্পদটোক লৈ আৰু এখোপ আগবঢ়াব পাৰিম আৰু এই শিক্ষাৰেই Higher eduaction তথা various technical education ল'ব পাৰিব। যাব। সেয়েহে primary education ৰ base টো ভাল হ'ব লাগিব। যদি প্ৰাথমিক স্তৰৰ ব্যৱস্থাটোৰেই আউল লগা হয় তেন্তে আমি আগবাঢ়ি যাব নোৱাৰিম। অধ্যক্ষ মহোদয়, মই যেতিয়া শিক্ষা মন্ত্ৰীৰ দায়িত্বত আছিলোঁ, তেতিয়া মই এটা কথা কৈছিলো যে, The state of primary school reflects the state of the country. The present state is well known, school less village, single teacher school, so called school building without roofs and walls, poor physical amenities, total lack of teaching aids and mulitiple other factors are there. Out of about 26,000 priamry schools in Assam, only, 21.5% have blackboards. This is what has been achieved in the last 38 years আৰু এই কথাষাৰৰ কাৰণেই সেই সময়ত 'Opeartion Blackboard' নামৰ এখন আঁচনি লোৱা হৈছিল। ইয়াৰ বিষয়ে মই এটা বিস্তৃত ব্যাখ্যা দি কৈছিলোঁ যে, আমাক এখন Blackboard, এজন শিক্ষক আৰু এটা syllabus দিয়ক তাৰ যোগেদিয়েই আমি আমাৰ শিক্ষা ব্যৱস্থাটো ভাল কৰিম। অধ্যক্ষ মহোদয়, ১৯৬৪-৬৬ চনত Kothari Commission, Radha Krishnan Commission, Ramamurti Commisssion আৰু 1986 ৰ National Policy on Education ৰ মাজেৰে আমাৰ শিক্ষাৰ ব্যৱস্থাটো যথেষ্ট ভাল হৈছিল আৰু আমি ইয়াৰ সুফল পাইছোঁ। কিন্তু এতিয়াও,

শিক্ষা ব্যৱস্থাত সেই একেবোৰ কেৰোণ থকা বুলি মই শিক্ষা বিভাগৰ লগত হোৱা আলোচনাত গম পালো । গতিকে আমি Re-Organisation of Education কৰিব লাগিব। Expansion Programme should aim at one school in every of village. এখন স্কুল, এখন গাঁৱত থাকিব লাগিব আৰু এই প্ৰয়োজনটো আমাৰ আজিও আছে। If , in our scheme, education does not reach the poor, the poor can not reach education. আমি দৰিদ্ৰ মানুহজনৰ ওচৰলৈ শিক্ষাক লৈ যাব লাগিব কাৰণ দৰিদ্ৰ মানুহজন শিক্ষাৰ ওচৰলৈ আহিব পৰা অৱস্থাত নাই। আজিৰ সময়ছোৱাত অসমত তিনিবিধ স্কুল চলি আছে ক্ৰমে চৰকাৰী খণ্ডৰ স্কুল, ভেঞ্চাৰ স্কুল আৰু ব্যৱসায়িক বা ব্যক্তিগত খণ্ডৰ স্কুল। দিল্লীত বহুতে ভেঞ্চাৰ স্কুল বোৰক ব্যৱসায়িক বা ব্যক্তিগত খণ্ডৰ স্কুল বুলি ভাৱে। গতিকে তেওঁলোকক ব্যক্তিগত খণ্ডৰ স্কুল আৰু ভেঞ্চাৰ স্কুলৰ পাৰ্থক্য বুজাওঁতে বহুত সময়ৰ দৰকাৰ হৈছিল। আজি ভেঞ্চাৰ স্কুলৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কোৱা কথাৰ লগত মইও একমত যে, প্ৰয়োজনত বহু স্কুল গঢ় লৈ উঠিছে যদিও বিভিন্ন স্কুল জধে -মধে গঢ়ি উঠিছে। গতিকে সেই স্কুলবোৰ review কৰা উচিত। সেয়েহে মই one village, one primary school বুলি কৈছিলোঁ। এই ক্ষেত্ৰত integrated approach এটা হ'ব লাগে। এখন গাঁৱৰ আটাইতকৈ আকৰ্ষণীয় কেন্দ্ৰ হিচাপে স্কুল খনক গঢ়ি তোলক। স্কুল ঘৰটো ভালকৈ সজাওঁক, তাত ডেস্ক-বেঞ্চ, শিক্ষকে বহিবলৈ এখন চকী-টেবুলৰ ব্যৱস্থা কৰক। আজিও বহুত ঠাইৰ এনে কিছুমান স্কুল আছে য'ত primary need বোৰেই নাই। আনহাতে, বহুত ঠাইত আকৌ ধুনীয়া স্কুল ঘৰ আছে, ডেস্ক-বেঞ্চ আছে, শিক্ষক তথা সকলোখিনি primary need আছে কিন্তু তাত এজনো ছাত্ৰ-ছাত্ৰী নাই। মোৰ সমষ্টিতে এনে ধৰণৰ স্কুল আছে য'ত এজনো ছাত্ৰ-ছাত্ৰী নোহোৱাৰ বাবে স্কুলখন বন্ধ কৰিবলগীয়া হ'ল। অধ্যক্ষ মহোদয়, এনে ধৰণে আজি ৫ খনকৈ স্কুল বন্ধ হৈছে। ভাৰতবৰ্ষৰ মহাৰাষ্ট্ৰত ৬০০০ খন, অন্ধ্ৰ প্ৰদেশত ৭০০০ খন চৰকাৰী স্কুল বন্ধ হৈছে আৰু এনেদৰে বন্ধ হোৱা প্ৰক্ৰিয়া আমাৰ অসমতো ইতিমধ্যে আৰম্ভ হৈছে। কিন্তু এই প্ৰক্ৰিয়াটো আমাৰ ইয়াত কিয় আৰম্ভ হৈছে? আজি বিধান সভাত প্ৰতিজন প্ৰতিনিধিয়ে এই কথাবোৰ বিচাৰ কৰি চোৱা উচিত। কোনোবা ঠাইত শিক্ষকক ৪০-৫০ হাজাৰ টকাৰ দৰমহা দিয়া হৈছে, স্কুল তথা সকলো সুবিধা আছে কিন্তু তাত ছাত্ৰ-ছাত্ৰী নাই। আনহাতে, কোনোবা ঠাইত শিক্ষকে ৫০০ ট কাৰ দৰমহা পায়, তাৰ স্কুল ঘৰৰ অৱস্থাও একেবাৰে সাধাৰণ, কিন্তু, তাত বহু ছাত্ৰ-ছাত্ৰীয়ে গৈছে । এই সকলো বোৰ কথা চালি-জাৰি চোৱাতো উচিত। আজিৰ প্ৰতিজন অভিভাৱকে বিচাৰিছে যে ভৱিষ্যতৰ এই প্ৰতিযোগিতা মূলক সমাজখনত তেওঁলোকৰ ল'ৰা-ছোৱালীক ভালদৰে গঢ়ি তুলিব লাগিব। যদি বিদ্যালয়খনত সঠিক ভাৱে শিক্ষাদান নহয়, তেন্তে ল'ৰা-ছোৱালী কিয় যাব? হাজিৰা কৰা মানুহ এজনেও তেওঁৰ ল'ৰা-ছোৱালীক টকা-পইচা খৰচ কৰি হ'লেও শিক্ষাৰ ক্ষেত্ৰত ভালদৰে গঢ় দিবলৈ ব্যক্তিগত খণ্ডৰ স্কুললৈ পঠিয়ায়। সেয়েহে, এই ক্ষেত্ৰত আমাৰ চৰকাৰৰ দায়িত্ব অপৰিসীম। মই সেই কাৰণেই কৈছোঁ যে প্ৰত্যেক খন প্ৰাথমিক বিদ্যালয়তে integrated approach হ'ব লাগে আৰু প্ৰাথমিক বিদ্যালয়ে সৰ্বাধিক গুৰুত্ব পাব লাগে।

মই শিক্ষক নিয়োগৰ ক্ষেত্ৰতো এটা কথা কৈছিলোঁ যে, Depoliticisation of education: the second sphere of education is upon influenced by extra educational will and pressure. In education, many times, the quality must be our primary concern. A suitable system for selection of

teachers is of utmost importance. A bad teacher harm many generation of students. Teachers should be selected on the basis of merit and merit alone with no other criteria at the cost of merit. Even from the SC/ST candidate, the best should be picked up. For this purpose, we suggest constitution of State Education Service Commission. অধ্যক্ষ মহোদয়, মই ভাৱো যে শিক্ষক নিয়োগৰ ক্ষেত্ৰত চৰকাৰে এখন State Education Service Commission গঠন কৰিব পৰা যায় নেকি তাৰ বাবে বিবেচনা কৰিব লাগে। ইয়াৰ লগতে অধ্যক্ষ মহোদয় মই আৰু এটা পৰামৰ্শ আগবঢ়াব বিচাৰিছোঁ, এখন State Advisory Board য'ত শিক্ষা মন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ নেতৃত্বাধীন এখন board গঠিত হ'ব আৰু য'ত আমাৰ শিক্ষক সকলে কোৱা সমস্যা বিলাক এটা এটাকৈ সমস্যা সমাধান কৰিবলৈ চেষ্টা কৰা হ'ব। fixed-pay ত আমাৰ শিক্ষক আছে। কামৰূপ গ্ৰাম্যৰ হিন্দী শিক্ষকৰ এইখন কাগজ মোলৈ দিছে । তাত তেওঁলোকৰ কিছুমানক appointment দিছে। OBB শিক্ষক সকলে পেঞ্চন পোৱা নাই। বহুত স্কুলত শিক্ষক সকলৰ নিয়োগৰ ক্ষেত্ৰত যিহেতু এটা নীতিৰ দৰকাৰ এই প্ৰশ্ন বিলাক কিন্তু নাহে। আমি যদি এটা নীতি বা পলিচিৰ ভিত্তিত কাম কৰোঁ,তেতিয়া দুটা কথা আহি পৰে। ইতিমধ্যে এটা burden আহি পৰে। এই burden বিলাক আমি কেনেকৈ সমাধান কৰোঁ। সেই কাৰণে State Advisory Board এখন কৰক। মই মন্ত্ৰীক বা সময়ক দোষ দিয়া নাই। একোটা একোটা সময়ত চৰকাৰ সলনি হয়, চৰকাৰ বিলাক আহে কিন্তু এনেকুৱা ধৰণৰ depoliticization কাম বিলাক কৰিব লাগে। এতিয়া প্ৰধানত আমাৰ স্কুল বিলাকত শিক্ষক নাই। মই দেখিলোঁ যে তেজপুৰ ছোৱালী হাইস্কুলৰ ৰিজাল্ট খুব ভাল। কিন্তু তাত ১৬ জন শিক্ষক নাই, subject teacher নাই। মই পিছত দেখিলো যে ৰিজাল্ট ভাল হোৱাৰ কাৰণ ল'ৰা-ছোৱালী বিলাকে tution লয়। তাত কিন্তু স্কুলৰ credit নাই, একমাত্ৰ tution ৰ কাৰণে হৈছে। সেয়েহে মই চৰকাৰক অনুৰোধ জনাইছোঁ শিক্ষক অবিহনে স্কুল থাকিব নালাগে। চৰকাৰী কৰ্মচাৰীৰ আধাতকৈও বেছি কৰ্মচাৰী শিক্ষা ব্যৱস্থাৰ লগত জড়িত হৈ আছে। সেইকাৰণে Education Service Commission will select teachers for different levels from Primary to College levels. যদি অসুবিধা হয় primary টো এৰি দিয়ক। তলৰ লেভেললৈ নিয়ক। কিন্তু তাতো মেৰিটত যাতে কোনো compromise নহয়।

**মাননীয় অধ্যক্ষ ঃ** এতিয়াটো TET চলাই আছে। পৰীক্ষাটো TET ৰ জৰিয়তে কৰি আছে বোধকৰো। আপোনাৰ suggestion টো ভাল। কিন্তু এতিয়া যিহেতু TET এ selection কৰি আছে। স্কুলত আকৌ এটা নতুন কথা আহিব জানো?

**শ্ৰী বৃন্দাবন গোস্বামী :** এটা সময়ত Central Government এ টকা দিব। এখন স্কুলত ডেস্ক, বেঞ্চ, চকী ইত্যাদি সকলো আছে, শিক্ষকো দহ, বাৰজন আছে। কিন্তু তাত ছাত্ৰ-ছাত্ৰী নাই। সেইখিনিক টো আমি দৰমহা দি আছো। অন্য ৰাজ্যৰ তুলনাত আমাৰ ৰাজ্যৰ কথা বিলাক সুকীয়া। সেয়ে মই ভাৱো এই গোটেই বিষয় বিলাকৰ ক্ষেত্ৰত এখন State Advisory Board বহক।

**মাননীয় অধ্যক্ষ ঃ** Advisory Board ৰ ক্ষেত্ৰত আপত্তি নাই, মই মানি লৈছো। কিন্তু আপুনি selection board ৰ কথা কৈছে।

**শ্ৰী বৃন্দাবন গোস্বামী :** গতিকে মই ভাৱো এটা নীতি অনাৰ প্ৰয়োজন। শিক্ষকৰ ক্ষেত্ৰত মই আপোনাকো এদিন কৈছিলোঁ অধ্যক্ষ মহোদয়। মহিলা শিক্ষকৰ ক্ষেত্ৰত ইতিমধ্যে আলোচনাও

হৈছে। এটা নীতি গ্ৰহণ কৰা যাওঁক যে এগৰাকী মহিলাক যেতিয়া আমি LP ত appointment দিম তেওঁক মানকাছাৰ বা তেজপুৰত দিয়াৰ দৰকাৰ নাই। আজি মাজুলীৰ পৰা অহা এগৰাকী মহিলাই মোৰ তাত কাম কৰিছে। গতিকে তেওঁক মাজুলীলৈ নিব লাগে। তেজপুৰৰ এগৰাকী ছোৱালী তিনিখন নাওঁ পাৰ হৈ স্কুললৈ যাব লাগে। তাৰে শিক্ষক জন ইমান ভাল যে মহিলা গৰাকীক স্কুললৈ নিবৰ কাৰণে স্কুটাৰ লৈ ৰৈ থাকে। গতিকে আমি এনেকুৱা ধৰণৰ সমস্যা বিলাক সদায় দেখি আছো। গতিকে যদি আমি এটা পলিচি লওঁ যে মহিলা শিক্ষয়িত্ৰী সকলক তেওঁলোকৰ অভিভাৱৰ ঘৰৰ পৰা এটা distance ত ৰাখিম। গতিকে তেনেকুৱা ধৰণৰ দুই এটা এইবাৰ বুজাবুজিত কৰা হৈছে। যদি আমি এনেকুৱা ধৰণৰ পলিচি বিলাক লওঁ বহুতো সমস্যাৰ পৰা আমাৰ মন্ত্ৰী, MLA সকল বাচি থাকিব আৰু অমূল্য সময় বিলাকো বাচি থাকিব। অধ্যক্ষ মহোদয় এটা হ'ল পাঠ্যক্ৰম। পাঠ্যক্ৰম হৈছে অতি প্ৰয়োজনীয় বিষয়। আমি গুৰুমুখী শিক্ষাৰ পৰা এতিয়া computer যুগলৈ আহিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি ৫-৬ মিনিটত শেষ কৰিব। মূল বিষয়টোলৈ আহক আৰু বাকী কেইটা আপুনি লিখিত ভাৱে দিব। এইটো proceeding ত দিয়া যাব।

**শ্ৰী বৃন্দাবন গোস্বামী ঃ** মই কৈছোৱেই এইটো এটা vast বিষয়। আমি যদি অকল primary education টো ললো হয়, কথা নাছিল। কিন্তু এটা কথা ভাল হৈছে যে প্ৰত্যেকেই নিজৰ মনৰ কথাখিনি ব্যক্ত কৰিব পাৰিছে। মই তিনিটা কথা কৈছিলোঁ। আজি সময় সাপেক্ষে পাঠ্যক্ৰম বিলাক পৰিবৰ্তনৰ প্ৰয়োজন আহিব আৰু যিবিলাক শিক্ষকৰ প্ৰশিক্ষণ ব্যৱস্থা, আজিৰ শিক্ষকজন কাইলৈ নতুন হৈ যাব পাৰে। এতিয়া নতুন নতুন বিষয় বিলাকৰ প্ৰয়োজন। গতিকে শিক্ষকৰ প্ৰশিক্ষণৰ ক্ষেত্ৰত ব্যৱস্থা বিলাক ঠিক কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, এটা সময়ত চাৰিওফালে প্ৰচাৰ হৈছিল যে মিছিং ভাষা আমি স্কুলত দিব লাগে। সেইসময়ত আমি ৰাভা, মিছিং, মাৰ, চাওঁতালী, বিষ্ণুপ্ৰিয়া ভাষা বহুতবোৰ ভাষা আমি দিলোঁ। কিন্তু এতিয়াও তাত কৰিব লগীয়া ভালেবোৰ কাম আছে আৰু সেইকাৰণে আনন্দ ৰাম বৰুৱা ভাষা সংস্কৃতি গৱেষণা কেন্দ্ৰ কৰা হৈছিল। তেওঁলোকে যথেষ্ট ভাল কাম এতিয়াও কৰি আছে আৰু আমাৰ থলুৱা ভাষা বিলাকৰ বিকাশ আজি টাই ভাষাৰ কাৰণে কৰিব লগীয়া যথেষ্টখিনি আছে, আমি স্কুলত দিব নোৱাৰিলেও certificate course কৰিব পাৰো। ৰাষ্ট্ৰসংঘই মাতৃভাষা দিৱস পালন কৰিছে, বহুত ভাষা হেৰাই গৈছে। মিছিং সকলৰ সৰু জনসমষ্টি, তিৱা সকলৰ তেনেই কম জনসমষ্টি, কাৰ্বি, ডিমাছা, দেউৰী সকলৰ কাৰণে এই আনন্দ ৰাম বৰুৱা ভাষা সংস্কৃতি গৱেষণা কেন্দ্ৰ টো গঠন কৰা হৈছিল। আমি স্কুল বিলাকত সকলো ভাষা দিব নোৱাৰিলেও সেই ভাষা বিলাক ৰখাৰ কাৰণে অসম চৰকাৰৰ যিটো আনন্দ ৰাম বৰুৱা ভাষা সংস্কৃতি গৱেষণা কেন্দ্ৰ সেই কেন্দ্ৰত ধনবিত দি সেই অনুষ্ঠানটোত প্ৰত্যেকটো থলুৱা ভাষাৰ বিকাশ, গৱেষনা আৰু সংৰক্ষণৰ কাৰণে, আনন্দ ৰাম বৰুৱা ভাষা সংস্কৃতি গৱেষণা কেন্দ্ৰ শক্তিশালী কৰি তুলিবৰ কাৰণে অনুৰোধ জনাইছোঁ আৰু শিশু শিক্ষাক কাৰণে যিটো শিশু পুথিভঁড়াল আছে, সেইটোকো শক্তিশালী কৰি তুলিব লাগিব। ইয়াৰ উপৰিও অধ্যক্ষ ডাঙৰীয়া, pre-primary school বিলাকত student আহিবৰ কাৰণে মই তেতিয়া বিৰোধীতা কৰিছিলোঁ যে অংগনবাড়ীলৈ নিদি 5 to 6 years লৈকে যিবিলাক student সেইবিলাকৰ স্কুল বিলাক য'ত LP school আছে অংগনবাড়ী স্কুলখন তাত কৰক।

**মাননীয় অধ্যক্ষ ঃ** যোৱাকালি এইটো কৈছে। pre-primary ৰ কথাটো।

**শ্ৰী বৃন্দাবন গোস্বামী ঃ** pre-primary স্কুল বিলাক যিহেতু অংগনবাড়ী হৈ গৈছে তথাপি মই

ভাৰো education আৰু social wellfare বিভাগৰ মাজত এটা co-ordination তেওঁলোকে ৰাখক। Adult Education ৰ কথা মই এতিয়া নকওঁ। curriculum reflection of development of Society. Examination evolution টো আটাইতকৈ ডাঙৰ কথা। মেট্ৰিক পৰীক্ষাৰ ক্ষেত্ৰত SEBA ৰ যিবিলাক ঘটনা ঘটি আছে এইটো এবাৰ দুবাৰ নহয় বাৰম্বাৰ ঘটি আছে। প্ৰত্যেক গৰাকী ল'ৰা-ছোৱালীৰ কাৰণে মেট্ৰিক পৰীক্ষাটো আটাইতকৈ গুৰুত্বপূৰ্ণ পৰীক্ষা। চৰকাৰে এইবিলাক ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিছে । মই ভাৰো মূল্যায়নৰ ক্ষেত্ৰত SEBA ত বাৰম্বাৰ যিবিলাক ঘটনা ঘটি আছে কঠোৰতকৈও কঠোৰতম ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মই আপোনাৰ যোগেদি অনুৰোধ জনাইছোঁ মূল্যায়নৰ ক্ষেত্ৰত স্বাভাৱিকতেই এই ব্যৱস্থটোৰ প্ৰতি মানুহবিলাকৰ আগ্ৰহ নোহোৱা হ'ব গতিকে মূল্যায়ন ব্যৱস্থাটো সঠিক কৰাৰ কাৰণে মই চৰকাৰক অনুৰোধ জনালোঁ। যিহেতু আমাৰ ৰাজ্যখন কৃষি প্ৰধান ৰাজ্য, ধেমাজী, লক্ষীমপুৰ আদি বহু ঠাইত যাওঁতে শিক্ষক সকলে কৃষিকাৰ্য্যত যোৱা দেখিছোঁ। গতিকে স্কুলৰ সময়টো আমি দহ বজাত কৰিলে ভাল হয় আৰু দুৰ্ঘটনাৰ সংখ্যা ইমান বাঢ়িছে যিহেতু একেটা সময়তে স্কুলো আৰম্ভ হয়। অৱশ্যে আজিকালি ৰাতিপুৱাও আৰম্ভ কৰিবলৈ লৈছে। গতিকে স্কুলৰ সময়বিলাকৰ ক্ষেত্ৰতো চৰকাৰে এটা ব্যৱস্থা লওঁক। মই এটা কথা ইতিমধ্যে কৈছোঁ যে কিছুমান বিষয়ৰ ক্ষেত্ৰত বিশেষকৈ primary education ৰ ক্ষেত্ৰত Central Government এ সম্পূৰ্ণ দায়িত্বটো লওঁক। আমাৰ ৰাজ্যখনে ইমানখিনি কৰিব নোৱাৰো। গতিকে চৰকাৰে এই কথাবিলাকৰ ক্ষেত্ৰতো চিন্তা চৰ্চা কৰক। আগতে আমাৰ স্কুল বিলাকত Moral Education টো আছিল আৰু এইবিলাক পাঠ্যক্ৰমতো আছিল। যোৰহাটৰ ললিত খাৰঘৰীয়া ডাঙৰীয়াই ১৯৫৯-৬০ চনতেই স্কুলে স্কুলে গৈ যোগৰ শিক্ষা গোটেই অসমত দিছিল। ৰামদেৱৰ এতিয়া আৰম্ভ হৈছে। এতিয়া এখন যোগৰ council আমাৰ ইয়ালৈ আহিছে। আজি শ্ৰদ্ধাৰে মই সেইজন ব্যক্তিক মনত পেলাইছোঁ। যিজনে আমাৰ শীৰ্ষাসন সৰল কৰিবলৈ দিছিল। গতিকে মই ভাৰো যে আমাৰ স্কুলবিলাকতো Moral Education আৰু Health Education আৰু ইয়াত এটা integrated approach লাগিব। গতিকে আমাৰ চৰকাৰখনে এতিয়া ভালবোৰ লৈছে। কিন্তু শেষত মই সামৰিছোঁ গুণোৎসৱৰ কথা কৈ। General guidline, Administrative guid line গুণোৎসৱ আৰু মই গুণোৎসৱৰ মাধ্যমেৰে এইবাৰ বহুত স্কুললৈ গৈছো। ইয়াত ভালেখিনি কথা তেখেতসকলে আনিছে। এইকথা বিলাকৰ ভিতৰত তেওঁলোকে tracking of continuation of education up to elementary level and learning level up to class VIII, holistic digonasis of schools for better perfomance গুণোৎসৱৰ এই কথাটোত মই সামৰিব বিচাৰিছোঁ শিক্ষাৰ প্ৰাচীন যুগৰ আশ্ৰমৰ কথা, মই অলপ আগতে কৈ গৈছোঁ। এইটো হৈছে যে, আধুনিক জ্ঞান বিজ্ঞানৰ সৈতে তাৰ সম্বনয় সাধনৰ যোগেদি শিক্ষা ব্যৱস্থাই এই উঠি অহা চামক সাহস আৰু প্ৰত্যয়ৰ জীৱনৰ প্ৰত্যাহ্বান সময়ৰ সন্মুখীন হ'বলৈ প্ৰস্তুত কৰি তুলিব লাগিব। সেইয়ে শিক্ষাৰ গুণগত মানৰ উন্নয়নৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিব লাগিব। সামগ্ৰিকভাৱে শিক্ষাৰ মূলত মানৱ সম্পদৰ সৰ্বাঙ্গীন বিকাশ সাধনৰ বাবে বহুমুখী ভূমিকা লোৱাৰ প্ৰয়াস কৰিব লাগিব। পৃথিৱাত যদি যি বৈজ্ঞানিক মনোভাৱ সম্পন্ন সমাজৰ সৃষ্টি হ'ব ধৰিছে, সেই পৰিৱৰ্তিত পৰিস্থিতিত বৰ্তি থাকিবলৈ হ'লে যুগ সাপেক্ষে দৃষ্টিভংগী অপৰিহাৰ্য্য। শিক্ষাৰ যোগেদি নতুন চামৰ মাজত সেই পৰিৱৰ্তন গ্ৰহণ কৰা দৃষ্টিভঙ্গী বিকাশ সাধন কৰিব লাগিব। অধ্যক্ষ ডাঙৰীয়া, গুণোৎসৱৰ যোগেদি ইয়াত যিখিনি ব্যৱস্থা কৰিছে এখন বিদ্যালয়ত প্ৰয়োজনীয় যিমানখিনি লাগে ব্যাপকভাৱে গুণোৎসৱৰ যোগেদি

যিটো কথা মই আজি বহুবছৰৰ আগত এখন কাগজত শিক্ষাৰ প্ৰসংগ বৈজ্ঞানিক মানসিকতাৰ আধাৰেৰে মই লিখিছিলোঁ। আজি গুণোৎসৱৰ যোগেদি মই নিজেও জড়িত হৈছোঁ আৰু এটা পৰিৱৰ্তন দেখা পাইছোঁ।যিবিলাক স্কুলত শিক্ষকে নকৰে বুলি কৈছে, সেই শিক্ষকে নিজৰ পইচা তুলি ঘৰৰ ৰং দিছে। গাওঁৰ ৰাইজ তাত ওলাই আহিছে। আমি যিসকল বিধায়ক গৈছে জানোঁ যে, মানুহৰ যিটো inrolvment, peoples inrolvment education ত এই গুণোৎসৱ আনি দিছে শিক্ষকৰ inrolvment আনি দিছে. গতিকে গুণোৎসৱৰ যোগেদি মই ভাৱো যে, আমি প্ৰত্যেকখন বিদ্যালয়ত চৰকাৰী খণ্ডই আগবঢ়াই নিব পাৰিম। বিদেশী ৰাষ্ট্ৰবিলাকত যিখিনি মই খৱৰ পাওঁ, তাত চৰকাৰী বিদ্যালয়ত আসন পোৱাহে টান। তেওঁলোকে প্ৰাইভেটলৈ নাযায়। আনকি আমেৰিকাৰ নিচিনা ঠাইতো। কিন্তু আমাৰ ইয়াত প্ৰাইমেৰী স্কুলৰ পৰা আৰম্ভ কৰি সকলো স্তৰৰ মানুহ প্ৰাইভেট স্কুল মুখী হৈছে। কিন্তু গুণোৎসৱে এটা ধাৰণা সলনি কৰিছে। ইয়াত কৈছে বিষয়া সকল কিয় যায়। কি কাৰণে দিব লাগে, এনেকে কৈছে। কিন্তু যিজন বিষয়াই যি স্কুলত পঢ়ি আজি ডাঙৰ কৃতিত্ব লৈছে, তেওঁ এজন ছাত্ৰ আছিল আৰু তেওঁ অনুভৱ কৰক, সেই বিদ্যালয়খনত দেখি মানুহে ভাৱক। মই ভাৱোঁ যে, গুণোৎসৱৰ বিভিন্ন আলোচনা হৈছে কিন্তু মই নিজে জড়িত হৈছোঁ আৰু এই গুণোৎসৱৰ বিষয়টো এই Education Policy ১৯৮৬ চনৰ যিখন আছিল, তাত এই বিষয়বিলাক উল্লেখ হৈছে গুজৰাটত কৰিছে, মহাৰাষ্ট্ৰত কৰিছে আৰু তাত শুভফল পাইছে। আমাৰ ইয়াতো আৰম্ভ হৈছে। এই গুণোৎসৱৰৰ এই বিষয়টো আগবঢ়োৱাৰ কাৰণে সহায় হৈছে।মই সামৰণিত এটা কথাৰে সামৰিলোঁ শিশু অৱস্থাৰ পৰা একেটা মনক গঢ় দিয়াৰ ভাৰ সমাজৰ আটাইতকৈ প্ৰয়োজনীয় দায়িত্ব। বিশ্বৰ প্ৰতিখন দেশৰ, প্ৰতিখন সমাজৰ শিক্ষকসকলে পালন কৰি আহিছে। একোটা জাতিৰ, একোটা সভ্যতাৰ বৈশিষ্ট পৰম্পৰাৰ লগত শিক্ষক সকলে নতুন নতুন পুৰুষক চিনাকী দিয়াৰ দৰে এনেকৈ সভ্যতাই নতুন ৰূপ লয়। চিন্তাশীল মানুহৰ উদ্ভাৱনি শক্তিয়ে সমাজক আগবঢ়াই নিয়ে। অ,আ, ক, খৰ লগত চিনাকি কৰি দিয়াৰ পৰাই শিশুৰ মনত যাতে শিক্ষকতা প্ৰতীক হৈ পৰে। আজি যিসকল শিক্ষক আহি তেওঁলোকৰ বেদনাৰ কথা আপোনালোক, আমাৰ সকলোৰে আগত ক'লে, এই শিক্ষকসকলৰ মাজত কোনোবাই হয়তো আপত্তি কৰিব কিন্তু শিক্ষকতাকে নিজৰ জীৱনৰ ব্ৰত হিচাপে লৈ অজস্ৰ নিষ্ঠাবান শিক্ষকে কাম কৰি গৈছে। তাৰ মাজত দুই এজন হতাশ হ'ল। কিন্তু যিসকল শিক্ষকে ইয়াত সমস্যা খিনিৰ কথা ক'লে আজি চৰ অঞ্চল, আমাৰ পাহাৰীয়া দাতিকাষৰীয়া অঞ্চলবিলাকত যি আমি অনুভৱ কৰিছোঁ, যদি সেইখিনি যদি এইবাৰ চৰকাৰে নিজে মই ভাবো যে, percentage 73% ৰ পৰা আমাৰ 100% লৈ যাব। এইখিনি ব্যৱস্থা। গতিকে শিক্ষক সকলৰ সমস্যাখিনিক মই এটা দুটাক নোলোৱাই আজি OBB শিক্ষকৰ Pension, ১৯৯১ চনৰ পৰা ইয়াৰ মাজত Manoharan Commission ৰ যিবিলাক আমাৰ শিক্ষকে FIX Pay পাই আছে। এজনে ৫০ হাজাৰ পায়, এজনে আঢ়ৈ হাজাৰ পায়। সমানে তেওঁলোকে কাম কৰে। ঠিক একেদৰে হিন্দী শিক্ষক সকলৰ একে সমস্যা, গতিকে মই অনুৰোধ কৰিছো, প্ৰয়োজন হ'লে চৰকাৰে এখন State Education Advisory Board কৰক। তাত আমাৰ বিধান সভাৰ প্ৰতিনিধিও ৰাখক, Vice Chancellor সকলক ৰাখক, শিক্ষক প্ৰতিনিধি সকলক ৰাখক, চৰকাৰী বিষয়াসকলক ৰাখক সমাজৰ যিসকল বিজ্ঞ, তেওঁলোককে ৰাখক আৰু তাৰ যোগেদি মই ভাবো যে, আমাৰ এই সমস্যাবিলাকত একোটা নীতিলৈ সমাধান কৰাৰ সক্ষম হ'ব। সদৌ শেষত মই চৰকাৰক অনুৰোধ জনাইছোঁ, বঁটা আৰু জ্ঞানেশ্বৰী বটা। উচ্চ স্তৰত শিক্ষক সকলক উৎসাহিত কৰিবৰ কাৰণে যিসকল মেধা, তেওঁলোকৰ নিজৰ চেষ্টাৰে সেৱা

আগবঢ়াইছে। সেই কৃতিত্ব দিবৰ কাৰণে ওপৰৰ শিক্ষক সকলক Higher Education এই সকলক বিদ্যতজন বটা আৰু তলৰ স্তৰত যিসকলে লেখা-পঢ়া কৰে, বিভিন্ন ধৰণে তেওঁলোকে আগবঢ়াই নিছে আদৰ্শ শিক্ষক হিচাপে আছে, তেওঁলোকক জ্ঞানেশ্বৰী বটা এই দুয়োটা দি তেওঁলোকক সন্মান জনাওঁক। গতিকে এই বিষয়টো ইমান জটিল আৰু বিস্তৃত ইয়াক কম সময়ত সামৰি লোৱাটো সম্ভৱ নহয়। তথাপি অসম বিধান সভাত আজিৰ এই দিনটো, এই সময়খিনি সদায় গৌৰৱেৰে আমি মনত ৰাখিম যে আমাৰ জীৱনক নিৰ্ণয় কৰা, উত্তৰ পুৰুষক মানুহ কৰিবৰ কাৰণে কৰা প্ৰচেষ্টা যিটো বিভাগ, সেই বিভাগটোত সৰ্বাধিক গুৰুত্ব দি আমি অন্ততঃ কেইটামান দিন ইয়াত আলোচনা কৰাৰ মনৰ কথা ব্যক্ত কৰাৰ সুযোগ পালোঁ পুণৰ আপোনাক ধন্যবাদ জনাই সামৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। গোটেই আলোচনাটো মই বেয়া পোৱা নাই। কিন্তু সময় থাকে। সেই কাৰণে In future, Speaker's initiative ত যিখিনি আলোচনা হ'ব মই আকৌ কৈছোঁ সেইটো কৰা হোৱা নাই, বিধায়িনী দলৰ লগত আমি সকলো সদস্যৰ লগত চাৰিদিন বহিছিলো। আজি প্ৰায় এমাহমান আগতে বহিছিলোঁ, আমি Stakeholder সকলৰ লগত। তেতিয়া মই কৈছিলো যে, পাৰিলে বিধায়িনী দলে তিনি-চাৰিজন বক্তাক বাচি গোটেই কথাখিনি তেওঁলোকৰ হতুৱাই ক'লে চৰকাৰে ব্যৱস্থাবিলাক লোৱাত সুবিধা হয়। আমি কব পাৰিম যে, এইখিনি ব্যৱস্থা লোৱা উচিত। কিন্তু বহুত কথা থাকিলে, তাক এডিট কৰি মূল কথাটোলৈ আনোতে সময় লাগে। কিন্তু আগলৈ ভাবিছো যে, বিধান সভাত সকলো সদস্যই সুবিধা পায়য়েই এইটো এটা Speciali Subject, গতিকে আমি ব্যক্তিগত ভাবে কোৱাতকৈ Over all আমি কি কব পাৰো, সেই কথাকেইটাত গুৰুত্ব দি আগলৈ যদি কৰে, মোৰ কাৰণে সহজ হ'ব। নহ'লে আমাৰ শেষ বক্তাই যিটো কথা কৈছে, তেখেত প্ৰাক্তন শিক্ষামন্ত্ৰীও। হয় It is a very huge subject.কিন্তু আমি চাৰিদিন Stakeholder ৰ লগত কথা পাতিলোঁ। প্ৰায় দুদিনে আমি ইয়াত বহিছো, কাৰণ কালি পিছবেলাটো মই সম্পুৰ্ণ আপোনালোকৰ সহযোগত দিবলৈ পাৰিলো। কিন্তু তথাপি এটা থাকি যায়, মোৰ ক'বলগীয়া আছিল, এইকেইটা। কিন্তু সেইখিনি যদি একেলগে আমি কৰিব পাৰো It is a non-controversial subject.আমি কোনেও কাকো আক্ৰমণ কৰা নাই। মূল কথাখিনি কৰিবৰ কাৰণে বিধায়িনী দলৰ পৰা যদি কয়, তাৰ পাছত দুই এটা কথা আৰু আহিলে আহিব পাৰে। এতিয়া আমাৰ হাতত প্ৰায় ৪৫ মিনিট সময় আছে, আমাৰ আলোচনাৰ কাৰণে। মই এতিয়া শ্ৰী ৰূপক শৰ্মা, তাৰ পাছত শ্ৰী শ্বেৰমান আলি আহমেদৰ কথা সকলোৰে মিলি কৈছে যে দিব লাগে আপোনালোকৰ ফালৰ পৰা। তাৰ পাছত পাৰিলে শ্ৰী চাহাব উদ্দিন আহমেদকো দিবলৈ বিচাৰিম, শ্ৰী অমৰ চান্দ জৈন, দহজনমান আছে। লিষ্টখন সেই কাৰণেই ক'লো যে, আপোনালোক সকলোৰে যদি ক'ব বিচাৰিছে কিবা কথা, মোৰ আপত্তি নাই। আপোনালোকে নিজৰ ঠাইত থিয় হ'ব নাম ক'লে। কিমান ক'ব In righting দিব। I will treated as read. এইটো আপোনালোকে মুখেৰে নকৈ ইয়াত সোমাবহে লাগে। আমাৰ উদ্দেশ্যটো কি? কথাখিনি সোমাব লাগে, চৰকাৰে দৃষ্টি কৰাব লাগে আৰু চৰকাৰে কি ৰিপোৰ্ট দিয়ে ৯০ দিনৰ ভিতৰত, সেই পইণ্টবিলাকৰ ওপৰত কি ক'লে, আমি সেইখিনিৰ ওপৰত আকৌ বিতৰ্কলৈ যাব পাৰিম। গতিকে এতিয়া শ্ৰী ৰূপক শৰ্মাই ক'ব। একেবাৰ চমু কৰিব। তাৰ পাছত শ্ৰী শ্বেৰমান আলি আহমেদ। শ্ৰী শ্বেৰ আলি আহমেদক মই আগতীয়াকৈ কৈছোঁ, পইণ্টকেইটা আপুনি প্ৰস্তুত কৰি ৰাখিব। Explanation নালাগে আজি। ঠিক আছে। শ্ৰী মতী নন্দিতা দাস, পাৰিলে দিম, নোৱাৰিলে নহ'ব। ১০-৪৫ ত শেষ কৰিম।

**শ্ৰী ৰূপক শৰ্মা, (নগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৫ মাৰ্চত চাৰিদিনীয়া কাৰ্য্যসূচী, আপোনাৰ ঐকান্তিক প্ৰচেষ্টাত পোন প্ৰথম বাৰৰ বাবে শিক্ষা বিভাগৰ বিভিন্ন সমস্যাৰ সন্দৰ্ভত শিক্ষক কৰ্মচাৰী আৰু ছাত্ৰ সামাজিক সংগঠনৰ মাজত যি আলোচনা হৈছিল, তাৰ বিষয়ত কিছু বক্তব্য দাঙি ধৰিবলৈ ইয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছোঁ আৰু লগতে পোন প্ৰথম বাৰৰ বাৰে যে আপুনি এই পদক্ষেপ ল'লে, তাৰ বাবে আপোনক ধন্যবাদ জনাইছোঁ। অধ্যক্ষ মহোদয়, আমি জানো যে, শিক্ষা হৈছে এটা জাতিৰ মেৰুদণ্ড স্বৰূপ। আমি প্ৰত্যেকজন ব্যক্তিয়ে জন্ম হৈ এখন যদি খুৱ সুস্থ আৰু যি এখন আলোকিত সমাজ দেখিবলৈ হয়, তেনেহ'লে আমি শিক্ষাৰ মাধ্যমেৰে যাবই লাগিব। আৰু যি আলোচনা হৈছিল, সেই সময়ত আমি অসমৰ যি শিক্ষা ব্যৱস্থা যোৱা সময়ছোৱাত আমি দেখি সঁচাই আচৰিত হৈছিলোঁ। যে শিক্ষা বিভাগত ইমান বেছি এটা ডাঙৰ সমস্যা, তাৰ লগতে যিমান সংগঠন জন্ম হৈছিল, এই বিভাগটোত। সেইটো এটা চিন্তনীয় বিষয়। অধ্যক্ষ মহোদয়, এই বিভাগটোত যিধৰণে এই সমস্যাসমূহ যোৱা সময়ছোৱাত কোনো এখন চৰকাৰে ইয়াৰ সমাধান কৰিবলৈ সমৰ্থ নহ'ল, কিন্তু বৰ্তমান চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত আৰু বৰ্তমানৰ আমাৰ দক্ষ শিক্ষা মন্ত্ৰী মহোদয়ৰ তেওঁৰ পৰিচালনাত এই বিভাগটোত সুন্দৰভাৱে অধ্যয়ন কৰি যিসমূহ ইয়াৰ সমস্যা সমাধান কৰিবৰ কাৰণে যি প্ৰচেষ্টা হাতত লৈছে, তাৰ কাৰণে আমি ধন্যবাদ জনাব লাগিব আৰু এই বিভাগটো মোৰ মতে চাৰিটা পৰ্য্যায়ত আলোচনা কৰিব বিচাৰিছোঁ। প্ৰথমতে হৈছে যে, স্কুলৰ যি আন্তঃগাথনি, দ্বিতীয়তে হৈছে , আমাৰ শিক্ষাৰ যিটো মানদণ্ড, বিশেষকৈ Syllabus ৰ ক্ষেত্ৰত, তৃতীয়তে হৈছে, ছাত্ৰ-ছাত্ৰী সকলৰ বিভিন্ন সমস্যা আৰু চতুৰ্থতে হৈছে, শিক্ষক-কৰ্মচাৰী সকলৰ সমস্যা। অধ্যক্ষ মহোদয়, গুণোৎসৱৰ আগৰ সময়ছোৱাত, অসমত যেতিয়া ৰাইজৰ প্ৰতিনিধি হিচাপে ইমুৰৰ পৰা সিমূৰলৈ যাওঁ আমি দেখা পাওঁ যে ভিতৰত যিবিলাক অসমীয়া মাধ্যমৰ স্কুলৰ আন্তঃগাঁথনি খুৱ বেয়া অৱস্থাত আছিল । আজি কিছুমান স্কুল ঘৰ এনেকুৱা আছিল যে ক'ৰবাত হয়তো চাল বেৰ নাই, ক'ৰবাত হয়তো বৰষুণ পৰে।

**মাননীয় অধ্যক্ষ** ঃ- বেছি explain নকৰিব। মই জানো দৰকাৰী কথা। খুব ভাল পইন্ট চাৰিটা কৈছে। তাত কি কৰিব লাগে কওঁক।

**শ্ৰীৰূপক শৰ্মা, বিধায়ক** ঃ- বৰ্তমান চৰকাৰে যি প্ৰচেষ্টা লৈছে, এইবাৰ বাজেটত প্ৰায় ৯৮০ কোটি টকা ধাৰ্য্য কৰিছে তাৰ কাৰণে মই ধন্যবাদ জনাইছোঁ। এই সমস্যা সমূহৰ সমাধানৰ ক্ষেত্ৰত, বিশেষকৈ আমাৰ শিক্ষাৰ যিটো মানদণ্ড , আমি যোৱা সময়ছোৱাত দেখা পাইছিলোঁ, যি সমূহ Syllabus সাধাৰণতে আমি দেখা পাইছোঁ যে CBSE ৰ যিটো Course সেইটো অসমীয়াত অনুবাদ কৰি দিয়া হৈছে। আৰু এই ক্ষেত্ৰত যিটো সমস্যাই দেখা দিছে, আমাৰ স্থানীয় সমস্যা বিলাক অৰ্ন্তভুক্তি নোহোৱাৰ কাৰণে আমাৰ যিটো সমস্যা হয়। সেই কাৰণে আমি আশা কৰিম Syllabus টো হয়তো অলপ সলনি কৰাৰ প্ৰয়োজন আহি পৰিছে।

**মাননীয় অধ্যক্ষ ঃ** - স্থানীয় সমস্যা বিলাকৰ বাদেও আমাৰ অসমৰ কথাবিলাকো সোমাব লাগে। আমাৰ যি সকল মহিয়সী পুৰুষ বা নাৰী আছিল, তেওঁলোকৰ কথা বিলাকো আহিব লাগে।

**শ্ৰীৰূপক শৰ্ম্মা, বিধায়ক** ঃ- অসমৰ যিবিলাক কথা সেই বিলাকো আহিব লাগে। ২য়তে CBSE ত অংক বিষয়টোত কিন্তু গুৰুত্ব খুব কমাই দিয়ে। যাৰ কাৰণে অংক বিষয়ত কিন্তু আমাৰ উঠি অহা প্ৰজন্ম কিছু অসুবিধাত পৰে। মই ভাবোঁ যে এই CBSE Course টো অলপ সলনি কৰাৰ খুব দৰকাৰ আহি পৰিছে। ৩য়তে ইতিমধ্যে আমাৰ আগৰ প্ৰাক্তন শিক্ষামন্ত্ৰী মহোদয়ে কৈছে যে নীতিশিক্ষা।

বৰ্তমান আমাৰ নতুন প্ৰজন্মৰ মাজত যিটো স্খলন, সেইটো নীতিশিক্ষাৰ অভাৱৰ কাৰণে হৈছে। গতিকে moral Science টো অতি দৰকাৰ। ইতিমধ্যে কৈছে যে যদিও আমাৰ যোগাৰ উৎপত্তি স্থল হৈছে আমাৰ ভাৰতবৰ্ষ, আৰু যোগা কিন্তু ভাৰতবৰ্ষৰ বাহিৰত প্ৰচলিত হৈছে, ভাৰতত কম। বিশেষকৈ অসমত আমি বৰ্তমানে চেষ্টা কৰিছোঁ। কিন্তু স্কুলত যদি পাঠ্যক্ৰম হিচাবে ভৰাব পাৰোঁ নিশ্চয় আমাৰ কাৰণে সহায়ক হ'ব। ৪ৰ্থতে আমাৰ এজন ব্যক্তিক যদি সকলো ফালৰ পৰা যদি নিপুণ ভাৱে বিচৰা যায়, অকল পঢ়াৰ ক্ষেত্ৰতেই নহয়, সংগীতেই হওঁক বা Sports য়েই হওক, আমি তেওঁক আগুৱাই নিব লাগিব। মিউজিক শিক্ষকৰ ক্ষেত্ৰত আমি দেখা পাইছিলোঁ, যে তেওঁলোকৰ যি post বোৰ নিয়মীয়াকৰণ কৰিব লাগে, তাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। আৰু আমাৰ কম্পিউটাৰৰ ক্ষেত্ৰত আমি দেখা পাওঁ যে আমাৰ যি বিলাক Private School , তাত Digital Class room থাকে সেই বিলাক ক্ষেত্ৰত তেওঁলোকে বহুখিনি আগুৱাই যায়। বিশেষকৈ আমাৰ Private School বিলাকত সেই ধৰণে আমাৰ যদিও কম্পিউটাৰ আছে, যোৱা সময়ছোৱাত বহুত স্কুল এনেকুৱা হৈছে কম্পিউটাৰ বিলাক চোৰ হৈছে, বা তেওঁলোকৰ সেই ৰুমবোৰৰ আন্তঃগাঁথনিৰ অভাৱ, সেই কাৰণে কম্পিউটাৰৰ ক্ষেত্ৰত, সক লো বিলাকত যদি ভাল পদক্ষেপ লয়, ছাত্ৰ-ছাত্ৰী সকলৰ বাবে মই আশা কৰিম ভাল হ'ব। পঞ্চমতে আমাৰ সময়ছোৱাত এটা কথা হৈছিল যে, বাংলা মাধ্যমৰ যিবিলাক স্কুল আছে, তাত অসমীয়া বিষয়টোৰ পাঠ্য পুথি তেওঁলোকৰ তাত দিব লাগে। কিন্তু সাধাৰণতে বাংলা মাধ্যমৰ স্কুলত অসমীয়া বিষয়ৰ পাঠ্যপুথি নাই বুলি আমি গম পাইছো।

**মাননীয় অধ্যক্ষ ঃ-** বাংলা মাধ্যমৰ স্কুল বিলাকত অসমীয়া ভাষাটো শিকোৱাৰ এটা ব্যৱস্থা কৰিব লাগিব এইটো কথা।

**শ্ৰীৰূপক শৰ্ম্মা, বিধায়ক ঃ-**আৰু আমাৰ যিবিলাক স্কুলত ছাত্ৰীৰ সংখ্যা বাঢ়িছে, সেই কাৰণে ছাত্ৰী বিলাকৰ নিজৰ নিজৰ কিছুমান কথা এনেকুৱা সমস্যা থাকে তেওঁলোকৰ সমস্যাৰ বিষয়ে, তেওঁলোকে ক'বৰ কাৰণে এটা কোষ থাকিব লাগে য'ত এগৰাকী শিক্ষয়িত্ৰীক হেড কৰি দিব লাগে। তাৰ পাছত আমাৰ স্কুল বিলাকতেই হওঁক বা কলেজ বিলাকতে হওঁক Marksheet য়েই হওঁক বা Certificate য়েই হওঁক এই বিলাকত যদি বিসংগতি থাকে, ঠিক কৰিবৰ কাৰণে হয় আমাৰ ছেবাৰ অফিচত কৰা হয়। নহ'লে আমাৰ University লৈ আহিব লগা হয়। সেইখন কলেজ বা স্কুলত কেনেবাকৈ যাতে সমাধান কৰিব পৰা যায়, নিশ্চয় আমি সুফল পাম। নহ'লে এই কেৰোণটো থাকি যায়, তেওঁলোক অহাৰ অভাবতে হওঁক, এই সমস্যাবোৰ থাকি যায়। এই সমস্যাটো সমাধান কৰিবলৈ হলে, স্থানীয় স্কুল বা কলেজে যদি কৰিব পাৰে তেতিয়া হয়তো ভাল হ'ব। আমাৰ প্ৰত্যেকখন কলেজতে যিবিলাক Competitive যিবিলাক পৰীক্ষা হয়। আমাৰ APSC য়েই হওঁক, বা আমাৰ ACS য়েই হওঁক যদি তাৰ এটা বিভাগ ৰাখিব পাৰোঁ। সেইবোৰৰ উঠি অহা প্ৰজন্মক প্ৰশিক্ষণ দিবৰ কাৰণে কিন্তু সহজ হব। আনহাতে Skill Development আমি এই কৌশল যোজনাৰ ওপৰত সকলোৱে গুৰুত্ব আৰোপ কৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ-**এইটো কালি কৈছে।

**শ্ৰীৰূপক শৰ্ম্মা, বিধায়ক ঃ-** অধ্যক্ষ মহোদয়, মই থুলমূলকৈ কথাখিনি ক'বলৈ বিচাৰিছোঁ। শেষত আমাৰ শিক্ষকৰ যিটো সমস্যা, শিক্ষক কৰ্মচাৰীৰ সমস্যা, যোৱা সময়ত আমি দেখা পালোঁ, যে ছাত্ৰ-ছাত্ৰীতকৈ আমাৰ শিক্ষকৰহে সমস্যাটো বেছি। শিক্ষাগুৰুক সাধাৰণতে আমি গুৰু বুলি কওঁ, তেখেত সকলক সন্মান জনাওঁ তেখেত সকলৰ যি সমস্যা আছে, এটা এটাকৈ নকৈ যি মুখ্য সমস্যা আছিল, ১-১-২০০৬ চনত যিটো আছিল effect date আৰু issue date লৈ আমাৰ যিটো সমস্যা

হৈছে,

**মাননীয় অধ্যক্ষ ঃ**- যোৱা কালি সেইটো আলোচনা হৈছে।

**শ্ৰীৰূপক শৰ্ম্মা, বিধায়ক ঃ**-B.ed. ৰ ক্ষেত্ৰত যিটো আমাৰ Elementory ত আছে। বৰ্তমান যিটো Hogher Education ত আহিব লাগে।

**মাননীয় অধ্যক্ষ ঃ**- That also discussed yesterday.

**শ্ৰীৰূপক শৰ্ম্মা, বিধায়ক ঃ**- এটা খুব গুৰুত্বপূৰ্ণ কথা , অধ্যক্ষ মহোদয়, যে শিক্ষা বিভাগৰ ফালৰ পৰা, শিক্ষক সকলে যিটো তেওঁলোকৰ increment বঢ়াবৰ কাৰণেই হওঁক বা বিভিন্ন সমস্যাৰ ক্ষেত্ৰত যেতিয়া বিভাগক যায়, তাত কিন্তু সহজে কাম বিলাক নহয়, অকনমান কিন্তু ইফাল সিফাল হয়, সেইখিনি কথা আমি অকন মান চকু ৰাখিব লাগে।

**মাননীয় অধ্যক্ষ ঃ**- Education যি কেইটা Directorate আছে, তাত স্বচ্ছতাটো। শিক্ষা বিভাগৰ কাৰ্য্যালয় সমুহ Corruption Free হব লাগে।

**শ্ৰীৰূপক শৰ্ম্মা, বিধায়ক ঃ**-ইতিমধ্যে শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত, বৰ্তমান চৰকাৰে, টেটৰ জৰিয়তে শিক্ষাৰ ক্ষেত্ৰত যি আমাৰ appointment বিলাক দিছে, অন্ততঃ আমাৰ যি উঠি অহা প্ৰজন্মৰ মাজত এটা আশাৰ সঞ্চাৰ হৈছে যে, অন্ততঃ এতিয়া চাকৰিৰ ক্ষেত্ৰত অলপমান ভালকৈ পৰীক্ষা দিওঁ নিশ্চয় পাম। অকল আমাৰ শিক্ষাৰ ক্ষেত্ৰতেই নহয়, অন্যান্য ক্ষেত্ৰটো। শেষত অধ্যক্ষ মহোদয় এটা কথা আমি ক'ব লাগিব যে এইবাৰ অন্ততঃ আমাৰ বিধায়ক সকলক আমাৰ সুহৃদ আৰু Un-tied fund এই দুটা fund ৰ ক্ষেত্ৰত আমাক, যি সহায় আৰু সুবিধা কৰি দিলে, আগত আমি যেতিয়া সমষ্টিত ঘূৰি ফুৰোঁ, খুব দুখীয়া ল'ৰা-ছোৱালীবোৰ থাকে তেওঁলোকক অলপ পঢ়িবৰ কাৰণে সামান্য টকা দি হলেও, বিশেষকৈ আমাৰ এইবাৰ Untied fund ৰ পৰা ১ কোটি টকা যি আমাৰ স্কুলবিলাকৰ বিকাশৰ কাৰণে দিলে, প্ৰত্যেকটো সমষ্টিতে সহায়ক হৈছে। গতিকে মই বেছি বহলাই নকওঁ কাৰণ এইবাৰ যিখন বাজেট হ'ল, তাত শিক্ষা বিভাগৰ কাৰণে যিখিনি দিছে 'সবকা চাথ সবকা বিকাশ' যিখন আঁচনিত , সংখ্যালঘু সম্প্ৰদায়ৰ পৰা সকলোলৈকে সেই সুবিধাখিনি দিছে। শেষত আপুনি যেতিয়া কৈছিল যে নিজৰ সমস্যা যদি সমষ্টিৰ হয়, শেষত ক'ব। ইতিমধ্যে আমাৰ যোৱা সমস্যাত আৰু তিনিখনUniversity হৈ গৈছিল। এখন আমাৰ উত্তৰ লক্ষীমপুৰ, হোজাই আৰু এখন বৰপেটাত। পিছৰ পৰ্য্যয়িত Cluster University হিচাবে এখন গুৱাহাটী আৰু এখন যোৰহাটত দিছে। মই আশা কৰিম নগাওঁটো যাতে এখন Cluster University হয় ।নগাওঁত কেইবাখনো কলেজ আছে আমি দেখা পাইছো যে হায়াৰ ছেকেণ্ডাৰী হওঁক বা মেট্ৰিকতে হওঁক ভাল ফলাফল দেখুৱায়। গতিকে মই আশা কৰিছো যে আগন্তুক দিনত এখন University যাতে নগাওঁত দিয়ে।

**মাননীয় অধ্যক্ষ ঃ**- Cluster University at Nagaon. শ্বেৰমান আলি আহমেদ ডাঙৰীয়া,

**শ্ৰীশ্বেৰমান আলি আহমেদ,বিধায়ক ঃ**- মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাৰ দৰে এনেকুৱা গুৰুত্বপূৰ্ন বিষয়ত বিভিন্ন ষ্টেক হল্ডাৰৰ লগত কেইবা দিনো আলোচনাৰ অন্তত অসম বিধান সভাৰ পবিত্ৰ সদনত এই বিষয়ৰ ওপৰত আলোচনাৰ পাত নি মেলি মোক দুআষাৰ কবলৈ দিয়াৰ কাৰণে আপোনাক প্ৰথমে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। মাননীয় অধ্যক্ষ মহোদয়, মই বহলাই নকওঁ অতি চমুৱাই পইন্টখিনি কম। তাৰ আগতে এটা বেছিক কথা মই ক'ব খুজিছোঁ। আমাৰ ২০১১ চনৰ provincialisation Act খন অহাৰ আগলৈ অসম ৰাজ্যখনত প্ৰাথমিক উচ্চ প্ৰাথমিক, হাই স্কুল, হায়াৰ ছেকেণ্ডাৰী স্কুল, কলেজ আদিৰ ক্ষেত্ৰত চৰকাৰে নিজাববীয়াকৈ বিশেষকৈ কোনোধৰণৰ

শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰা নাছিল দুই চাৰিখনৰ বাদে। এই শিক্ষা প্ৰদান কৰা কাৰ্য্যটো ৰাইজে নিজৰ কান্ধ পাতি লৈ গোটেই ব্যয় ভাৰ বহন কৰি শিক্ষা প্ৰতিষ্ঠানসমূহ স্থাপন কৰিছিল আৰু বিনা বেতনে ভেঞ্চাৰ স্কুল স্থাপন কৰি তেওঁলোকে শিক্ষা দান কৰি আহিছিল। বহু বছৰৰ পাছত অৱশেষত চৰকাৰে প্ৰাদেশীকৃত কৰিছিল। চৰকাৰে এতিয়াহে Govt. level ৰ স্কুল প্ৰতিষ্ঠা কৰাৰ কাৰণে উদ্যোগ লৈছে। যোৱা বছৰ ১২ খন আছিল এই বছৰ বোধহয় ২২খন মান গতিকে Here lies the necessity of provincialisation of our Venture Educational institution.সেই কাৰণে অধ্যক্ষ মহোদয় আমাৰ শিক্ষা প্ৰতিষ্ঠান সমূহ প্ৰাদেশিকীকৰণ কৰোঁতে মূল কথাটো হ'ল যে আমি চৰকাৰী উদ্যোগত আগতে তেনেকৈ শিক্ষা প্ৰতিষ্ঠান সমূহ স্থাপন কৰা নাছিলোঁ। গতিকে ৰাইজে নিজে কান্ধ পাতি লৈ যি শিক্ষা প্ৰতিষ্ঠান স্থাপন কৰিছিল সেইখিনি প্ৰাদেশিকীকৰণ কৰা অতি জৰুৰী। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যি ডেৰশতকৈ অধিক সংগঠনে স্মাৰকপত্ৰ দিছিল তাৰে বেছিভাগ কথাই আছিল ভেন্সাৰ স্কুলৰ প্ৰদেশিকীকৰণ সম্পৰ্কত। ১-১-২০০৬ত Cut of Date লোৱা হ'ল, তাত আজি আমাৰ কাৰো দ্বিমত নাই। কিন্তু ১-১-২০০৬ Cut of Date ধৰি আমাৰ বহু শিক্ষানুষ্ঠান আজিলৈ প্ৰাদেশিকীকৰণ হোৱা নাই। তাত কেইটামান বিষয় হেঙাৰ হিচাপে ঠিয় হৈছে। প্ৰথম Affiliation, Concurrence, Recognition গোটেই কেইটা ১-১-২০০৬ ৰ আগত up to the last class হ'ব লাগে সেইটো এটা ডাঙৰ হেঙাৰ। চৰকাৰী ভাবে এটা সংশোধনী অনা হৈছিল সেইটোৰেই বহু শিক্ষানুষ্ঠানৰ সমস্যা সমাধান কৰিব যে not last class. first class টো। first class টোহে যদি Recognition Affiliation যে হাইস্কুলৰ ক্ষেত্ৰত ক্লাছ নাইন, কলেজৰ ক্ষেত্ৰত প্ৰথম বৰ্ষ যদি Recognition Affiliation হয় তেতিয়া হ'লে এইবোৰ যোগ্যতাৰ আওতালৈ আহিব। মই চৰকাৰক এই সংশোধনী অনাৰ বাবে ধন্যবাদ জনাইছোঁ। লগতে মাননীয় অধ্যক্ষ মহোদয়ক এটা অনুৰোধ জনাব বিচাৰিছোঁ - যিহেতু ২০১১ চনতে আমাৰ ভেন্সাৰ স্কুলসমূহ প্ৰাদেশিকীকৰণৰ বাবে আইন অনাৰ সময়তহে আমি ব্যক্তিগত বিদ্যালয় কৰিবলৈ মানা কৰিলোঁ। অধ্যক্ষ মহোদয়, সেইকাৰণে ১-১-২০০৬ বিদ্যালয় প্ৰতিষ্ঠাৰ দিন হওঁক আৰু অন্ততঃ ৩১ ডিচেম্বৰ, ২০১০ লৈ যিসমূহ বিদ্যালয়ে Recognition, Affiliation, Concurrence পালে সেইসমূহ বিদ্যালয়ক যদি এই ভেন্সাৰ শিক্ষানুষ্ঠানৰ আইনৰ আওতালৈ অনা হয় তেতিয়া ভেন্সাৰ স্কুল প্ৰদেশিকীকৰণৰ সমস্যাটোৰ বেছিভাগেই সমাধান হ'ব। দ্বিতীয়তে মাননীয় অধ্যক্ষ এই যে effect date and issue date সেইক্ষেত্ৰত issue date টো ২০০৬ চনৰ আগত ইছ্যু কৰাৰ কথা কৈছে- এইটো সন্দেহৰ আৱৰ্তত। কাৰণ প্ৰাদেশিকীকৰণৰ কথা আহিল ২০১১ ত। ২০০৭ ত যিসকলৰ অৰ্দাৰ ওলাইছে issue date, with effect from 2005. ২০০৮ ত যিসকলৰ অৰ্ডাৰ ওলাইছে Recognition ৰ with effect from 2006 সেইবোৰটো Manipulate কৰাৰ প্ৰশ্নই নাহে। কাৰণ তেতিয়া প্ৰাদেশিকীকৰণৰ কথাই নাছিল। সেইকাৰণে effect date টোহে ধৰিব লাগে issue date টো ধৰিব নালাগে। মাননীয় অধ্যক্ষ মহোদয় প্ৰাদেশিকীকৰণৰ ক্ষেত্ৰত আৰু দুটা কথা মই উত্থাপন কৰিব বিচাৰিছোঁ এটা DIC Code 2009-10 আমাৰ নিৰ্দ্ধাৰিণ কৰা হ'ল - DIC ৰ Form fill-up কৰাৰ দায়িত্ব আমাৰ সৰ্বশিক্ষা মিচনক দিয়া হৈছে - এনেকুৱা বহু স্কুল আছে যিসমূহ স্কুলত তেওঁলোকে যোৱা নাছিল আৰু ফৰ্মখন দিয়া নাছিল। তেনেকুৱা..

**মাননীয় অধ্যক্ষ** ঃ এইখিনি কথা যোৱাকালি বহু মাননীয় সদস্যই কৈছে- এইখিনি সদনৰ কাৰ্য্যবিৱৰণীত লিপিবদ্ধ আছে।

**শ্ৰীশ্বেৰমান আলি আহমেদ ঃ** অধ্যক্ষ মহোদয় যিহেতু আমাৰ আইনখন হ'ল ২০১১ ৰ ৫ ছেপ্টেম্বৰ গতিকে ৪ ছেপ্টেম্বৰলৈ যিসকলক DIC পাইছে সেইখিনি স্কুলক প্ৰাদেশিকীকৰণৰ আওতাত আনিব লাগে আৰু মই ভাবোঁ এইটো বিশেষ একো নাই - যুক্তিসন্মত হ'ব। এইখনি কৰিলেও আমাৰ বহু সমস্যা সমাধান হ'ব। মাননীয় অধ্যক্ষ মহোদয় কলেজৰ ক্ষেত্ৰত ইউ.জি.চিয়ে গাইড লাইন উলিয়াইছিল ২৪-১২-১৯৯৮ ত - তাক কোৱা হৈছিল যে নেট, শ্লেট আদি অৰ্হতা লাগিব। কিন্তু সেই গাইড লাইনতে আৰু কোৱা হৈছিল যে State may fix a different date। ইয়াৰ পিছত UGC regulation নে আৰু এখন Notification উলিয়ালে মাৰ্চ ২০০০ ত। তাত কোৱা হ'ল যে ২০০০ মাৰ্চলৈ যিসকলৰ নেট, শ্লেট আছিল তেওঁলোকক প্ৰাদেশিকীকৰণৰ কৰা হ'ব। State may determined a different date in respect to various state আৰু accordingly মাননীয় অধ্যক্ষ মহোদয়, ২০১৪ চনত অসম চৰকাৰৰ শিক্ষা বিভাগে এখন অ' এম উলিয়ালে তাত কোৱা হ'ল ২৪-১২-১৯৯৮ ৰ পৰা ১৩-৩-২০০০ লৈ যিবোৰ কলেজত প্ৰয়োজনীয় অৰ্হতা থকা শিক্ষক আছিল, তেওঁলোকৰ চাকৰি প্ৰাদেশিকীকৰণৰ কৰা হ'ব। মাননীয় অধ্যক্ষ মহোদয়, within our OM. within the UGC guideline আজিও প্ৰায় ১৫১ জন কলেজ শিক্ষক কোনো কাৰণ নোহোৱাকৈ বাদ পৰি আছে। যিহেতু সেইখিনি শিক্ষক আমাৰ OM ভিতৰত গতিকে UGC guideline ৰ আধাৰত তেওঁলোকৰ প্ৰাদেশিকীকৰণ কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয় প্ৰাথমিক বিদ্যালয় আৰু মধ্য ইংৰাজী বিদ্যালয়ৰ ক্ষেত্ৰত কোৱা হৈছে clear title and position land. মাটিৰ ক্ষেত্ৰত clear position ঠিকে আছে। কিন্তু অধ্যক্ষ মহোদয়, উপায়ুক্ত কাৰ্য্যালয়ে মাটি আৱন্টন দিয়াতে বহু সময় লাগে। সেয়ে হয়তো বহু স্কুলে ২০১১ ত ২০১২ ত বা ২০১৩ ত পাইছে। এই যিটো clause clear title and position. position থাকক position should be before 1-1-2006. But title ৰ ক্ষেত্ৰত গুৰুত্ব দিব নালাগে। ২০১৮ নহ'লেও অন্তত ২০১১ লৈ - কাৰণ ২০১১ ত আমি আইনখন আনিলোঁ। গতিকে যিবোৰ স্কুলৰ clear title আছে সেইখিনিক প্ৰাদেশিকীকৰণৰ আওতালৈ আনিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, UGC guideline অহা আগতে বহুটো শিক্ষকক কলেজৰ পোন্ধৰ-বিশবছৰ ধৰি non sanction post ত কাম কৰি আছিল। সেইসময়ত কলেজবোৰে তেওঁলোকৰ প্ৰয়োজনীয়তা অনুভৱ কৰি কলেজ পৰিচালনা সমিতিয়ে নিযুক্তি দিছিল। সেই non sanction post ত যিসকলে চাকৰি কৰিছিল, তেওঁলোকৰ কিছুমানক চৰকাৰে ইতিমধ্যে চাকৰি প্ৰাদেশিকীকৰণ কৰিলে। কিন্তু তেনেকুৱা বহু non sanction post ত কাম কৰা যেনে গোৱালপাৰা কলেজ, সন্ধিয়া আঞ্চলিক কলেজ বহু শিক্ষক আছে। সেয়ে তেওঁলোকক অন্তত vacancy arise হোৱাৰ লগে লগে regularise কৰা হয় তাৰ ব্যৱস্থা কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয় আৰু এটা provision আমাৰ Act খনত আছে যে Act Land Building should be as per RTE Act or as per Non-Government Educational Institution Act. মাননীয় অধ্যক্ষ মহোদয় RTE Actত যি ধৰণৰ Land Buildingৰ কথা কোৱা হৈছে আৰু Non-Government Educational Institution Act ত যি ধৰণৰ Land Buildingৰ কথা কোৱা হৈছে আমাৰ কোনো অপ্ৰাদেশীকৃত শিক্ষানুষ্ঠানত সেই ধৰণৰ Land Building নাই। সেই পইন্টটো ধৰিবলৈ গ'লে কোনো শিক্ষানুষ্ঠান প্ৰাদেশীকৰণ নহ'ব। মই মাননীয় অধ্যক্ষ মহোদয়ক অনুৰোধ কৰিব বিচাৰিছোঁ যে আমাৰ ৰাইজে শিক্ষাৰ দৰে বিষয় এটাৰ দায়িত্ব লৈ অকনমান মাটি দি স্কুলখন প্ৰতিষ্ঠা কৰিছে। বিশ-ত্ৰিশ বছৰ বিনা বেতনত

শিক্ষকসকলে কাম কৰি আছে। তাৰ পিছত যদি আজি আমি ৰাইজক কওঁ তোমালোকৰ স্কুলখনৰ দুবিঘা মাটি থাকিব লাগিব, হাইস্কুলত পাঁচবিঘা মাটি থাকিব লাগিব নহ'লে নহ'ব তেতিয়া হ'লে...

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। ব্যাখা নালাগে মুল কথাখিনি কওঁক।

**শ্ৰীশ্বেৰমান আলি আহমেদ ঃ** অধ্যক্ষ মহোদয়, মোৰ কথাখিনি কোৱাৰ অৰ্থটো হৈছে যে কিছুমান বিষয়াই এই ক্ষেত্ৰত সুযোগ ল'ব পাৰে, বিভিন্ন ধৰণৰ অনৈতিক কাম কৰিব পাৰে - তোমালোকৰ মাটি নাই, গতিকে এইধৰণৰ কৰিলেহে আমি recommend কৰিম। গতিকে এইটো Straight fast হ'ব নালাগে। মাননীয় অধ্যক্ষ মহোদয় কলেজ শিক্ষক সকলৰ সম্পৰ্কত আৰু এটা কথা ক'ব বিচাৰিছো Affiliation, Concurrence, Recognition আদি বিভিন্ন কাৰণত আমাৰ কলেজ বাদ পৰি গৈছে। অধ্যক্ষ মহোদয় ১৯৭৪ চনত প্ৰতিষ্ঠিত কলেজ এই খেলিমেলি বোৰৰ কাৰণে প্ৰাদেশিকীকৰণ হোৱা নাই। গতিকে এই আঁসোৱাহখিনি দূৰ কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, যিখিনি স্কুল প্ৰাদেশিকীকৰণ নহয় As per the amended act. As will be মাননীয় অধ্যক্ষ মহোদয়, মোৰ কোৱাৰ অৰ্থটো হ'ল কোনো বিষয়াই এই ক্ষেত্ৰত সুযোগ ল'ব পাৰে, বিভিন্ন ধৰণৰ অনৈতিক কাম কৰিব পাৰে। যেনে- তোমাৰ মাটি নাই । গতিকে এই ধৰণৰ কৰিলেহে মই Recommend কৰিম। এইটো হ'ব নালাগে। মাননীয় অধ্যক্ষ মহোদয়, কলেজ শিক্ষক সমূহৰ ক্ষেত্ৰত যি Recognition, Affiliation, বিভিন্ন কাৰণত চৰকাৰী হেমাহিৰ বাবে আমাৰ বহুতো বিদ্যালয় বাদ পৰি গৈছে। তাৰ এটা অন্যতম উদাহৰণ গেলেকী কলেজ। এই কলেজ ১৯৭৪ চনতে প্ৰতিষ্ঠিত কৰা হৈছিল। কিন্তু আজিলৈকে খেলি-মেলিবোৰৰ কাৰণে প্ৰভিঞ্চিয়েলাইজ কৰা হোৱা নাই। গতিকে এই আসোঁৱাহসমূহ দূৰ কৰিব লাগে। প্ৰভিঞ্চিয়েলাইজৰ ক্ষেত্ৰত আৰু এটা কথা ক'ব বিচাৰিছো যে যিসমূহ স্কুল আমাৰ প্ৰভিঞ্চিয়েলাইজ নহয়, As per the ammend Act, as will be passed today. যি খিনি শিক্ষা প্ৰতিষ্ঠান, ভেঞ্চাৰ শিক্ষা প্ৰতিষ্ঠান প্ৰভিঞ্চিয়েলাইজ নহয়। এনেকুৱা দেখা গৈছে যে সেইবোৰ বহুত আগতে বিত্তীয় মঞ্জুৰী পাই আছিল। আমি প্ৰভিঞ্চিয়েলাইজৰ নামত বিত্তীয় মঞ্জুৰী বন্ধ কৰিলো। অন্ততঃ তেওঁলোকৰ শিক্ষানুষ্ঠানক বিত্তীয় অনুদান দি থকা হওঁক। কাৰণ সেইবোৰ ১.১.২০০৬ চনৰ আগতে প্ৰতিষ্ঠিত হোৱা স্কুল। কিন্তু হয়তো Recognition, Affiliation, Permission দেৰিকৈ হৈছে। Land clear title টো দেৰিকৈ পাইছে। মাননীয় অধ্যক্ষ মহোদয়, ভেঞ্চাৰ স্কুলত অৱসৰ প্ৰাপ্ত শিক্ষকসকলে ২০ বছৰ, ৩০ বছৰ ধৰি চাকৰি কৰি অৱসৰ ল'লে। এইটো অতি হৃদয় বিদাৰক, অমানৱীয়। ইয়াৰে আকৌ ধৰক ২০১০ চনত বহুতে অৱসৰ গ্ৰহণ কৰিলে। কিন্তু ২০১৩ চনত স্কুলখনে যোগ্যতা পাইছে। কিবা কাৰণত আগতে নহ'ল, এতিয়া পাইছে। কিছুমান স্কুল ধৰক, ২০১৬ চনত প্ৰভিঞ্চিয়েলাইজ হ'ল। কিন্তু তাৰ আগতে কিছুমান শিক্ষকে অৱসৰ পালে। কিছুমান স্কুলক প্ৰভিঞ্চিয়েলাইজ কৰা হোৱা নাই। এতিয়া কৰা হ'ব । সেয়েহে এনেধৰণৰ অৱসৰ প্ৰাপ্ত শিক্ষক সকলক মানৱীয়তাৰ দৃষ্টিভংগীৰে চাই অন্ততঃ এককালীন দুই লাখ টকা এটা দিয়াৰ ব্যৱস্থা কৰিব লাগে। কাৰণ এইটো আমাৰ ৰাজ্যৰ দায়িত্ব। They shelled out the responsibility of the state to import education to our children. They render the important service in nation bulding. গতিকে এই কথাটো গুৰুত্ব সহকাৰে ল'ব লাগে। মাননীয় অধ্যক্ষ মহোদয়, মাদ্ৰাছাৰ ক্ষেত্ৰত মাদ্ৰাছাৰ শিক্ষক নিযুক্তিৰ Teachers Eligibility Test(TET) নিয়োগ হৈ আছে। তাত TET পতা হৈছিল। কিন্তু কাকো নিয়োজিত কৰা হোৱা নাই। তেওঁলোকৰ এটা Demand আছে যে Special TET এটা পাতিব লাগে। মাননীয়

অধ্যক্ষ মহোদয়, মই আৰু এটা ক্ষেত্ৰত দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। প্ৰভিঞ্চিয়েলাইজৰ ক্ষেত্ৰত হোৱা খেলি-মেলিৰ কথা। শিক্ষা সাৰথি EV তেওঁলোকে বহু বছৰ চাকৰি কৰিলে।
দুলুমণি দাস নামৰ এগৰাকী মহিলাই ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ত ১৯৯৭ চনতে নিযুক্তি পাইছিল। কিন্তু পৰৱৰ্ত্তী ক্ষেত্ৰত Non Government Concurrence বুলি কৈ তেঁওক বাদ দিয়া হৈছিল। পিছতআকৌ পৰৱৰ্ত্তী ক্ষেত্ৰত অথ'ৰিটীয়ে অৱশ্যে স্বীকাৰ কৰিছিল। আমাৰ ব্যৱস্থাটোৰ ত্ৰুটিৰ কাৰণে এনেকুৱা ধৰণৰ বহু সমস্যা ৰৈ গৈছে। এইখিনি মাননীয় অধ্যক্ষ মহোদয়ে Considerationত আনিব লাগে। School Inspector (S I) সমূহে স্কুলখন ভালকৈ চলিছে নে নাই নিৰীক্ষণ কৰে। পৰ্য্যাপ্ত যদি S I নাথাকে, তেনেহ'লে আমাৰ স্কুল সমূহ নচলিব। ঠিক একেদৰে Block Officer (B.O.) বেছিভাগ ক্ষেত্ৰত নাই। কিবা কেচ চলি আছে। অতি সোনকালে চৰকাৰে আগভাগ লৈ School Inspector (S I) আৰু Block Officer (B.O.) ৰ খালী হৈ থকা পদসমূহ পূৰণ কৰিব লাগে আৰু পৰ্য্যাপ্ত পৰিমাণে দিবৰ কাৰণে অনুৰোধ কৰিলো। বহুতো বিদ্যালয়ত B.O আৰু S I নথকাৰ বাবে TET teacher সকলে এতিয়া স্কুললৈ নাযায়। মোৰ ব্লকটো অসমৰ আটাইতকৈ ডাঙৰ ব্লক। ২৭টা পঞ্চায়ত লৈ গঠিত। ইয়াত ৩,৪৬০০০ মানুহ বসবাস কৰে আৰু এইটো আটাইতকৈ ডাঙৰ Education Block. য'ত পৰ্য্যাপ্ত S I নাই। এতিয়ালৈকে B.O নাই। সেইকাৰণে পৰ্য্যাপ্ত S I আৰু B.O খিনি নিয়োগ কৰিব লাগে আৰু এটা কথা মই মাননীয় অধ্যক্ষ মহোদয়ৰ দৃষ্টিগোচৰ কৰিব খুজিছো যে আমাৰ চৰকাৰে PT Ratio হিচাপে শিক্ষক নিযুক্তি দিব পৰা নাই। হয়তো পৰ্য্যায় ক্ৰমে দিব। আমাৰ ফণীভূষণ চৌধুৰী ডাঙৰীয়াই কৈ গ'ল। কিন্তু মোৰ সমষ্টিত এটা অসুবিধা আছে যে CSC, APRCC এনেকুৱা ধৰণৰ যিসমূহ পদত আছিল, তেওঁলোক এতিয়া Officer হৈ গ'ল। তেওঁলোকৰ দায়িত্ব আছিল নিজৰ স্কুলতো শিক্ষা দান কৰিবই, লগতে তেওঁলোকৰ Cluster ৰ ভিতৰত যদি কিবা থাকে, তাতো কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এই ক্ষেত্ৰত মাননীয় ফণী ভূষণ চৌধুৰী ডাঙৰীয়াই ভাল পৰামৰ্শ দিছে। এল.পি হ'লে এম. ই. স্কুলৰ শিক্ষক হ'ব লাগে। এম. ই. স্কুল হ'লে হাইস্কুলৰ শিক্ষক লাগে। আপোনাৰ কথাটো মই বুজিছো।

**শ্ৰী শ্বেৰমান আলী আহমেদ(বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেওঁলোকে কাম নকৰে কাৰণে মই মাননীয় শিক্ষা মন্ত্ৰীক অনুৰোধ জনাব বিচাৰিছো যে মোৰ সমষ্টিত যিহেতু পৰ্য্যাপ্ত শিক্ষক নাই,CRC সমূহক অতি সোনকালে নিযুক্তি দিয়ক। অন্ততঃ ৪০/৫০ জন শিক্ষক আমি পাইছো। যিসকলে কাম কৰা নাই, তেওঁলোকৰ CRC কাটি দিব লাগে। তৃতীয়তে, মাননীয় অধ্যক্ষ মহোদয়, মই এটা প্ৰশ্ন কৰিছিলো তাৰ উত্তৰত আমাৰ মন্ত্ৰী মহোদয়ে জনাইছিল যে প্ৰতিবছৰে যেনে- ২০১৪ চনত ৬০ হাজাৰ গ্ৰেজুৱেট হৈছিল। ২০১৫-১৬ চনত ৬৬ হাজাৰ গ্ৰেজুৱেট হৈছিল। ২০১৬-১৭ চনত ৬৯ হাজাৰ গ্ৰেজুৱেট হৈছিল। কিন্তু ইউনিভাৰচিটিত Seat মাত্ৰ ৭,৬০০ টা আছে। মাননীয় মন্ত্ৰী মহোদয়ে সেইদিনা কৈছিল যে প্ৰতিখন কলেজত অন্ততঃ এটা বিষয়ৰ Post Graduate (PG) খুলিব। এইটো অতি গুৰুত্ব দি খুলিব লাগে। নতুন বিশ্ববিদ্যালয় স্থাপন কৰিব লাগে, নহ'লে আমাৰ বহুতো মেধা সম্পন্ন ছাত্ৰ এতিয়া উচ্চ শিক্ষাৰ পৰা বঞ্চিত হৈ থাকিব। শেষৰ পইণ্ট লৈ আহিছো যে আমাৰ RT Act মতে যি ধৰণে শিক্ষনুষ্ঠান থাকিব লাগে, কিন্তু বহু অঞ্চলত সেই ধৰণে নাই। চৰ অঞ্চলবোৰত এতিয়াও নাই। মোৰ চাপৰি পথাৰৰ চৰ অঞ্চলত ১০ কিলোমিটাৰ ভিতৰত প্ৰাথমিক বিদ্যালয় নাই। দেউলা, সোনাবাৰী, ৰাঙাপাৰা, বিশ্বেশ্বৰ আদি কৰি অঞ্চলত প্ৰায়

২০ কিলোমিটাৰ ভিতৰত এখনো হাইস্কুল নাই। তেনেকৈ ভাটনাখাইতী, কদমতলা, উজিৰেশ্বৰ around ৪০ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত কোনো Higher Secondery, কলেজ নাই। তেনেকৈ চেঙা অঞ্চলত একেধৰণৰে হ'ব যিবোৰ চৰ অঞ্চলত শিক্ষানুষ্ঠানৰ যথেষ্ট অভাৱ আছে, চাপৰি পথাৰত এল পি স্কুল নাই। মই ২০১১চনত জনাইছিলো যে এল পি স্কুল নাই। এইবোৰত অলপ গুৰুত্ব দিব লাগে। যিবোৰ ঠাইত এল পি স্কুল, হাইস্কুল, এম ই স্কুল, কলেজ কম আছে, অতি সোনকালে স্থাপনৰ ব্যৱস্থা কৰিব লাগে। মোৰ শেষৰ পইণ্টটো হৈছে, মাননীয় অধ্যক্ষ মহোদয়, এতিয়া Amalgamation ত যিটো ব্যৱস্থা লৈছে চৰকাৰে আমাৰ ইয়াত যিবোৰ গৰাখহনীয়া প্ৰৱল অঞ্চল আছে, তাত দেখা গৈছে যে স্কুলবোৰ যেতিয়া ১৫/২০/৩০ বছৰ গৰাখহনীয়াত জাহ যায়, তেতিয়া দৌৰা-দৌৰিকৈ গৈ কোনোবা বেলেগ অঞ্চলত স্থাপন কৰে। সেই স্কুলবোৰ পৰৱৰ্ত্তী সময়ত নিজৰ নিজৰ স্থানত লৈ আহিব লাগে। কিন্তু লৈ অহা হোৱা নাই আৰু আমাৰ ব্যৱস্থাপনাৰেও আমাক বাধ্য কৰিব পৰা নাই। গতিকে এই Amalgamation ৰ ফলত দেখিছো মোৰ সমষ্টি বাঘবৰ আটাইতকৈ বেছি ক্ষতি-গ্ৰস্ত হৈছে। তাত প্ৰায় ২৫ খন স্কুল নোহোৱা হৈ গ'ল। মোক আৰু স্কুল লাগে। সেইকাৰণে মই আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে য'ত শিক্ষাৰ হাৰ যথেষ্ট কম, PT Ratio যথেষ্ট বেছি। সেইবোৰত নতুন Enquiry ৰ জৰিয়তে য'ত এই স্কুলবোৰ প্ৰকৃততে থাকিব লাগিছিল। তাত লৈ যাব পৰা নাই। তাত এতিয়া স্থায়ী বসতি হৈছে, ল'ৰা-ছোৱালী পঢ়ি আছে। সেয়েহে Amalgamation ৰ বিষয়টো বিবেচনা কৰিব লাগে। ইয়াৰ লগতে মোৰ সতীৰ্থ বিধায়ক ৰূপজ্যোতি কুৰ্মীডাঙৰীয়াৰ এটা মন্তব্য আগবঢ়াব বিচাৰিছো যে পুনৰ চেমিষ্টাৰ System ৰ বাবে পুনৰ বছৰে বছৰে পৰীক্ষবোৰ পাতিব লাগে। এইখিনি কথা ক'ব দিয়া বাবে আপোনাক ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। সময় কম থকা বাবে আৰু ক'ব দিব নোৱাৰিম। কুশল দেউৰী ডাঙৰীয়াই যি পৰামৰ্শ দিছে, সেইটো Record হ'ব। ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই Suggestion দিছে, These will be also part of the record শ্ৰী প্ৰদীপ হাজৰিকী ডাঙৰীয়াও গুৰুত্বপূৰ্ণ পৰামৰ্শ দিছিল। That will be also part of the record আপোনালোকে দিব, মই Record কৰি দিম। চাহবুদ্দিন আহমেদে ডঙৰীয়াইও চাৰিজনৰ ভিতৰত নাম দিছিল। মই আজি দিব নোৱাৰিলো। আপুনি যি কেইটা কথা কৈছে, সেইখিনি লিখিতভাৱে দিব। It will be a part of the record. I think this the approval of House. যাতে আমি ৰেকৰ্ড কৰিব পাৰো। শ্ৰী ভৰেন্দ্ৰ নাথ ভড়ালী ডাঙৰীয়া উপস্থিত নাই। তেখেতৰ টো বাদ দিয়া হৈছে।

শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া, তেখেত আজি আলোচনাত আছিল, তেখেতক সময় দিব নোৱাৰিলো। তেখেতে যি কেইটা ক'ব, These will also part of the record. কংগ্ৰেছ বিধায়নী দলৰ কেইবাজনকো আমি দিব নোৱাৰিলো। শ্ৰী আব্দুল ৰছিদ মণ্ডল, তেখেত সময়ত নাছিল, যদিও এতিয়া আহিছে। তেওঁ যি দিব। That will also part of the record ৰছিদ আলম ডাঙৰীয়া আছে। That will also part of the record. শ্ৰী মতী নন্দিতা দাস ডাঙৰীয়ানী আছে, জাকিৰ হুছেইন ডাঙৰীয়া আপুনিও আহিছে, আপুনি দিব। শুকুৰ আলি আহমেদ ডাঙৰীয়া আপুনি আহিছে, আপুনি যিখিনি ক'ব সেইটোও ৰেকৰ্ড হৈ থাকিব। ৰকিবুল হুছেইন ডাঙৰীয়াই দিছিল। মই তেখতকো দিবলৈ কম। Part of the Record হ'ব। বিনন্দ কুমাৰ শইকীয়া ডাঙৰীয়া তেখেতৰো নাম আছিল। আপুনি যদি ক'ব বিচাৰে আপোনাকো মই সেইধৰণে দিবলৈ কম। এইটোও Part of the Record হ'ব। ঋতুপৰ্ণ বৰুৱা ডাঙৰীয়া আছে, আপুনি যদি কিবা বিচাৰে দিব

পাৰে। বিমল বৰা ডাঙৰীয়া অনুপস্থিত আছে। দেবানন্দ হাজৰিকা ডাঙৰীয়া Prepare কৰিছিল। সেইটো Part of the Record হ'ব। বীৰভদ্র হাগজেৰ ডাঙৰীয়া,গুৰুজ্যোতি দাস ডাঙৰীয়া, গণেশ কুমাৰ লিম্বু ডাঙৰীয়া, অমৰ চাঁন্দ জৈন ডাঙৰীয়া, কিশোৰ নাথ ডাঙৰীয়া, চক্রধৰ গগৈ ডাঙৰীয়া, সুমন হৰিপ্ৰিয়া ডাঙৰীয়ানীয়ে দিছিল। তেওঁলোকৰ কথাখিনিও Part of the Record হ'ব। গতিকে মই পুনৰ বাৰ ক'ব বিচাৰিছো যে ৯০ দিনৰ ভিতৰত আমি যি Rule কৰিছিলো চৰকাৰে প্রতিবেদন দিব। ইতিমধ্যে Tea ৰ প্রতিবেদন খন আপোনালোকৰ টেবুলত দিয়া হৈছে। আপোনালোকে যি আলোচনা কৰিছিল, তাৰ কিতাপখন আপোনলোকে এই সপ্তাহৰ ভিতৰত পাব। In Record আপোনালোকে আপোনালোকৰ কথাখিনি পাব। এই আলোচনাৰ কিতাপ মই আপোনলোকক দিম। চৰকাৰকো গোটেই কিতাপখন দিম মই এতিয়া সন্মানীয় মন্ত্রী ডাঙৰীয়াক এটা Concluding remark গোটেই কথাখিনিত দিবলৈ অনুৰোধ জনাইছো। তেখেতে এতিয়া ৰিমার্ক দিব। তাৰ পিছত সম্পূর্ণ ৰিপোর্টটো ৯০ দিনৰ ভিতৰত আমাক দিব আৰু তাৰ পিছত সদনত দাখিল কৰিম।

**ড° হিমন্ত বিশ্ব শৰ্মা , মন্ত্রী ঃ** - মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ ওপৰত হোৱা বিশেষ আলোচনাত অংশগ্রহণ কৰি তপন গগৈ ডাঙৰীয়া, দেৱব্রত শইকীয়া ডাঙৰীয়া, আমিনুল ইছলাম ডাঙৰীয়া, কমল সিং নার্জাৰী ডাঙৰীয়া, সঞ্জয় কিষাণ ডাঙৰীয়া, দুর্গা ভূমিজ ডাঙৰীয়া, চুজাম উদ্দিন লস্কৰ ডাঙৰীয়া, চক্রধৰ গগৈ ডাঙৰীয়া, পবিন্দ্র ডেকা ডাঙৰীয়া , ৰাজেদ আলী ডাঙৰীয়া, চুম ৰংহাং ডাঙৰীয়া, ডাঃ নোমল মমিন ডাঙৰীয়া, কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়া, শিলাদিত্য দেৱ ডাঙৰীয়া, ৰোজলীনা তিৰ্কী ডাঙৰীয়ানী, নিজামুদ্দিন চৌধুৰী ডাঙৰীয়া, অশ্বিনী ৰায় সৰকাৰ ডাঙৰীয়া, সন্মানীয় সদস্য ফণীভূষণ চৌধুৰী ডাঙৰীয়া, নুৰুল হুদা ডাঙৰীয়া, বৃন্দাবন গোস্বামী ডাঙৰীয়া, ৰূপক শৰ্মা ডাঙৰীয়া, শ্বেৰমান আলী আহমেদ ডাঙৰীয়া, ভুৱন পেগু ডাঙৰীয়া, ভৰেশ কলিতা ডাঙৰীয়া, মামুন ইমদাদুল হক ডাঙৰীয়া, ৰবিৰাম নার্জাৰী ডাঙৰীয়া, ৰণোজ পেগু ডাঙৰীয়া, সন্মানীয় সদস্য আব্দুল খালেক ডাঙৰীয়াকে আদি কৰি যিসকল সন্মানীয় সদস্যই বক্তব্য দাঙি ধৰিলে, তেওঁলোকক মই ধন্যবাদ আৰু কৃতজ্ঞতা নাইছো। মোৰ এটা ধাৰণা আছিল যে এই গোটেই আলোচনাটোত আমি ছাত্রসকলক কেন্দ্র কৰিয়েই আলোচনাটো আগবঢ়াম। কিন্তু যোৱাকালি মাননীয় সদস্যসকলে যি বক্তব্য আগবঢ়ালে সেই বিষয়ে গধুলি বিষয়াসকলৰ লগত আলোচনাত বহি গম পালো যে - Most of the issue falls under personnel Department তাৰ মানে গোটেইখিনি আইন, শিক্ষকৰ কি হ'ব, এন, চি, টি, ই নৰ্মচ নালাগে আৰু এই গোটেই কথাবোৰৰ maximum relates to Establishment Branch. শিক্ষক বা ছাত্রৰ গুণগত কথাৰ ওপৰত যিমানখিনি আলোচনা হ'ব লাগিছিল, মোৰ দৃষ্টিত সিমানখিনি হোৱা নাই। তাৰ মাজতো মাননীয় সদস্য ৰণোজ পেগু ডাঙৰীয়া, তপন কুমাৰ গগৈ ডাঙৰীয়া, বৃন্দাবন গোস্বামী ডাঙৰীয়া, ফণীভূষণ চৌধুৰী ডাঙৰীয়া আৰু আন কেইজনমান সদস্যই কিছু ছাত্র-ছাত্রীৰ কথা ইয়াত উল্লেখ কৰিছে। অধ্যক্ষ মহোদয়, মোৰ response টো student centric হ'ব আৰু মই intentionally, teachers centric response দিয়াৰ পৰা অলপ বিৰত থাকিব বিচাৰিছোঁ। প্ৰথম কথা হ'ল- যেতিয়া এজন ছাত্র বিদ্যালয়লৈ যাবলগীয়া হয় কি লাগে? What is his fundamental right? His fundamental right is for a quality teacher. আজি প্ৰথম, দ্বিতীয়, তৃতীয়, চতুৰ্থ, পঞ্চম, ষষ্ঠ আৰু সপ্তম শ্ৰেণীৰ ছাত্র-ছাত্রীৰ ভোটাধিকাৰ নাই। যিহেতু ভোটাধিকাৰ নাই তেওঁলোকে fundamental right টো assert কৰিব নোৱাৰে যে my fundamental

right is for a quality teacher । মোক যিজন শিক্ষকে পঢ়াব সেই শিক্ষকজন আটাইতকৈ বেষ্ট হ'ব লাগিব। এই ভেঞ্চাৰ স্কুলৰ শিক্ষকসকলক কোনে, কেনেকৈ নিযুক্তি দিছে, কিয় নিযুক্তি দিছে কোনেওঁ নাজানে। কিছুমানে ক'ব পাৰে যে তেওঁলোকে ৰাজ্যৰ দায়িত্ব পালন কৰিছে, আমি ৰাজ্যই বিচৰা নাই আমাৰ দায়িত্ব পালন কৰাব। দেউতাক-মাকে কৈছে যে আমাক ল'ৰা নালাগে, কোনোবা বেলেগ এজনে কৈছে যে তোমালোকক সন্তান লাগে। এতিয়া আমাৰ ধাৰণাটো হ'ল আজি যেতিয়া ভেঞ্চাৰ স্কুল কেন্দ্ৰিক আমি আলোচ না কৰিম তেতিয়া সেই আলোচনাৰ লগত কিছুমান নাম আহি পৰে মগধ ইউনিভাৰ্ছিটি, বিনায়ক ইউনিভাৰছিটি আদি। আমি স্বাস্থ্য বিভাগত এটা আলোচনা আৰম্ভ কৰিছো and we found 600 illegal appointment in Gr.-IV. । আমি বিধান সভাত উত্তৰো দিছো। 350 surveillant workers ৰ আমি false appointment পাইছো। আমি সেইখিনিক এতিয়া ৰিলিজ কৰি দিলো। দুই-এদিনতে ৬০০ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীক আমি ৰিলিজ কৰিব লাগিব। এতিয়া যদি অসমৰ কলেজ শিক্ষক, বিশেষকৈ যিখিনিৰ নিযুক্তিটো OPAC , (আমি নাজানো কেনেকৈ নিযুক্তি লৈছে) তেওঁলোকৰ যদি পোষ্ট গ্ৰেজুৱেট চাৰ্টিফিকেট, ডক্টৰেট ডিগ্ৰীৰ চাৰ্টিফিকেট চাব যাওঁ তেতিয়া আমি দেখা পাওঁ যে মেক্সিমাম চাৰ্টিফিকেট এটা চাইজেবল নাম্বাৰৰ হয়। মগধ ইউনিভাৰছিটি, বিনায়ক ইউনিভাৰছিটি এইবিলাক ইউনিভাৰছিটিত কোন ৰিচাৰ্চ গাইড হ'ল, কেনেকৈ ৰিচাৰ্চ কৰিলে nobody knows প্ৰথম কথাটো হ'ল- Can we allow the fundamental rights of the students to be violated? আজি যদি ছাত্ৰই গুণগত শিক্ষা নাপায়, তেতিয়া বাকী কথাবিলাকৰ কোনো অৰ্থ নাথাকে। সেই কাৰণে অধ্যক্ষ মহোদয়, ২০১১ চনৰ পৰা মই প্ৰচেষ্টা কন্দ্ৰৰছো যে অসমৰ শিক্ষা ব্যৱস্থাটোত গুণগত শিক্ষাৰ মানদণ্ড আমি কেনেকৈ বঢ়াব পাৰো। ইয়াত আজি আলোচনাত এন, চি, টি, ই নৰ্মচ ৰেহাই দিয়াৰ কথা কৈছে। বিধায়কে ক'ব লাগে এন,চি,টি,ই নৰ্মচটো কটকটীয়া প্ৰয়োগ কৰক। Why we are disconnected? য'ত বিধায়কে ক'ব লাগে টেট প্ৰযোজ্য কৰক, আমাক ভাল শিক্ষক আনি দিয়ক। কিন্তু আন্দ্ৰম আজি দুৰ্ভাগ্যবশতঃ কৈছো যে মানবীয়তাৰ দৃষ্টিৰে চাব লাগে। কোনটো মানৱতা ! 'বহুজনৰ হিতায়ক, বহুজনৰ সুখায়ক'। এজন মানুহৰ মানৱীয়তাক চাব নে তেওঁৰ সন্মুখত বহি থকা ১০০ জন ছাত্ৰৰ মানৱীয়তাক চাব। Who will define this humanity ? এজন অধ্যাপকৰ মানৱীয়তা- এজন ব্যক্তি আহি আমাৰ আগত বহুধৰণে কান্দিব পাৰে যে মোৰ ইটো নাই, সিটো নাই, মই চাকৰি নাপালে আত্মহত্যা কৰিম ইত্যাদি। কিন্তু তেওঁক যেতিয়া আপুনি কলেজখনত নিযুক্তি দিব, তেওঁৰ কাৰণে কিমান ছাত্ৰ ক্ৰিমিনেল হৈ যায়, যেতিয়া পঢ়িব নোৱাৰে কিমান ছাত্ৰ চুৰি-ডকাইতিৰ ৰাস্তাত গুচি যায়, সেইসকলৰ human right টো কোনে চাব? সেই কাৰণে অধ্যক্ষ মহোদয়, আমাৰ হাউচৰ কালেকটিভ এফৰ্ট হ'ব লাগে যে- অসমৰ শিক্ষকসকলৰ মানৱীয়তাটো চোৱাৰ পৰিৱৰ্তে ছাত্ৰ-ছাত্ৰী সকলৰ মানৱীয়তাটো চাব লাগে। যদি ছাত্ৰৰ মানৱীয়তাটো নাচাওঁ, তেতিয়াহ'লে শিক্ষকৰ মানৱীয়তাটো চাই লাভ নাই। They are adult, they can do any other activity. তেওঁলোকে যদি আজি ছাত্ৰসকলৰ জীৱনৰ লগত খেলা কৰে, যদি ভুৱা (ফেক) ডাক্তৰ দিয়ে আৰু ভুৱা (ফেক) শিক্ষক যদি আমি নিযুক্তি দিও সমাজ এখন কেতিয়াও আগবাঢ়ি যাব নোৱাৰে। সেইকাৰণে অধ্যক্ষ মহোদয়, এইবাৰ যেতিয়া ভেঞ্চাৰ স্কুল প্ৰাদেশিকীকৰণ কৰিম we are going to examine each and every certificate যদি কোনোবা কলেজৰ পৰা মগধ ইউনিভাৰছিটি পি,এইচ,ডি ৰ চাৰ্টিফিকেট আহে they will not be provincialized. বিনায়ক ইউনিভাৰছিটিৰ কোনোবা শিক্ষকৰ যদি এনেকুৱা

সন্দেহযুক্ত ডিগ্ৰী থাকে আমি নকৰো। কেইদিনমান আগতে আমি শিক্ষামিত্ৰসকলৰ চাকৰি ৰেগুলাৰাইজ কৰিলো। ৬০০০ শিক্ষকক আমি মানৱীয়তাৰ দৃষ্টিত দিছো, কিন্তু সকলোৰে গ্ৰেজুৱেট চাৰ্টিফিকেট মগধ বা বিনায়ক ইউনিভাৰছিটিৰ পৰা লোৱা। সকলোৰে ক'লে মানৱীয়তাৰ খাতিৰত কৰিব লাগে। কিন্তু এই মানৱীয়তাৰ খাতিৰত কৰি যোৱাৰ ফলত আজি অসমৰ শিক্ষা ব্যৱস্থাটোৰ ৰিজাল্ট ফণীভূষণ চৌধুৰী ডাঙৰীয়াই দেখুওৱাৰ ধৰণে আমি পাইছো। আমি এছ,ডি,জিৰ ওপৰতো আলোচনা কৰিছো। মই জানো শিক্ষক সকলে কাকো ভোট নিদিয়ে। যোৱাকালি মই হাউচত কৈছো- ২০১২ চনত কংগ্ৰেছ চৰকাৰ থাকোতে টেট শিক্ষক সকলক আমি নিযুক্তি দিছিলো। ২০১৪ চনৰ লোকসভাত কেইজন টেট শিক্ষকে কংগ্ৰেছক ভোট দিছিল? দলগাঁওৰ বিধায়ক ইলিয়াচ আলী ডাঙৰীয়াই মোক কৈছে যে- মোৰ দীনদয়াল কলেজৰ বাকী থকা নিযুক্তিখিনি কৰি দিয়ক। দীনদয়াল নামটোৰ বাবে এবাৰো আপত্তি কৰা নাই, মাত্ৰ ভাল প্ৰফেছৰ লাগে বুলিহে কৈছে। এনেকুৱা মানসিকতা এটা নিৰ্মাণ কৰাৰ আজি সময় হৈছে। ভেঞ্চাৰ স্কুলৰ এইসকল শিক্ষকৰ ছাত্ৰক পঢ়োৱাৰ মানসিকতা নাই। তেওঁলোকে বাহিৰত ধৰ্ণা দিছে। কাৰ পৰা চি, এল বা ই, এল লৈ আহিছে কোনো চিষ্টেমেই নাই। সেইকাৰণে অধ্যক্ষ মহোদয়, হাউচৰ পৰা এটা বাৰ্তা যাব লাগে যে আমাক এতিয়া গুণগত শিক্ষক লাগে। ইয়াত কোৱা হৈছে যে শিক্ষক কম হৈছে। সমস্যাটো শিক্ষক কম হোৱা নহয়। Revenue expenditure বাঢ়ি গৈ আছে।

He is a Matured Man । সেইদিনা খন কৈছে যে revenue Expenditure বাঢ়ি যাব। আজি আপোনালোকে চাওঁক শিক্ষকৰ কথাটো কি হৈছে, অসমত আজিৰ দিনটোত আমাৰ secondary Education Department , মই এটা সৰু example দিছো। আজি ১৪, ১৬,৪৫১জন Student আছে । again আমাৰ লগত ৬২,৭৬১ জন teacher কাম কৰি আছে। তাৰ লগত যদি ৭০০০ contractual teacher সোমোৱাই দিয়ে তেতিয়াহ'লে হ'বগৈ ৬৯,৭৬১ জন teacher .। এতিয়াP T R কিমান হয়? P T R falls down to 1 ঃ 14, তাৰ মানে ১৪ গৰাকী শিক্ষকৰ বিপৰীতে ১ জনকৈ শিক্ষক আছে। এতিয়া যদি সোধে ক'ত আছে, হয়তো কোনোবা স্কুলত সোমাই আছে বা কোনোৱা স্কুলত নাই। গতিকে আমাৰ সন্মানীয় বিধায়ক সকলে কি চাব লাগিব , solution can not be recruitment of more teachers যিমানে recruitment কৰিব- চৰ বা ট্ৰাইবেল এৰিয়াত যিদিনাখন এপইন্টমেন্ট পাব আপোনালোকেৰ ওচৰত transfer কৰিবলৈ খাটনি ধৰিব। য'ত পানী নালাগে তাত পানী সোমাই থাকিব। আজি সমস্যাটো আমাৰ কেতিয়াও সমাধান নহয় । আজি যদি মই ১ লাখ teacher এপইন্টমেন্ট কৰি দিও সেই ১ লাখ শিক্ষক আহি নিৰ্দ্দিষ্ট স্কুলত সোমাই যাব। আৰু সেই নিৰ্দ্দিষ্ট স্কুলকেইখন বঞ্চিত হৈ যাব। আমাৰ প্ৰাক্তন মন্ত্ৰী শৰৎ বৰকটকী ডাঙৰীয়া আজি House ত নাই । তেখেত জনা বুলি নকওঁ । মই যেতিয়া শিক্ষা বিভাগ এৰি দিলো ৩০০০ টেট শিক্ষকৰ ৰাতিৰ ভিতৰতে ট্ৰেন্সফাৰ হৈ গ'ল। ট্ৰেন্সফাৰ কেনেকৈ হ'ল- সৰ্ব্বশিক্ষাৰ P T R position তেওলোকে বদলাই দিলে। য'ত ২২ জন আছিল তাত ২১ জন কৰিলে । আমাৰ বৰপেটাৰ উপায়ুক্ত আছিল মই তেখেতক ধৰিলো যে কিয় কৰিলে? তেতিয়া মোক ক'লে কি ক'ব আপুনিতো জানেই? computer PTR বদলি কৰি TRANSFER কৰি দিলে আৰু আজিলৈকে মই সৰ্ব্ব শিক্ষা অভিযানৰ কাৰ্য্যালয়ত কৈ আছো যদি ও Situation টো আজিলৈকে rectify কৰিব পৰা নাই। সুধিলে দুই এগৰাকী বিধায়কৰ নামো কয় আমাৰ ফালৰো নাম কয় আপোনালোকৰ ফালৰো কয়। আজিও ৫-৬ জনকৈ বিধায়কে টেট শিক্ষক ট্ৰেন্সফাৰৰ কাগজ লৈ আহে। absolutely অন্তৰত

10. In sub-clause (5) of Clause 7 of the proposed Bill, the words 'pay' such fees as may be fixed by the appropriate authority' shall be replaced by the words 'not pay any fee'.

**মাননীয় অধ্যক্ষ ঃ** আৰু এটা আছিল নেকি? In the principal Act, in section 18, নাছিল নেকি ? ঠিক আছে, হ'ব এইটো। এতিয়া মই লগতে শ্ৰী আমিনুল ইছলাম ডাঙৰীয়া আপোনালোকে Clause 8 ত এটা দিছে Amendment, সেইটা একেলগে move কৰি লওঁক।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত অলপ বেলেগ আছে।

**মাননীয় অধ্যক্ষ ঃ** কওঁক চোন।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, clause 5-6 ত Amendment টো বেলেগ।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ আছে নেকি clause 5-6 ত। কওঁক।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আছে । I back to move that

1. In sub-clause 1 (b) of clause 5 of the proposed Bill the figure 5 (five) and 3 (three) occurring in line 3 and 4 shall be substituted by the figures 3 and 2 respectively.

2. In sub-clause 6 (iv)(d) of clause 5 of the proposed Bill shall be substituted by the follow:-

"(d) Executive Engineering of the concerned Public Health Engineering Division or any other officer authorized by him".

3. In sub-clause 6 (v)(c) of clause 5 of the proposed Bill in between the words 'Engineer' and 'in respect' occurring in line 7 the words 'or concerned sub-Divisional officer' shall be inserted.

## Amendment of Clause-6

**Shri Aminul Islam, MLA:** Amendment of Clause 7: In the principal Act, in section 8, for the existing provision of sub section (5) the following shall be substituted the students admitted against the

reserved quota as provided in sub-section (4) shall not pay any fees other than for books, clothes, goods and examination fees'.

Amendment of Clause 8: In the principal Act, in section 18, after section 28 and 28A of the proposed bill a new section 28B shall be inserted, namely:-"28B. No individual shall be allowed to run the Non-government educational institutions Non-government Organisations or Trusts shall run the Non-government educational institutions. The Non-government Educational I institution shall appoint adequate number of teachers to teach core subjects as well as other effective subjects as it is maintained in the provincialised Institutions." চাৰ কথাখিনি মই কৈ দিম নেকি, একে লগে।

**মাননীয় অধ্যক্ষ ঃ-** আপুনি কবলৈ কিবা আপত্তি আাছে নেকি ? তেওঁলোকে পইণ্টটো কব, তেখেতে আগতে কওঁক, আগৰ Clause কেইটা তেখেতৰ আছে। মই অকনমান, অজন্তা নেওঁগক যে কৈছিলো সেইটো আচলতে তেওঁলোকৰ amendment, সেইটো একেটা Clause তে । মোৰ অকন মান ভুল হৈ গৈছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বিধায়কঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমি যি কেইটা সংশোধনী আনিছো তাৰে সংশোধনী নং (১) relating to clause 4,সংশোধনী নং (২), relating to same clause, সংশোধনী নং (৩), সংশোধনী নং (৫), সংশোধনী নং (৬), সংশোধনী নং (৭), সংশোধনী নং (৮) এই গোটেই কেইটা regarding literary, language সম্পৰ্কীয়। To make the language more suitable. বিশেষ একো নাই। সেই কাৰণে এই কেইটাৰ বিষয়ে মই প্ৰথমে বক্তব্য ৰাখিম ।তাৰ পিছত সংশোধনী নং ৪, regarding clause 5 এইটোতে অলপ argument কৰিবলৈ আছে। বাকীখিনি একেই মই গোটেই কেইটাত literary যি কেইটা সংশোধনী আছে মই একেলগে কৈ গৈছো, মাননীয় অধ্যক্ষ মহোদয় ইয়াত clause 4 ত বাক্যটো এনেকৈ আছে, Provided that the in case of failour of any institution to registered institution under Sub-Section 1 of Section 6 within the stipulated period, the institution shall be allowed registrasion on payment of the fees with 50% increase of the prescribed rate' এই ভাষাটো বেছি শুৱলা নহয়। on payment of the fees with 50% increase of the prescribed rate' সলানি বোধ হয় on additional payment of 50% of the prescribed rate' দিলে বোধ হয় বেছি ভাল হব। সেই কাৰণে amendment টো অনা হৈছে। ঠিক তেনে দৰে পিছৰ amendment টো আছে, বাক্যটো আছিল এনেকুৰা issue notice to closed only institution in a fresh manner, that there shall not be any objection ইয়াত এটা so প্ৰয়োজন হব। in a fresh manner so that there shall not be any objection. ইয়াৰ পাছত আছে lowest ৰ আগত the, there shall not be any objection in lowest class. lowest আগত the এটাৰ প্ৰয়োজন হব। সেই কাৰণে amendment টো অনা হৈছে ।last বাক্যটো clause 4 ৰ ।ইয়াত আছে such

institution shall be completely close down after passing out the highest class of the institution,অৰ্থটো বৰ বেছি ফুটি উঠা নাই যেন লাগিছে সেই কাৰণে এনেকে সংশোধনী অনাটো বিচাৰিছো। 'after the last admitted student passes out the highest class of the institution'. ইয়াৰ পিছত clause 5 ৰ sub-clause 1 ৩ নং সংশোধনী, ইয়াত আছে মাননীয় অধ্যক্ষ মহোদয়, ইয়াত The institution shall own and possess a minimum area of land with clear title of the institution over it as specified as under মই কৈছো যে as under ৰ ৰ সলনি as specified here under এনেকেহে হব লাগে। ইয়াৰ পাছত ৫ নং সংশোধনী Sub-Clause B (IV) of Clause 5 ইয়াত আছে মাননীয় অধ্যক্ষ মহোদয়, ইয়াত C যিটো in Clause 16 after Clause C, C টো মই পঢ়ি দিছো Original Act খনৰ। The Medical and Health Officer authorized by the appropriate Authority or the Director to examine the health of the students or the sanitary condition of the institution and surrounding. এইটো ঠিকে আছে। the যদি এনেকে এটা শব্দ লিখা যায় the টো যদি এনেকে লিখা যায় Executive Enginner of the Public Health Engineering Department or any Officer authorized by him without addition of any further words it carries no meaning. Similarly এইটো যদি The District Transport Officer of the concerned District or any Officer authorized by him. এই বাক্যাংশ যদি E ত সংযোগ কৰি দিয়া হয় আৰু তাৰ পিছত কোনো ধৰণৰ শব্দ বা শব্দাংশ যোগ কৰা নহয় This also carries no meaning বোধয়, এই সংশোধনীৰ দ্বাৰা এইটো বুজাব খোজা হৈছে The medical and Health Officer তাৰ লগতে The Executive

Enginner of the Public Health Engineering Department আৰু District Transport Officer য়ে স্কুলখনৰ Health condition আৰু surrounding টো পৰীক্ষা কৰিব । বোধয় this carries this meaning, This amendment is suppose to carries this meaning.So, I have propose the amendment after amendment it will read as "The Medical and Health Officer/ The Executive Engineer of the Public Health Engineering Department or any Officer authorized by him/The District Transport Officer of the concerned District or any Officer authorized by him or the Director authorized by the appropriate authority or the Director to examine the health of the students or the sanitary conditions of the institution and the surroundings, সেই কাৰণে

এই amendment অনা হৈছে through check examine the sanitary conditions and health of the institution. These three Officer will be responsible. Next Clause 5 তে সংশোধনী নং -৬ B (V) B

ইয়াতে সংশোধনীটো আছে, বাক্যটো এনেকুৱা আছিল In case of institution situated in municipal towns, the institution must obtain and in position of a certificate, hold in position of a certificate, এইটো clear নহয়, সেই কাৰণে আমি কৈছো shall be in position of a certificate, the institution should be in position of a certificate. Similarly, 2nd সংশোধনীটো C Clause ত আছে। বাক্যটো আছে এনে ধৰণৰ PWD Building Division under host Jurisdiction school falls shall have to be obtained মই অলপ আগৰ পৰা পঢ়ি দিছো In Rural Areas, a certificate from Executive Engineer, PWD Building Division under host Jurisdiction school falls, shall have to be obtained. A certificate will have to be obtain from the Executive Executive Engineer and in position to read that in host position, that is not clear, perhaps এনেকুৱা হব লাগিছিল And shall be in position of schools to the head that the building সেই কাৰণে এই সংশোধনীটো অনা হৈছে। তাৰ পিছত মাননীয় অধ্যক্ষ মহোদয়ে ইয়াৰ পাছত আৰু এটা সংশোধনী আছে। This is also litarary, Clause 6,ইয়াত আছে No teaching or non teaching staff of a Non-Govt. Educational Institution shall be paid enrollments lays them the norms fixed pay the appropriate authority ইয়াত appropriate authority আমাৰ amendment বিলটো নাই। appropriate authority ৰ defination, original Act খনটো নাই । সেই কাৰণে ইয়াত এই শব্দাংশ যোগ কৰি দিয়া হৈছে Fix pay the Appropriate authority as pescribed by the Govt. মাননীয় অধ্যক্ষ মহোদয় Literary সম্পৰ্কীয় সংশোধনী কেইটা উত্থাপন কৰিলো। মাননীয় মন্ত্ৰী মহোদয়ে এই কেইটাৰ উত্তৰ দিয়াৰ পিছত মোৰ আৰু এটা সংশোধনী থাকিলে সেইটো পিছত কৈ দিম।

**মাননীয় অধ্যক্ষ ঃ-** নাই নাই আপুনি একে লগে কৈ দিয়ক মন্ত্ৰীয়ে উত্তৰটো দিয়াত সুবিধা হব তেখেতৰো। এই কেইটা এটা পাৰ্ট হ'ল আৰু Next part টো আপুনি কৈ দিয়ক।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বিধায়ক ঃ-** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত মানে private institution ৰ non - Govt. institution ৰ অধীনত কিমান মাটি থাকিব লাগিব। requirment of minimum land ইয়াত কোৱা হৈছে for lower primary and middle english School ২ বিঘা, 2bighas of land in one plot in case of rural area and 1 bigha of land in one plot in case of Municipal Town Committee area including Guwahati Metropolitan Development Authority আৰু for High School, High Secondary School 5 Bighas of land in one plot in rural area, and 3 Bighas of land in one plot in Municipal and Town Committee and 2 Bighas of land in one plot in Guwahati Municipal Corporation. ইয়াতে যিখিনি মাটিৰ কথা কোৱা হৈছে Primary

School, Upper Primary, Lower Primary ৰ কাৰণে ২ বিঘা rural area ১ বিঘা Municipal Town Committee আৰু including GMDA তেনেকৈ হাই স্কুলত ৫ বিঘাৰ কথা কোৱা হৈছে এটা প্লটতrural area তআৰু ৩ বিঘাৰো কথা কোৱা হৈছে। Municipal Town and Town Committee area ত আৰু ২ বিঘাৰ কথা কোৱা হৈছিল GMC area ত।

মাননীয় অধ্যক্ষ মহোদয়, আসাম টাইপ বিল্ডিং বনালে বেছি ঠাই লাগে- ইমান ঠাই নাই - পাৰিলে এখন খেলপথাৰ ৰাখিব লাগে। গতিকে আমি পোষকতা কৰি আছো যে প্ৰাথমিক বিদ্যালয়ৰো বিল্ডিংবোৰ মাল্টি ষ্টোৰেজ হওক। অধ্যক্ষ মহোদয় দুইবিঘা মাটিত এটা স্কুল আৰু খেল পথাৰ নহয়, তেনেকে একবিঘা মাটিত এটা স্কুল হৈ খেলপথাৰ নহয়, পাছবিঘা মাটি হাইস্কুলৰ কাৰণে তাতো স্কুল হয় কিন্তু পথাৰ নহয়। যিহেতু খেল পথাৰ নহয় গতিকে ইমান মাটিৰ পোষকতা কৰিব নালাগে। মাল্টিষ্টোৰেজ বিল্ডিং হ'ব লাগে। বিশেষকৈ গুৱাহাটীত মাটিৰ ইমান অসুবিধা সেই কাৰণে আমি প্ৰপ'জ কৰিছো প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ বাবে গ্ৰাম্যাঞ্চলত একবিঘা, মিউনিচিপাল আৰু টাউন এৰিয়াৰ বাবে ২.৫ কোঠা। ঠিক তেনেদৰে হাইস্কুলৰ ক্ষেত্ৰত গ্ৰাম্যাঞ্চলত দুইবিঘা, মিউনিচিপাল আৰু টাউন এৰিয়াৰ বাবে ১.৫ বিঘা মাটি আৰু জি.এম.চি এৰিয়াৰ বাবে এক বিঘা। এক বিঘা মাটিত মাল্টিষ্টোৰেজ বিল্ডিং বনালে হাইস্কুল বাদেই উচ্চতৰ মাধ্যমিক স্কুল চলিব পাৰিব। সেইকাৰণে আমি মাটিৰ যিটো নুন্যতম প্ৰয়োজনীয়তাৰ কথা বিধেয়কখনত কোৱা হৈছে তাৰ সংশোধনী আনিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। শ্ৰীমতী অজন্তা নেওঁগ।

**শ্ৰীমতী অজন্তা নেওঁগ** ঃ মাননীয় অধ্যক্ষ মহোদয়, Clause 7 ত দুটা সংশোধনী আছিল 9th Principal Act ত ৫ শতাংশ আছিল সেইটো মই ২৫ শতাংশলৈ বৃদ্ধি কৰিব কৈছো। সেই কাৰণে চাৰ ইয়াত on 12th April, 2012 the Supreme court of applied the constitutional validity of the provision in the Right to Education Act.2009 that makes it mandatory for all schools Govt. and private to reserved 25% of the their seats for children belonging to weaker section and disadvantage group. চাৰ ইয়াত ৫ শতাংশটো অতি কম হয় কাৰণ ১০০ খন যদি আসন থাকে মাত্ৰ পাঁচখন আসনহে সংৰক্ষিত হয়। গতিকে ২৫ শতাংশলৈ কৰিবলৈ নোৱাৰিলেও ৫ শতাংশতকৈ বৃদ্ধি কৰিবলৈ অনুৰোধ জনাইছো। দ্বিতীয়তে মোৰ আছিল Not pay any fee ইয়াত ৰিজাৰ্ভ কোটাত যিসকল ছাত্ৰ-ছাত্ৰী ভৰ্ত্তী হ'ব তেওঁলোকৰ মাচুল ল'ব নালাগে। কাৰণ RTE Act মতে যি ধৰণৰ স্কুল প্ৰতিষ্ঠা কৰিব লাগে সেই ধৰণে প্ৰতিষ্ঠা কৰিব পৰা নাই আৰু Article 21(A) ও আমি সম্পূৰ্ণভাবে মানি চলিব পৰা নাই। আমাৰ ৰাজ্যত কিছুমান ব্যক্তিগত খণ্ডৰ বিদ্যালয় আছে যেনে 'জাতীয় বিদ্যালয়', 'শঙ্কৰদেৱ শিশু নিকেতন' আদিয়ে নিজাববীয়াকৈ ভাল কাম কৰি আছে আৰু তেওঁলোকে দুখীয়া ল'ৰা-ছোৱালীবিলাকক নিজাববীয়াকৈ মাচুল ৰেহাই দিয়ে। গতিকে মই চৰকাৰক অনুৰোধ জনাইছো যে Part file ৰ যিটো expenditure হয় সেই ধনসমূহ ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহক ঘুৰাই দিবলৈ অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। শ্ৰীআমিনুল ইছলাম আপোনাৰ ৫,৬,৭,৮ ত যিকেইটা সংশোধনী আছে সেই সম্পৰ্কত কওক।

**শ্ৰীআমিনুল ইছলাম** ঃ মাননীয় অধ্যক্ষ মহোদয়, Clause 5 ত যিটো সংশোধনী আছিলে সেই

সম্পৰ্কত আমাৰ আগৰ বক্তা শ্ৰীশ্বেৰমান আলি চাহাবে কৈ গৈছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, যদি সেইখিনি একেখিনি কথা তেতিয়া হ'লে ক'ব নালাগে। বাকীকেইটা কওক।

**শ্ৰীআমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধেয়কখনত হাইস্কুলৰ বাবে গ্ৰাম্যাঞ্চলত পাঁচ বিঘা, মিউনিচিপাল আৰু টাউন এৰিয়াৰ বাবে ৩ বিঘা মাটি আৰু জি.এম.চি এৰিয়াৰ বাবে দুই বিঘা। এইটো ক্ষেত্ৰত পাঁচ বিঘাটো তিনি বিঘা কৰিব লাগে, তিনি বিঘাটো দুই বিঘা কৰিব লাগে যিহেতু মাটিৰ যথেষ্ট অসুবিধা। (d) sub-clause ত আছে Executive Engineer of the Public Health Engineering Department or any officer authorized by him; ইয়াত যেনেকৈ বিলখনত দিয়া আছে সেইমতে যিকোনো Executive Engineer ৰ হ'ব গতিকে আমি বিচাৰিছো Executive Engineer in concern Public Health Engineering, Division তাৰ মানে যত স্কুলখন আছে সেই Division ৰ Executive Engineer ল'ব লাগিব, বাহিৰৰ পৰা ল'লে নহ'ব। অধ্যক্ষ মহোদয় V(c) sub-clause ত আছে The Executive Engineer shall include Assistant Executive Engineer in respect of the locality where no Executive Engineer is available; আমি বিচাৰিছো The Executive Engineer shall include Assistant Executive Engineer or SDO যাতে Assistant Executive Engineer নহ'লে SDO জনক দিব লাগে। ইয়াৰ পিছত clause 6 তআমি এটা নতুন সংযোজন আনিব বিচাৰিছো ৭ নম্বৰ Educate number of teachers ৰ কথা উল্লেখ কৰিব লাগে যিহেতু শিক্ষকসকলৰ দৰমহা বেছিকৈ দিব লাগিব, অৰ্হতাসম্পন্ন শিক্ষক ল'ব লাগিব, টেট উত্তীৰ্ণ শিক্ষক ল'ব লাগিব। কিছুমান স্কুলে অৰ্হতাসম্পন্ন দুজন বা তিনিজন শিক্ষক লৈ বাকীখিনি কম অৰ্হতা সম্পন্ন শিক্ষক লৈ কাম চলাব পাৰে। গতিকে আমি বিচাৰিছো শিক্ষকৰ সংখ্যাটো উল্লেখ থকাটো বিচাৰিছো। ইয়াৰ পিছত clause 7 ত আছে Such fees as may by fixed by the Appropriate Authority আমি বিচাৰিছো এই ক্ষেত্ৰত তেওঁলোকৰ মাচুল ধাৰ্য্য নকৰাকৈ সম্পূৰ্ণ ফ্ৰী কৰি দিব লাগে। যদি স্কুলৰ পৰা কিবা কিনিবলগা বস্তু যেন কাপোৰ কিতাপ আদিৰ পইচাটো ল'ব পাৰে কিন্তু মাচুলটো ফ্ৰী কৰি দিব লাগে। ইয়াৰ পিছত 28A যিটো বিলখনত দিয়া আছে তাৰ লগত আমি 28B বুলি বিলখনত সংযোজন আনিব বিচাৰিছো। যিসমূহ বেচৰকাৰী স্কুল চলিব সেই স্কুলসমূহ যাতে কোনো ব্যক্তিবিশেষে ব্যৱসায়ীক ভিত্তিত চলাব নোৱাৰে। আমি দেখিবলৈ পাইছো এজন ব্যক্তিয়ে কেইবাখনো স্কুল চলায়। মাচুল বেছি সংগ্ৰহ কৰি ব্যৱসায় চলাই আছে। গতিকে প্ৰতিখন স্কুল এন.জি.অ' বা ট্ৰাষ্টতে চলাব লাগিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া clause ৪,৫,৬,৭,৮ । ৪ ত কংগ্ৰেছ বিধায়িনী দলে অকলে সংশোধনী দিছে আৰু ৫,৬ দুয়োটা বিধায়িনী দলৰ পৰা সংশোধনী আছে আৰু ৮ ত এ.আই.ইউ.ডি.এফ বিধায়িনী দলৰ সংশোধনী আছে। মন্ত্ৰী ডাঙৰীয়া আপুনি একেলগে উত্তৰ খিনি দি দিয়ক।

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয় আমাৰ সন্মানীয় সদস্য শ্ৰীশ্বেৰমান আলি ডাঙৰীয়াই clause ৭ আৰু ৮ ত কেইটামান সংশোধনী আনিছে Basically quality of drafting ৰ ওপৰত। মোৰ এইকেইটা মানি লোৱাত কোনো অসুবিধা নাই। যিহেতু Legislative Department এ পৰীক্ষা ( Vet) কৰি দিছিলে সেইকাৰণে অধ্যক্ষ মহোদয়, আপোনাক এটা প্ৰস্তাৱ দিম যে - আমাৰ অসম বিধান সভাৰ সচিব, শিক্ষা বিভাগৰ সচিব আৰু সংসদীয় পৰিক্ৰমা

বিভাগৰ সচিবে একেলগে বহি মাননীয় সদস্য শ্ৰীশ্বেৰমান আলি ডাঙৰীয়াই যিকেইটা সংশোধনী দিছে সেইখিনি চাই দিব আৰু তাৰ পিছত আপুনি যিকেইটা বিধেয়কখনত সংশোধনী প্ৰয়োজনীয় সেইকেইটা প্ৰত্যায়িত (certify) কৰি পঠাব- That can be included. আমাৰ কোনো অসুবিধা নাই। আপুনি সংশোধনী কেইটা প্ৰত্যায়িত কৰি দিয়াৰ পিছত য'ত যেনেকে লাগে সংশোধন কৰি দিয়া হ'ব।

মই আপোনাক এটা Proposal দিম যে Legislative ৰ Secretary, আমাৰ Secretary আৰু Assembly ৰ Secretary একেলগে বহি শ্বেৰমান আলি আহমেদ ডাঙৰীয়াই যিকেইটা Amendment দিছে সেইকেইটা চাই দিব। তাৰ পিছত আপুনি যেতিয়া certify কৰি পঠিয়াব যিকেইটা Amendment প্ৰয়োজনীয়, সেইকেইটা অন্তৰ্ভূক্ত কৰা হ'ব। আমাৰ কোনো অসুবিধা নাই। আপুনি Sign টো কৰি দিব। আপুনি তেনেকৈ certify কৰিব। Government has no objection appropriately য'ত Amendment হ'ব লাগে তাত হ'ব। অধ্যক্ষ মহোদয়, যিটো মাটিৰ ওপৰত কোৱা হৈছে, আপোনালোক সন্মানীয় সদস্য সকলে জানে যে বৰ্তমান Disaster Management is an important issue. আমি যদি Town ত একবিঘাৰ তলত যদি এখন স্কুল কৰো, In case of fire, in case of any Disaster risk, মানুহ ওলাই যাব নোৱাৰিব। ইংৰাজী স্কুলবোৰত বা বে-চৰকাৰী স্কুলবোৰৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও বাঢ়ি গৈ আছে। সেইটো আমি স্বীকাৰ কৰিব লাগিব। সেইকাৰণে চৰকাৰৰ ফালৰ পৰা আজি যদি মাটিখিনি কমাই দিও আৰু কাইলৈ তেনেকুৱা এটা যদি Disaster হয়, কোন দোষী হ'ব ? গতিকে আমি ভাৱো যে পাঁচ বিঘা, দুই বিঘা বা এক বিঘা গুৱাহাটীৰ স্কুলবোৰৰ কাৰণে Disaster Management ৰ ফালৰ পৰা Minimum থাকিব লাগে। সেইকাৰণে এইখিনি থাকক আৰু তাৰপৰা ব্যক্তিগত স্কুলবোৰৰ অলপ অলপ check ও হ'ব। নহ'লে এক কঠা মাটিতে এখন স্কুল বনাই ল'ব। গতিকে দুয়োটা উদ্দেশ্যই হ'ব। সেইকাৰণে মই সন্মানীয় সদস্য গৰাকীক অনুৰোধ কৰিম যে এই Amendment টো আকৌ pursue কৰিব নলাগে। কাৰণ কেতিয়াবা Disaster Related কিবা অসুবিধা হ'লে মানুহে পুনৰ উলিয়াব যে এই মাটিখিনি বঢ়া আছিল। কিন্তু কোনো এটা প্ৰস্তাৱৰ কাৰণে মন্ত্ৰীয়ে এইটো মানি ল'লে তাৰ কাৰণে এইবোৰ হ'ল। Once you have brought certain quality তাতকৈ তললৈ যোৱাটো আৰু ঠিক নহ'ব। বঢ়াই দিলে একো অসুবিধা নাই। সেইকাৰণে মই ভাৱো যে This Amendment may not be pursued. সন্মানীয় সদস্যা অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে যিটো প্ৰস্তাৱ দিছে যে ৫ শতাংশ আমাৰ যিটো Reservation that should be incresed up to minimum10% . নীতিগতভাৱে মোৰ ইয়াত কোনো বিৰোধিতা নাই। আমাৰ কেৱল এটাই অসুবিধা যে এই cluase টো introduce কৰিবলৈ যাওঁতে আমাৰ RT Act মতে 25% student School খনে নামভৰ্ত্তি কৰিব লাগিব। Central School ৰ যিটো Per student expenditure to that extent state Government should reimburse. Formula টো হ'ল যে ভাৰত চৰকাৰৰ Central School ত যিবিলাকত ছাত্ৰই পঢ়ি আছে, যেনেঃ KVK তাত Per student কিমান expenditure কৰে ? শিক্ষকৰ দৰমহা, স্কুলৰ বিল্ডিঙকে ধৰি Government of India ই এটা Rate ঠিক কৰিছে য'ত Per student ১২ টকাকৈ খৰচ কৰো। সেইকাৰণে reimbursement will be that 12 Rupees only not beyond

that. That is the provision of RT Act. এতিয়া মই এটা সৰু উদাহৰণ দিব খুজিছো যে ধৰক এজন ল'ৰাই Royal Global School ত ক্লাচ VIII লৈকে পঢ়িব, সেই পৰিৱেশত। Now IX and X is not covered by the RT Act. তাৰমানে ক্লাচ VIII পঢ়াৰ লগে লগে Royal Global ৰ মালিকে ক'ব যে তুমি আৰু IX ত আমাৰ স্কুলত থাকিব নোৱাৰিবা। তেতিয়া What will be the psychology of the boy? মই ক্লাচ VIII লৈকে ৰয়েল গ্ল'বেল স্কুলত পঢ়িলো বা শংকৰদেৱ বা জাতীয় বিদ্যালয়ত পঢ়িলো । এতিয়া মই ক্লাচ IX ত পুনৰ ঘূৰি গৈ চৰকাৰী বা তাতকৈ কম শৈক্ষিক পৰিৱেশৰ স্কুলত পঢ়িব লাগিব। সেইকাৰণে মই এটা কথা ভাবিছো যে ক্লাচ VIII লৈকে নহয়, Can we extend it up to the class XII by a State Amendment যদি RT Act. এ একো নকয়। কিন্তু State Act এ ক'ব পাৰে আৰু কৰি আমি ক'ব পাৰো যে Not by a Central School fees but in a reasonable fees. আজি আমাৰ বহুত ল'ৰা-ছোৱালী আছে শংকৰদেৱ স্কুলত বা জাতীয় বিদ্যলয়ত পঢ়িব বিচাৰে। আমি তেওঁলোকক কিয় ৰখাব লাগে। তেওঁলোকক যদি আমি ১২ টকা দিওঁ তেওঁলোকে পঢ়াব নোৱাৰে। ১০০ টকা দিলে Willingly পঢ়াব। আজি আমাৰ চৰকাৰী শিক্ষা অনুষ্ঠানত কিছুমান স্কুলত ১২ জন ল'ৰাই মেট্ৰিক দিয়ে। ১২ জন ল'ৰাই মেট্ৰিক দিয়াৰ ঠাইত ৮জন শিক্ষকক দৰমহা দিয়া হয়। অৰ্থাৎ আমি ৮ জন শিক্ষকৰ নামত মাহিলি তিনি লাখ বিশ হাজাৰ টকা খৰচ কৰো। তিনি লাখ বিশ হাজাৰ টকা যদি আমি মাহিলি খৰচ কৰো, বছৰি আমি ৩৬ লাখ টকা খৰচ কৰো। ৩৬ লাখ টকা খৰচ কৰি আমি IX, X মিলাই পঢ়াও ১৬জন ছাত্ৰক। That is the per capita expenditure of the Government on that school. কিমান খৰচ কৰো? আপুনি চিন্তা কৰক অধ্যক্ষ মহোদয়। গতিকে ১.৫০ লাখ চকা খৰচ কৰাৰ ঠাইত আমি যদি ২০ হাজাৰ টকা জাতীয় বিদ্যালয়ত দি দিওঁ, মাহিলি ২০০০ টকা fees হয়। তেওঁলোকে ধুনীয়াকৈ ছাত্ৰসকলক পঢ়াই ল'ব। So these things are in my mind. যে যিবোৰ বিদ্যালয়ত ১৭/১৮ জন ছাত্ৰ-ছাত্ৰী আছে আৰু আমাৰ শিক্ষক সকলেও চেষ্টা কৰি বঢ়াব পৰা নাই। কাষৰ জাতীয় বিদ্যালয় খন ভালকৈ চলি আছে, সেই ১৬ জন ছাত্ৰ-ছাত্ৰী তালৈ যাওঁক। Government completly reimburse the fees. সেইকাৰণে আমি ভাৰি আছো যে আমি এখন কমিটী গঠন কৰিম য'ত আমি RT প্ৰভিজন টো XII লৈ বঢ়াব পাৰো। XII পাছ কৰাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলে মেডিকেল, ইঞ্জিনিয়াৰিঙত গুচি যায়। আমাৰ ক'ব লগা একো নাথাকে। আমি যদি reasonable টকা এটা Royal Global ৰ মালিকক দি দিওঁ, যে মাহিলি আমি চেণ্ট্ৰেল স্কুলৰ ফিজ pay নকৰো, কিন্তু reasonable Fees তেতিয়া That student will not be discriminiated.So, I support the Amendment given by Hon'ble MLA Ajanta Neog in matter and spirit. কিন্তু আজিৰ তাৰিখত মই এটায়ে ক'ব বিচাৰিছো যে Give me another six to seven months, I will come come back with a more appropriate amendment giving coverage upto class-XII, with a reasonable Fees. গতিকে মই মাননীয় সদস্য গৰাকীক অনুৰোধ কৰিম যে আজিৰ প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰি লওঁক। With a commitment from my side that during this Financial Year I will come back with a proper and appropriate Amendment. যিটো Amendment এ আমাৰ দুখীয়া ছাত্ৰ-ছাত্ৰীসকল, যিসকলে ব্যক্তিগত শিক্ষানুষ্ঠাত পঢ়িব বিচাৰে পঢ়িব পাৰিব। And they will not face

discrimination beacause we will pay per capita fees and that up to class XII, not upto class VII.

**শ্রী শ্বেৰমান আলি আহমেদ(বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে যিখিনি আশ্বাস দিলে, সেই আশ্বাস মতে মই সংশোধনী ১,২,৩,৪,৫,৬,৭,৮ সেইখিনি withdraw কৰিলো। কিন্তু ৯,১০ সংশোধনীৰ ময়ো Signatory. আমাৰ মাননীয় সদস্যা অজন্তা নেওঁগ বাইদেউৱে উত্থাপন কৰিছে। এই সংশোধনীৰ ওপৰত মই এটা স্পষ্টীকৰণ দিব বিচাৰিছো। RT Act মতে মাননীয় মন্ত্রী মহোদয়ে যিটো কৈছে যে Central school ত যিমান per student খৰচ হ'ব, সেইটো আমি Reimbursement কৰিব লাগিব, সেইটো নহয়। ইয়াত মই particular clause টো পঢ়ি দিছো যে This School specified in sub-clause-4 of clause N, মানে Private School, un-aided school of section-2 providing free and compulsory education as specified in clause -C of sub- section (L) shall be reimbursed expenditure so incurred by to extend of per child expenditure by the state. মানে আমাৰ state ৰ যিটো per child expenditure,সেইটো আমি bear কৰিম not the Central Government বা Private school এ যিমান কৰিছে, or the actual amount charged from the child whichever is less. less হ'ব such manner as per perscribed. ইয়াত আৰু কোৱা হৈছে যে that reimbursement shall not exceed per child expenditure incurred by school specified in clause N of section-2. মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ যিখিনি উদ্দেশ্য হৈছে, class XII লৈকে, আমি ১০০ শতাংশ সমৰ্থন জনাইছো। কেৱল মাত্র ইমান ভাল স্কুল সমূহত আমাৰ দুৰ্বল শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলেও যাতে পঢ়িব পাৰে তাৰ কাৰণে ৩ লাখ টকা মাছুল বেলেগৰ পৰা লৈ আমি যদি ২৫ শতাংশ ৰিজাৰ্ভ কৰি দিওঁ আমি State ৰ per child যিমান খৰচ হ'ব, সেই টকাখিনিহে দিম।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কোৱা কথাটো মই বুজি পাইছো। আপোনাৰ উদ্দেশ্যটো ভাল। কিন্তু মন্ত্ৰীয়ে কৈছে যে With a commitment that he will come back again. এইটো ৰিজেক্ট কৰা নাই। I think let him also see whether that can be extended to class XII. অলপমান আপোনালোকে অপেক্ষা কৰিলে ভাল হ'ব নেকি?

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্রী, শিক্ষা, বিত্ত আদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিখিনি কৈছো সেইটোৱে ইয়াত লিখা আছে। আমি যিটো কৈছো, State, State Government কোৱা নাই। State means instrument of State আৰু That has been elaborated by the Central Government through notification that this expenditure will be equivelant to the expenditure incurred by the State on the Central School KVK. তাত যদি ১২ টকা হয়, State ত অলপ কম হ'ব। তাৰমানে Basic calculation is same. যে per child, আমি State এ কিমান খৰচ কৰো? এতিয়া মোৰ issue টো বেলেগ। মোৰ issue টো হ'ল যে ধৰক per child আমাৰ calculation কৰোতে ১২ টকা উলিয়াই স্কুলখনে ফিজ লয় ২৪ টকা। যেতিয়া আমাৰ ১২ টকাত ছাত্ৰ-ছাত্ৰীক পঢ়াব, He will face discrimination. তেওঁক ক'ব পাৰে তুমি পঢ়িব পাৰিবা কিন্তু বিদ্যালয় সপ্তাহত যোগদান কৰিব নোৱাৰিবা। যিহেতু পঢ়াটোহে ইয়াত লিখা আছে, সেয়েহে স্কুলৰ

বাকী ছাত্ৰী-ছাত্ৰী সকলে গৰম বন্ধত ক'ৰবালৈ যাব তাত তুমি যোগদান কৰিব নোৱাৰিবা। কাৰণ এক্তত Raw cost ৰ কথাহে কোৱা হৈছে। কিন্তু এখন স্কুল, ইংৰাজী স্কুলেই হওঁক, শংকৰদেৱে হওঁক বা জাতীয় বিদ্যালয়ে হওঁক, তাত কেৱল পঢ়োৱাই নহয়, Holistic Education আছে। ক্ৰীড়াত বিভিন্ন খেল যেনে- ভলীবল, সাঁতোৰ আদিও আছে।

আজি যদি আপুনি আগশাৰীৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত এডমিচন দিয়ে তেতিয়া তেওঁলোকে প্ৰথমে ক'ব যে ঠিক আছে তুমি ইয়াত পঢ়িবা, কিন্তু স্কুল বাছৰ ভাড়াটো তোমাৰ ফ্ৰি নহয়। You have to pay the School Bus fare . বাছৰ ভাড়া নিদিলে দুখীয়া ল'ৰা-ছোৱালী কেনেকৈ যাব ? গাড়ীত কোনে লৈ যাব ? দ্বিতীয় পইন্টটো আহিব, কলেজ উইক, স্কুল উইক আদি হ'ব তাতো ছাত্ৰ সকলৰ বাধা আহিব কাৰণ যিহেতু চৰকাৰে মাত্ৰ পঢ়াৰ বাবেহে ফিজটো দিয়ে বাকী অন্যান্য খৰছবোৰ নিদিয়ে। So, it has a flow. RTE Act তো প্ৰভিজনটো flow আছে আৰু আমাৰ এক্টতো আছে। কিন্তু মই whimsically আহিব নোৱাৰো। কাৰণ মই যদি সিদ্ধান্ত লওঁ যে ছাত্ৰজনক holistic education ৰ গোটেই টকাখিনি ঘুৰাই দিম, Then it will be 1 lakh rupees per side and it has to be backed by budgetary allocation। ইয়াত এক্টখন পাছ কৰিলে নহ'ব। ফাইনেন্স ডিপাৰ্টমেন্টে বাজেটতো শিক্ষা বিভাগৰ বাবে টকা ধাৰ্য কৰিব লাগিব। দ্বিতীয় প্ৰশ্ন আহিব যে আমি ১ লাখ টকা দিব পাৰো নেকি ? যদি আমি বেলেগ ষ্টেটত ১২ টকা খৰছ কৰি আছো, তেন্তে এই ছাত্ৰজনক আমি ১ লাখ দিব পাৰো নেকি ? This has to be answered by a Committee। আজি যিহেতু ইয়াত এইটো প্ৰভিজন আহিছে, I am with you, I am not against you. But, I want it to be examined by the Committee back by resources. সেই কাৰণে মই কৈছো যে- within this financial year, we will come back to this House with a proper amendment.

**শ্ৰী শ্বেৰমান আলী আহমেদ,বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেনেকৈ এইখিনি লৰা-ছোৱালীক এডমিচন দিয়াব পাৰি এই ক্ষেত্ৰত গোটেই কথাখিনি চালি-জাৰি চাই এখন ভাল আইন আনিব বুলি যিহেতু মাননীয় মন্ত্ৰী ডাঙৰীয়াই কৈছে, সেইবাবে সমৰ্থন জনাইছো। লগতে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যিখিনি discrimination তেখেতে আশংকা কৰিছে সেই আশংকাখিনি ৰাজ্য চৰকাৰে ইচ্ছা কৰিলে নিশ্চয় আমি এইখিনিও ৰোধ কৰিব পাৰিম। কাৰণ RTE Act তো ইয়াৰ প্ৰভিজন আছে। কোনো ধৰণৰ discrimination কৰিব নোৱাৰে। যদি গোটেইখিনি চালি-জাৰি চাই ২৫ শতাংশ ও কৰিব পাৰে তাৰ বাবে অনুৰোধ জনালোঁ।

**মাননীয় অধ্যক্ষ ঃ** শ্বেৰমান আলী ডাঙৰীয়া, মই নকওঁ বুলি ভাৱিও আপোনাক এটা কথা কব বিচাৰিছো যে আমি অসম চৰকাৰৰ পৰা যি বিনামূলীয়া নামভৰ্তিৰ ব্যৱস্থা কৰিছো সেই সম্পৰ্কত গুৱাহাটী কমাৰ্চ কলেজত এগৰাকী ছাত্ৰীয়ে বিনামূলীয়াকৈ নামভৰ্তি কৰিছিল। তেওঁক প্ৰথমতে নাম ভৰ্তি কৰিবলৈ দিয়া নাছিল। মাকে মোৰ ওচৰত আহি কোৱা বাবে মই ফোন কৰাৰ পিছত তেখেতে নামভৰ্তিৰ সুবিধা পালে। তেখেতে দুৰ্ভাগ্যবশতঃ দুবছৰ ধৰি শেষৰ বেঞ্চত বহিবলগীয়া হ'ল। ছোৱালীজনী অতি দুখীয়া ঘৰৰ আছিল। স্কুল বিলাকত যাতে ill treatment নাপায়, unequal treatment নাপায় এইবিলাক ভালকৈ চালি-জাৰি চোৱাতো দৰকাৰ। শিক্ষা মন্ত্ৰীয়ে কথাটো ঠিকে কৈছে। এতিয়া মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়া, কথাটো ঠিকে আছে নে ?

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো ঠিকে আছে আৰু বহু কেইটা আছে, একে

লগে দিয়া হৈছিল।

**মাননীয় অধ্যক্ষ ঃ** ৫, ৬, ৭, ৮ ৰ এমেণ্ডমেণ্ড একেলগে দিয়া হৈছিল। সংশোধনী বোৰও একেই। আপোনাৰ যিটো হোৱা নাই সেইটো মন্ত্ৰী ডাঙৰীয়াই কৈ দিব।

**ড০ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** আমিনুল ইছলাম ডাঙৰীয়াই এটা কথা কৈছিল যে No. of teachers should be fixed. এতিয়া অধ্যক্ষ মহোদয়, ৩০ জন ছাত্ৰৰ বিপৰীতে কিমান শিক্ষক থাকিব, ৫০ জন ছাত্ৰৰ বিপৰীতে কিমান শিক্ষক থাকিব এইবিলাক চালি-জাৰি চাই আমি এখন schedule দিব পাৰো। কথাটো হ'ল, যদি শিক্ষক বাঢ়ে তেতিয়া বিদ্যাৰ্থীৰ মাচুলটোও বাঢ়ি যাব। ধৰক, ৪ জন শিক্ষকক তেওঁলোকে মেনেজ কৰিছে। আমাৰ অৰ্ডাৰ মতে তেওঁলোকে ৫ জন শিক্ষক ল'লে, তেতিয়া পঞ্চমজন শিক্ষকৰ দৰমহা ব্যক্তিগত খণ্ডৰ বিদ্যালয় বিলাকে নিজৰ ফালৰ পৰা নিদিয়ে। আকৌ ছাত্ৰ-ছাত্ৰীৰ feesটো ১০ টকা বঢ়াইহে দিব। I was little bit of cautious. তথাপি আমাৰ ফালৰ পৰা এটা order issue কৰিব লাগিব যে Teacher People Ratio টো as per RTE Act মানিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** মই ভাৱো, it is a wonderful initiative by the Govt. ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ কথা আমি ১৯৯২-৯৩ চনতে চিন্তা কৰিছিলো। সেই সময়ত সদন কমিটি গঠন হৈছিল। মইয়ো সদন কমিটিত আছিলো। চেষ্টা সকলোৱে কৰি আছে। সকলোৱে এই কথাটো যোগাত্মকভাৱে কৈ আছে। আজিৰ ৰাতিপুৱাৰ আলোচনাটো এই কথা ওলাইছিল। সকলোৱে যদি withdraw কৰে মই মন্ত্ৰী ডাঙৰীয়াক move কৰিব ক'ব পাৰো।

এতিয়া বিধেয়কৰ ৪ নং, ৫নং, ৬নং, ৭নং আৰু ৮নং দফাত থকা সংশোধনীখিনি withdraw কৰাত মই এতিয়া প্ৰস্তাৱটো উত্থাপন কৰিব বিচাৰিছো যে বিধেয়কৰ ৪ নং ৰ পৰা ৮ নং লৈ থকা দফাকেইটা বিধেয়কৰ অংশ হব। এতিয়া যি সকল মাননীয় সদস্য-সদস্যাই সপক্ষে আছে তেখেত সকলে কওঁক 'হয়' আৰু যিসকলে বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'। মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে বিধেয়কৰ ৪ নং ৰ পৰা ৮ নং লৈ দফাকেইটা বিধেয়কখনৰ অংশ হৈছে।

বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনৰ মজিয়াত উত্থাপন কৰিলো। বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য-সদস্যাই সপক্ষে আছে তেখেত সকলে কওঁক 'হয়' আৰু যিসকলে বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'। মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ল।

মই এতিয়া মাননীয় শিক্ষামন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Non-Government Educational Institutions (Regulation and Management) (Amendment) Bill, 2018" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হৈছে - "The Assam Non-Government Educational Institutions (Regulation and Management) (Amendment) Bill, 2018" be passed.

যি সকল মাননীয় সদস্য-সদস্যাই প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়' আৰু যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'। এতিয়া মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত হৈছে আৰু বিধেয়কখনো পাৰিত হৈছে বুলি মই ঘোষণা কৰিছো।

এতিয়া পৰৱৰ্তী বিধেয়ক খন হৈছে- "The Assam Non-Government Educational Institutions (Regulation of fees) Bill, 2018" মই শিক্ষামন্ত্ৰী ডাঙৰীয়াক এই বিলখন সদনত বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Non-Government Educational Institutions (Regulation of fees) Bill, 2018" দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো সদনৰ মজিয়াত উত্থাপন কৰিছো- 'The Assam Non-Government Educational Institutions (Regulation of fees) Bill, 2018" be taken into consideration. যি সকল মাননীয় সদস্য-সদস্যাই ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়' আৰু যিসকলে বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'। মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হৈছে বুলি মই ঘোষণা কৰিছো।

এতিয়া কাৰ্য্যসূচী নং ১২ (খ) ত আছে বিধেয়কৰ ২ নং দফাত সংশোধনীৰ প্ৰস্তাৱ নাই। মই বিধেয়কখনৰ ২ নং দফা সদনৰ মজিয়াত উত্থাপন কৰিলো। প্ৰশ্নটো হৈছে- ২ নং দফাটো বিধেয়কৰ অংশ হ'ব। যি সকল মাননীয় সদস্য-সদস্যাই ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়' আৰু যিসকলে বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়', মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, হয়'ৰ সপক্ষে ২ নং দফাটো বিধেয়কৰ অংশ হ'ল।

এতিয়া বিধেয়কৰ ৩ নং দফাত আমিনুল ইছলাম আৰু তেখেতৰ সহযোগী সকলৰ ২ টা সংশোধনী আছে আৰু এই সংশোধনীকেইটা যিহেতু আমিনুল ইছলাম ডাঙৰীয়াই উঠাই লোৱা নাই, তেখেতক সংশোধনীৰ ওপৰত কবলৈ অনুৰোধ জনালো ।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক ঃ** Sir, I beg to move in clause 3 of the proposed Bill that the digit 65 occuring in the third line, the digit 70 shall be substituted and in Clause 4 of the proposed Bill, the sentence, viz.,"there may be one or more Sub-Committee expanded shall be substituted by the sentence viz.," there shall be four numbers of Sub-Committee for upper Assam zone, middle Assam zone, lower Assam zone and Barak Valley zone respectively. Now, coming to the third line, proposed Bill খনৰ this sub-clause shall be deleted. Clause 11, sub-clause 4 of the proposed Bill, the word preoccuring in the third line in between the word, 'of a year' shall be substituted by the word, 'one'.

In sub clause 1(A) of Clause -15 of the show cause bill in between the contravention and punctuation mark, the group words that is

according to the collection of yearly fees by the instiution .

**মাননীয় অধ্যক্ষ ঃ** বহুখিনি Clause আছে। গোটেইখিনি মই raised বুলি declare কৰিব পাৰো নেকি ? এইখিনি মই raised বুলি ধৰি লৈছো। এইখিনি নিয়ম কাৰণে সময় কম আছে বাবে মই নিয়মটো অলপ শিথিল কৰিছো। প্ৰচিডিঙখন আমি তেনেকৈয়ে কৰিম এতিয়া আপোনাৰ কথা খিনি কওঁক।

**শ্ৰীআমিনুল ইছলামঃ** প্ৰথম যিটো amendment আছিলে এইটো আছিলে -The Age of the Chair person and the members shall not be more then 65 years at the time of appointment . এই ৬৫ বছৰটো আমি ৭০ বছৰ বুলি কৰিব বিচাৰিছো যিহেতু চেয়াৰ পাৰ্চ্ছনজন এজন retired secretary-- Commissioner level মানুহ হ'ব। আৰু পিছত যিটো amendment আনিছো তাত আমি কৈছো যে,--fees regulatory কাৰণে ৪খন এনেকুৱা committee গঠন কৰিব লাগে। lower assam , Middle Assam, Upper Assam আৰু Borak Vallyক লৈ ৪ খন regulation of fees commitee যদি গঠন কৰা হয় ৪ জন chair person লাগিব। গতিকে retired Secretary - Commissioner levelৰ মানুহ যদি chairman হয় আৰু যদি ৬৫ বছৰটো যদি confined থাকে আৰু তাৰ ওপৰৰ মানুহ আমি ল'ব নোৱাৰিম সেই কাৰনে ৪ খন কমিটিৰ স্বাৰ্থত বয়সৰ সীমাটো যাতে ৭০ বছৰলৈ শিথিল কৰা হয় সেই কাৰণে আমি এই প্ৰস্তাৱটো আনিছো। ইয়াত আৰু এটা কথা কোৱা হৈছিল যে প্ৰয়োজন সাপেক্ষে আৰু এটা কমিটি বনাব পৰা যাব যিটো ৪ নম্বৰ চাব ক্লজত দিয়া হৈছে। আমি ভাৰিছোঁ আৰু এখন কমিটি বনোৱাতকৈ ৪ খন কমিটি বনোৱা হওঁক। যাতে অসমৰ চাৰিওটা জ'নত private institution বিলাক তেওঁলোকে ভালকৈ চাব পাৰে আৰু তাৰ পিছৰ যিটো The Fees Regulatory Committee Shall Determine the fees for all institutions accept the institutions as referred to sub section one, inter link pre primary , primary , upper primary secondary and higher secondary education . এইটো আমি ডিবেট কৰাটো বিচাৰিছোঁ। education inpart কৰি থকা ইনষ্টিটিউচন খিনি যদি বাদ দিয়া হয় তেন্তে বহু ইনষ্টিটিউচন আমাৰ ৰেগুলেটৰী কমিটিৰ আওতাৰ পৰা বাহিৰত থাকি যাব। গতিকে এই ক্লজ-১০, - চাব ক্ল'জ - ২ টো আমি debate কৰাটো বিচাৰিছোঁ। আপুনি ৩-৪-১০-১১-১৫ এই ৫ টা clause দিছে। upto ৫ লাখ টকালৈৰে ------- যিবিলাকে Registration আৰু recognition টো timely নলব, টাইম পাৰ হোৱাৰ পিছত যিটো ফাইন লোৱাৰ কথা কৈছে এইটো amendmend ত আমি এটা sentence সুমুৱাই দিব খুজিছো। যে according to collection of yearly by the institution কিছুমান private School আছে য'ত কালেকচন কম হয় আকৌ কিছুমান আছে Heavy Collection হয় গতিকে তাত যাতে justify হয় সেই কাৰণে দিয়া হৈছে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে কংগ্ৰেছ বিধায়িনী দলৰ পৰা ৩ টাত কৈছিলে। ক্ল'জ- **৩** , ক্লজ-**১৩** আৰু ক্লজ-**১৭** - কমলাক্ষ্য দে পুৰকায়স্থ আপুনি কথা কেইটা কওক।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, Fees Regulatory কমিটি যিটো বনোৱা হৈছে, আমাৰ যিখিনি ল'ৰা-ছোৱালী non government institutionত পঢ়ি আছে তেওঁলোকৰ Guardian সকলক ইয়াত যদি মেম্বাৰ বনাই দিওঁ তেতিয়া ভাল হ'ব। তাৰ পিছত

next clause ১৩ যিটো আছিলে এইটো Revision কমিটি এই কমিটিখনতো যদি Guardian বিলাকক Member কৰি দিয়া হয় তেন্তে ভাল হয় কাৰণ তেতিয়া তেওঁলোকেও decision লোৱাত participate কৰিব পাৰিব। অধ্যক্ষ মহোদয়, 17A ক্ল'জত যিটো insert কৰিব লাগে সেইটো হৈছে , আমাৰ মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই সদায় গুণগত শিক্ষাৰ কথা কয় এইটো ভাল কথা। এতিয়া আগতে যিটো কৈছিল মই পঢ়ি দিছো। MLA / M P - আমাৰ ল'ৰা-ছোৱালীখিনিক যদি আমি চৰকাৰী বিদ্যালয়ত পঢ়াও তেতিয়া হ'লে সৰ্বসাধাৰণ মানুহখিনিয়ে লঁৰা-ছোৱালী চৰকাৰী স্কুলত পঢ়াবলৈ অনুপ্ৰেৰণা পাব।

**মাননীয় অধ্যক্ষঃ** Children of the State Government Employees and all Elected Representatives such as Members of Parliament, Members of Assam Legislative Assembly, PRIs , Co-operation, Municipal Bodies , Town Committee, Co-opertive Societies by birth from pursuing studies from a Non Government Educational Institutions and to be made obligatory on the part of those children to pursue study upto secondary level in Government provincialised Eduacational Institutions .

কালি ক'লে নহয় কথাটো । পঢ়ি দিলে সকলোৰে বুজি পাব।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** আৰু এটা কথা আছে অধ্যক্ষ মহোদয়, যিটো amendment কৰিছিলে মন্ত্ৰী মহোদয়ে ক'লে ভাল হয়।

মাননীয় অধ্যক্ষ মহোদয়ঃ মন্ত্ৰী ডাঙৰীয়াই গোটেইকেইটা ক্লজৰে উত্তৰ দিয়ক।

**ড°হিমন্ত বিশ্ব শৰ্মাঃ** অধ্যক্ষ মহোদয়, প্ৰথম কথা যিটো Fees Regulatory Commiittee ৰ আমি Chairman দিছো। তেওঁক আমি কৈছোঁ যে He will be a retired District Judge or a retired commissioner and during the time of appointment he will be 65 years। যদি আমি at the time of appointment 70 কৰি দিওঁ। then he will continue up to 75 আৰু that will be too much। কাৰন মই ভাৰোঁ যে সেইটো ageত মানুহে ঘুৰা ফুৰা কৰিব নোৱাৰে । সেই কাৰনে 65 appointment হোৱাৰ লগে লগে he will continue up to 68 or may be up to 70 সেই কাৰনে কথাটো একে থাকিব কিন্তু during the initial appointment he should be 65 । সাধাৰণতে আমাৰ Commissioner ,Secretary সকল ৰিটায়াৰড্ হয় ৬০ so they will get 5 years। ৫ বছৰত প্ৰতি বছৰে ২-৩ জনকৈ মানুহ ৰিটায়াৰ হয় সেই কাৰনে মই ভাৰোঁ Dearth of Men নহ'ব। যদি আমি কলোঁহেঁতেন he should serve only upto 65 years that would be a problem আমি কৈছোঁ time of appointment ত 65 হ'লেই হ'ল he can continue. দ্বিতীয়তে আমি কৈছো যিখন আমাৰ Fees Regulatory Committee হ'ব ইয়াত amendment আনিছে যে আমাৰ ইয়াত কমিটি upper Assam Zone, Middle Assam,আৰু Lower Assam Zone তহ'ব লাগে আৰু বৰাক ভেলীত হ'ব লাগে। কিন্তু চৰকাৰে এইটো Power ৰাখিছো কাৰণ We need more। যদি আমি এক্তত কৈ দিও চাৰিটাই হ'ব । কাইলৈ বি টি ছিত কৰিব নোৱাৰিম, কাৰ্বি আংলঙত কৰিব নোৱাৰিম। So Act ত এইটো ৰখা হৈছে There may be

one or more such committee । মই ভাৱোঁ যে আজি অসমত প্ৰায় ৫ হাজাৰ মান স্কুল আছে। গতিকে এইখিনি dispose কৰিবৰ বাবে We need atleast 6 to 7 Committees . Revision Committee will be one but Regulatory Committee that can be one or more. সেই কাৰণে মাননীয় সদস্যগৰাকীৰ যিটো প্ৰস্তাৱ সেইটোৱে ইয়াত আছে গতিকে মই ভাৱোঁ যে, ইয়াত বেলেগে specify কৰিব নালাগে । চৰকাৰে কমোৱা বঢ়োৱা কৰি থাকিব পাৰিব। অধ্যক্ষ মহোদয় , ইয়াৰ পিছত আহিছে কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াৰ এটা বেলেগ ধৰনৰ ছাজেচন। অধ্যক্ষ মহোদয়, এইটো ছাজেচনৰ ওপৰত এইখন বিলত ক'বলগীয়া নাই।

**ড°হিমন্ত বিশ্ব শৰ্মা, শিক্ষাবিভাগৰ মন্ত্ৰী ঃ** .. ক্ৰমশ.. মাননীয় অধ্যক্ষ মহোদয়, এইটো suggestion ৰ ওপৰত ক'বলগীয়া নাই। It is relating to fees. যদি সদনত তেনেকুৱা প্ৰস্তাৱ পাছ কৰে, তাত আমাৰ শিক্ষা বিভাগৰ ক'ব লগীয়া একো নাই। Parliamentary Affairs Minister has to take care of that because this is not a subject matter of Education Department আৰু এইখন বিলৰ লগত জড়িত নহয়। আনকি মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ can also move a Private Members' resolution. So this can be discussed in the House. ইয়াত মোৰ একো কব লগীয়া নাই।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া সংশোধনী দিয়া সকলৰ ভিতৰত AIUDF বিধায়নী দলৰ পৰা দিছেলে **৩**, ৪, **১০**, **১১** আৰু **১৫**. Are you withdrawing your amendment ?

**শ্ৰী আমিনুল ই ছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সংশোধনী কেইটা withdraw কৰি লৈছো। কিন্তু আমাৰ শেষৰ সংশোধনী যিটো দিছিলো যে ব্যক্তিগত খণ্ডত এজন ব্যক্তিয়ে ব্যৱসায় চলোৱাতকৈ যাতে কোনো NGO বা Trust এ এইবিলাক চলাই তেতিয়া হ'লে বেছি ভাল হয় বুলি মই ভাৱো। এইটো যাতে চৰকাৰে কৰে আপোনাৰ জৰিয়তে অনুৰোধ থাকিল।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো কলে Private Members' Bill অনাৰ কাৰণে, আমি সেইখন আনিম যাতে এটা নিদৰ্শন ৰাখিব পাৰিম গোটেই ভাৰতবৰ্ষতৰ মাজত মই এইটো মন্ত্ৰী মহোদয়ক জনাইছোঁ।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া মই দফা নং **৩** ৰ পৰা ৪ লৈ গোটেই কেইটা সংশোধনী যিহেতু withdraw হৈছে। মই প্ৰস্তাৱটো এনেকৈ দিব বিচাৰিছো যে সদনৰ সন্মতি সপক্ষে গোটেই কেইটা সংশোধনী প্ৰস্তাৱ প্ৰত্যাহাৰ কৰা হ'ল বুলি মই ঘোষণা কৰিছো।

এতিয়া মই ক'ব বিচাৰিছো যে বিধেয়কখনৰ দফা নং **৩** ৰ পৰা **২২** নং দফালৈ, যিহেতু কোনো সংশোধনী প্ৰস্তাৱ এতিয়া নাই। মই গোটেই কেইটাত বিধেয়কখনৰ অংশ হ'ব বুলি ঘোষণা কৰিছো।

যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেতসকলে কওঁক 'হয়',
যিসকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়',
মই ভাৱো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে,
দফা নং **৩** ৰ পৰা **২২** নং দফালৈ বিধেয়কখনৰ অংশ হ'ল বুলি মই ঘোষণা কৰিলো।

বিধায়কখনৰ **১** নং দফা সংক্ষিপ্ত নাম পৰিসৰৰ আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই।

মই বিধেয়কখনৰ **১** নং দফা, সংক্ষিপ্ত নাম পৰিসৰৰ আৰম্ভণ সদনৰ মজিয়াত উত্থাপন কৰিলো। প্ৰশ্নটো হৈছে বিধেয়কখনৰ **১** নং দফা, সংক্ষিপ্ত নাম পৰিসৰৰ আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেতসকলে কওঁক 'হয়',

যিসকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়',

মই ভাৱো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে,

বিধেয়কখনৰ **১** নং দফা, সংক্ষিপ্ত নাম পৰিসৰৰ আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

মই এতিয়া মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Non-Government Educational Institutions (Regulation of fees) Bill, 2018" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো সদনত অনুমোদনৰ বাবে বিচাৰিছোঁ "The Assam Non-Government Educational Institutions (Regulation of fees) Bill, 2018" be passed.

যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেতসকলে কওঁক 'হয়',

যিসকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়',

মই ভাৱো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, প্ৰস্তাৱটো পাৰিত হৈছে, বিধেয়কখনো পাৰিত কৰা হ'ল বুলি মই ঘোষণা কৰিছো।

ইয়াৰ পিছৰ বিলখন হৈছে "The Assam Madrassa Education (Provincialisation of Servics of Employees and Re-Organisation of Madrassa Educational Institutions) Bill, 2018" ।ৰাজভৱনৰ পৰা বিধেয়কখন সদনত বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অসমৰ ৰাজ্যপাল মহোদয়ে **২০১৮** চনৰ **২৬** মাৰ্চ তাৰিখত এটা বাণী পঠিয়াইছে। মই ৰাজ্যপাল মহোদয়ৰ বাণীটো পাঠ কৰি দিব খুজিছো - Under the provision of Article 207, Sub-clause 3 of the Constitution of India. I, Professor Jagdish Mukhi, Governor of Assam, recommend that "The Assam Madrassa Education (Provincialisation of Services of Employees and Re-Organisation of Madrassa Educational Institutions) Bill, 2018" be taken into consideration by the Assam Legislative Assembly.

মই এতিয়া মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াক এই Bill খন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো ।

**ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Madrassa Education (Provincialisation of Servics of Employees and Re-Organisation of Madrassa Educational Institutions) Bill, 2018" বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিব বিচাৰিছোঁ। "The Assam Madrassa Education (Provincialisation of Services of Employees and Re-Organisation of Madrassa Educational Institutions) Bill, 2018" be taken into consideration.

যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেতসকলে কওঁক 'হয়',

যিসকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়',

মই ভাৱো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, প্ৰস্তাৱটো গৃহীত হৈছে,

বিধেয়কখনৰ **২** নং দফাত সংশোধনী প্ৰস্তাৱ নাই। মই বিধেয়কখনৰ **২** নং দফাতো সদনত উত্থাপন কৰিছো।

যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেতসকলে কওঁক 'হয়',

যিসকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়',

মই ভাৱো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, **২** নং দফাতো বিধেয়কখনৰ অংশ হ'ল।

এতিয়া বিধেয়কখনৰ **৩** নং দফাত সন্মানীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া, শ্ৰী আব্দুল খালেক, শ্ৰী ওয়াজেদ আলি চৌধুৰী, শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, শ্ৰী ৰূপজ্যোতি কুৰ্মী, শ্ৰী ৰাজদীপ গোৱালা আৰু শ্ৰী নুৰুল হুদা আপোনালোকৰ সংশোধনী প্ৰস্তাৱ আছে। মই আটাইকেইটা সংশোধনী একেলগে উত্থাপন কৰিবলৈ অনুৰোধ জনাইছো আৰু উত্থাপন কৰা হৈছে বুলি ধৰি লৈছোঁ। আপোনালোকে সেই সংশোধনী কেইটা কব পাৰে। মই প্ৰথমতে শ্ৰী আব্দুল খালেক ডাঙৰীয়াক ক'বলৈ অনুৰোধ জনাইছোঁ।

**শ্ৰী আব্দুল খালেক, জনিয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু আমি লিখিত ভাৱে দিছো, গতিকে মই গোটেইখিনি পঢ়ি দিয়া নাই। move কৰা বুলি ধৰি ল'লেই হ'ল।

**মাননীয় অধ্যক্ষ ঃ** হয় ধৰি লৈছোঁ।

**শ্ৰী আব্দুল খালেক, জনিয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, clause 3 ত আমি যিকেইটা সংশোধনী দিছো, এই কেইটা আগৰ provincialisation ৰ লগত একে কথা। যি বহু ক্ষেত্ৰত issue কৰিছে পিছত, কিন্তু effected আছে 01-01-2006 গতিকে আপোনাৰ জৰিয়তে আমি চৰকাৰক অনুৰোধ কৰিছোঁ যে clause 3 আৰু clause 4 ৰ sub-clause 1(i) এই দুয়োটাই effected যাতে 01-01-2006 ধৰে issue তাৰিখ নধৰি, সেইটো অনুৰোধ কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, clause 4 ৰ sub-clause 1(ii) তআমি যিটো সংশোধনী দিছো, সেই সংশোধনীটো এই কাৰণে দিছো যে **২০১২** চনত Right of children to free and complusory education (Amendment) Act, 2012. No. 30 of 2012 তাত 2 sub-clause (v) ত লিখা আছে nothing contains in this Act shall apply to Madrass, Vedic Pathsala Education Institution primarily imparting religious instruction যিহেতু এই কথাটো আছে। এইটো RTE Act হয় নে নহয়, মই নাজানো। কিন্তু মই আইন খনৰ পৰা নাম কৈ দিছো। এই আইন খনৰ যিহেতু এইটো পৰিপন্থি, সেই কাৰণে আমি সংশোধনী দিছো। clause 4 sub-clause (ii) আমি যিটো সংশোধনী দিছো, একেখিনি কথা যিটো আগতে উল্লেখ কৰিলোঁ। clause 3 sub-clause (iii) যিটো সংশোধনী দিছো, সেইটোও একেখিনি কথা আৰু clause 4 sub-clause (viii) তো সেইকাৰণে delete কৰিব বিচাৰিছো অধ্যক্ষ মহোদয় যে Constitution ৰ

Article 30 (22) ত লিখা আছে।

The State shall not in Granting in Aid to educational institution discriminate against any educational institution on the ground that it is under the management of a minority whether based on religion or language. অধ্যক্ষ মহোদয়, আমি যদিও Sub-clause 7 ত Amendment দিয়া নাই কিন্তু আমি ইয়াৰ সুযোগটো লৈছো অধ্যক্ষ মহোদয়, তাত চৰকাৰে প্ৰস্তাৱ কৰিছে যে Madrassa Educational Institutions which are running professional courese and private institutions run with the fees raised form the student, shall not be considered for provincialization of services of the teacher under this Act. Private কথাটোত মোৰ আপত্তি নাই, কিন্তু কোনো মাদ্ৰাছাই যদি professional courese চলাই, যিহেতু Madrassa Education টো Stream line কৰাৰ কথা কোৱা হৈছে, professional শিক্ষাৰ কথা কোৱা হৈছে। professional courese চলালে এইটো ভাল কথা হব। সেই কাৰণে professional courese ৰ শব্দটো থাকিব নালাগে অধ্যক্ষ মহোদয়। Clause 7 ৰ Sub-clause (1) ৰ আমি এই কাৰণে amendment বিচাৰিছোঁ কাৰণ আগতে আমি যিখন আইনৰ কথা উল্লেখ কৰিছিলো তাত সেই কথাটো লিখা আছে। আমি সেই কাৰণে মন্ত্ৰী মহোদয়ক অৱগত কৰি কৈছো যে Madrassa Education provincialize Service Rule 2016, ইয়াত আমাৰ আপত্তি নাই। TET অনুষ্ঠিত কৰাটো আপত্তি নাই কিন্তু সেই TET টো Madrassa Education Board ৰ দ্বাৰা পৰিচালিত হলে ভাল হয়। অধ্যক্ষ মহোদয়, clause 22 ৰ ওপৰত কব লগা আছে।

**মাননীয় অধ্যক্ষ ঃ** Clause 22 আপোনালোকৰ।

**শ্ৰী আব্দুল খালেক (মাননীয় বিধায়ক, জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Clause 22 ত যিটো Reservation ৰ কথা আছে এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে জানে যে Theological Subject বিলাকত যদি Roaster maintain কৰে তেতিয়া হ'লে শিক্ষক বিচাৰি নাপাব। যিহেতু অসমত এতিয়াও মাদ্ৰাছাৰ যিটো Theological chapter সেইটো অমুছলমান ল'ৰা-ছোৱালীয়ে পঢ়িবলৈ নাযায়। গতিকে সেয়েহে Roaster maintain কৰিলে শিক্ষক বিচাৰি নাপাব। Science, mathematice বা English ৰ ক্ষেত্ৰত Roaster maintain কৰক কোনো কথা নাই। Theology ৰ ক্ষেত্ৰত সেইটো ৰেহাই পোৱাটো বিচাৰো অধ্যক্ষ মহোদয়। Clause 23 ত, এইটো অত্যন্ত আপত্তি জনক ধাৰা অধ্যক্ষ মহোদয়, অৱশ্যে এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে আগতে কৈছিল । কিন্তু যদি এইটো হয়, সকলোৰে ক্ষেত্ৰত এইটো হ'ব লাগিব, অকল মাদ্ৰাছাৰ কাৰণে পুঁজি সংগ্ৰহ কৰিবলৈ State Lotter, Educational cess লগাব পেট্ৰল ডিজেলৰ ওপৰত আৰু বাকী যিখিনি Excess duty ৰ কথা কৈছে এই ক্ষেত্ৰত আমি কওঁ যে শিক্ষাটো চৰকাৰৰ দায়িত্ব, শিক্ষা আগবঢ়াই নিয়াটো অধ্যক্ষ মহোদয়। গতিকে আমি এইটোৰ বিৰোধী আৰু এইটো যদি অকল মাদ্ৰাছাৰ কাৰণে কৰা হয় তেতিয়া হলে আৰু বেছি Discrimination কৰা হ'ব। সেয়েহে অধ্যক্ষ মহোদয় মই বিতৰ্কত যোৱা নাই যিহেতু মন্ত্ৰী মহোদয়ে সকলো কথা জানে।

**মাননীয় অধ্যক্ষ ঃ** Next টো লৈ আহক ২৫ নম্বৰলৈ।

**শ্ৰী আব্দুল খালেক (মাননীয় বিধায়ক, জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২৫ নম্বৰ দফাটোৰ

এই কাৰণে আমি বিৰোধিতা কৰিছো যে কাৰণ আগৰ আইনখন আমাৰ দৃষ্টিত ঠিকে আছিল বা তাৰ আগৰ  যিখন আইন আছিল তেনেকুৱা আইন মতে হলে ভাল হয়। আৰু মন্ত্ৰী মহোদয়ে আগতে যিহেতু কলে আৰবীৰ কথাটো । আৰবীটো হল, এই ক্ষেত্ৰত কোনো ৰাজনীতিৰ বা ধৰ্মৰ খেলত যাব নালাগে, কাৰণ আমাৰ আধুনিক শিক্ষা ব্যৱস্থা যেতিয়াৰ পৰাই প্ৰৱৰ্তন হৈছে , বৃটিছ সকলৰ দিনৰ পৰা, আৰবত অসমীয়া নিশিকাই এইটো সঁচা কথা কিন্তু বৃটিছৰ দিনৰ পৰাই এই শিক্ষাটো অকল মাদ্ৰাছাতে নহয় আমাৰ স্কুল বিলাকতো অকল অসমতে নহয় গোটেই ভাৰতবৰ্ষতে চলি আহিছে। গতিকে সেই কথাটোত যদি আমি বেছি মেৰুকৰণৰ ফালে লৈ যাওঁ তেতিয়া হ'লে ঠিক নহব। মন্ত্ৰী মহোদয়ৰ আধুনিক দৃষ্টিভংগী লৈ অকল Traditional আৰবীক Course লৈ কিয় যাব লাগে। আমি Functional আৰৱীৰ  Course  কৰি, মই অলপতে শিক্ষাৰ ওপৰত হোৱা মত বিনিময়টো এই কথাটো কৈছো। আজি কেৰালাৰ পৰা কিমান অমুছলামন ল'ৰা-ছোৱালী মধ্য প্ৰাচ্যত গৈ কাম কৰি আছে  Functional আৰৱী  শিকি।  গতিকে এতিয়া Functional আৰৱীক শিকি আমাৰ ল'ৰা-ছোৱালীক আমি মধ্যপ্ৰাচ্যত,  যিহেতু আমাৰ নিবনুৱা সমস্যা আছে, কাম কৰাৰ সুযোগ দিব পাৰো নেকি সেই কথাটো চিন্তা কৰিব লাগিব। অধ্যক্ষ মহোদয় Clause (1)  ত অন্য কথা নাই ইয়াত আইনত কোৱা হৈছে, Step by step Appointment  বিলাক দিয়া হ'ব আৰু আমি কৈছো একেলগে দিয়ক । আৰু এইটো Immediately enforce  কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া AIUDF ৰ ৪,৫,৭,১৪,১৬ আৰু ২৩ এই কেইটা বিষয়ত সংশোধনী প্ৰস্তাৱ আছে তাৰে ৪,৭ আৰু ২৩ টো Common। গতিকে ৫,৪ আৰু ১৬ ত ক'ব পাৰে।

**শ্ৰী আমিনুল ইছলাম (মাননীয় বিধায়ক, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমে আমি যিখিনি Amendment  জমা দিছিলো সেইখিনি উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এইটো উত্থাপন কৰা বুলি ধৰা হল।

**শ্ৰী আমিনুল ইছলাম (মাননীয় বিধায়ক, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়,  ৪ নম্বৰত আমি যিটো সংশোধনী দিছিলো এইটো আচলতে Not only for Madrassa Bill,  এইটো আমাৰ স্কুল, কলেজ আদি আটাইবোৰ বিলতে এই কথাটো আছে। গতিকে এই ক্ষেত্ৰত আমি এই কথাটো আমাৰ অলপতে হৈ যোৱা শিক্ষা বিষয়ক আলোচনাত কেইবা গৰাকীও মাননীয় সদস্য যেনে তপন কুমাৰ গগৈ ডাঙৰীয়াকে ধৰি বহুটো সদস্যই আলোচনাত কৈছে যে এই Issue date টো  1-1-2006  ৰ পিছত মানে কথাটো হৈছে কি যে যেতিয়া এখন List একেলগে ৫০০/৬০০ বা হাজাৰ স্কুল একেলগে List ত চহী কৰি দিয়া হৈছিল, ১৬ ডিচেম্বৰ ২০০৫ ত আৰু সেইখিনি Already recognised হৈছে। তাৰ পিছত লাহে লাহে যেতিয়া Order বিলাক Issue কৰে তেতিয়া লিখোতে কেতিয়াবা জানুৱাৰীৰ ৫ তাৰিখ ১০ তাৰিখ বা Febuary।

**মাননীয় অধ্যক্ষ ঃ** এইখিনি কথা ইয়াৰ আগতে ইতিমধ্যে কোৱা হৈছে, গতিকে আৰু ব্যাখ্যা কৰিব নালাগে।

**শ্ৰী আমিনুল ইছলাম (মাননীয় বিধায়ক, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যিটো বুজি পাইছো  যে আমাৰ চৰকাৰে হয়টো এইটো এই কাৰণে কৰিছে যে যদি Criteria টো এনেকৈ লগায় দিয়া হয় তেতিয়া হ'লে আমি হয়তো ২২০০ মান স্কুল, কলেজ, মাদ্ৰাছা নহ'লেও চলিব, যাৰ ফলত আমাৰ Revenue টো বাচিব। এই ক্ষেত্ৰত আমাৰ শিক্ষা মন্ত্ৰী মহোদয়ে আজি এই কথাটো

কৈছে।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ সংশোধনী প্ৰস্তাৱত উত্তৰ দিব। আপুনি আগতে নিজে উত্তৰ নিদিব।

**শ্ৰী আমিনুল ইছলাম (মাননীয় বিধায়ক, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে আগবেলা কৈছিল কথাটো কিন্তু এই ক্ষেত্ৰত আমি ভাৱো যে এই Criteria এনেকৈ লগাব নালাগে, যিয়ে RTE Act টো Violate কৰে অৰ্থাৎ Right of Children to free and Compulsory Education Act 2009 সেই কেন্দ্ৰীয় চৰকাৰৰ আইনখন কৰোতে এনেকুৱা কিছুমান কথা কেন্দ্ৰীয় চৰকাৰে চিন্তা কৰিছিল যে আমি আইন কৰি আছো যে প্ৰত্যক ১ কিলোমিটাৰত ১খন LP School, ৩ কিঃমিঃ ত ME School.

**মাননীয় অধ্যক্ষ ঃ** আগতে আপুনি মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰটো শুনি লওঁক তাৰ পিছত কিবা থাকিলে ক'ব। আপোনালোকে যি কেইটা সংশোধনী ৫, ১৪,১৬ উত্থাপন কৰিছে সেই কেইটাত কিবা আছে যদি কওঁক।

**শ্ৰী আমিনুল ইছলাম (মাননীয় বিধায়ক, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ১২ নম্বৰত যিটো সংশোধনী আছে, তাত বিলত আছে যে Below 50% off the candidate appearing for the final examination as a whole must have passed in the last 3 consecutive examinations ইয়াত In between the word in and the ইয়াত আমি In any of the last 3 consecutive examinations. মানে Continue ৩ বছৰত পৰীক্ষাটো পাতিলে আমি এনেকুৱা কিছুমান স্কুল পাইছো, যি বিলাকৰ সদায় Enrollment টো ইয়াত কৈ বেছি। মাজত এটা বছৰত Enrollment টো ২৫ তকৈ কম আছে, last year ত। গতিকে এই ক্ষেত্ৰত যিকোনো এটা বছৰ ধৰিব লাগে। তাৰ পিছত ১৩ নম্বৰ যিটো সংশোধনী আছে, সেইতোটো last 3 years এনেকুৱা একে কথা আছিল। গতিকে last 3 years টো ১ বছৰ কৰিব লাগে যে যিকোনো ১বছৰত যদি এই Number টো আছিল, সেই ফাইনেল পৰীক্ষাত।

ইয়াৰ পিছত Sub-Clause 7 ত আমি যিটো Number of teachers.

**মাননীয় অধ্যক্ষ ঃ** আপুনি কিমান নাম্বাৰ Clause ৰ Amendment ত ৰ কথা কৈ আছে, মই ধৰিব পৰা নাই। কোন Clause ত আপুনি Amendment ত ৰ কথা কৈ আছে। মোৰ ইয়াত লিখা আছে, আপুনি বেলেগ কৈ আছে।

**শ্ৰী আমিনুল ইছলাম (মাননীয় বিধায়ক, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই Amendment ত ৰ serial number ৰ কথা কৈ আছো।

**মাননীয় অধ্যক্ষ ঃ** Serial number ৰ কথা কিয় কব, আপুনি Clause ৰ বিষয়ে কওঁক। কোনটো Clause ত আপুনি Amendment ত ৰ কথা কৈ আছে।

**শ্ৰী আমিনুল ইছলাম (মাননীয় বিধায়ক, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়,Amendment in Clause 4 মানে ৰোমান 4 ।

**মাননীয় অধ্যক্ষ ঃ** ৪টো এই মাত্ৰ খালেক ডাঙৰীয়াই কৈ গৈছে, আপোনাৰ তাৰ লগত যদি কিবা যোগ দিব লগা আছে তেতিয়া হলে কওঁক।

**শ্ৰী আমিনুল ইছলাম (মাননীয় বিধায়ক, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ কওঁতে ভুল হৈছিল আচলতে এইটো ৰোমান 7 ত আছে।

**माननीय অধ্যক্ষ ঃ** আমাৰ Amendment বিলাক হয় Clause ভিত্তিত ।

**শ্ৰী আমিনুল ইছলাম (মাননীয় বিধায়ক, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Amendment in Clause 4, Sub-clause 7.

**মাননীয় অধ্যক্ষ ঃ** আপুনি কিয় ইমান দিগদাৰ কৰে মই বুজা নাই। মই বুজিছো আপুনি Clause 4 ৰ ওপৰত খালেক ডাঙৰীয়াই কৈ থাকোতে শুনা নাই নেকি?

**মাননীয় অধ্যক্ষ ঃ** মই বুজিছো। আপুনি clause iv ৰ ওপৰত আব্দুল খালেক ডাঙৰীয়াই কওঁতে শুনা নাই নেকি যি কেইটা কৈছে। তাৰ লগত differently আপুনি কওঁক। (সদনৰ সময়টো বঢ়ালোঁ) কিন্তু আমিনুল ইছলাম মই আপোনাক কৈছোঁ আপুনি জানে কিন্তু কথা কেইটা যেতিয়া একেটা clause ৰ ওপৰত আৰু এটা দলৰ পৰা কয়, আপোনাৰখিনি যোগ কৰিব। সকলোৱে যদি নতুনকৈ কয় বহুত দেৰি লাগি যাব। কথাটো তেনেকৈ নহয়, clause 3 ত Amendment আপোনালোকৰ নাই। Clause iv আৰু v ত আপোনালোকৰ Amendment আছে কেইবাটাও থাকিলেও একেবাৰে ক'ব নোৱাৰে নেকি? আপুনি Clause wise কৈ যাওঁক। এতিয়া কোন নম্বৰ Clause পাইছে?

**শ্ৰী আমিনুল ইছলাম ঃ** Clause iv ৰ ইতিমধ্যে চাৰ ৩ টা।

**মাননীয় অধ্যক্ষ ঃ** মই সেইবিলাক কোৱা নাই Clause iv ত কৈ আছে নে Clause v ত কৈছে।

**শ্ৰী আমিনুল ইছলাম ঃ** Clause iv ত কৈ আছোঁ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি শেষ কৰক। ইমান দেৰি ৰ'ব নোৱাৰি নহয় এটা Clause ত। কথাকেইটা আপুনি ভালকৈ কওঁক। আব্দুল খালেক ডাঙৰীয়াই যদি ৪-৫ টা Clause ইয়ান ধুনীয়াকৈ কব পাৰে, আপুনি কিয় নোৱাৰে ইমান জনা মানুহ।

**শ্ৰী আমিনুল ইছলাম ঃ** Clause iv ত আমাৰ ৪ টা Amendment আছে।

**মাননীয় অধ্যক্ষ ঃ** জানো, সেই ৪ টা Amendment বেলেগ বেলেগ কে কোৱাতকৈ একেলগে কব নোৱাৰি নেকি কথা কেইটা please. দেৰি নকৰিব। কথাখিনি আপুনি ঠিকে কয়, কিন্তু সময় বেছিকৈ লয়। You have to learn the art.

**শ্ৰী আমিনুল ইছলাম ঃ** এতিয়া চাৰ যিটো কৈ আছোঁ এইটো Sub-Clause vii ত, ইয়াত আছিলে number of teacherৰ কথাটো।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ হাততো কাগজ আছে, মন্ত্ৰীৰ হাততো কাগজ আছে Clause iv ৰ আপুনি ৪ টা কওঁক। Sub-Clauseৰ কথা ক'ব নালাগে।

**শ্ৰী আমিনুল ইছলাম ঃ** ইয়াতে শিক্ষকৰ সংখ্যাটো দিয়া আছে যে 6 হ'ব লাগে, pre-senior Madrassa ত আৰু senior Madrassa ত 7. গতিকে ইয়াত আমি 6 টো 7 কৰিব লাগে আৰু 7 টো 8 কৰিব লাগে। এই কাৰণে কৈছোঁ যিহেতু চাৰ ইয়াৰ পিছৰটো provisionত ইয়াত দিছে যে compulsory হিচাপে Mathematics, Science, English, Social Science, MIL, এই ৫ টা বিষয়ৰ 4th subject ৰ ৫ জন compulsory teacher, গতিকে যদি ইয়াত teacher provision টো only 6 ৰখা হয়, আৰু এই 5 টা compulsory subject ৰ ৫ জন গ'ল, এতিয়া theological subject ৰ কাৰণে মাত্ৰ এজন শিক্ষক থাকে। সেই কাৰণে ভাৰিছো 6 টো 7 কৰিলে Mathematic, Science, English, Social

Science, MILৰ ৫ জন গ'ল আৰু দুটা theological subject ৰ কাৰণে থাকিব। আৰু ঠিক সেইদৰে senior Madrassa ত 7 টো 8 কৰিব লাগে। যিহেতু ৫ জন যোৱাৰ পিছত theological subject ৰ কাৰণে ৩ টা থাকে। চাৰ Clause iv গ'ল, এতিয়া আমাৰ Clause v.

**माननीय অধ্যক্ষ ঃ** আপুনি Sub-Clause 2 (i) ত কিবা এটা দিছে, কওঁক সেইটো। টেটৰ কথা কৈছে।

**শ্ৰী আমিনুল ইছলাম ঃ** হয় চাৰ, ইয়াত দিছে যে The teacher must have passed in the teacher eligibility test. আৰু ইয়াতেও Amendment দিছিলো, যিখিনি general subject ৰ teacher, English, Mathematic, Science, Social Science, তেওঁলোকৰ কাৰণে টেট টো compulsory কৰক আৰু theological subject ৰ যাৰ কাৰণে টেট হোৱা নাই এতিয়াও। এতিয়া যদি টেট compulsory কৰা হয়, তেতিয়া তেওঁলোক কোনেও নাপাব। গতিকে সেইখিনিত adjourn কৰি দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। Clause vii.

**শ্ৰী আমিনুল ইছলাম ঃ** তাৰ পিছত Clause vii.

**মাননীয় অধ্যক্ষ ঃ** Sub-Clause D ত কৈছে আপুনি।

**শ্ৰী আমিনুল ইছলাম ঃ** The teaching faculty must be TET qualified এই same কথাটো চাৰ আমি theological subject খিনি বাদ দি বাকীখিনি TET compulsory কৰিব লাগে অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** Clause 14. এটা New Sub-Clause কৈছে।

**শ্ৰী আমিনুল ইছলাম ঃ** Clause 14, one superintendent of a senior Madrassa.

**মাননীয় অধ্যক্ষ ঃ** সেইটো বুজিছো, এটা সেইটো দিব লাগে। তাৰপিছত কওঁক।

**শ্ৰী আমিনুল ইছলাম ঃ** তাৰপিছত চাৰ, Clause 14.

**মাননীয় অধ্যক্ষ ঃ** Sub-Clause viii, Commissioner & Secretary of Secondary Education Chairman দিবলৈ কৈছে। এইকেইটা তেখেতেটো বুজিছে। তেখেতে উত্তৰ দিব পাৰিব। ইয়াত Explain কৰিব লগা একো নাই। ১৬ নং ত কি দিছে? Sub-Clause 1of Clause 16 shall be deleted, হয়নে এইটো? সেইটোত কিবা কলে কওঁক কিয় delete কৰিব লাগে। Sub-Clause 1 of Clause 16 প্ৰথমটোৱে, delete কৰিব দিছে আপুনি কিয় কৰিব দিছে সেইটো ক'লেই হ'ল।

**শ্ৰী আমিনুল ইছলাম ঃ** ইয়াতে 01-01-2016 এই criteria.

**মাননীয় অধ্যক্ষ ঃ** সেইকেইটা কথা একেটাই এতিয়া last 23.

**শ্ৰী আমিনুল ইছলাম ঃ** 23 ত, এই Act. খন pass হ'লে মাত্ৰ কেইশমান শিক্ষক হ'ব। কিন্তু কেইশমান শিক্ষকৰ দৰমহাৰ কাৰণে আমি কিন্তু আকৌ tax লগোৱা হয়।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ কৈছে নহয়, খালেক ডাঙৰীয়াই কোৱা কথাটো সমৰ্থন কৰিছে।

**শ্ৰী আমিনুল ইছলাম ঃ** এইটো মই ভাৱো এইকেইটাৰ seperate bill আনি যিহেতু education ৰ budget লাগে, not only Madrassa.

**মাননীয় অধ্যক্ষ ঃ** বুজিছো, ঠিক আছে, Thank you, Minister ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দুটা বা এটা কথা কব খোজো আৰু বিষয়টো positively ল'ব লাগে আৰু কোনো বিতৰ্ক নকৰি শুনিলে ভাল হয় সকলোৱে, কথাবোৰৰ

বেলেগ উদ্দেশ্য একো নাই। অধ্যক্ষ মহোদয়, প্ৰথম fundamental question টো হৈছে যে can a secular State run theological subject, can a secular state run Madrassa? এতিয়া সেইকাৰণে হৈছে কি even many of the theological leaders of the Islamic society also opposed running of the Madrassa by the Government. তেওঁলোকে ভাৱে যে আমি তাত interfere কৰিব নালাগে আৰু তেওঁলোককো আমি freedom দিব লাগে। সেই কাৰণে ভাৰতৰ খুব minimum এখন, দুখন, তিনিখন ৰাজ্যতহে এনেকৈ চৰকাৰে Madrassa চলাই। কোনো চৰকাৰে Madrassa কিয় নচলাই because theological subject should be given to the community itself. সমাজখন তেওঁলোকে চলাই আৰু চৰকাৰ ইয়াত সোমাব নালাগে। ফলত কি হৈছে এতিয়া বিভিন্ন Madrassa ত যেতিয়া শিক্ষা চলে তেতিয়া তাত এটা হয় theological subject শিকাই, theological subjectৰ ওপৰত চৰকাৰী বিষয়াই কোনো comment দিব নোৱাৰে। Because basically in Islam what prophet has said is final. ইয়াৰ পিছত একো কথা নাথাকে। এতিয়া ঘটনাটো হ'ল যে এইবিলাকত interpolatation যেতিয়া আমাৰ ওচৰত আহে বা চৰকাৰী বিষয়াই interprete কৰিব লাগে, সেইটো কৰিব নোৱাৰে। সেই কাৰণে সদায় আমাৰ জমিয়ত ওলেমা হিন্দ বা আমাৰ সকলোৱে সদায় কৈ আহিছে যে Madrassa ৰ ওপৰত না চৰকাৰে grant দিব লাগে না চৰকাৰৰ কিবা লব লাগে এইটো আমি নিজাকৈ চলোৱা বস্তু আৰু সেইকাৰণে ভাৰতৰ কোনো ৰাজ্যত এনেকৈ Madrassa Education নাই। West Bengal ত আছে, আমাৰ আছে আৰু দুই এখনত আছে। Historically কিয় হৈছে মই নাজানো। এতিয়া ইয়াত we are running Arabic College, but why we are running a Arabic College? কথাটো ক'লে তাত বেয়া পোৱা কথা নহয়, এতিয়া ঠিক আছে মই কথাটো যদি কওঁতে কয় ঠিক আছে আৰবত অসমীয়া নপঢ়াই যদি ইয়াটো পঢ়াব নালাগে। This is one way of argument but other way of argument, This is one way of argument. The other way is the language is which is not allowed by the constitition of India. সেইটোৰ ওপৰত আমি পঢ়োৱাটো উচিত জানো? আমি আজি মিচিং পঢ়াব পৰা নাই, আমি ৰাভা পঢ়াব পৰা নাই, আমি তিৱা পঢ়াব পৰা নাই, আমি আৰবীক পঢ়াই আছো। সেই কাৰণে সন্মানীয় সদস্য খালেক ডাঙৰীয়াই কৈছে মেৰুবিভাজন, ইয়াত মেৰুবিভাজনৰ একো উদ্দেশ্য নাই। কাৰণ মেৰুবিভাজন হ'লে বহুত কিবা কিবি ক'ব পাৰি। মই কেৱল simple question ৰ এটা push কৰিছো যে whether we should run Madrassa at all and number two that whether we should have a Arabic institution? এতিয়া কলেজখনত কি পঢ়াই, DPI য়েও বুজি নাপায়, DHE য়েও বুজি নাপায়, yes, I support functional Arabic language. আজি functional Japanese language, functional Chinese language as a skill course as a professional course আছে Gauhati University য়ে যেতিয়া functional Arabic course পঢ়াই আমাৰ আপত্তি কৰিব লগীয়া একো নাই। কাৰণ তাৰ student য়ে গৈ আৰবত চাকৰি পাব। Functional Japanese course পঢ়ালে আমাৰ লৰা-ছোৱালীয়ে গৈ জাপানত চাকৰি পাব, functional Chinese course পঢ়ালে foreigner language studies হয়, কিন্তু as a medium of instruction, it is a different

thing. Arabic is a different thing আমি Arabic instituation চলাব নোৱাৰো because it is not a recognised language by the Constitution of India. মাননীয় অধ্যক্ষ মহোদয়, আমি Arabic Institution চলাব নোৱাৰোঁ because it is not a recognized institute by the constitution of India.আমি অসমত কি কৰিছোঁ, for some reason, because of the legacy, that Congress Govt. was in power, all along there is a policy, যে ঠিক আছে আমি এক বিশেষ সংখ্যালঘু মানুহখিনিৰ লগত মিলামিচা কৰি চলিব লাগে for some historical reason is going on. But which are the other state যিয়ে Arabic কলেজ চলায় ? আজি কোনেওতো নচলায়, constitution of India does not permit it. Schedule of language ত এইটো নায়েই।

কিন্তু আজি আমাৰ চৰকাৰে ইয়াত আনিছো যে Arabic কলেজো provincialize কৰিব লাগে। We are doing something against the constitution of India. এইটো কৰিবলগা কাম নহয়েই। কিন্তু আজি আমি এইটো আনিছোঁ। কিয় আনিছোঁ অধ্যক্ষ মহোদয়, SEBA আৰু Council নোহোৱাৰ কাৰণে Madrassa Education Board ৰ তলত যিবিলাক পৰীক্ষা হৈছে, যিধৰণে Degree লৈছে আৰু সেই Degree বিলাক যেনেকৈ equivalent declare হৈছে equivalent to Degree, Graduation, Post Graduation, you cannot imagine যিটো quality of education, it is beeing deteriorated every day. কাৰণ SEBA , Council তে আজি আমি ধৰিব পৰা নাই, বহুতে নাজানে যে, Madrassa ত Pass কৰা Student ক Metric ৰ equivalent বুলি ধৰা হয়, Higher Secondary ৰ equivalent বুলি ধৰা হয়। They can apply any Job equivalent to Higher Secondary.সেইবোৰ কাৰণে মোৰ মনত কথা আহে যে, we should go for modernization. আজি আমাৰ অসমৰ বহুখিনি ছাত্ৰ-ছাত্ৰীয়ে যিবিলাকে মাদ্ৰাছাত পঢ়ে, তেওঁলোকে বিজ্ঞান, অংক যদি নাজানে কালি যদি তেওঁলোকে ACS দি Megistrate হয়, how they will run the adminstration?

Theology পঢ়ক। আমাৰ Hindu Theology পঢ়ক, Buddhist Theology পঢ়ক । India ৰ পৰাই Buddhism ধৰ্মৰ জন্ম হৈছিল। But we don't have Buddhist Institution in India. জৈন ধৰ্মৰ আৰম্ভনিও India ৰ পৰাই হৈছিল but we are not taking care of it. India ৰ religion এ আজি গোটেই বিশ্বত মন জয় কৰিছে কিন্তু Buddhism ৰ প্ৰতি চৰকাৰে একো নকৰে।

অধ্যক্ষ মহোদয়, এই কথাবিলাক আমি Community ৰ ফালৰ পৰা বুজিব লাগে যে These are concession which are given but not perhaps, মই 'perhaps' word টো ব্যৱহাৰ কৰিছোঁ। perhaps not legally we should do. RT টো কৈছে যে Minority Institution Minority য়ে চলাব। Govt. should not interfere . Neither Government interfere in Minority Organization nor Minority Organization should be run by Government in a ordianary course of time. ইয়াত কোৱা হৈছে যে reservation ৰ provision ৰাখিব নালাগে। A file was moved during the Congress regime যে Madrassa ত

reservation ৰাখিব নালাগে। প্ৰমিলা ৰাণী বাইদেউ আজি ইয়াত উপস্থিত আছে। She was Minister, WPT & BC at that time.

Intense cabinet discussion আৰু pressure ৰ পিছতো the legal opinion has come that we cannot make mandatary reservation provision.That is the constitution. এতিয়া এইটো ঠিক যে কোন ST লৰাই Theology পঢ়িব? Constitution টো লিখা আছে যে, we can't violate ST/SC Law. তাৰ ফলত These Minority Institutions will become disfunctional one day কাৰণ Theology subject টো পঢ়োৱা ল'ৰা নাপাব। 50% reservation খালী হৈ হৈ গৈ থাকিব। So, this is a high time that community should study that how in the Government system Madrassa should be run. It can't be run. It is a difficult thing. কাৰণ আপুনি reservation ৰাখিব লাগিব। We even can't run Sanskrit Toll under the secular system. বহুত difficulty আছে। আজি কোনো ST/SC লৰাই সংস্কৃত নপঢ়িব। নপঢ়িলে reservation ৰ post মই কেনেকৈ মিলাম? গতিকে certain things আমি beyond politics ভাবিব লাগিব। Time has come after 60 years, we should give a hard look যে whether these are the functions of Government? মোক যেতিয়া কিছুমান Bill move কৰিবলৈ দিয়ে, বুজিয়ে নাপাওঁ । It's very difficult.

সেইকাৰণে অধ্যক্ষ মহোদয়, I think, at some point of time we have to take a call for running Arabic Institution or running Arabic College . মেৰু বিভাজন নহয়। These are the reality of the community. যেতিয়া এজন ল'ৰাই BA equilavent degree লৈ অংক নাজানিব and he will be ACS , English নাজানিব, he will be ACS, these are possible. সেইকাৰণে অধ্যক্ষ মহোদয়, মই দুই এটা কথা ক'লে ধৰি লয় যে against ত কথা কওঁ। আমি Madrassa Education Board dissolve কৰা নাই। I have given a best person as a Chairman. আজি Director Madrassa আমি dissolve কৰা নাই। তাত যি ধৰণৰ কাম চলিছিল এতিয়া DAC ৰ under ত হোৱাৰ লগে-লগে তাত শান্তি স্থাপন হৈছে। So bringing uniformity is not working against the community.

এতিয়া সন্মানীয় সদস্য খালেক ডাঙৰীয়াৰ Basic যিটো ammendment যে '১-১-২০১৬' আমাৰ effect date হিচাপে ল'ব লাগে।

কিন্তু মোৰ মনত আজি কিছুদিনৰ পৰা প্ৰশ্ন আহিছে যে এই ১-১-২০১৬ টো আমি কোনেও নাজানিছিলো ২০১২ লৈকে। সেই date টো ক'তো নাছিল। ২০১২ ত হে সেই date টো আহিলে। গতিকে এই যে retrospective 1-1-2016 এই কাগজবোৰ ক'ৰ পৰা ওলাল? Why they have not issued 1-1-2017.why not 1-1-2015, why not 15-1-2016? why only 1-1-2016? তাৰমানে these are the documents which has been manufactured now. নহ'লে এই date টোতো ক'তো নাছিল। ২০১১ চনত প্ৰদেশিকীকৰণ আইন আহিব, ১-১-২০১৬ date point হ'ব, এই কথাটো ২০০৬ ত কেনেকে গম পাইছিল? এই কথাটো ২০০৪ চনত কেনেকৈ গম পাইছিল? আইনটো

২০১১ চনতহে আহিল। ২০০৮ চনত মানুহে চহী মাৰিছে। লিখি গৈছে যে it will come into effect from 1-1-2016. তাত কিয় ১-১-২০১৬ টো use কৰিলে? All these documents are manufactured post. Back date ত appointment চহী কৰাৰ নিচিনা নহ'ল জানো? ২০১২ চনত আইনখন আহিল আৰু ২০১২ ত আমি গম পালো যে মাননীয় অধ্যক্ষ ১-১-২০১৬ টো ২০০৮ চনত অফিচাৰে চহী মাৰি দিছে কিন্তু মোৰ date টো হ'ব ১-১-২০১৬. How he come to know that 1-1-2016 will be sacrosanct date after some years? তাৰমানে ভৱিষ্যৎবাণী জানিব লাগিব। ২০০৮ ত চহী কৰা মানুহজনে জানিব লাগিব যে, হিমন্ত বিশ্বশৰ্মা বুলি এজন শিক্ষামন্ত্ৰী হ'ব, তৰুণ গগৈ বুলি এজন মুখ্যমন্ত্ৰী হ'ব। তেওঁ এখন বিল আনিব, তেওঁ ১-১-২০১৬ টো ঠিক কৰিব। গতিকে ২০০৮ চনতে মই ভৱিষ্যৎ দৰ্শন হিচাপে ১-১-২০১৬ চনটো effect date দি দিওঁ। কিমান এটা dangerous কাম এইটো। মই সেইকাৰণে ৰাতিপুৱাও কৈছোঁ যে, আপোনালোক সন্মানীয় সদস্য সকলে এওঁলোকক বুজিবলৈ সময় লাগিব। মই hard life কৰি কৰি এওঁলোকক লাহে-লাহে বুজিছোঁ। তেওঁলোকক বুজাটো বৰ কঠিন। যিসকলে মগধৰ পৰা ডক্টৰেট ডিগ্ৰী আহৰণ কৰিছে, তেওঁলোকক আমি সাধাৰণ মনিষীয়ে কি বুজি পা ম নেকি? এওঁলোক সাংঘাতিক ডক্টৰেট হয়। They are very brilliant people. মই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট পাইছোঁ। I can't complete with them. They are far more superior than me. 1-1-1-2016 date. টো ক'ত পালে? We have to file criminal case. Retrospective effect regular কৰাটো পাছৰ কথা, যিবিলাকে ১-১-২০১৬ টো effect date মোক দেখুৱাব we have to file criminal case against those officer যে আপোনালোকে এইটো কিয় কৰিলে? House ত তো কোনো বেয়া কাম কেতিয়াও regular হ'ব নোৱাৰে কাৰণ সদন খনক পবিত্ৰ সদন বুলি কোৱা হয়। গতিকে মোক আপোনালোকে বিশ্বাস কৰক যে all these are signed after retirement. কাৰণ ১-১-২০১৬ টো effect date হ'ব বুলি এই লাইন ক'তো নাছিল। সেইকাৰণে মই মাননীয় সদস্য আব্দুল খালেক ডাঙৰীয়া আৰু আমিনুল ইছলাম ডাঙৰীয়াক বিনম্ৰতাৰে ক'ম যে, this ammendment can't be accept because this needs investigation and enquiry.

.Because this need investigation and enquiry. সেইকাৰণে মই অনুৰোধ জনাইছো যে এই বিষয়টোৰ ওপৰত এই Act আৰু next Act ত insist কৰিব নালাগে। এটা কথা আমিনুল ইছলাম ডাঙৰীয়াই ঠিকেই কৈছে যে, যদি ৫-৬ টা বিষয় হয় আৰু ৫ টা বিষয়ত যদি English Education পঢ়োৱা হয় তেন্তে এটা বিষয় Theology ত থাকি যাব। গতিকে It should be two. মই আচলতে কথাখিনি ধৰিব পৰা নাই। কিন্তু হয়, It sounds some logic . এই বিষয়টো মই examine কৰিম আৰু if it is correct then amendment লৈ আহিম। কাৰণ আমিও ভুল হোৱাটো নিবিচাৰো but give me some time, so that we can examine the subject. দ্বিতীয় কথা ইয়াত আব্দুল খালেক ডাঙৰীয়াই কৈছে যে, RTE ৰ পৰা ৰেহাই দিয়া হৈছে। হয়, RTE য়ে Privately run Islamic Institute ক affect কৰিব নোৱাৰে। যিমানখিনি Khariji Madrassa School আজিৰ সময়ত চলি আছে, তাত RTE ৰ নামত আমি আইন বলবৎ কৰিব নোৱাৰোঁ। ঠিক তেনেদৰে, Don Bosco

School, St. Marry's School তো আমি আইন বলবৎ কৰিব নোৱাৰোঁ, because the Constitution has said that RTE will not be implemented. কিন্তু এইবোৰ হ'ল State run Madrassa. These Madrassas are not run by the community. So, State run Madrassa has to solve as per requirement by NCTE and RTE or TET. It has to happen because these are State run Madrassa. অধ্যক্ষ মহোদয়, আমি ইয়াত এটা point আনিছো যে আমি যিবোৰ শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণ কৰিবলৈ গৈ আছো সেই ক্ষেত্ৰত আপোনালোক সকলোৱে আমাক সহযোগ কৰক আৰু don't bring any amendment now. যদি কিবা amendment আনিব লগীয়া হয় তেন্তে পৰৱৰ্তী সময়ত সদন বহিলে আনিব কাৰণ এবাৰ যদি amendment অনা হয় তেন্তে provincializationৰ process টো পিছুৱাই যায়। যোৱা বছৰ আমি Provincialization Act এখন pass কৰিছিলো। ইমান দিনে আমি implement কৰিব পাৰিলো হেঁতেন কিন্তু সদনত debate হৈছিল and I have to promise amendment আৰু সেই কাৰণে আকৌ ৰৈ গৈছিল। গতিকে এইখিনিতে যদি মই আকৌ amendment কৰাৰ কথা কওঁ তেন্তে ১৫ আগষ্টৰ ভিতৰত Provincialize কৰাৰ যিটো deadline, সেইটো নোহোৱা হৈ যায়। সেই কাৰণে মই ক'ব বিচাৰিছো যে, let one batch go, পাবলগীয়া সকলে পাওঁক। নহ'লে এনেদৰে পিছুৱাই গৈ থাকিলে পাবলগীয়া সকলেও নাপাব। সেইকাৰণে আপোনালোকে দিয়া amendment খিনি I have noted down and if it deserves any scrutiny, তেনেহ'লে আমি সদনত আকৌ আনিম। অধ্যক্ষ মহোদয়, Madrassa and Non-Govt. বিল দুখনৰ ক্ষেত্ৰত I want to bring your attention. আজিৰ সময়ত সকলো মানুহেই popular হ'ব বিচাৰে। মই যদি আজি সকলো শিক্ষককে প্ৰাদেশিকীকৰণ কৰি দিওঁ, then I will be popular Education Minister. কিন্তু মই ৰাতিপুৱা কৈছিলো যে, Assam do not need any more Educational Institute, The challenge is not to establish Educational Institution, here, the challenge is to distribute the teachers. The teacher student ratio in our secondary education is 1:17. England আৰু America তো ইমান ধুনীয়া ratio নাই, কিন্তু আমাৰ ৰাজ্যত ১৪ লাখ ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে ৭২ হাজাৰ শিক্ষকে কাম কৰি আছে। ইয়াৰ সবিশেষ তথ্য গুণোৎসৱত নিশ্চয় ওলাব। গতিকে, আমি শিক্ষাত post create কৰাতকৈ আন যিবোৰ বিভাগ যেনে Police বিভাগত আমাক কনিষ্ঠবলৰ প্ৰয়োজন, Block Education Office নাই, বহু ঠাইত Block বোৰ সমানুপাতিক হোৱা নাই, S.D.O. বোৰ হোৱা নাই, এইবোৰ দিশতহে অধিক গুৰুত্ব দিয়া উচিত। আজি আমি শিক্ষা বিভাগটোক quality education ৰ ক্ষেত্ৰতহে আগুৱাই লৈ যাব লাগে because we don't need number. অধ্যক্ষ মহোদয়, মই এইখিনিতে এইবাৰ বাজেটখনৰ এটা point ত আঙুলিয়াব বিচাৰিছোঁ যে, The revenue expenditure in the Govt. is 52 thousand crore and capital expenditure is just 12 thousand crore. এইবাৰ যেতিয়া প্ৰাদেশিকীকৰণ হৈ যাব তেতিয়া this number will further go up. আমাৰ যদি ইমান employee হয় তেন্তে State চলিবই নোৱাৰিব। বৰ্তমান অসমত core employee ৰ সংখ্যা প্ৰায় ৪ লাখৰ পৰা ৫ লাখ পৰ্য্যন্ত আৰু NREGA, NRHM, SSAআদিৰ employee সকলকো যদি ধৰা হয় তেন্তে ই ৮ লাখ

পৰ্য্যন্ত হ'ব। গুজৰাটত দেখা গৈছে যে ৩.৫০ লাখতকৈ অধিক employee বঢ়া নাই, they have freezed the employment and because of this the savings are being utilized for construction of bridges, construction of industries, Industries are given subsidies etc. আজি Tea Garden ত আমি যিবোৰ সমস্যাৰ সন্মুখীন হৈ আছো, সেই ক্ষেত্ৰত আমাৰ হাতত যদি টকা ৰ'ল হেঁতেন তেন্তে, We could have given MSP for every leave of tea. আজি শিক্ষাৰ ক্ষেত্ৰত যদি কোনোবা ঠাইত Engineering College, Polytechnic, Model Degree College আদিৰ প্ৰয়োজন হয়, তেন্তে তেনেবোৰ স্থাপনৰ ক্ষেত্ৰত We are there. কিন্তু unnecessarily school স্থাপনৰ কোনো যুক্তি নাই। চৰ অঞ্চল, Tribal Area, Hill Station আদিৰ বাহিৰে আন ঠাইৰ ভেঞ্চাৰ স্কুল সমূহত ছাত্ৰ-ছাত্ৰী অহা দেখা নাযায়। গতিকে কোনোবা এজন মানুহে যদি বহু বছৰ ধৰি কাম কৰি আছে, তেন্তে তেওঁক এককালীন সাহায্য এটা দি সমস্যাটো শেষ কৰি থৈ দিয়াটো বেছি ভাল because there is no quality. মই quality নাই বুলি কওঁতে মানুহজন বেয়া বুলি কোৱা নাই কিন্তু তেওঁলোকৰ উপযুক্ত অৰ্হতা, TET, Doctorate ডিগ্ৰী নথকাৰ কথা কৈছোঁ আৰু যেতিয়া তেওঁলোকক TET আৰু Doctorate ডিগ্ৰী ল'বলৈ কওঁ, then they go to a different line . শিক্ষামিত্ৰ সকলক যেতিয়া graduation degree ল'বলৈ ক'লো, then nobody has gone to Gauhati University to do the graduation. They went to Magadh আৰু ৰাতিৰ ভিতৰতে Graduation Certificate আনি দেখুৱালে, এইবোৰ দেখি মই হাঁহিছিলো।

তেওঁলোকক তেতিয়া মই সুধিছিলোঁ যে তোমালোকৰ আগদিনালৈ Graduate ডিগ্ৰী নাছিল, কিন্তু ৰাতিৰ ভিতৰতে কেনেকৈ তোমালোকে Graduation ৰ Certificate পালা? তেতিয়া তেওঁলোকে উত্তৰত কৈছিল যে, দাদা কেনেবাকৈ পালো। গতিকে এইবোৰৰ মই জীৱন্ত সাক্ষী আৰু ২০১২ চনৰ পৰা মই এইবোৰেই দেখি আছোঁ। এসময়ত আব্দুল খালেক ডাঙৰীয়াই নিজেই Educational Institution চলাইছিল। তেওঁ এইবোৰ দেখিছে আৰু এই বিষয়ে জানে। ইয়াৰ ফলত গুণগত শিক্ষা নোহোৱা হৈ গৈ আছে। সেয়েহে মই মাননীয় সদস্য সকলক অনুৰোধ কৰিছো যে Give a hard look, এনেধৰণে যদি হৈ থাকে, তেন্তে State এখন কেনেকৈ চলিব? After this provincialization, I need another 600 crores কিন্তু এই টকাখিনি মই ক'ত পাম? তেলত যদি মই ৫০ পইচা বৃদ্ধি নকৰো, State Lottery ৰ জৰিয়তে যদি revenue অনা নহয়, তেন্তে মই টকা ক'ৰ পৰা পাম? আব্দুল খালেক ডাঙৰীয়াই কোৱা ধৰণে মাদ্ৰাছাৰ কাৰণে Tax লগোৱাটো ঠিক নহয়, Somehow this was a wrong thing. আমাৰ এই point টো general bill খনত আছিল , কিন্তু হয়তো কিবা কাৰণত ইয়াত include হৈ গ'ল। মই agree কৰো যে, মাদ্ৰাছাৰ কাৰণে tax তুলিম কিন্তু আন বিলাকৰ কাৰণে tax নুতুলিম, that cannot be. That is why I accept that this provision should be dropped and delete from the amendment. । মই House ত এটা কথা ক'ব বিচাৰিছো যে, এই গোটেই provincialize bill খন যদি আমি উপযোগী কৰি তুলিব বিচাৰো তেন্তে, we have to put an Educational cess. তাৰ বাহিৰে there is no option. ডিজেল, পেট্ৰ'ল, liquor বা অন্য য'ত সম্ভৱ হয়, we have to put some cess. কিন্তু মই এইবাৰ বাজেটত অনা নাই কাৰণ we donot know the impact. TET

থকা বা নথকা, Tutor বা শিক্ষক কিমান হ'ব ইত্যাদি সকলো চালি জাৰি চাই so if it is within 200-300 crores তেন্তে আমি tax impose নকৰোঁ। But if it cross 500 crores আৰু আপোনালোকে যদি তাৰ পিছতো tax impose কৰিব নালাগে বুলি কয়, তেন্তে আপোনালোকক যি ৫০ লাখ টকাৰ Untied Fund দিছোঁ, I will cut from there and that will give me 63 crore. Then, I will stop SUHRID which will give me another 63 crores. So, this time, the pain has to be shared by 126 people. This pain cannot be only of the Education Minister. যদি necessary investment হ'ল হেঁতেন তেন্তে মই নক'লোহেঁতেন। এইটো হ'ল Humanatarian Investment, this is not necessary investment. So, if it is a Humanatarian Investment then why only Government will bear the pain? Every citizen has to share that humanitarian concern. সেই কাৰণে অধ্যক্ষ মহোদয়, মই আব্দুল খালেক ডাঙৰীয়াৰ প্ৰস্তাৱটো মানি লৈছোঁ যে we will delete the cess part in Section 23 of the Act কাৰণ এইটো এটা particular Act ৰ কাৰণে অনা উচিত নহয়। So, we will delete it.

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, ধন্যবাদ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, শিক্ষা, ইত্যাদিঃ** বাকী কথা খিনিৰ ওপৰত I think, roughly, I have given all clarification. ইয়াত মই অলপ বেছিকৈ কৈছো কাৰণ the same amendment may come next time. After this, I think, this point will not be raised again.

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী আব্দুল খালেক, মাননীয় সদস্য, (জনিয়া)ঃ** অধ্যক্ষ মহোদয়, Functional Arabic ৰ idea টো মানি লোৱাৰ বাবে মই মন্ত্ৰী মহোদয়ক প্ৰথমে ধন্যবাদ জ্ঞাপন কৰিছো। দ্বিতীয়তে, আৰবী আৰু মাদ্ৰাছা একে নহয়। আমাৰ সংবিধানত French, Russian ইত্যাদি ভাষা শিকোৱাৰ বিষয়ে উল্লেখ নাই। কিন্তু আমাৰ বিশ্ব বিদ্যাবিদ্যালয়বোৰত French, Russian ভাষা শিকোৱা হয়। তৃতীয়তে, theology ৰ ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে যিখিনি কথা কৈছে তাৰ সৈতে মই সম্পূৰ্ণ একমত। মাদ্ৰাছা স্কুল বোৰ চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত হোৱাটো বহুতো Ali Bulama য়ে নিবিচাৰে। যেতিয়া সংখ্যালঘু মুছলমান সমাজখনক main stream লৈ অনাৰ কথা ক'ম, stream line কৰাৰ কথা ক'ম তেতিয়া কিন্তু যি সকলে মাদ্ৰাছা আনিব বিচাৰে তেওঁলোকক encourage কৰাটো উচিত আৰু যাৰ কাৰণে অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াৰ মন্ত্ৰী সভাত ড. মুৰুলী মনোহৰ যোশী ডাঙৰীয়া যেতিয়া মানৱ সম্পদ উন্নয়ন মন্ত্ৰী আছিল তেখেতে মাদ্ৰাছা আধুনিকী কৰণৰ ওপৰত যথেষ্ট গুৰুত্ব দিছিল আৰু অধ্যক্ষ মহোদয়, এই যিটো theology অসম, পশ্চিমবংগ আৰু যিকেইখন ৰাজ্যত আছে এইটো কংগ্ৰেছ চৰকাৰৰ দিনত আৰম্ভ হোৱা নাই। এইটো বৃট্ৰিছৰ দিনৰ পৰা চলি আছে। কলিকতাত প্ৰথম আলিয়া মাদ্ৰাছাৰ সূচনা হৈছিল মুছলমানক main stream লৈ অনাৰ কাৰণে। পৰৱৰ্তী কালত অসমতো আহিছে অধ্যক্ষ মহোদয়। সেইকাৰণে মই কথাটো বিবেচনা কৰিবৰ বাবে অনুৰোধ জনাইছোঁ। আমাৰ ২৩ নং ধাৰাৰ amendment টো মানি লোৱাৰ বাবে ধন্যবাদ জনাইছোঁ। বিভেদ কৰিলে বহুত হ'ব। কিন্তু মই আশা কৰিছোঁ মন্ত্ৰী মহোদয়, যিহেতু বিদ্বান, অভিজ্ঞ মানুহ, তেখেতক সুমতি দিয়ক ভগৱানে। যাতে আজি উৎথাপন কৰা কথাবিলাক

আজি মানি নললেও ভৱিষ্যতে যাতে মানি লয়। ভগৱানে তেখেতক সুমতি দিয়ক।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** যিহেতু অধ্যক্ষ ডাঙৰীয়াই কৈছিল যে ভালকৈ শেষ হওঁক। So, I have not adopted a position. খালেক ডাঙৰীয়াই যিখিনি কৈছে যে বৃটিছে introduce কৰিছিল। Can British introduce for Divide & Rule policy. বৃট্রিছে ভাৰতবাসীৰ বাবে কোনো policy adopt কৰা নাছিল। They must have adopted it for Divide & Rule and for very ground that British has imposed . We should banned it.বৃটিছেটো ভাৰতবাসীৰ কল্যাণৰ বাবে একো কৰা নাছিল। This thing is not known. মই ভাৱিছিলোঁ কংগ্ৰেছৰ কোনোবা বিশিষ্ট ব্যক্তিয়েই এই কামতো কৰিছিল। So, i have some respect. বৃটিছে কৰা বুলি ক'লে i have relook it now. সেয়ে অধ্যক্ষ মহোদয়, কথাতো মই কৈছোঁ যে why British choose Assam? This is a very dangerous thing today i have heard in this House. British has choose Bengal, Assam and UP. Now Assam was to be taken to group ত কোনফালে যাবলগীয়া আছিল। Bengal was divided partition and relious line. So, এইটো আলিয়া মৌলানাই বিচৰা নাই। তেওঁলোকৰ society ৰ পৰাও বিচৰা নাই, কংগ্ৰেছেও কৰা নাই কিন্তু বৃট্রিছে কৰি দিছে। Why ? So, this is a big thing and i am also willing to constitute a committee that why this way done by British to divide Assam. অসমত কিবা ডাঙৰ চক্ৰান্ত আছিল নেকি to make it Pakistan. We have to see. গতিকে অধ্যক্ষ মহোদয়, মই সন্মানীয় সদস্য গৰাকীক কৈছো যে yes, we are agreeable to any positive suggestion but অসমৰ সংখ্যালঘুৰ উদীয়মান যিখিনি ব্যক্তি আছে সেইখিনি মাদ্ৰাছাত যোৱাটো মই নিবিচাৰোঁ। You should come to general school. তৃতীয় কথা মুৰলী মনোহৰ যোশী ডাঙৰীয়াই যি মাদ্ৰাছা reform ৰ কথা কৈছিল those were Therapy Madrassa run by the society, run by the community সেইবিলাকৰ reform ৰ কথা কৈছিল। Because you have not even aware যে অসমৰ নিচিনা ৰাজ্যত Government কেনেকৈ চলাই আছে। So, these are accepted আৰু আজি মই গম পালোঁ যে this was not by Fakaruddin Ali Ahmed, this was not by Gopinath Bordoloi, this was not by Bishnuram Medhi but by British, we have to see now what is going on.

**শ্ৰী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৃটিছে বহুত কাম কৰি গৈছে আমি বিষয়তো সলনি কৰা নাই। আমাৰ এই বিধান সভাতো বহুত আইন চলি আছে বৃটিছৰ মতে। গতিকে অধ্যক্ষ মহোদয়, কমিটি কৰিব খুজিছে মোৰ আপত্তি নাই, কিন্তু মই কৈছোঁ যে চৰকাৰৰ সংখ্যাগৰিষ্ঠতা আছে, চৰকাৰে ইচ্ছা কৰিলে বহুত কামেই কৰিব পাৰে। স্বামী বিবেকানন্দই কৈছিল " শাসন কৰতে চাও গোলাম হৈয়ে যাও" গোলাম মানে জনগনৰ গোলাম হোৱাৰ কথা কৈছে। সংখ্যাগৰিষ্ঠতা থাকিল বুলিয়েই অধ্যক্ষ মহোদয়, যদি অহং ভাৰ হৈ যায়, অহং ভাৱেই কিন্তু বিনাশ আনে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, কেইটামান কথা মই ভাৱো যে আব্দুল খালেক ডাঙৰীয়া বা AIUDF য়েই হওঁক তেওঁলোকে এটা appreciate কৰিব লাগে। মই সংস্কৃত টোলৰ provincialization bill অনা নাই। মই ভাৱিছিলোঁ যে মাদ্ৰাছা খন হওঁক, লাহে লাহে

সংস্কৃত আনিম। you should appreciate. অধ্যক্ষ মহোদয়, যেতিয়া ভাল কাম কৰিলে discourage কৰা হয়, ভাষণটো দিওঁতে ক'ব লাগিছিল যে বিজেপি দলে যে কেতিয়াবা মাদ্ৰাছা প্ৰাদেশিকৰণৰ বিল আনিব এইটো আমি ভাবিব পৰা নাছিলোঁ। যিটো সময়ত অসমত মোৰ দলৰ চৰকাৰ আছিল, আজি যদি মই তাত থাকিলোহেতেঁন, মই কি ক'লোহেঁতেন যে মুখ্যমন্ত্ৰী ডাঙৰীয়া, মোৰ দলৰ চৰকাৰ থাকোতেও মই এই বিল খন আনিব পৰা নাছিলোঁ। আজি আপোনালোকে যে আনিছে তাৰমানে নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ "চবকা সাথ চবকা বিকাশ" নীতিটো আপুনি সঁচাকৈ মানিছে। So, that should have been speech যদি আপুনি কৈছে এইটো মোৰ অহং, তেন্তে let me withdraw it. You allow me to withdraw this bill. I will withdraw. যদি আপোনালোক সদস্য সকলে ভাৱে অধ্যক্ষ মহোদয়, I want to move a Government resolution to withdraw this bill. যদি এইখন অহংকাৰৰ পৰিচয় হয়। এইখন টো অহংকাৰৰ পৰিচয় নহয়। এইটো টো বিনম্ৰতাৰ পৰিচয়। এইটো "চবকা সাথ চবকা বিকাশ" ৰ পৰিচয়।

**মাননীয় অধ্যক্ষ ঃ** Aminul Islam. What is your point?

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিখিনি কথা কৈছে অতি গুৰুত্বপূৰ্ণ কথা কৈছে। মই ভাল পাইছোঁ যে তেখেতে খোলাখুলিকৈ কিছুমান কথা কৈছে আৰু বহুতো সঁচা কথাও কৈছে। গতিকে এই ক্ষেত্ৰত আমি সদনে কেইটামান কথা স্পষ্ট হ'ব লাগে যে প্ৰথম কথাতো হ'ল যে যিহেতু তেখেতে ইয়াৰ লগত সাঙুৰি general education টো অৰ্থাৎ এই যিটো recognition system আৰু provincialization.............

**মাননীয় অধ্যক্ষ ঃ** আমি এইটো পিছলৈ চাম। পিছৰ বিলখন আহিব নহয়।

**শ্ৰী আমিনুল ইছলাম ঃ** আঁচলতে কিছুমান ভেঞ্চাৰ স্কুলো এনেকুৱা আছে যিবিলাক ..........

**মাননীয় অধ্যক্ষ ঃ** মই পইণ্টটো বুজি পাইছোঁ আপুনি কি ক'ব খুজিছে। তেখেতে কৈছে যে এনেকুৱা ধৰণৰ বহুতো fraud কৰি কাম কিছুমান হ'ল। তেখেতে হয়তো ক'ব বিচাৰিছে যে সকলো নহয় কিছুমান ভালো আছে। সেইটোৱে ক'ব বিচাৰিছে। তাৰ বাহিৰে আৰু কি কথা আছে।

**শ্ৰী আমিনুল ইছলাম ঃ** লগতে আৰু এটা কথা ক'ব বিচাৰিছোঁ যে এনেকুৱা যিখিনি আছে বা কিবা হয়তো কাগজ পাতি খেলি মেলি কৰিছেও বা...............

**মাননীয় অধ্যক্ষ ঃ** আপুনি একেখিনি কথাকেই কৈ আছে fraud বুলি ক'লে সেইটোৱেই বুজায়।

**শ্ৰী আমিনুল ইছলাম ঃ** মই ক'ব বিচাৰিছোঁ যে পাৰমিশ্যন দিওঁতে ০১-০১-২০০৬........

**Hon'ble speaker :** I think you will discuss later on. Not now.

**শ্ৰী আমিনুল ইছলাম ঃ** এইটো ইয়াতেই ক'ব লাগিব। নহ'লে আকৌ পিছত কথাটো বাৰে বাৰে....

**মাননীয় অধ্যক্ষ ঃ** Why you did not raise the matter? Whole day I can not discuss. He has given a clarification that they will have to examine the whole thing.

**শ্ৰী আমিনুল ইছলাম ঃ** আমাৰ দুটা দাবী আছে ছাৰ যে যিসকল বিষয়া, কৰ্মচাৰীয়ে এনেকুৱা কৰিছে তেওঁলোকৰ বিৰুদ্ধে কোনো দিন একশ্যন লোৱা নহয় কাৰণে আঁচলতে বাৰে বাৰে......

**মাননীয় অধ্যক্ষ ঃ** একশ্যন ল'ব।

**শ্ৰী আমিনুল ইছলাম ঃ** শিক্ষক সকলে যদি আজিৰ পৰা দহ- পোন্ধৰ বছৰ আগতে গম পালে হয় যে আমাৰ এইখন নহ'ব বা এটা সময়ত গৈ আমাৰ retirement ৰ বয়স পাৰ হৈ যাব.......

**মাননীয় অধ্যক্ষ ঃ** ইছলাম ডাঙৰীয়া, আপোনাক মই এটা কথা কওঁ তেখেতে অতি চিৰিয়াচ কথা এটা কৈছে যে কোনোবাই ভৱিষ্যত বাণী কেনেকৈ কৰিছিলে যে অমুক তাৰিখে হ'ব বুলি, this is the very important issue. মই আপোনাক এটা কথা কওঁ , ওৱাজেদ আলিয়েও কৈছে যে এইটো enquiry হ'ব যদি তাৰপিছত genuine কিবা থাকে definitely Government is open to consider.That is all. আৰু বেলেগ কথা নাই।

**শ্ৰী আমিনুল ইছলাম ঃ** দ্বিতীয় কথাটো হ'ল অধ্যক্ষ মহোদয়, যিটো সংস্কৃত টোলৰ কথা তেখেতে কৈছে এইটো introduce কৰাৰ দিনাই আপোনাক কৈছিলোঁ যে যোৱাবাৰ একেলগে আহিছিল এইবাৰো আহিব লাগিছিল.................

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াক অহাবাৰলৈ আনিবলৈ কৈছোঁ।

**শ্ৰী আমিনুল ইছলাম ঃ** ইয়াতে আৰবী শিক্ষাৰ ক্ষেত্ৰত যি কথা ক'লে আচঁলতে এই কথাতো আমাৰ অধিকাংশ মানুহে ........................

**মাননীয় অধ্যক্ষ ঃ** ইছলাম ডাঙৰীয়া আপুনি যদি প্ৰত্যেকটো পইণ্ট ত এনেকৈ কয় then I will go as per rule. আৰু উত্তৰ দিবলৈ দিয়া নাযায়। মই এইখিনিয়েই ক'বলৈ দিলো। মন্ত্ৰীয়ে আৰু উত্তৰ দিব নালাগে।

**শ্ৰী আমিনুল ইছলাম ঃ** অধ্যক্ষ ডাঙৰীয়া, মই information এটা আপোনাক দিব বিচাৰিছো যে অসমৰ পৰাও কেইবাহাজাৰ যুৱক আজি মধ্যপ্ৰাচ্যৰ বিভিন্ন ঠাইত কাম কৰি আছে। গতিকে এই ভাষাতো শিকিলে .......................

**Hon'ble speaker :** I think Khaleque has raised the matter and he has given the answer.

**শ্ৰী আমিনুল ইছলাম ঃ** কেৰেলাৰ পৰাটো আছেই। অসমৰ পৰাও কেইবা হাজাৰো আছে। তথাপিও মোৰ amendment ত দুটা বস্তু ..........

**Hon'ble Speaker :** I can not allow like this.

**শ্ৰী আমিনুল ইছলাম ঃ** Commissoner and Secretary ক board ৰ president দিব লাগে আৰু director ক secretary হিচাবে দিব লাগে.....................

**মাননীয় অধ্যক্ষ ঃ** আপুনি সেইটোকে প্ৰথমে কব লাগে। ঠিক আছে এইটো। এতিয়া Amendment ৩, ৪, ৫, ৭, ১৪, ২২।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২৩ টো মই মানি লৈছো।

**মাননীয় অধ্যক্ষ ঃ** ২৩ টো মই মানিছোঁ। এতিয়া ৩ নং দফাটো withdraw হৈছেনে?

**শ্ৰী আব্দুল খালেক, (জনীয়া) ঃ** অধ্যক্ষ মহোদয়, মোবাইল সদনত অনাৰ বাবে অনুমতি নাই। ইয়াত আমাক টেবলেট দিছে। ম'বাইল থকা হ'লে মই মন্ত্ৰী মহোদয়ক এখন ফটো দেখুৱালোহেঁতেন। সেই কাৰণে তেখেতক whats App ত পঠিয়াই দিছোঁ। কিছুমান বিশেষ ব্যক্তিয়ে, বিশেষ সাজপাৰ পৰিধান কৰি কেনেকৈ আজি বি জে পিৰ প্ৰতিষ্ঠা দিৱস পালন কৰিছে। গতিকে আপুনি যি ইচ্ছা কৰক। কিন্তু মোৰ গাত চব ভেজা নিদিব। (সদনত তীব্ৰ বাদ-বিবাদ)।

**মাননীয় অধ্যক্ষ ঃ** These are not allowed. I am not allow all this things. This is not your personal battleground. এনেকুৱা কথাৰ কোনো স্থান নাই। আপুনি অনুগ্ৰহ কৰি বহক। মই ইমান লিবাৰেলি প্ৰত্যেকটো Clause ত কথা ক'বলৈ কিয় দিছোঁ। আপোনালোকক ক'লে আপোনালোকে ক'ব। চৰকাৰে তেওঁলোকৰ পাৰ্টটো ক'ব। মিলিলে with-

draw হ'ব, নিমিলিলে ভোটত যাব। This is the procedure. শ্ৰী আমিনুল ইছলাম, have you withdrawn ?

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৩ নং দফাটো withdraw কৰিছোঁ। আৰু সেই যিটো কমিশ্যনাৰ আৰু চেক্ৰেটেৰীৰ কথা টো মানি লোৱা বুলি কৈছে, সেইটোক বাদ দি বাকী কেইটা withdraw কৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** After discussion the Government has accetped the amendment droped in the Clause 23 and other all the amendment where they have brought have been withdrawn and as such. মই ক'ব বিচাৰিছোঁ যে, ৩ ৰ পৰা ২৫ লৈ হ'ব, ২৩ নং দফাটো withdraw হৈছে, It has been treated as withdrawn. গতিকে ৩ ৰ পৰা ২৫ লৈ গোটেই কেইটা বাকী Clause বিধেয়কখনৰ অংশ হ'ব। যি সকল ইয়াৰ সপক্ষে আছে, কওঁক 'হয়', যিসকল বিপক্ষে আছে, কওঁক 'নহয়'। মই ভাবো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে ২৩ বাদ দি, ৩ ৰ পৰা ২৫ লৈ গোটেইকেইটা Clause বিধেয়কখনৰ অংশ হ'ল বুলি মই ঘোষণা কৰিছোঁ। এতিয়া Clause 1 বিধেয়কখনৰ অনুসূচীত সংশোধনীৰ প্ৰস্তাৱ নাই। কিন্তু বিধেয়কখনৰ ১ নং দফাত সংশোধনীৰ এটা প্ৰস্তাৱ আছে। মই প্ৰথমে সেই সংশোধনী প্ৰস্তাৱটো উত্থাপন হৈছে বুলি কৈছোঁ, কিন্তু তাত কিবা যদি কব খোজে শ্ৰী খালেক ডাঙৰীয়া ১ নং দফাত আপোনালোকৰ এটা সংশোধনী আছে। এইটো withdraw কৰিছেনে ?

**শ্ৰী আব্দুল খালেক, (জনীয়া) ঃ** অধ্যক্ষ মহোদয়, কৰিছোঁ, সকলো withdraw কৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। তেতিয়াহ'লে বিধেয়কখনৰ অনুসূচী ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল বুলি মই ঘোষণা কৰিছোঁ। এতিয়া এই প্ৰশ্নটোত যি সকল ইয়াৰ সপক্ষে আছে, কওঁক 'হয়', যিসকল বিপক্ষে আছে, কওঁক 'নহয়'। মই ভাবো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল। ইয়াৰ পিছত মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰাৰ প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলোঁ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Madrassa Education (Provincialisation of Services of Employees and Re-Organisation of Madrassa Educational Institutions) Bill, 2018". পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিছোঁ। প্ৰস্তাৱটো হৈছে, "The Assam Madrassa Education (Provincialisation of Services of Employees and Re-Organisation of Madrassa Educational Institutions) Bill, 2018" be passed. Those who in favour says ayes, those who against says no. I think ayes have it, ayes have it, ayes have it. প্ৰস্তাৱটো মই পাৰিত কৰা হৈছে বুলি কৈছোঁ, আৰু বিধেয়কখনো পাৰিত কৰা হ'ল বুলি ঘোষণা কৰিছোঁ। ইয়াৰ পিছত "The Assam Education (Provincialisation of Services of Non-Teaching Staff of Venture Educational Institutions) Bill, 2018". ৰাজভৱনৰ পৰা বিধেয়কখন সদনত বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ এটা বাণী পঠিয়াইছে। মই

বাণীটো পাঠ কৰি দিছো , Under the provision of Article 207 (3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend that the "Assam Education (Provincialisation of Services of Non-Teaching Staff of Venture Educational Institutions) Bill, 2018", be taken into consideration by the Assam Legislative Assembly. মই মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াক এই বিলখন বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলোঁ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Education (Provincialisation of Services of Non-Teaching Staff of Venture Educational Institutions) Bill, 2018". বিবেচনা কৰাৰ কাৰণে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলোঁ।

**শ্ৰী ফনীভূষণ চৌধুৰী, (বঙাইগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে লাইব্ৰেৰীয়ান সকল Non-Teaching Staff ত তেওঁলোকক Non- Vacational Acadamy Staff কেইজনক মাননীয় মন্ত্ৰী মহোদয়ে জানে। গতিকে এই লাইব্ৰেৰীয়ানটো ইয়াৰ পৰা withdraw কৰিব লাগে। দ্বিতীয় কথাটো হ'ল যে, Laboratory bearer for science stream degree college ত। তাৰমানে science stream ত তেওঁলোকৰ Physics, Chemistry, Botany, Zeology থাকিব এনেবোৰৰ কাৰণে bearer মাত্ৰ এজন দিছে। গতিকে এইটো চাবজেক্ট ৱাইজ এনেকৈ কৰি দিলে কলেজত লাভো নহ'লে, এটা দি কোনটো প্ৰেক্টিকেল ক্লাছত bearer হিচাপে কাম কৰিব। এইটো অসুবিধাৰ সৃষ্টি কৰিব। গতিকে এটাৰ ঠাইত, চাবজেক্টৱাইজ কৰি দিয়াৰ কাৰণে মই অনুৰোধ জনাইছোঁ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, লাইব্ৰেৰীয়ানটো, হয় শ্ৰী ফনীভূষণ ডাঙৰীয়াই ঠিকেই কৈছে যে, লাইব্ৰেৰীয়ানৰ faculty ৰ সমানে তেওঁলোকৰ দৰমহা। কিন্তু এটাই সমস্যা হ'ব ইয়াৰ পৰা যদি এইখন withdraw কৰি লওঁ, আকৌ লাইব্ৰেৰিয়ানখিনিৰ কাৰণে বেলেগকৈ আৰু এখন বিল আনিব লাগিব, তেতিয়ালৈকে লাইব্ৰেৰিয়ানখিনি ৰখিব লাগিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় শিক্ষা মন্ত্ৰী ঃ** সেই কাৰণে মই এনেকুৱা এটা প্ৰস্তাৱ দিব পাৰো নেকি যে, আজি বিলখন পাছ হৈ যাওঁক, যাতে লাইব্ৰেৰিয়ানখিনি সোমাব পাৰে। পিছৰ এচেম্বলীত বিল এখন আনি আমি লাইব্ৰেৰিয়ানখিনিক faculty ৰ পৰ্য্যায়লৈকে লৈ যাম ?

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটোত আমাৰ amendment দিয়া আছে। accept কৰি ল'লে আজিয়েই হৈ যাব।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিলখনে হৈছে Services of Non-Teaching Staff. ইয়াত যদি amendment আনো, they will be considered as a Non-Teaching Staff.

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Equivalant টো Assistance Professor বুলি দিয়া আছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত প্ৰভিজন লিখা নাই।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াই কৈছে যে, সেইটোত প্ৰভিজনটো দিব লাগিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কৈছো যে, শ্ৰী ফণীভূষণ চৌধুৰী ডাঙৰীয়াই যিটো পৰামৰ্শ দিছে, Let Librarian be deleted from here and I will come back with a amendment in the other act to bring librarian. অলপ দুদিন দেৰি হ'ব। কিন্তু হৈ যাব। বাকী অধ্যক্ষ মহোদয়, এইটো আপাত দৃষ্টিত কথাটো ঠিক যে, science stream ৰ Laboratory bearear এজন হ'ব নোৱাৰে, তেনেহ'লে schedule ত এইটো মই ভাবো যে, তিনিটা লৈকে থাকিব লাগে। কিন্তু বিষয়াখিনিৰ লগত কথাটো পাতিব লাগিব যে, তেওঁলোকে Grade IV খিনিৰ লগত কিবা ইয়াত মিলাইছিলে নেকি ? সেইকাৰণে অকনমান আৰু doubt এটা থাকি গ'ল। অধ্যক্ষ মহোদয়, এনেকুৱা এটা কৰিব খুজিছোঁ মই বিষয়টো চাই আপুনি certified কৰাৰ আগে আগে এইটো সুমুৱাই দিম যিখিনি হয়। অকনমান ষ্টাডি কৰি লওঁক। যদি মোৰ মতে দি agree কৰোঁ যে, তিনিজন বা চাৰিজন হব লাগে। যদি ইয়াত বেলেগ কোনো কথা নাই আপুনি certified কৰাৰ আগতে Education ৰ সেইটো correct কৰি দিব। সেই কাৰণে মোটামোটি মই মানি লৈছো।

**মাননীয় অধ্যক্ষ ঃ** এইটো Sence of the House. ঠিক আছে। লাইব্ৰেৰিটো delet হব মানে পিছলৈ আহিলে হ'ব।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিলখনত আনিব লাগিব amendment.

**মাননীয় অধ্যক্ষ ঃ** এতিয়াতো আৰু নহব। মই সদনত প্ৰস্তাৱটো দাঙি ধৰিব বিছাৰিছো। "The Assam Education (Provincialisation of Services of Non-Teaching Staff of Venture Educational Institutions) Bill, 2018" be taken into consideration.যি সকল ইয়াৰ সপক্ষে আছে, কওঁক 'হয়', যিসকল বিপক্ষে আছে, কওঁক 'নহয়'। মই ভাবো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে প্ৰস্তাৱ গৃহীত হৈছে বুলি মই ঘোষণা কৰিছো। এতিয়া বিধেয়কৰ ২ আৰু ৩নং দফা দুটাত সংশোধনী প্ৰস্তাৱ নাই। সেই প্ৰশ্নটো হৈছে ২ নং, ৩ নং দফা দুটা বিধেয়কৰ অংশ হব। যি সকল ইয়াৰ সপক্ষে আছে, কওঁক 'হয়', যিসকল বিপক্ষে আছে, কওঁক 'নহয়'। মই ভাবো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে ২ নং আৰু ৩ নং দফা দুটা বিধেয়কৰ অংশ হ'ল। বিধেয়ক ৪ নং দফাত শ্ৰী হাফিজ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগী সকলৰ এটা সংশোধনী আছে। এই সংশোধনীটো এইটোৱেই আছিল নেকি ?

**মাননীয় অধ্যক্ষ ঃ** যদি আছে ,সংশোধনী যদি একেটাই তেতিয়াহ'লে আপুনি already প্ৰত্যাহাৰ কৰিছে, লাইব্ৰেৰীৰ লগত এইটো সংশোধনী কি ? সংশোধনী উত্থাপন হৈছে, কথাকেইটা কওঁক।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক ঃ-** এইটো চাৰ Clause 4 ত, শেষৰ লাইনটোত আছিল The teacher/tutor of that School are utilized ইয়াত আচলতে স্কুলৰো আছে কলেজৰো আছে, কিন্তু ইয়াত কলেজ word টো ড্ৰপ পৰিছিল। সেই কাৰণে আমি দিছিলোঁ School, College সোমাই দিব লাগে। কাৰণ Tutor যিহেতু দুয়োটাতে আছে । তাৰ পাছৰ next যিটো amendment সেইটো আছিল Clause 6 ত। Clause ৬ ত যিখিনি ইয়াত provision আছে, এইখিনি change কৰিব দিছিলোঁ যিহেতু তাত Librarian ৰ correspondent rank ৰ আছিল সেই কাৰণে আমি দিছিলোঁ যে The non-teaching staff whose services have been provincialised under this Act shall get monthly

salaries as it is applicable to State Government servant of corresponding rank the employees having more elligibility for regularisation under this Act, the tendering a plus 6 years continuous service shall get fix pay as specified in the schedule with effect from the date of provincialisation of their services. গতিকে এই কথাটো, যিহেতু আমাৰ Librarian জনৰ correspondent rank টো Asstt. Professor ৰ লগত পৰে। কিন্তু ইয়াত যিটো provision দিয়া হৈছিল এইটো correction কৰিব দিছিলোঁ।

**মাননীয় অধ্যক্ষ ঃ-** কংগ্ৰেছ বিধায়িনী দলৰ পৰা কিবা কব নেকি ?

**শ্ৰী আমিনুল ইছলাম, বিধায়ক ঃ** তাৰ লগত schedule ত যিটো আছিল, একেলগে কৈ দিম নেকি ?

**মাননীয় অধ্যক্ষ ঃ-**schedule টো পিছত হ'ব।

**শ্ৰী আব্দুল খালেক, বিধায়ক ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমি দুটা amendment আনিছো। আপুনি move কৰা বুলি ধৰিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ-** ধৰিছোঁ তেখেত সকলে এই দুটাতে move কৰিছে।

**শ্ৰী আব্দুল খালেক, বিধায়ক ঃ-**আমি যিটো আমাৰ clause 4 ৰ Sub clause 2(i) সেইটো আৰু মই ক'ব খোজা নাই কাৰণ সেইটো যথেষ্ট আলোচনা হৈছে। আৰু Next হৈছে, clause-6 ৰ Sub clause 2 আমি বিচাৰিছোঁ যে সেইটো delete হোৱাটো। এই কাৰণেই বিচাৰিছোঁ অধ্যক্ষ মহোদয়, এই সদনত বিল খন introduction ৰ দিনাও মই কৈছোঁ যে যিহেতু Provincialization ৰ বিল শিক্ষকৰ ক্ষেত্ৰত কোৱা হৈছে যে তেওঁলোকৰ requisite Qualification হ'লে তেওঁলোকে সম্পুৰ্ণৰূপে দৰমহা পাব। কিন্তু অশিক্ষক কৰ্মচাৰীৰ ক্ষেত্ৰত কোৱা হৈছে যে তেওঁলোকে আজীৱন Fixed Pay পাই থাকিব। সেই কাৰণে অধ্যক্ষ মহোদয়, delete নকৰিলেও কথা নাই অন্ততঃ এটা চৰ্ত ধৰি ৰাখক, এতিয়া যদি চৰকাৰৰ অসুবিধা আছে, কিছু বছৰৰ পাছত হ'লেও প্ৰাদেশীকৃত কৰ্মচাৰীয়ে যিটো হাৰৰ দৰমহা পায়, সেই হাৰৰ দৰমহা পাব। বা চৰকাৰৰ যেতিয়া বিত্তীয় পুঁজিৰ সুবিধা হয় তেতিয়া আমি প্ৰাদেশীকৃত কৰি যদি একাংশ কৰ্মচাৰীয়ে সম্পূৰ্ণৰূপে দৰমহা পায় থাকিব আৰু একাংশই আজীৱন Fix Pay পাই থাকিব। এই কথাটো ঠিক নহয় অধ্যক্ষ মহোদয়। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ-**ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া,

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ-** অধ্যক্ষ মহোদয়, যিখিনি প্ৰস্তাৱ আহিছে, ১-১-২০০৬ ৰ ওপৰত মই মোৰ বক্তব্য ৰাখিছোঁ। আব্দুল খালেক ডাঙৰীয়াই যিটো কথা কৈছে, যে হয়, Qualification থাকিলে , তেওঁলোকেও regular pay Scale পাব লাগে। মই ভাবোঁ যে Let the number emerge, কিমান আচলতে number আহে ? আৰু যদি চৰকাৰৰ বিত্তীয় অৱস্থাই তেনেকুৱা অনুমতি দিয়ে, তেতিয়া হ'লে হয়তো এটা দিন আহিব আমি তেওঁলোকক regular ত ল'ব পাৰিম। কিন্তু বৰ্তমান number টো আহি লওঁক। কাৰণ মইয়ো নাজানো যে এনেকুৱা কিমানখিনি আছে। গতিকে আমি সেইটো ভবিষ্যতে নিশ্চয় বিবেচনা কৰিব পৰা যাব। আৰু মাননীয় অধ্যক্ষ মহোদয়, মোৰ মতেদি বাকী Act খনত যি দুটা Librarian ৰ কথা আমিনুল ইছলাম ডাঙৰীয়াই কৈছে, ফণীভূষন চৌধুৰী ডাঙৰীয়াই কওঁতে মই মানিয়েই লৈছোঁ যে, আমি তেওঁলোকক Asstt. Pro-

fessor ৰৰ মৰ্য্যদা দিব লাগিব। আৰু আমি next house ত amendment bill খন ল'ম। গতিকে অধ্যক্ষ মহোদয়, মই সদনক অনুৰোধ জনাম, যে এই আইনখন যাতে সৰ্বসন্মতি ক্ৰমে pass কৰি দিয়ে।

**মাননীয় অধ্যক্ষ ঃ-** কিবা ক'ব নেকি ?

**শ্ৰী আব্দুল খালেক, বিধায়ক ঃ-** মন্ত্ৰী মহোদয়ে যিহেতু আশ্বাস দিছে, যে চৰকাৰৰ বিত্তীয় পুঁজি ভাল হ'লে, বিবেচনা কৰিব। আশা কৰিছোঁ, কেতিয়াবাৰৈ এইখন বিবেচনা কৰিব। এটা শাৰী যদি সোমোৱাই থলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে, কৰিম বুলি কৈছে যেতিয়া, আমি থাকিমেই সকলো। গতিকে এতিয়া আমাৰ withdraw হ'ল বুলি ধৰি ললোঁ। এতিয়া বিধেয়কৰ ২ ৰ পৰা ৬ লৈ থকা সংশোধনী withdraw হৈছে আৰু বিধেয়কৰ ৭,৮,৯,১০,১১,১২,১৩,১৪,১৫,১৬ এই কেইটাত কোনো সংশোধনী প্ৰস্তাৱ নাই। সেই কাৰণে মই একেলগে কৈছোঁ যে বিধেয়কখনৰ ৪ ৰ পৰা ১৬ লৈ দফাকেইটা বিধেয়কৰ অংশ হব। যি সকল সন্মানীয় সদস্য ইয়াৰ সপক্ষে আছে কওঁক হয়, যি সকলে বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে ৭ ৰ পৰা ১৬ নং দফাকেইটা বিধেয়ক খনৰ অংশ হব। এতিয়া, সন্মানীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়া, বিধেয়কৰ অনুসুচীত যিটো কথা already মন্ত্ৰী ডাঙৰীয়াই ক'লে গতিকে সেইটো টো move কৰাৰ কথা নাহে ? Librarian ৰ কথাটো।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক ঃ-**Librarian আৰু Professor যি সকল tutor হয়, তেওঁলোকৰ যিটো দিয়া আছিল, মই অনুসূচীত সেইটো আনিছোঁ যে tutor Professor সকল যিহেতু একেই rank ৰ same হ'ব লাগে। এইটোৱেই।

**ডঃ হিমন্ত বিশ্ব শৰ্ম্মা, মন্ত্ৰী** ঃ- এইটো next যেতিয়া amendment আহিব তেতিয়া Iwill take care.

**মাননীয় অধ্যক্ষ ঃ-** গতিকে এইটো withdraw হৈছে। গতিকে মই এতিয়া ক'ব বিচাৰিছো যে, মই ভাবো, বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম আৰু পৰিসৰ, বিধেয়কখনৰ অংশ হ'ব। যি সকল ইয়াৰ সপক্ষে আছে কওঁক হয়, আৰু যি সকল বিপক্ষে কওঁক নহয়,মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে গতিকে বিধেয়ক খনৰ ১ নং দফা, বিধেয়কখনৰ সংক্ষিপ্ত নাম পৰিসৰ, আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল। মই মাননীয় শিক্ষা মন্ত্ৰীক, মই বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাব উত্থাপন কৰিবৰ বাবে অনুৰোধ কৰিলোঁ।

**ডঃ হিমন্ত বিশ্ব শৰ্ম্মা, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, The Assam Education Provincialisation of Service of non-teaching staff of venture Educational Institute Bill, 2018 পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ-** মই প্ৰস্তাৱটো সদনত দাঙি ধৰিছো। প্ৰস্তাৱটো হৈছে, The Assam Education Provincialisation of Services of non-teaching staff of venture Educational Institute Bill, 2018 be passed যি সকল ইয়াৰ সপেক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে প্ৰস্তাৱটো পাৰিত হৈছে। বিধেয়কখনো পাৰিত কৰা হ'ল বুলি মই ঘোষণা কৰিছোঁ। ইয়াৰ পাচত আছে The Assam Education (Provincialisation of Services of Teachers and Re-Organisation of Education Institutions (Amendment)

Bill, 2018 এই ক্ষেত্ৰত ৰাজভৱনৰ পৰা যি বাণী আমালৈ পঠিয়াইছে, সেইটো মই প্ৰথমে পঢ়ি দিছো, Under the provision of Article 207(3)of the Constitution of India , I prof.Jagdis Mukhi, Governor of Assam, recommend that the “Assam Education (Provincialisation of Services of Teachers and Re-Organisation of Education Institutions (Amendment) Bill, 2018 be taken into consideration by the Assam Legislative Assembly. এতিয়া মাননীয় শিক্ষা মন্ত্ৰীক মই এই বিলখন সদনত বিবেচনাৰ বাবে প্ৰস্তাৱ কৰিবলৈ অনুৰোধ কৰিলো।

**ড°হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ-** অধ্যক্ষ মহোদয়, The Assam Education (Provincialisation of Services of Teachers and Re-Organisation of Education Institutions (Amendment) Bill, 2018 বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলোঁ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বিধায়ক ঃ-** মাননীয় অদ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এইটো পাৰিত কৰাৰ কাৰণে Consideration ৰ কাৰণে অনুৰোধ কৰাৰ আগতে প্ৰস্তাৱ কৰাৰ আগতে মই দুটামান কথা কব বিচাৰিছো

**মাননীয় অধ্যক্ষ ঃ-** আপুনি সংশোধনী দিয়া নাই জানো ইয়াত।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বিধায়ক ঃ-** নাই দিয়া। বেলেগৰ আছে। মোৰ নাম নাই। দলৰ আছে।

**মাননীয় অধ্যক্ষ ঃ-**আপোনাৰ নিজৰ নাই ?

**শ্ৰী শ্বেৰমান আলী আহমেদ, বিধায়ক ঃ-** নাই।

**মাননীয় অধ্যক্ষ ঃ-** নিয়ম মতে, আমি সাধাৰণতে একেটাই ধৰো, কাৰণ আপোনালোকে এটা গোট হিচাপে আপোনালোকে দিয়ে। কংগ্ৰেছ দলৰ বোধ কৰো কেইটামান সংশোধনী আছে। আপোনালোকে দলে যেতিয়া কৰিছে, আপুনি তাতে কব। সময়ৰ প্ৰতি লক্ষ্য ৰাখি।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বিধায়ক ঃ-** Before consideration

**মাননীয় অধ্যক্ষ ঃ-** I told you that, I know the Rule, and I have allowed Shri Phani Bhusan Choudhury to speak at the consideration level. Because they didn’t move any amendment but since your Legislative Party has moved an amendment, you are a part of the Legislative Party. So, later also you can discuss.

এতিয়া মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো। প্ৰস্তাৱটো হৈছে - “The Assam Education (Provincialisation of Services of Teachers and Re-Organisation of Educational Institutions) (Amendment) Bill, 2018” be taken into consideration. যিসকল মাননীয় সদস্য-সদস্যাই ইয়াৰ সপক্ষে আছে কওঁক ‘হয়’। যিসকল মাননীয় সদস্য-সদস্যাই ইয়াৰ বিপক্ষে আছে কওঁক ‘নহয়’। মই ভাবো ‘হয়ৰ’ সপেক্ষে, ‘হয়ৰ’ সপেক্ষে ‘হয়ৰ’ সপেক্ষে - প্ৰস্তাৱটো গৃহীত হৈছে। বিধেয়কৰ দুই নং দফাত সংশোধনীৰ কোনো প্ৰস্তাৱ নাই। মই বিধেয়কখনৰ দুই নং দফাটো সদনৰ মজিয়াত উত্থাপন কৰিলোঁ। প্ৰশ্নটো হৈছে দুই নং দফাটো বিধেয়কখন অংশ হ’ব। যিসকল মাননীয় সদস্য-সদস্যাই ইয়াৰ সপক্ষে আছে কওঁক ‘হয়’। যিসকল মাননীয় সদস্য-সদস্যাই ইয়াৰ বিপক্ষে আছে কওঁক ‘নহয়’। মই ভাবো ‘হয়ৰ’ সপেক্ষে,

'হয়ৰ' সপেক্ষে 'হয়ৰ' সপেক্ষে - দুই নং দফাটো বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ তিনি নং দফাত মাননীয় শিক্ষামন্ত্ৰীৰ নামত চৰকাৰী সংশোধনীৰ এটা প্ৰস্তাৱ আছে - মই মন্ত্ৰীক ডাঙৰীয়াক চৰকাৰী সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰি বক্তব্য ৰাখিবলৈ অনুৰোধ জনালোঁ।

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, In the principal Act, in section 3, in sub- section (l), for the of section 3" existing clauses (i), (vii) and (ix), the following shall be substituted respectively, namely:- "

(i) The Venture Educational Institutions which have been established and had obtained the required permission, recognition, affiliation, concurrence, as the case may be, required for the concerned institution from the respective competent Authority or Authorities on or before 01.01.2006:

Provided that the permission for 1st year HS classes in respect of Higher Secondary School, concurrence for 1st year HS classes in respect of Senior Secondary School (erstwhile Junior College), recognition from Board of Secondary Education, Assam for class-IX in respect of High School, concurrence for TDC Part-I in respect of Degree College received from the Government on or before 01.01.2006 shall be treated as the permission, concurrence or recognition as the case may be, for the purpose of provincialisation of services of teachers and/or tutors under this Act: Provided further that the order for such permission, recognition and concurrence shall have to be issued on or before 01.01.2006 and any order issued thereafter with any retrospective effect, shall not be considered for the purpose of provincialisation of services of any teacher and tutor, as the case may be, of the institution;";

"(vii) For provincialisation of services of one teacher or tutor, as the case may be, in each subject including the core subjects, in case of Venture High School or Venture High Madrassa or Venture Higher Secondary School or Venture Senior Secondary School, at least 10 students must have appeared in the last final examination in that particular subject from that institution. Further, for provincialisation of services of maximum limit of three teachers or tutors in a particular subject, as the case may be, in case of a Venture Degree College, at least 15 students in that particular subject, must have appeared in the last final examination from that college;";

"(ix) For provincialisation of services of additional teacher or tutor, as the case may be, for a particular subject including the core subjects, in addition to the post mentioned in section 3(l)(vii), in any Venture High School or Venture High Madrassa or Venture Higher Secondary School or Venture Senior Secondary School, the minimum students appearing in the last final examination of the highest class of the said school for that particular subject must exceed eighty for one additional post and one hundred fifty for the second additional post. Further, for provincialisation of services of additional teacher or tutor, as the case may be, for a particular subject, in addition to the posts mentioned in section 3(l)(vii), in a Venture Degree College, the minimum students appearing in the last final examination of the highest class for that particular subject must be more than one hundred fifty for one additional post;"

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই সংশোধনীটো উত্থাপন কৰিব বিচাৰিছোঁ। যিহেতু সংশোধনী প্ৰস্তাৱটো দীঘলীয়া আৰু মন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে সংশোধনীটো উত্থাপন কৰিছে গতিকে মই পুনৰ পঢ়ি নিদিও।

**শ্ৰীআমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধেয়কখনৰ চৰকাৰী সংশোধনীত যিটো effect ৰ কথা অনা হৈছে সেই সম্পৰ্কত মন্ত্ৰী মহোদয়ে বুজাই দিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, যিটো retrospective effectক লৈ খেলিমেলি লাগি আছিল - অধ্যক্ষ মহোদয় আমি যিখন প্ৰথম আইন আনিছিলোঁ তাত এই কথাটো Confused হৈ আছিল যে ১-১-২০০৬ ৰ আগত বিষয়টো সম্পৰ্কত যাতে আমি দিঘলীয়া আলোচনা কৰিব নালাগে তাৰ বাবে মই দুইমিনিট কৈছোঁ। আচলতে এই বিল সদনত অনাৰ আমাৰ প্ৰয়োজন নাছিল কাৰণ যোৱাবাৰ এই বিলখন সম্পৰ্কত আমি পুংখানুপুংখ আলোচনা কৰিছোঁ। আজি আমি যি আলোচনা কৰো It will be the repetition of the last Assembly কিন্তু During that discussion সন্মানীয় সদস্য শ্ৰীফণীভূষণ চৌধুৰী ডাঙৰীয়া, আমিনুল ইছলাম ডাঙৰীয়া সকলোৱেই বিভিন্ন সংশোধনী প্ৰস্তাৱ দিছিল। যেতিয়া সংশোধনী প্ৰস্তাৱ দিছিল তেতিয়া তাত মই এটা basic সংশোধনী গ্ৰহণ কৰিলোঁ। আগৰ আইন বিলাকত আছিল ১-১-২০০৬ ত Final reorganization হ'ব লাগিব। তেতিয়া আমি ক'লো যে ঠিক আছে যিটো এটা reorganization যদি ১-১-২০০৬ ৰ আগত হয় আমি মানিম। তাৰ মানে In a effect তিনি বছৰ আগুৱাই গ'লোঁ। 2006 become now 2009. এইটো আমি আনিলোঁ। অধ্যক্ষ মহোদয় যেতিয়া এইটো অনা হ'ল তেতিয়া লগে লগে এটা নতুন কথা আৰম্ভ হৈ গ'ল যে এই সংশোধনীটো অনিব বুলি জানাৰ লগে লগে effectৰ নতুন কাৰখানা এটা আৰম্ভ হৈ গ'ল। এই প্ৰশ্নটো আজি ইমান বছৰ অহা নাছিল। এই effect, effect শব্দটো কেতিয়া আহিছে ? যোৱা বিধান সভাৰ পৰা এই বিধান সভাৰ ভিতৰত। অধ্যক্ষ মহোদয় ২০১১ চনৰ পৰা মই প্ৰাদেশিকীকৰণৰ কাম কৰি আছোঁ এই effect ৰ কামটো

ক'তো নাছিল। এই effect ৰ কামটো কেতিয়া আহিল - যেতিয়া গম পালে যে এটা reorganization হ'লেও হ'ব। তাৰমানে তিনিবছৰত যিকোনো এজন অফিচাৰ লগত থাকিলেই কামটো হৈ যায়। যোৱাবাৰ আলোচনাত এই effect ৰ কথাটো আলোচনা কৰা নাই। এই Effect is the latest edition to this unending saga of provincialisation. আমি দেখিলোঁ এই কথাটোত মানুহে আইন আদালতলৈ যাব সেই কাৰণে যিটো সংশোধন শ্ৰীআমিনুল ইছলাম ডাঙৰীয়াই বা আনসকলে আনিছিল যে যদি ২০০৯ টো চহী হৈছে ২০০৬ যদি effect দিছে সেইটো কৰিব লাগে। আমি ওলোটাই That amendment not we have rejected আমি একেবাৰে পোনছাটে আনিছোঁ যে কোনো ধৰণৰ তেনেকুৱা কেছ গ্ৰহণ আৰু গ্ৰাহ্যও নহ'ব। চহী যি তাৰিখৰ হয় সেই তাৰিখৰহে কলেজ হ'ব। সেইকাৰণে আপোনালোকে যিটো সংশোধনী আনিব বিচাৰিছিল - সেই সংশোধনীটো যদি তৰোৱাল - এই সংশোধনীটো হৈছে ঢাল। দ্বিতীয়তে আমি আৰু এটা সংশোধনী আনিলোঁ যে - কিছুমান বিষয় যেনে ৰাজনীতি বিজ্ঞানত বহু ছাত্ৰ-ছাত্ৰী থাকে - আমি নিয়ম অনুসৰি যি শিক্ষক লাগে সেইমতে দিছোঁ কিন্তু আৰু যদি এটা বিষয়ত বেচি ছাত্ৰ-ছাত্ৰী থাকে তেতিয়া হ'লে আমি তেওঁলোকক এজন অতিৰিক্ত শিক্ষক দিয়াৰ বাবে এই সংশোধনীটো আনিছোঁ। That will help the college ধৰক কোনোবা এখন কলেজত তিনিশ ৰাজনীতি বিজ্ঞানৰ শিক্ষাৰ্থী আছে - আমি আগতে চাৰিজন শিক্ষক দি থৈছোঁ। Through this amendment they will be eligible for another post. যদি শিক্ষাৰ্থীৰ সংখ্যা বেচি থাকে। কিন্তু কিছুমান পোষ্টত আৰবিক, সংস্কৃত, হিন্দী আদিত যদি পোন্ধৰজন শিক্ষাৰ্থী নাথাকে তেতিয়া শিক্ষকজন প্ৰাদেশিকীকৰণ নহয়। আগত সংখ্যাটো বেছি আছিল - এতিয়া আমি অলপ কমাই দিলো। গতিকে এইখিনি Beneficial amendment আনিছোঁ আৰু মই ভাবো যে এই বিলখনৰ ওপৰত আজি সদনত বিশেষ আলোচনা হ'ব নালাগে। যদি আলোচনা হয় আৰু মই যদি Commitment দিব লাগে ১৫ আগষ্টৰ Deadline টো miss কৰি দিম। যিহেতু এই সংশোধনীখিনি আপোনালোকে কোৱা বাবে অনা - বিভাগৰ সংশোধনী অনাৰ কথাই নাছিল । সদনৰ আগ্ৰহক সন্মান জনাই এই সংশোধনীখিনি অনা হৈছে। যোৱা বিধান সভাত বিলখন সম্পৰ্কত আলোচনা হৈ গৈছে - নতুনকৈ আলোচনা কৰিব লগা একো নাই। আমি যদি বিধান সভাৰ কাৰ্য্যবিৱৰণী চাওঁ তেতিয়া দেখিম যে একেই সংশোধন আগত আহিছে আৰু আমি reject কৰিছোঁ গতিকে that discussion should not be renewed এতিয়া আমি যিখিনি আনিছোঁ - ১, ২, ৩। প্ৰথমবৰ্ষ, দ্বিতীয়বৰ্ষ, তৃতীয় বৰ্ষৰ যিকোনো এটাৰ যদি ১-১-২০০৬ আগৰ Concurrence তেতিয়া আমাৰ কলেজ বিলাক হ'ব। ইয়াৰ ভিতৰত প্ৰায় ৪০-৪৫ খন নতুন কলেজ সোমাই যাব। এইটো হ'ল আপোনলোকে কোৱা কাৰণে অনা এমেণ্ডমেণ্ট, নহ'লে আমাৰ অনাৰ প্ৰয়োজন নাছিল। হাউচৰ Sense টোক সন্মান কৰিয়েই এমেণ্ডমেণ্ট খন অনা হৈছে। গতিকে বাকী সকলো Point Last time আলোচনা হৈ গৈছে। এইটোত একো নতুন নাই। আমি যদি ইয়াৰ Proceeding চাওঁ , তেনেহ'লে আজি অনা একেখিনি Amendment আগতেও অনা হৈছে। আমি ৰিজেক্টও কৰিছো। গতিকে That discussion should not be renwed. কেৱল আমি আজি যিখন আনিছো Sense of the House ক সন্মান জনাই আনিছো যে এতিয়া ১,২,৩ যিকোনো এটা First Year, Second Year, Third Year যিকোনো এটা Concurrence যদি থাকে, on or before 1.1.2006. তেতিয়া, আমাৰ কলেজসমূহ প্ৰাদেশিকীকৰণ হ'ব। ইয়াৰ ফলত প্ৰায় ৪০-৪৫ খন মান নতুন কলেজ সোমাই যাব। মই ভাৱো চৰকাৰৰ যিটো Positive

indication আপোনালোকৰ প্ৰতি ,বা পৱিত্ৰ সদনৰ প্ৰতি চৰকাৰে যিখিনি সন্মান কৰিছে, সেইখিনিৰ আমাকো ৰিটাৰ্ণ এটা সন্মান দি আজি এইখন ইমানতে থওক। কাৰণ Any discussion will delay provincilisation process আৰু ছমাহ পিছুৱাই যাব আৰু যদি ছমাহ পিছুৱাই যায়, তেওঁলোকৰ নহ'বগৈ। সেইকাৰণে এই বিষয়টো আপোনালোকে অকমান চালে ভাল হ'ব আৰু যদি আপোনালোকে চাই, Last Year, আমি যেতিয়া Amendment আনিছিলো, ফণীভূষণ চৌধুৰী ডাঙৰীয়া আৰু আমিনুল ইছলাম ডাঙৰীয়াই আমাক Last Year টোহে Extention বা Relaxation ৰ কথা কৈছিলো। ইয়াত আমি কৈছো যে First Year হ'লেও হ'ব। তাৰ মানে আৰু অলপ বেচিকৈ গ'লো। তাৰ মানে First Year ৰ Concurrence ও যদি আছে, আমি কৰি দিম। আগতে আছিল যে Second Year হ'ব লাগিব। এতিয়া আমি First Year লৈ গ'লো। So, this is no 1. তাৰ পিচত হ'ল যে এখন কলেজত তিনিটা পোষ্ট লাগে। তিনিটা পোষ্ট দিয়া আছিল। তেতিয়া আমি কৈছো যে There after we have increase to three post for each subject. Earlier it was only one. So, সেইটোৰ কাৰণে Amendment অনা হৈছে। It was a positive Amendment . আৰু Concession দিব পৰাও মোৰ ধন নাই। গতিকে মই ভাৱো যে আৰু এইটো আলোচনা কৰিব নালাগে আৰু ইমানতে শেষ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া আমিনুল ইছলাম ডাঙৰীয়া আপুনি কওঁক।

**শ্ৰী আমিনুল ইছলাম(ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো Amendment চৰকাৰৰ ফালৰ পৰা অনা হৈছে, আমি ভাল পাইছো যে এটা Positive Attitude চৰকাৰে দেখুৱাইছে।

**মাননীয় অধ্যক্ষ ঃ** এইটো আমি গ্ৰহণ কৰি লওঁ। এতিয়া বাকী আপোনালোকৰ কেইটা কৈ দিয়ক।

**শ্ৰী আমিনুল ইছলাম(ধিং)ঃ** ঠিক আছে। অধ্যক্ষ মহোদয়, এইক্ষেত্ৰত মন্ত্ৰী মহোদয়ে যিটো কৈছে যোৱা বছৰ ২০১৭ চনত আমি প্ৰাদেশিকীকৰণ বিলখন পাছ কৰাৰ পিচৰ পৰাই effect Date ৰ কথাটো খুব আহি আছে। কাৰণটো হ'ল যে ২০১১ চনত যিখন বিল পাচ কৰা হৈছিল, তাত কিন্তু issued on or before এই কথাটো অহা নাছিল। সেই বিল খনত আছিল Recognition বা Afflition বা concurrence টো before 01.01.2006. হ'লেই হ'ব। কিন্তু হাই কোৰ্টে এ কেনচেল কৰাৰ পিছত কিন্তু যোৱাবাৰ বিলত issue order শব্দটো লগাই দিয়া হ'ল আৰু লগাই দিয়াৰ কাৰণে বহুতে বাদ পৰি আছে।

**মাননীয় অধ্যক্ষ ঃ** আমিনুল ইছলাম ডাঙৰীয়া, মই ভাৱিছো যে প্ৰথমতে এই চৰকাৰৰ সংশোধনীখন পাচ কৰি লওঁ। তাৰপিচত এই দুটা কথাই একেলগে আলোচনা কৰিম।

**শ্ৰী আমিনুল ইছলাম(ধিং)ঃ** সংশোধনীত আৰু এটা শব্দ আছে, যিটোৰ ওপৰত মোৰ ক'বলগীয়া আছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি যদি সংশোধনীটো Accept নকৰে যদি মোৰ একো ক'বলগীয়া নাই। সেইটো আপোনাৰ কথা। আপুনি মূল পইণ্টটো কওঁক যে কোনটো তেখেতে সংশোধনী কৰিব লাগিব। আপুনি বাখ্যা কৰি দিওঁক।

**শ্ৰী আমিনুল ইছলাম(ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাজতে কলেজৰ শিক্ষক সকলে যেতিয়া আলোচনা কৰিছিল, তেতিয়া কৈছিল যে Major Subject ৰ কাৰণে Sixth Semester টো Last Class হয়। আনহাতে যিবিলাকৰ অন্য Subject ত Major থাকে, ধৰক ৰাজনীতি বিভাগত Major আছে, 4th Semester 2nd Year. সেই বিষয়টো তেওঁ Pass course ৰ 3nd Year. ত carry নকৰে । গতিকে আজি ৰাজনীতি বিভাগত Major থাকে, তেওঁলোকে

লাষ্ট ক্লাচলৈ যায়। এই ক্ষেত্ৰত লাষ্ট ক্লাচ বুলি Part-I অৰ্থাৎ 4th Semester যিটো সেইটোহে ধৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে কওঁক।

**ড০ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, শিক্ষা, বিত্ত আদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি কৈছোৱেই যে লাষ্ট ক্লাচ যদি অনাৰ্চৰ কাৰণে 6th Semester হয়, Then that senmester which is according to University Regulation is Last class that will be taken. এতিয়া মেজৰৰ কাৰণে যদি Last Class 6th হ'লে It will be consider like that. যদি , General, ৰ কাৰণে 4th Semester টো Last Class হয়, সেইটোৱেই হ'ব। সেইকাৰণে আমি Details ত যোৱা নাই। আমি কৈছো যে Last Class whatever will University say that will be accepted.

**মাননীয় অধ্যক্ষ ঃ** These are implied. সকলো কথা আইনত নাথাকে। কিছুমান হৈ implied থকে। এতিয়া মই সংশোধনী প্ৰস্তাৱটো আগবঢ়াবলৈ ওলাইছো। যি সকলে হয়ৰ সপেক্ষে আছে, তেওঁলোকে কওঁক হয়, আৰু যিসকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয়। মই ভাৱো যে হয়ৰ সপেক্ষে, হয়ৰ সপেক্ষে, হয়ৰ সপেক্ষে চৰকাৰী সংশোধনীটো গ্ৰহণ কৰা হ'ল। এতিয়া বিধেয়কৰ ৩ আৰু ৪ নংত আমাৰ বিধায়নী দলৰ সংশোধনী প্ৰস্তাৱ আছে। এই দুয়োটা প্ৰস্তাৱত কি আছে কওঁক। কথাখিনি তেখেতে কৈছে। যদি উত্তৰটো পাইছে তেনেহ'লে বেছি নক'ব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দুটা কথাই ক'ম। গোটেই অসমৰ যিবোৰ Instituted, ত Permission, Affiliation, Recognition, concurrence 2006.ৰ পিছত আছে, তেনেকুৱা এখন Institute কৰিমগঞ্জতো আছে। হয়তো শিক্ষা মন্ত্ৰীয়েও জানে যে Karimganj Junior College of Science 2015 ত ১১৪ জন ছাত্ৰ অৱতীৰ্ণ হৈছিল আৰু ১১৩ জনে পাছ কৰিলে। উত্তীৰ্ণৰ হাৰ ৯৯ শতাংশ। বাণিজ্য শাখাত ৩০ জনে দিলে আৰু ৩০ জনেই পাছ কৰিলে। বিজ্ঞানৰ ক্ষেত্ৰতো ১০০ শতাংশই পাছ কৰিছে। এনেকুৱা বিদ্যালয় হয়তো অসমৰ বহু ঠাইতে আছে। এতিয়া এনেকুৱা বিদ্যালয়ৰ ক্ষেত্ৰত যাতে কণ্ডিডাৰ কৰিব পাৰি। Consecutive তিনি বছৰ ৰিজাল্ট চাই যদি এনেকুৱা স্কুল প্ৰদেশিকীকৰণ কৰিব পাৰি, তেতিয়াহ'লে আমাৰ Quality of Education,ৰ কাৰণে কিবা এটা কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** এইটোৰ পেৰত পিছত আলোচনা কৰা হ'ব।

**ড০ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, শিক্ষা, বিত্ত আদি ঃ** মাননীয় অধ্যক্ষ মহোদয়,আচলতে কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াই যি কথা কৈছে, Genuine কথা কৈছে। প্ৰাদেশিকীকৰণটো তেনেকৈ হ'ব লাগিছিল। তিনি বছৰৰ ৰিজাল্ট চোৱা হ'ব। যিবোৰ কলেজৰ ৰিজাল্ট ভাল হয়, সেইবিলাক কলেজৰ চন আদি বিবেচনা নকৰি প্ৰাদেশিকীকৰণ কৰা হ'ব। That should have been the spirite. প্ৰথমতে ২০০৫ত সেইটোৱেই ব্যৱস্থা কৰা হৈছিল। তেতিয়া আমাৰ হাইস্কুল, কলেজৰ শিক্ষক সকলে কোৰ্টত যোৱা আৰম্ভ কৰিলে যে ৰিজাল্ট চাব নোৱাৰিব। Seniority চাব লাগিব। ঘটনাটো হ'ল যে Idealy মইও এইটো ভাল পাওঁ। কিন্তু ভৱিষ্যতে এনেকুৱা দিন আহিব যে যি সমূহ কলেজ প্ৰতিষ্ঠান সমূহে ভাল কাম কৰে, তেওঁলোকক প্ৰাদেশিকীকৰণ কৰা হ'ব। কোনোবা এখন কলেজ তিনি বছৰ ভাল কাম কৰিছে, সেইসমূহক যিকোনো সময়তে প্ৰদেশিকীকৰণ কৰা হ'ব। তেওঁলোকক প্ৰাদেশিকীকৰণ কৰাৰ ক্ষেত্ৰত কোনো প্ৰয়োজন নহ'ব। Then Government

by Cabinet decision also can do it. এইটো খুব এটা ডাঙৰ কথা নহয়। গতিকে আজি আমি সেইটো Act ত আনিলে, কি ৰিজাল্ট আছে, কিমান শতাংশ ধৰিব লাগিব সেইবোৰ খেলি-মেলি হ'ব। কিন্তু অনাগত দিনত নিশ্চয় provincialisation should be merit basis তেনেকুৰা পৰিৱেশ এটা হ'ব। এতিয়া প্ৰথম জখলা খিনি আমি পাৰ হৈ লওঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আপুনি মূল যুক্তিটো কওঁক।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কিছুমান Basic কথাহে কম।১৯৫০ চনত আমাৰ সংবিধান গ্ৰহণ কৰাটোহে আমাৰ Article 45ত Directed Princple ত কোৱা হৈছিল যে 14 Years লৈকে সকলো শিশুকে Compulsory Education দিব লাগে। আমি দহ বছৰৰ ভিতৰত Achieve কৰাৰ কথা আছিল। অৰ্থাৎ ১৯৬০ চনৰ ভিতৰত হ'ব লাগিব। কিন্তু আমি নোৱাৰিলো। ইয়াৰ পিছত ১৯৮৬ চনত আমাৰ National Policy for Education গ্ৰহণ কৰা হ'ল। তাৰ পিছত inspite of continious effort by the State Government and Union Government we could not achieve the target. যাৰ পৰিণতিত মাননীয় অধ্যক্ষ মহোদয়, ২০০৯ চনত Right to the Education Act আহিল। এই Right to the Education Act অহাৰ পিছত,

**মাননীয় অধ্যক্ষ ঃ** Right, I said that every body knows that. We are giving you so much time. No body want to here any long lecture. What is Your basic point on the Bill. Just raised that point. Just that point, nothing else.

**শ্ৰী শ্বেৰমান আলি আহমেদ (বাঘবৰ)ঃ** At the time the Bill is taken into Consideration. I being a member I have got the right.

**মাননীয় অধ্যক্ষ ঃ** I disallow the permission on the reason that Your Legislative Party has brought two resolution. মই কৈছো, আপুনি এটা History ক'ব নোৱাৰে।

**শ্ৰী শ্বেৰমান আলি আহমেদ (বাঘবৰ)ঃ** ছাৰ, আজি ২০১৮ চনলৈ আমি ১৪ বছৰীয়া শিশুৰ Compulsory আৰু free Education দিবলৈ ব্যৰ্থ হৈছে।

মাননীয় অধ্যক্ষ ঃ শিক্ষা মন্ত্ৰী ডাঙৰীয়াক পিচত ক'ব। শিক্ষা মন্ত্ৰীয়ে কেতিয়াবা পাৰিলে কৰিব। আজি এইবোৰ কথা নুশুনো। These are not relevant with the Bill.

**শ্ৰীশ্বেৰমান আলী আহমেদ, মাননীয় সদস্য, (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০০৯ চনত এই RTE Act হ'ল। ইয়াৰ পিছতো চাৰ আজি ২০১৮ চনলৈ আমি ১৪ বছৰীয়া শিশুৰ বাধ্যতামূলক আৰু ফ্ৰি এডুকেশ্যন দিয়াত ব্যৰ্থ হৈছো।

**মাননীয় অধ্যক্ষ ঃ** আজি আৰু এইবিলাক কথা নুশুনো। These are not relevant with the Bill. আপুনি বিলখনৰ ওপৰত কি কব বিচাৰিছে সেইটো কওঁক।

**শ্ৰীশ্বেৰমান আলী আহমেদ, মাননীয় সদস্য, (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিও বহু অঞ্চল আছে, য'ত literacy rate is 13%, 17%. এই RTE Act খনত কোৱা হৈছিল যে, for carrying out the provisions of this Act....

**মাননীয় অধ্যক্ষ ঃ** I can not allow you to speak all these things. Sorry. শ্ৰী আমিনুল ইছলাম ডাঙৰীয়া, যি দুটা amendment আছে তাত কিবা কব নেকি ?

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** চাৰ, এই provincialize বিলৰ ওপৰত যি amendment অনা হৈছে, এই আইনখন যদি RTE Act violate কৰি কৰা হয়, তেন্তে আমাৰ ৰাজ্যখনৰ কাৰণে ভাল কথা নহ'ব।

**মাননীয় অধ্যক্ষ ঃ** RTE Act টো কেনেকৈ violate হৈছে, অকনমান কৈ দিয়ক।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** অধ্যক্ষ মহোদয়, প্ৰথম, আমি যি criteria ৰ ভিতৰত select কৰিবলৈ ললো, সেই criteria ৰ ভিতৰত RTE Act মতে আছিল যে, প্ৰতি কিলোমিটাৰৰ ভিতৰত এখন এল. পি. স্কুল, তিনি কিলোমিটাৰৰ ভিতৰত এখন এম. ই. স্কুল থাকিব লাগে। এতিয়া এনে বহুত য'ত RTE Act মতে স্কুল নাই।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এইটো কথা কিয় আনিছে? এইটো স্কুলৰ provincialization নহয়, কলেজৰ provincialization হয়।

**ড০ হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী শিক্ষা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনত এটা কথা বাৰে বাৰে কৈ থকা হৈছে। মই কেইটামান কথা আপোনালোকক কৈছো যে, আমি Satellite Survey কৰিছিলো। Satellite Survey ৰ পিছত সৰ্বশিক্ষা অভিযানে আকাশৰ পৰা গ্লোবেল পইণ্ট লৈ চাইছিল। সেই পইণ্ট মতে আমাৰ এক কিলোমিটাৰত আৰু স্কুল নালাগে। আজি আপোনালোকে কৈ আছে যে, বহু ঠাইত এতিয়াও স্কুল নাই। তেতিয়াহ'লে মোক আপোনালোকে সেই ঠাইবিলাকৰ নাম দিয়ক with the GPRS point. আমি আকৌ পইণ্টটো মিলাই চাম। যদি তেনেকুৱা ঠাইত স্কুল নাই, আমি স্কুল পাতি দিম। কিন্তু venture ৰ লগত RTE ৰ কোনো সম্পৰ্ক নাই। কাৰণ entire of the Act is in violation of RTE । যদি আমি RTE Act মানিব লাগে তেন্তে double হ'ব নোৱাৰে। এফালে কৈছে RTE Act মানিব লাগে, আনফালে কৈছে RTE Act মানিব নালাগে। RTE Act মতে এজনৰো প্ৰাদেশীকিকৰণ কৰিব নালাগে। যদি মই আপোনাৰ কথাটো মানি লওঁ, সদনততো মই দুটা উত্তৰ দিব নোৱাৰো। এটাই প্ৰস্তাৱ হ'ব লাগিব, যে RTE Act মতে সকলো কৰিব লাগে। তেতিয়াহ'লে এই Act আমি সামৰিব লাগিব আৰু অসম চৰকাৰে স্কুল পাতিব লাগিব। কিন্তু আপোনালোকে severity কৰিব খোজে। এটা Section ত RTE ৰ সহায় লয়, আন এটা Section ত RTE ৰ against য়ে কয়, আনি এটা Section ত মানৱতাৰ কথা কয়। এনেকৈ legislative debate নহয়। মাননীয় অধ্যক্ষ মহোদয়, আপুনি দীৰ্ঘদিনীয়া অভিজ্ঞতাৰ পৰা জানে যে, either you say that you comply the Act in toto, I am agree to withdraw the Act and এক কিলোমিটাৰ, পাঁচ কিলোমিটাৰৰ ভিতৰত যিমান স্কুল লাগে, মই পাতি দিম। কাৰণ মোৰ ৫০০ কোটি টকা savings হ'ব। সেইটোতো আপোনালোকে নামানে। তাত আকৌ কব যে, মানৱীয়তাটোও চাব লাগিব। গতিকে এনেকৈ দুটা কথা কৈ থাকিলে দিগদাৰ হৈ যায়। সেই কাৰণে, let us not bring certain things on debate . মই এটা কথা আপোনালোকক নকওঁ বুলি ভাবিও কব নোৱাৰো যে, এইবাৰ যেতিয়া এই প্ৰাদেশিকীকৰণ এক্টখন হ'ব যেতিয়া লিষ্টত নামখিনি পেপাৰত ওলাব- 90% people will be from a particular community, only 10% teachers will be from another community. Somebody may go to the P.I.L. also. এইটো কি হ'ব? আমি পেট্ৰ'লত পইচা দিম আৰু একাংশ মানুহে পাব। গতিকে আমি কিবা এটা বিবেচনা কৰি মানৱতাৰ খাতিৰত সকলো কাম কৰি দিব খুজিছো complicated নকৰিব। কাৰণ আজি-কালি হাউচৰ debate বোৰ মানুহে শুনে। মই যেতিয়া

পেপাৰত লিষ্টখন দিম যে, এইখিনি শিক্ষক প্ৰাদেশীকিকৰণ হ'ব আৰু ইয়াৰ ওপৰত আপোনালোকৰ কিবা আপত্তি আছে নেকি opinion দিয়ক that list will contain 90% of people from a single community, I have gone through that list . তেতিয়া বাকী মানুহ বিলাকে কোৰ্টত গুচি যাব পাৰে। সেই কাৰণে কৈছো যে, কথাবোৰ বহুত বেছি মুকলি কৰি থাকিব নালাগে। মই মন কৰিছো আপোনালোকে যিবিলাক কথা কৈ আছে, গোটেইখিনি নগাওঁ, বৰপেটা আৰু ধুবুৰী জিলাৰ দৃষ্টিভংগীত কৈ আছে। বাকী ২৮ খন জিলাত তাৰমানে সমস্যাটো নাই। যদি এই তিনিখন জিলাতে সমস্যাটো আছে, তেতিয়াহ'লে আপোনালোকে এদিন মোৰ ওচৰত আহিব, কথা পাতি সমস্যাবোৰ বুজি লম। এইখন লৈ আপোনালোকে বহুত বেছি ডিবেট নকৰিব। কাৰণ আকৌ কোৰ্টে এইখন strike down কৰাৰ সম্ভাৱনা আছে। অসমৰ যিকোনো এজন tax payer যদি চুপ্ৰিম কোৰ্টত গৈ কয় যে, এইখন RTE violate কৰি আৰু NCTE কৰি অসম বিধান সভাত এটা মানৱীয়তা বুলি শব্দ বনাই লৈ তেওঁলোকে এইবোৰ কাম কৰি আছে, within half an hour, it will be striked down. কাৰণ মানৱতাটো আইনে নামানে। মোৰ কোনো বেয়া ভাৱ নাই। আপোনালোকে বুজি নাপায় কাৰণে মোক সন্দেহ কৰি থাকে। মই যিখিনি দিছো, তাতকৈ বেছি আৰু কোনেও দিব নোৱাৰে। মই Finance Minister, এইটো নহয় যে, Because of, I am also handling the Finance, বিত্ত বিভাগে ফাইল scrutinize নকৰি শিক্ষা বিভাগক ফাইল কেইটা ক্লিয়াৰ কৰি দিছে। নহ'লে যিটো judgement গুৱাহাটী হাইকোৰ্টৰ পৰা আহিছিল, কোনো বিত্ত বিভাগে এই বিল ক্লিয়াৰ নকৰে। কিছুমান কামত মুখ্যমন্ত্ৰীয়ে মোক সুযোগ দিছে। শিক্ষা আৰু বিত্ত বিভাগ দুয়োটা বিভাগেই মোৰ দায়িত্বত আছে কাৰণে এইবিলাক বিল পাৰ হৈছে। নহ'লে নহ'লহেঁতেন। সেই কাৰণে মই শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াক কওঁ যে, যদি আপোনালোকে শিক্ষকখিনিৰ ভাল চিন্তা কৰিছে, আজি ইয়াতে বন্ধ কৰক। ১৫ আগষ্টৰ আগতে দুই তিনি হাজাৰ, দহ হাজাৰ মানুহৰ কল্যাণ আমি কৰি লওঁ, পিছত যদি কিবা বাকী থাকি যায়, আপোনালোকে আকৌ আহিব, delegation লৈ আহিব, আমি আকৌ আলোচনা কৰিম, যিহেতু এইখনেই শেষ নহয়। ইছলাম ডাঙৰীয়া, আপুনি যিটো লাইনত কব গৈ আছে, মইও তাৰ উত্তৰ দিছো this will be part of therecord আৰু এইটো ভাল কথা নহ'ব। আজি তাত এটা ধৰ্ণা দি আছে। মই আহোতে-যাওঁতে মানুহবোৰ চাই গম পাইছো যে, তেওঁলোক এখন ঠাইৰ পৰাই আহিছে, এক শ্ৰেণীৰে মানুহ হয়। মানুহেও এইবিলাক গম পায়। কিন্তু আমি কৈছো, নহয় they deserve consideration, সেই ঠাই বিলাকত শিক্ষানুষ্ঠান নাই, হ'ব লাগে। আৰু বি. জে. পি য়ে এই কামবোৰ কৰিছে, it is a big thing. আপোনালোকে appreciate কৰিব পৰা নাই। আজি যদি মই সেই ঠাইত থাকিলোহেঁতেন, মই থিয় হৈ ক'লোহেঁতেন যে, আপোনালোকে যিটো কৰিছে তাতকৈ ডাঙৰ কাম আমি কৰিব নোৱাৰো। আজি এই হাউচত এটা change দেখক। সকলো কংগ্ৰেছ বিধায়কে বিচাৰে যে, প্ৰাদেশিকীকৰণ হ'ব লাগে। সকলো ইউ ডি এফ বিধায়কে বিচাৰে যে, মানৱীয়তাৰ খাতিৰত হ'ব লাগে। কিন্তু তেওঁলোকৰ চৰকাৰ থাকোতে কিয় কৰিব নোৱাৰিলে ? এনেয়েটো মানুহে নকৰাকৈ নাথাকে। অধ্যক্ষ মহোদয়, ফাইলত যিটো নোট আহিছিল, মই আপোনালোকক, White Paper ত দেখুৱাই দিছো। কাৰ লাভ হ'ব, কাৰ লোকচান হ'ব আমি নাজানো নেকি ? তথাপি আমি এই বিলখন দুৰ্ভগীয়া, নিস্পেষিত, illeterate মানুহ বিলাকৰ অলপ ভাল হওঁক বুলি ভাবিয়েই আনিছো। এইখন নানিলেও পলিটিকেলি আমাৰ লষ্ট নাই। This should be appreciated. আপোনালোকে যিটো ধৰণে মোৰ মুখৰ পৰা কথাখিনি উলিয়াব

খুজি আছে, মই restraint হৈ আছো, কাৰণ আমি কিবা এটা ইয়াত illegal কৰি আছো। কোনোবা বিধান সভাত Violating RTE Act, Violating U.G.C norms ৰ দৰে প্ৰস্তাৱ আহে নেকি ? ইউ জি চিৰ মতে শিক্ষক নিযুক্তি হ'ব লাগে বুলি ছুপ্ৰিম কোৰ্টে সিদ্ধান্ত লৈছে। কোনোবা বিধান সভাত প্ৰস্তাৱ আহে নেকি যে- ইউ জি চিৰ ৰুল্চটো relaxation কৰি দিয়ক। ছুপ্ৰিম কোৰ্টৰ against ত প্ৰস্তাৱ আহিব পাৰে নেকি ? আমিতো আনি আছো । কিন্তু মই সেইবোৰ ignore কৰি আছো। সেই কাৰণে মই আমিনুল ইছলাম ডাঙৰীয়াক অনুৰোধ কৰিম যে আৰু বঢ়াই নাথাকিব। বহুতখিনি কৰিছো, কৰিব দিয়ক, আৰু কৰিম।

মই মাননীয় আমিনুল ইছলাম ডাঙৰীয়াক অনুৰোধ কৰিম যে বঢ়াই নাথাকিব। বহুতখিনি কৰিছো। কৰিব দিয়ক। আৰু কৰিম। যদি সঁচাকৈ comunity ক লাগে । সঁচাকৈ ডিব্ৰুগড়, বৰপেটা, ধুবুৰীত যদি আৰু College লাগে কৰিম কিন্তু আপোনালোকে যদি বাৰে বাৰে এটা প্ৰশ্ন আনে মই উত্তৰ বিলাক দি থাকিব লাগিব। মই উত্তৰবিলাক দিবলৈ বিচৰা নাই কাৰন মই যেতিয়া জানো যে মই illegal কাম এটা কৰি আছো। যেতিয়া এজন মন্ত্ৰীয়ে জানে সংবিধানৰ যে শপত লৈছো সংবিধান ৰক্ষা কৰিম বুলি , কৰি আছো সংবিধানৰ বিপক্ষে কাম এটা । সেই কাৰনে কিয় এইটোৰ পিছত কিয় লাগি আছে নাজানো। maximum we have given তাতকৈ কোনেও নোৱাৰে দিব।

**শ্ৰীআব্দুল খালেক ঃ** মই কেৱল এটা কথাহে ক'ব বিচাৰিছো অধ্যক্ষ মহোদয়, বৰপেটাখন অসমৰ ভিতৰত নপৰে নেকি ছাৰ?

**মাননীয় অধ্যক্ষ ঃ** আকৌ সেইবিলাকত নাযাবছোন। মূল কথাখিনিহে কওক?

**শ্ৰীআব্দুল খালেক ঃ** মই ক'ব বিছাৰিছো চাৰ। বি জে পি বিধায়িনী দলৰ ৰাজ্যিক সভাপতি গৰাকীয়ে হ'ল বৰপেটা জিলাৰ ।

**মাননীয় অধ্যক্ষ ঃ** আকৌ এইবিলাকত নাযাব । এইবিলাক কথাত তৰ্ক - বিতৰ্ক নকৰিব। প্লিজ-প্লিজ।

( তীব্ৰ বাদ - বিবাদ)

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, শিক্ষা, স্বাস্থ্য ইত্যাদিঃ** অধ্যক্ষ মহোদয়ে, অসম চৰকাৰে The Assam Education (Provincialisation of Services of Teachers and Re-organisation of Educational Institution Bill we want to withdraw this Bill .

**মাননীয় অধ্যক্ষঃ** নহয় নহয়।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, শিক্ষা, স্বাস্থ্য ইত্যাদিঃ** let this matter be solved । অধ্যক্ষ মহোদয়, মই ৰাতিপুৱাৰ পৰা লক্ষ্য কৰি আছো। মই কেৱল কৈছো যে, বৰপেটাৰ মানুহক যি লাগে , ধুবুৰীৰ মানুহক যি লাগে We will discuss মই মোৰ Chamber মাতিছো। মই কৈছো কামটো হ'ব লাগে। অধ্যক্ষ ডাঙৰীয়া আজি খালেক ডাঙৰীয়াই এমেণ্ডমেণ্ড দিছে মই মানি লৈছো। আমিনুল ইছলাম ডাঙৰীয়াই এমেণ্ডমেণ্ড দিছে মই মানি লৈছো। ফনী ভুষণ চৌধুৰী ডাঙৰীয়াই এমেণ্ডমেণ্ড দিছে মই মানি লৈছো। ইয়াৰ পিছত যদি এটাও এমেণ্ডমেণ্ড আহি অধ্যক্ষ মহোদয় allow me to withdraw this.

**মাননীয় অধ্যক্ষঃ** ঠিক আছে । ঠিক আছে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয় , according to Act । Act amendment হৈছে। আমি লাগিলে আৰু এমেণ্ডমেণ্ড আনিম কথা নাই । অধ্যক্ষ মহোদয়, কথাটো হৈছে কি যে, মই কৈছিলো যে, স্পিচিয়েল যিখিনি কৰিব সেইখিনি।

**মাননীয় অধ্যক্ষঃ** নাই নাই সেইটো আজি নাহে। আজিৰ বিলত নাই। সেইটো পিছত আহিব। তেখেতে কি কৈছে যে তেখেতে তেনেকুৰা বিছাৰে কিন্তু সেইটো এসময়ত reject হৈছে। এতিয়া আপুনি কৈছে যে, পৰৱৰ্তী সময়ত আপুনি চাব। এতিয়া বহক আপুনি। এতিয়া মই আপোনালোকক সুধিছো এমেণ্ডমেণ্ডকেইটা withdraw কৰা হৈছেনে নাই ?

**শ্ৰীআমিনুল ইছলামঃ** অলপ চাই লওঁ অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে withdraw যদি নকৰে নাই । নহ'লে Bill Withdraw কৰিবলৈ মই permission দিব লাগিব। গতিকে মই ২ আৰু ৪ নং দফাত যি দুটা সংশোধনী আছে , আমিনুল ইছলাম ডাঙৰীয়া withdraw কৰিবনে নকৰে?

**শ্ৰীআমিনুল ইছলামঃ** ছাৰ আমি উত্থাপনে কৰা নাই। আমি জেনেৰেল ডিছ্‌কাচনহে কৰিছো।

**মাননীয় অধ্যক্ষঃ** আপুনি উইড্ৰ কৰিছেনে নাই ? মই জোৰ দিয়া নাই। This is not the way । I can't continue just like anything । If you do not withdraw, You have wright to not to withdraw.

**শ্ৰীআমিনুল ইছলাম ঃ** অধ্যক্ষ মহোদয়, দিছ এমেণ্ডমেণ্ড আমি উত্থাপন কৰাই নাই। মই যিটো কথা শিক্ষা মন্ত্ৰী মহোদয়ক কৈছিলো ।

**মাননীয় অধ্যক্ষ ঃ** I do'nt want to discuss anything more । Iam strict some time also. I want to know whether you withdraw the amendment in clause -3 or not ?

শ্ৰীআমিনুল ইছলামঃ অধ্যক্ষ মহোদয়, ২০১১ চনৰ পৰা এতিয়ালৈকে আমাৰ যিমান Provincialisation Bill আহেLast Day ত আহে আৰু Second Sessional আহে । ৰাতি হৈ যায়।

মাননীয় অধ্যক্ষ ঃ আমিনুল ইছলাম ডাঙৰীয়া আপুনি কথাটো কওক কোনখন বিলত কথাটো মই ক'বলৈ দিয়া নাই। মই কৈছো এইটো কোনো কথা নহয় you can't say like that । সেইটো different issue। next time I will fixed O K - accordingly - এইবাৰ টাইম নাছিল । বহক আপুনি। কথাটো তেনেকুৰা নহয়। এইবাৰ এই খন অলপ দীঘলীয়া, সময় আমাৰ কম। ৩ বজাৰ পৰা আমি আলোচনা কৰিছো। নকৰাকৈতো থকা নাই। আমি মেজৰ আলোচনা তিনিওখন বিলতে কৰিছো। সাধাৰণতে কি হয়, বিলৰ নিয়মটো কি, সংশোধনী যিয়ে আনিব সংশোদন কৰি তেও ক'ব গৰ্ভমেন্টে উত্তৰ দিব if you are not satisfied you will have to say that I will not withdraw । I will put the matter to the House whether the majority. Your duty is to show the things these are the low falls. If Government excepts it is fine. public will judge you cannot do these things here all the time . but I am a Lawyer। সেই কাৰনে মই Law Making ত অলপ বেছি গুৰুত্ব দিওঁ কাৰনে এনেকৈ Time দিছো। those who are not lawyer can not understand all these things . মই frankly কৈছো। because I have lot of experience in this Assembly, how the

Bills were passed. মই আপোনালোকক vantilate কৰিবলৈ দিছো। যে চৰকাৰে মানিব লাগিব বুলি কথা নাই। বাহিৰত যি হয় মানুহে বুজিব। তেনেকৈ নকৰিব । সেই কাৰনে ৩ নং টো আপোনালোকে যদি withdraw নকৰে মই জোৰ কৰা নাই। whether are you withdrawing?

**শ্ৰীআমিনুল ইছলাম ঃ** চাৰ ৩ নংটো আমি withdraw কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আৰু ৪ নং টো withdraw কৰিছেনে?

**শ্ৰীআমিনুল ইছলাম ঃ** চাও ছাৰ।

**মাননীয় অধ্যক্ষ ঃ** যদি নকৰে নকৰিব পাৰে ।

**মাননীয় অধ্যক্ষ ঃ** কংগ্ৰেছ বিধায়িনী দলৰ ক্লজ-৩ আৰু ৪ টো উইড্ৰ কৰিছেনে?

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থঃ** চাৰ, দুয়োটাই উইড্ৰ কৰিলো কিন্তু মন্ত্ৰী মহোদয়ে যাতে Specially এইটো চায়।

**মাননীয় অধ্যক্ষঃ** আমিনুল ইছলাম ডাঙৰীয়া আমি ল'মনে?

**শ্ৰীআমিনুল ইছলাম ঃ** withdraw কৰিলো ছাৰ, ল'ব পাৰে ।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়ক খনৰ ৩ ৰ পৰা ৫ লৈকে আমি যিহেতু সংশোধনী নাই সংশোধনী যিকেইটা আছিলে উইড্ৰ কৰিলে গতিকে ৩ পৰা ৫ লৈ দফা কেইটা বিধেয়কৰ অংশ হ'ব। যিসকল সন্মানীয় সদস্য- সদস্যাই ইয়াৰ সপক্ষে আছে তেওলোকে কওক "হয় ."। যিসকল বিপক্ষে আছে কওক " নহয়" মই ভাবো " হয়ৰ সপক্ষে " "হয়ৰ সপক্ষে " " হয়ৰ সপক্ষে" ৫নে দফাটো বিধেয়কৰ ৩ নংৰ পৰা ৫ লৈ বিধেয়কৰ দফা হ'ল। বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ , আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই।

এতিয়া মই বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰম্ভণ, সদনত উথাপন কৰিছো। প্ৰশ্নটো হৈছে বিধেয়কৰ ১ নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰম্ভন বিধেয়কৰ অংশ হ'ব । যিসকল সন্মানীয় সদস্য- সদস্যাই ইয়াৰ সপক্ষে আছে তেওলোকে কওক "হয" যিসকল বিপক্ষে আছে কওক " নহয়" মই ভাবো " হয়ৰ সপক্ষে " "হয়ৰ সপক্ষে " " হয়ৰ সপক্ষে" বিধেয়কৰ ১ন ং দফাটো সংক্ষিপ্ত নাম, পৰিসৰ আৰম্ভণ, বিধেয়কৰ অংশ হ'ল । মই এতিয়া মাননীয় শিক্ষা মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ প্ৰস্তাৱ উথাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ড°হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, শিক্ষা, স্বাস্থ্য ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়- The Assam Education (Provicialisation of Services of Teachers and Re- organisation of Educational Institutions) ( Amendment) Bill , 2018 পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উথাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই প্ৰস্তাৱটো উথাপন কৰিছো "The Assam Education (Provicialisation of Services of Teachers and Re- organisation of Educational Institutions) (Amendment) Bill , 2018" be passed. যিসকল সন্মানীয় সদস্য- সদস্যাই ইয়াৰ সপক্ষে আছে তেওলোকে কওক "হয়" যিসকল বিপক্ষে আছে কওক " নহয়" মই ভাবো " হয়ৰ সপক্ষে " "হয় সপক্ষে" " হয়ৰ সপক্ষে" প্ৰস্তাৱটো পাৰিত হৈছে, বিধেয়কখনো পাৰিত কৰা হৈছে বুলি ঘোষণা কৰিছো। এতিয়া আমি Kumar Bhaskar Barma Sanskrit and ancient studies University Court - ৰ নিম্নোলিখিত ৭ গৰাকী মাননীয় সদস্য নিৰ্ব্বাচিত হোৱা বুলি ঘোষনা কৰিছো। shri Brindaban Goswami,

Shri Rabi Ram Narzary , Shri Abdul Khaleque, Shri Ashok Sarma, Shri Debananda Hazarika , Shri Promod Borthakur, Shrimati Nandita Das. মই Assam Rajib Gandhi University of Co- operative Management Institute তলত উল্লেখিত দুগৰাকী মাননীয়া সদস্যা নিৰ্ব্বাচিত হোৱা বুলি ঘোষনা কৰিছো। শ্ৰীদেৱব্ৰত শইকীয়া , শ্ৰীবিমল বৰা । মই এতিয়া The State Advisory Board - The rights of person with disabilities তালৈ ৩ গৰাকী সদস্য নিৰ্ব্বাচিত হৈছে বুলি ঘোষনা কৰিছো। শ্ৰীআমিনুল ইছলাম, শ্ৰীৰূপজ্যোতি কুৰ্মী , শ্ৰীঅশ্বিনী ৰায় চৰকাৰ। এতিয়া আজিৰ পৰা সদন অনিৰ্দ্দিষ্ট কাললৈ স্থগিত থাকিব। মই এই কথা কেইটা অকনমান টানকৈ কৈছো কেলেই। আছল কতা বিলৰ আলোচনা প্ৰত্যেক মেম্বাৰে যাতে গম পায় কি আছে বিলত , নহ'লে বহুতে গম নাপায় । নহ'লে amendment আনিলে কোনেও গম নাপায়। সেই কাৰনে আপোনালোকে amendment আনিলে মই বেয়া নাপাও। এমেণ্ডমেণ্ড মই সাধাৰনতে অলপ ভাগ ভাগ কৰি থও । কিন্তু আজি বহু amendmentথকা বাবে কৈছিলো যে একেলগে কওক। মই সন্মানীয় বিৰোধী দলকো কৈছিলো। এইটো এটা আমাৰ সদনৰ পৰম্পৰা আমাৰ majority ৰ কথাটো সাধাৰণতে হয়গৈ। আপোনালোকৰ হাতত বহুত device আছে কিন্তু আমি বিছাৰো যে, কেতিয়াবা ক'লে তেখেতসকলে মানি লয়। আজিও মানিছে ২-৩ টা এমেণ্ডমেণ্টটো অহা কাৰনে মানিছে। গতিকে এই বিলাক হৈছে আমাৰ lagislative work। Assembly তো গোটেইখিনি নহয়। বাকীখিনি কথাও থাকে । এই কাৰণে মই এইটো কৈছো। আপোনালোকে অলপ তেনেকৈ কৰিলে মই ভাল পাম। আপোনালোকে যথেষ্ট Cooperate কৰিছে মই নাই কৰা বুলি কোৱা নাই। বিৰোধী দলেও মোক Cooperate কৰিছে। শাসকীয় দলেও মোক কোপাৰেট কৰিছে। যাৰ কাৰনে মই সদন চলাব পাৰিছো। এতিয়া আপোনালোকে যে কিবা এটা ক'ব বিছাৰিছিল কওঁক ?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ ঃ** মাননীয় অধ্যক্ষ মহোদয়,আমি আপনার কথা মতো গেঞ্জীটি বদলে আসলাম। গতকাল সম্মিলিত সাংস্কৃতিক মঞ্চ শিলচর থেকে আমাদের মাননীয় বিত্ত মন্ত্রী ও মূখ্যমন্ত্রী কে একটা মেমরেনডাম দেয়। সেটাতে বলা হয়েছিল যে শিলচর রেল স্টেশনের নাম ভাষা শহীদ ষ্টেসন নাম হওয়ার জন্য। তাদের তরফ থেকে আমাকে এই গেঞ্জীটি দেওয়া হয়েছিল। সেই গেঞ্জীটিতে লেখা ছিল, "মায়ের ভাষাই মাতৃ ভাষা, সেই ভাষাকে ভালোবাসি, ভালোবাসি বাংলাভাষা, ভালোবাসি বিস্বজনের সব ভাষা"। সেটাই পরে এসেছিলাম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। কিন্তু আপোনালোকে নিজে কৈছিলো যে আমি সদনৰ decorum maintain কৰিব লাগে, যিহেতু ethics committee আছে।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, দক্ষিণ শালমাৰা** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিল পাছ্ হৈ গ'ল। তথাপিও যিহেতু যোৱা বাজেটতো মই এটা কথা কৈছিলো যে অসমৰ বিশেষকৈ কেইখন মান educational block 9 -10 dies officer ৰ negligency ৰ কাৰণে তেওঁলোকে পোৱা নাছিল। আমাৰ যোৱা বাজেট অধিবেশনতো মই মন্ত্ৰী মহোদয়ক এই কথাটো আপোনাৰ জৰিয়তে দৃষ্টিগোচৰ কৰিছিলো। তেতিয়া মন্ত্ৰী মহোদয়ে কৈছিল ঠিক আছে, যদি land document আছে আমি মানি লম। সেই কথাটো আজি আকৌ আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক দৃষ্টিগোচৰ কৰিলো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। আপুনি মন্ত্ৰীৰ লগত কথা পাতি লব।

**শ্ৰী আব্দুল খালেক, জনিয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, দুইমাহ যোৱা অধিবেশন আপুনি ধুনীয়াকৈ

চলালে ধন্যবাদ। Education, SDGs এইবোৰ বিষয় আলোচনা কৰিলে। মহোদয়, এতিয়া Information ৰ যোগ, আমাৰ বিত্ত মন্ত্ৰী মহোদয়ে Tablet দিছে, ধন্যবাদ জনাইছো তেখেতকো। Information ৰ যোগত আমি কিছু কিছু Information চাব লাগে। আৰু ম'বাইলটো Information ৰ source, সেই কাৰণে বন্ধ কৰিছে হয় মহোদয়, কিন্তু Airplane mode ত আমাৰ কিছুমান Information মোবাইলত আহে। Airplane mode যদি allow কৰে ভাল হয়।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। তেখেতে এটা পৰামৰ্শ দিছে। Thank you । আমি সকলোকে আগন্তুক বিহু আৰু নতুন বছৰৰ শুভেচ্ছ জনালো।

**শ্ৰী পীযুষ হাজৰিকা, জাগীৰোদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আৰু এটা গুৰুত্বপূৰ্ণ বিষয়লৈ কব বিচাৰিছো। আমাৰ MLA Hostel ত সোমোৱাতে পাছ ব্যৱস্থা কৰা আছে। অধ্যক্ষ ডাঙৰীয়া এনেকুৱা অৱস্থা হয়তো অসমত আজিৰ তাৰখি নাই যে without pass ত গাড়ি Assembly Hostel লৰ ভিতৰত আহিব নোৱাৰে। আমাৰতো ওচৰৰে সমষ্টি, প্ৰত্যেক দিন ৰাতিপূৱা আহোতে আমাৰ অসুবিধা হয়। এনেকুৱা হৈ যায়। অসমত কেইবা হাজাৰো গাড়ী আছে, কিন্তু বহুত কম সংখ্যকৰ কাৰ পাছ থাকে। car pass became state of symblo. অধ্যক্ষ ডাঙৰীয়া আপোনাক অনুৰোধ কৰিছো যিহেতু security আছে, আমাৰ কেইবাখনো গেট আছে। এই কাৰ পাছ বস্তুটো উঠাই দি সদস্যসকলক ৰাইজৰ লগত ভালকৈ মিলামিছা কৰাৰ সুযোগ যদি আপুনি কৰি দিয়ে।

**মাননীয় অধ্যক্ষঃ** We will discussed this. মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কূৰ্মী কিবা কব নেকি ?

**শ্ৰী ৰূপজ্যোতি কূৰ্মী, মৰিয়নীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা বিশেষ বিষয় এটা কব বিচাৰিছো। ইয়াত বহি বহুতো Education Bill pass হোৱা দেখিলো, ভালো লাগিল। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। এটা বিষয় কব বিচাৰিছো যে আমাৰ বিধায়ক সকল কিছুমান সমিতিৰ লগত জড়িত। তেনেকৈ আমি শিক্ষা বিভাগৰ বিভিন্ন ধৰণৰ সমস্যা লৈ অৱগত হ'ব পাৰো। আমাৰ block level ত vigilence and monitoring committee কিন্তু নিৰ্দেশনা মৰ্মে যেনে ধৰণৰ হ'ব লাগে, নহয়। এইটো কৰিবৰ কাৰণে মই অনুৰোধ জনাইছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, আমি চাম এইটো।

**শ্ৰী প্ৰদীপ হাজৰিকা, আমগুৰিঃ** মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ আটাইতকৈ দীঘলীয়া বিধান সভাৰ অধিবেশন অনুষ্ঠিত হ'ল। আৰু এই অধিবেশনখনত এইবাৰ যিবিলাক গুৰুত্বপূৰ্ণ কথা আলোচনা হৈছে, আমাৰ বিধান সভাৰ দৰ্শক সকলৰ লগতে সমগ্ৰ ৰাইজৰ ৰাইজে এই বাৰ বহুত কথা বিধান সভাৰ পৰা পাইছে। এই গোটেই খিনিৰ ক্ষেত্ৰত আমাৰ চৰকাৰ আৰু আমাক নেতৃত্ব দিয়া মাননীয় মুখ্যমন্ত্ৰী সৰ্বনান্দ সোণোৱাল ডাঙৰীয়া আৰু বিশেষভাৱে এই Sustainable Development Goals ৰ ওপৰত আপোনাৰ initiative ত যিতু ইয়াত অনুষ্ঠিত কৰিলে তাৰ কাৰণে আমি বহুত কথা কোৱাৰ আৰু জনাৰ সুবিধা পালো। সেই সুবিধাটো দিয়াৰ কাৰণে মই ধন্যবাদ জনাইছো লগতে নতুন বছৰৰ আৰু বিহুৰ শুভেচ্ছা জনালো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে ।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাক আমি

আমাৰ বিৰোধী দলৰ ফালৰ পৰা নতুন বছৰৰ শুভেচ্ছা জনাইছো আৰু লগতে সদন সুন্দৰ ভাৱে পৰিচালনা কৰি আমাক অংশ গ্ৰহণ কৰিবলৈ দিয়াত আমাৰ চৰকাৰী পক্ষকো আমাক সহযোগ কৰাৰ বাবে ধন্যবাদ জনাইছো আৰু সদনত কাৰ্য্যক্ৰমো যিখিনি প্ৰতিস্তুতি সেইখিনি আগন্তুক সময়মতে পুৰণ হব বুলি আশা ৰাখি আপোনাক পুনৰ এবাৰ ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম গুৱাহাটীঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনালৈ ৰঙালী বিহুৰ শুভেচ্ছা জনাইছো আৰু লগতে আজি বিগত দুটা মাহ আমি বহুতো গুৰুত্বপূৰ্ন বিষয় আলোচনা কৰিবলৈ সক্ষম হৈছো। আৰু বিশেষভাৱে উদ্দেশ লৈ অসম বিধান সভাত আহিছো। সেই উদ্দেশটো নিশ্চয় অসমৰ ৰাইজে ইতিমধ্যে অৱগত হৈছে লগতে মই আশাবাদী আৰু আপুনি মোক বিশেষভাৱে দুদিন মান আপোনাৰ আসনখনত বহাৰ সুযোগ দিয়াৰ বাবে ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে ।

**শ্ৰী আমিনুল ইছলাম, ধিংঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সাত বছৰীয়া অভিজ্ঞতাৰ এই বাৰ প্ৰথম পালো দুইমাহ সদন পৰিচালনা হোৱা। এইবাৰ আমি সদনত বহুত নতুনত্বও পালো। আপোনাৰ বিশেষ initiative ত আচলতে মহোদয়, বিধান সভাত বিধান ৰচনা কৰাৰ কাৰণে সকলোৰ নাম বিধায়ক। গতিকে বিধান ৰচনাৰ কামত জড়িত হৈ থাকিলে আমাৰো ভাল লাগে। পিছত ঘৰত গুছি গ'লে সমষ্টিৰ ৰাইজৰ বিভিন্ন ধৰণৰ অনুৰোধ ৰাখিব নোৱাৰো। সেইটো বহুত কষ্টকৰ হয়। যিয়ে নহওঁক, খুৱ ধুনীয়াকৈ সদন দুইমাহ চলোৱাৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো লগতে সদনৰ প্ৰত্যেকজন সদস্যৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে ।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী, পশ্চিম কোকৰাঝাৰঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱ ফেব্ৰুৱাৰী **৬** তাৰিখৰ পৰা আজি এপ্ৰিলৰ **৬** তাৰিখ, দুইমাহ যোৱা দীঘলীয়া এটা অধিবেশন আমাৰ ইয়াত অনুষ্ঠিত হৈ গ'ল। আজি অন্তিম দিনাখন আমি ঐতিহাসিক এটা বিল পাছ কৰি লব পাৰিলো। অসম বাসী ৰাইজে আমাৰ চৰকাৰখনৰ পৰা যিটো বিচাৰিছিলে Education Bill সেই বিলখন আজি আমি ইয়াত পাছ কৰি ল'ব পাৰিলো। এই দুইমান যোৱা অধিবেশনত আপুনি দক্ষ আৰু নিৰপেক্ষ ভাৱে সদন চলোৱাৰ যিটো ফল হিচাপে পাইছো, মই আপোনাক তাৰ কাৰণে ধন্যবাদ দিছো। লগতে এই দীঘলীয়া দুমাহ যোৱা অধিবেশনত আমি অসমৰ খেতিয়ক, আমাৰ যিবিলাক শ্ৰমিক, ছাত্ৰ-ছাত্ৰী, বৃদ্ধি, দিব্যাংগ, তেখেতসকলৰ কাৰণে ভাল প্ৰস্তাৱ বা কাৰ্যসুচী আমাৰ চৰকাৰৰ ফালৰ পৰা কৰা হৈছে। আমাৰ বিধায়ক সকলে সকলোৱে ইয়াত সুন্দৰভাৱে আলোচনা কৰি পেলাই সুন্দৰ অসম গঢ়ি তুলিবৰ কাৰণে সদনৰ পৰা এটা প্ৰস্তাৱ ল'বৰ কাৰণে আপুনি সুযোগ দিলে, তাৰ কাৰণে মই আমাৰ প্ৰত্যেক জন সদস্য আৰু বি পি এফ দলৰ হৈ পেলাই আপোনাক ধন্যবাদ দিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে ।

**শ্ৰী ভুৱন পেগু, জোনাইঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিলো। এইটো অধিবেশনত আমি বহু লক্ষ্য কৰিলো, বহুত নতুনত্ব ধৰণে বিধান সভা পৰিচালনা হৈছে। যিটো আমাৰ কাৰণে আগত নহলে, গতানুগতিক একে ধৰণৰ হ'ব বুলি যিটো ভাৱো, কিন্তু এইবাৰ বহুত নতুন কথা শিকিবলৈ পাইছো আৰু আশা এটা জন্মিছে যে আমি যেতিয়া বিধান সভাত আহো, নতুন এটা কথা শিকিম। তেনেকুৱা পৰিবেশ দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে ।

**শ্ৰীমতী নন্দীতা দাস, বকোঃ** মাননীয় অধ্যক্ষ মহোদয়, ওলগ মহিলাৰ পৰা ওলগ নললে সম্পূৰ্ন নহ'ব ৰাঙালী বিহু। সেই বাবে আমি মহিলা তৰফৰ পৰা নতুন বছৰ আৰু বিহু শুভেচ্ছা বিলাক আৰু ওলগ জনালো। আৰু লগতে কষ্ট কৰিছে, দেখিছো , বহুত কথা শিকিছো আৰু সুযোগ দিয়াৰ কাৰণে ধন্যবাদ দিছো।

**শ্ৰী ৰঞ্জিত দাস (মাননীয় বিধায়ক, সৰভোগ )** ঃ মাননীয় অধ্যক্ষ মহোদয়, সুষ্ঠ গণতন্ত্ৰণ প্ৰতিষ্ঠা কৰাৰ স্বাৰ্থত আপুনি অধ্যক্ষ হিচাবে যি বলিষ্ঠ ভূমিকা পালন কৰিলে তাৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো। বিশেষ ধন্যবাদ এই কাৰণে জনাইছো, আমি যোৱা ৫ টা বছৰত আমি বিধায়ক হিচাবে আছিলো বিৰোধী দলত। বিৰোধী দলক যিমানখিনি সুযোগ দিছে, এই সুযোগৰ জৰিয়তে প্ৰকৃতাৰ্থত যে আপুনি সুষ্ঠ গণতন্ত্ৰণ প্ৰতিষ্ঠা কৰিব বিচাৰিছে, এইটো নিদৰ্শন দাঙি ধৰিছে। আৰু লগতে আমাৰ Treasury Bench ৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া, বিত্ত মন্ত্ৰী ডাঙৰীয়া, সংসদীয় পৰিক্ৰমা মন্ত্ৰীৰ লগতে মিত্ৰ দলৰ সমূহ মন্ত্ৰী সকলে যি নিষ্ঠা সহকাৰে তেখেত সকলৰ দায়িত্ব সদনৰ ভিতৰে বাহিৰে পালন কৰিছে তাৰ বাবে মই তেখেত সকলক যথেষ্ঠ ধন্যবাদ জ্ঞাপন কৰিছো। বিৰোধী দলৰ পৰা যিমান বোৰ প্ৰশ্ন আহিছে, এই প্ৰশ্ন সমূহ দিয়াৰ ক্ষেত্ৰত মন্ত্ৰী সকল সফল হৈছে, আৰু নিশ্চয় তেওঁলোকে সন্তুষ্ট হৈছে লগতে মই এইবাৰ লক্ষ্য কৰিছো, আগতে মই বাতৰি কাকতত পঢ়িছিলো, বিধায়ক হয় থাকোতে বাতৰি কাকততো চিত্ৰ অংক কৰা দেখিছিলো যে বিধান সভা গাহৰিৰ গড়াল পৰ্য্যন্ত, বুলি সমালোচনা কৰিছিল। এইবাৰ দেখিছো বিধান সভাৰ ক্ষেত্ৰত তেনেকুৱা সমালোচনা অহা নাই আৰু লাষ্ট গেটত আগতে যি প্ৰতিবাদৰ ধোঁ আছিলে আমি যেতিয়া বিধায়ক আছিলো বিৰোধীৰ এইবাৰ সেই প্ৰতিবাদৰ ধোঁ বহু কম পৰিমাণে আমি দেখা পাইছো। ইয়াৰ উপৰি আন এটা উল্লেখ যোগ্য আমি দিশ পাইছো অসমৰ জনগণৰ মাজত এটা বাৰ্তা গৈছিলে যে আগতে এঘণ্টাৰ যি প্ৰশ্নত্তোৰ কালত যি কথা বৰ্তাৰ যি পোনপতীয়া সম্প্ৰচাৰ হৈছিলে সেইটোৰ জৰিয়তে এটা Wrong message গৈছিলে, কিন্তু এইবাৰ অকল টি. ভি ৰ জৰিয়তে দিনযোৰা সম্প্ৰচাৰ কৰা নহোৱাৰ বাবে আৰু আমাৰ যাতে Press Gallery যি সকল মহাবিদ্যালয়ৰ পৰা ছাত্ৰ-ছাত্ৰী আহিছিলে সেই ছাত্ৰ ছাত্ৰী সকলে সমগ্ৰ অসমত এটা সুন্দৰ বাৰ্তা প্ৰেৰণ কৰিছে, প্ৰকৃতাৰ্থত অসম বিধান সভাত বহুত ভাল ভাল কথা আলোচনা হয়। আৰু বিশেষকৈ সেই ছাত্ৰ-ছাত্ৰী সকলে মোক যিহেতু মই প্ৰাক্তন অধ্যক্ষ আছিলো মোক বহুতে ফোন কৰি কৈছে, মোৰ অঞ্চলৰ পৰায়ে হওঁক বা গোৱালপাৰা, ধুবুৰী অঞ্চলৰ পৰায়ে হওঁক যিহেতু এইবাৰ যি ব্যৱস্থা কৰিছে তেওঁলোকে শিকাৰ কাৰণে, জনাৰ কাৰণে এই ব্যৱস্থাটো আগতে নাছিলে, আৰু সমগ্ৰ বিষয়বোৰ আমি দেখিছো সুষ্ঠ গণতন্ত্ৰৰ এটা অসমত আমি যে দাঙি ধৰিব পাৰো এই ক্ষেত্ৰত আপুনি সফল হৈছে, আমাৰ সংসদীয় মন্ত্ৰী ডাঙৰীয়াই সফল হৈছে আমাৰ চৰকাৰৰ প্ৰতি গৰাকী মন্ত্ৰী সফল হোৱাৰ কাৰণে আপোনাৰ লগতে মই আমাৰ Treasury Bench ৰ সমূহ মন্ত্ৰী আৰু বিৰোধী পক্ষৰ বিধায়কক লগতে আমাৰ বিধায়ক সকলক আৰু সমূহ বিধায়কক মই আন্তৰিক ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** Thank you। মই শেষলৈ আহিলো, আমি এই অধিবেশন ৬ ফেব্ৰুৱাৰী তাৰিখে আৰম্ভ কৰিছিলো। আজি ৬ এপ্ৰিলত কেইটামান মুহুৰ্তৰ পিছত শেষ হ'ব । মহামান্য ৰাজ্যপালৰ ভাষণেৰে সদনৰ কাম-কাজ আৰম্ভ হৈছিল। ইয়াত বিভিন্ন শাসক বিৰোধী উভয় পক্ষৰ সকলো সদস্য/সদস্যাই অংশগ্ৰহণ কৰাৰ কাৰণে যিখিনি সুযোগ দিছো আৰু তেখেত সকলে কৰা সহযোগৰ কাৰণে ধন্যবাদ জনাইছো। কাৰ্য্যসূচী সম্পন্ন কৰাৰ ক্ষেত্ৰত সন্মানীয় মুখ্যমন্ত্ৰীকে ধৰি মন্ত্ৰীসভাৰ সকলো সদস্য, বিৰোধী দলৰ দলপতিকে ধৰি প্ৰতিটো বিধায়িনী দলৰ দলপতি আৰু শাসক বিৰোধী

পক্ষৰ সমুহ সন্মানীয় সদস্যই আগবঢ়োৱা সহযোগীতাৰ বাবে মই আন্তৰিকতাৰে ধন্যবাদ জনাইছো। বিধান সভাৰ পৰিচালনাৰ ক্ষেত্ৰত সভাপতি মণ্ডলি ৰমেন্দ্ৰ নাৰায়ণ কলিতা আছিলে, ইমানুৱেল মুছাহাৰী আছিলে, হাগজেৰ ডাঙৰীয়া, খালেক ডাঙৰীয়া আছিলে, তেখেত সকলক গোটেই কেইজনৰ সহযোগীতা আৰু আমাৰ উপাধ্যক্ষ আছিলে সকলোকে ধন্যবাদ জনাইছো । আমাৰ প্ৰধান সচিবকে ধৰি প্ৰত্যেক জন বিষয়া কৰ্মচাৰী, ৰাজ্যৰ মুখ্যসচিবকে ধৰি অন্যান্য চৰকাৰী বিষয়া কৰ্মচাৰী, নিৰাপত্তাৰ দ্বায়িত্বত থকা আৰক্ষী সঞ্চালককে ধৰি বিষয়া জোৱান, দুৰদৰ্শণ কেন্দ্ৰ, আকাশবাণী গুৱাহাটী কেন্দ্ৰকে ধৰি আমাৰ কাৰ্য্যসূচী পোনপতিয়াকৈ প্ৰচাৰ কৰা বে-চৰকাৰী গোটেই কেইটা টিভি চেনেল সমূহ আৰু সকলো বৈদ্যুতিন চপা মাধ্যমে সাংবাদিক সকলে আমালৈ আগবঢ়োৱা সহযোগীতাৰ বাবে তেখেত সকলক আমি অসম বিধান সভাৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছো । এই পৱিত্ৰ সদনত মোৰ ওপৰত গুৰুদ্বায়িত্ব ন্যস্ত পালন কৰোটে আপোনালোকে মোক যি খিনি দিহা পৰামৰ্শ দিছে তাৰ বাবে মই পুনৰ ধন্যবাদ জনাইছো । মই এটা কথা শেষত কব বিচাৰিছো আমাৰ নতুন বিল্ডিংটোৰ কাম বহুতক কৈছিলো চাব জাব পাৰিলে ভাল। কাইলৈ আমাৰ বিধান সভাৰ প্ৰতিষ্ঠা দিৱস আমাৰ চাৰিটা বজাৰ পৰা আৰম্ভ হ'ব । আপোনালোকে যদি ১ ঘন্টামান আগতে আহে তেতিয়া হলে আমি সকলোকে গোটা খাই এবাৰ পৰিদৰ্শণ কৰিব পাৰিম । মাননীয় বিত্ত মন্ত্ৰীয়ে যথেষ্ট খিনি ইয়াৰ বাবে সহায় কৰিছে। বিল্ডিংটো ভালেই হৈছে। আমাৰ জাতীয় সংস্কৃতি আছে তাৰ ৰুপ ৰেখা দিয়াৰ কাৰণে আমি এটা চেষ্টা কৰিছো আৰু তাত আমাৰ আৰু পইছা প্ৰয়োজন হ'ব কিন্তু মই ভাবিছো যিকোনো উপায়েৰে বিল্ডিংটোলৈ যোৱাটো উচিত। এই বছৰৰ শেষত নহলৈও বিধান সভাৰ বাজেট আমি তাত পাতিম বুলি বদ্ধ পৰিকৰ হৈছে। আপোনালোকে কাইলৈ এবাৰ আহিব আৰু আমাৰ লগত যাব। লগতে আমাৰ দুটা ভাল খবৰ আছে । এটা হৈছে আমাৰ ইয়াৰ এটা হৈছে বাহিৰৰ। Nort-East ত আমি সকলো MP, MLA আৰু প্ৰত্যেক খন বিধান সভাৰ বিধায়কক লৈ আমাৰ অসমৰ গোটেই খিনি থাকিব বাকী খিনিও ১৫ জন বিধায়কক লৈ এখন চেমিনাৰ আমাৰ এই অঞ্চলটোৰ উন্নয়ণ কাৰণে এই চেমিনাৰ খন Speaker ডাঙৰীয়ানীয়ে তেওঁ এটা Research initiative আছিল মোক কৈছিল অহা ১৬ তাৰিখে আমাক মাতিছে দিল্লীলৈ মোক আৰু অৰুণাচলৰ অধ্যক্ষক। বাকী Nort-East চেমিনাৰ খন মে' মাহৰ শেষৰ ফালে তেখেকে আৰ্থ-সাহাৰ্য্য আগবঢ়োৱাৰ কথা কৈছে। গতিকে এই কামটো কৰাৰ কাৰণে যদি হয়, তেতিয়া আপোনালোকক আমি নিশ্চয় খবৰ দিম । শেষ মুহুৰ্তত আপোনালোকে আহিলে ভাল পাম এই চেমিনাৰ খনত । কাৰণ বহু দিনৰ পৰা ইচ্ছা আছিল যে Nort-East ৰ সকলো বিধায়ক, সাংসদ মিলি বহি কিয় কথা বিলাক আলোচনা কৰিব নোৱাৰিম । কিছুমান সমস্যা সমাধান হ'ব। আৰু দ্বিতীয় ভাল খবৰটো হ'ল আমাৰ সকলো সদস্যৰ মাজৰ পৰা Perfomance চাই এজন শ্ৰেষ্ঠ বিধায়ক নিৰ্বাচিত কৰাৰ ব্যৱস্থা কৰিছিলো আৰু সংবাদ মাধ্যমৰো দুজন তেনেকে আমাৰ সংবাদ সমূহ শুদ্ধ ভাবে পৰিবেশন কৰাৰ ওপৰত ভিত্তি কৰি কৰিছিলো আমি এইবাৰ সংবাদ মাধ্যমৰ দৈনিক অসম আৰু অগ্ৰদূতৰ দুজন সাংবাদিকক আমি যুটীয়া ভাবে আমি সেই বটাটো দিয়াৰ সিদ্ধান্ত কৰাৰ কথা কৈছিলো। আমাৰ বিধান সভাৰ কেইবাজনো সন্মানীয় সদস্যৰ মাজৰ পৰা আলোচনাৰ মাজেৰে ভূৱন পেগুক এইবাৰ এই বটাতো দিয়াৰ কথা চিন্তা কৰিলো । তেওঁকে ধৰি অন্য সদস্যও তেওঁৰ সমকক্ষ ভাবে আছে, এইটো প্ৰতিবছৰে হ'ব আৰু বিশেষকৈ উঠি অহাৰ মাজৰ পৰা এজন দুজনৰ নাম আৰু আহিছে ভাল লাগিছে যে তেওঁলোকৰ মাজৰ পৰাই শ্ৰেষ্ঠ বিধায়ক শাৰীলৈকে আহিব কাৰণে চেষ্ট হৈছে । মই কৈছোৰে মই

যদি কিবা পাৰিছো ভগৱানৰ আশীৰ্বাদ আৰু পিতৃ-মাতৃৰ আশীৰ্বাদ আৰু সকলোৰে সহযোগ কৰিব বুলি আশা কৰিছো ।

**শ্ৰী ভূৰন পেগুঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি যিটো ঘোষণা কৰিছে I just humble.

**শ্ৰী নাৰায়ণ ডেকাঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বেষ্ট বিধায়কৰ কাৰণে কিবা copnent আছে নেকি।

**মাননীয় অধ্যক্ষ ঃ** ১ লাখ টকা আমি তেখেতক আমি পুৰস্কাৰ হিচাপে দিম।

**শ্ৰী ৰূপজ্যোতি কুৰ্মীঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি মোক প্ৰথমতে শুধিছিল যে গান গাম নেকি, গতিকে মই দুশাৰীমান গান গাই দিও ।

"কুঞ্জলতা কপৌফুল ফুলি আছে, ফুলি আছে
নাচনি ভন্টিক ধুলীয়াই মাতি আছে
নাযাও বুলি নকবা বেয়া পাব
চিৰদিনৰ কাৰণে বিদায় ল'ব।"
ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সদন অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হ'ল ।